● গুৱাহাটী, যোৰহাট আৰু তেজপুৰৰ পৰা প্ৰকাশিত


■ যি স্থানতেই নাথাকক মাতৃৰ মন সদায় অনন্য
■ হাতৰ স্পৰ্শ জীৱনৰ নীৰৱ ভাষা

# দৈনিক অগ্ৰদূত

সামাজিক দায়বদ্ধতাত অবিচল

**দিগ্‌দৰ্শন**

যিয়ে কম কথা কয়, তেওঁৰ চিন্তা অধিক শক্তিশালী হয়।



ৰুমি
*পাৰস্যৰ কবি*

৭ — মাৰ্কিন ভূখণ্ড দাবী ইৰানৰ, মানচিত্ৰ যুদ্ধত আমেৰিকা-ইৰান
৪ — দানৰ ধৰ্মীয় মাহাত্ম্য আৰু বিভিন্ন জাতিৰ দাবীৰ অসাৰতা
১১ — শ্ৰীলংকাৰ স্পীনাৰক চম্ভালি আত্মবিশ্বাসী ৰাহুল

RNI-Regd No. 62953/96 ■ একত্ৰিংশত্তম বছৰ ● ৩১৩ তম সংখ্যা ● গুৱাহাটী ● শুকুৰবাৰ ৩ ভাদ ১৪৩৩ ভাস্কৰাব্দ ২১ আগষ্ট ২০২৬ চন ■ DAINIK AGRADOOT ● Guwahati ● Friday 21 August 2026 মূল্য ঃ ৯.০০ টকা

## মৰুভূমি সৃষ্টিৰ সময়

**দেশ-কাল-সমাজ**

ড° দীনেশ বৈশ্য



**কল্পনা** কৰকচোন যদি এদিন অসমৰ এটা খৰ্গৰ গঁড়টো চিৰদিনৰ বাবে নাইকিয়া হৈ যায়। যদি নাইকিয়া হৈ যায় কাজিৰঙাৰ বিভিন্ন আপুৰুগীয়া বন্যপ্ৰাণীসমূহ। যদি উপৰ্যুপৰি বানত নিশ্চিহ্ন হৈ যায় অসমৰ গাঁওসমূহ। বিলুপ্ত হৈ যায় অসমীয়া জাতিৰ সভ্যতা? তেতিয়া কাঠ বেচি ধনী হোৱা, কয়লা বেচি *আঠ পৃষ্ঠাত চাওক*

■ ‘কা’ৰ অধীনত আঠ ৰাজ্যলৈ নিৰ্দেশ জাৰি কৰিলে কেন্দ্ৰীয় গৃহ মন্ত্ৰণালয়ে ■ সৰল হ’ল তিনি ৰাষ্ট্ৰৰ অমুছলমান লোকক ভাৰতীয় নাগৰিকত্ব প্ৰদানৰ প্ৰক্ৰিয়া





## অসমসহ বাংলাদেশ-পাক সীমান্তৰ ৰাজ্যত জিলা আয়ুক্তই দিব নাগৰিকত্ব

ক্ষমতাসম্পন্ন সমিতিৰ ওচৰত থকা আবেদন হস্তান্তৰ হ’ব

■ **নিউজ ব্যুৰ’**
**নতুন দিল্লী, ২০ আগষ্ট ঃ** পাকিস্তান, বাংলাদেশ আৰু আফগানিস্তানৰ পৰা ২০১৪ৰ ৩১ ডিচেম্বৰলৈকে ভাৰতলৈ অহা অমুছলমান ছটা ধৰ্মাৱলম্বী লোকক বিতৰ্কিত নাগৰিকত্ব (সংশোধনী) আইন (কা)ৰ অধীনত ভাৰতীয় নাগৰিকত্ব প্ৰদানৰ কৰ্তৃত্ব অসমসহ আঠ ৰাজ্যত এইবাৰ প্ৰদান কৰা হৈছে জিলা আয়ুক্তসকলক। কালি কেন্দ্ৰীয় গৃহ মন্ত্ৰণালয়ে জাৰি কৰা নাগৰিকত্ব (তৃতীয় সংশোধনী) বিধি-২০২৬ৰ অধীনত চুবুৰীয়া তিনি দেশৰ পৰা অহা হিন্দু, খ্ৰীষ্টান, বৌদ্ধ, জৈন, পাৰ্চি আৰু শিখ লোকক জিলা আয়ুক্তৰ জৰিয়তে *আঠ পৃষ্ঠাত চাওক*

■ ক্ষতিগ্ৰস্ত অঞ্চলৰ পুনৰ নিৰ্মাণ-জীৱন-জীৱিকাৰ পুনৰুদ্ধাৰৰ বাবে আশ্বাস দোহাৰিলে ■ মোদীক সাক্ষাতৰ অন্তত ক’লে ড° শৰ্মাই



## বানাক্ৰান্তৰ সাহায্যৰ বাবে দিল্লীত বাহৰ পাতিছে মুখ্যমন্ত্ৰীয়ে

■ কেন্দ্ৰীয় জলশক্তি মন্ত্ৰীৰেও আলোচনা

**ষ্টাফ ৰিপ’ৰ্টাৰ**
**গুৱাহাটী, ২০ আগষ্ট ঃ** ৰাজ্যৰ শেহতীয়া বান প্ৰলয়ৰ ক্ষতিগ্ৰস্তসকলৰ পুনৰ সংস্থাপন তথা সাহায্যৰ বাবে দিল্লীত বাহৰ পাতিছে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। এই ক্ষেত্ৰত অসম চৰকাৰক পূৰ্ণ সহযোগিতা আগবঢ়োৱাৰ পুনৰ আশ্বাস দিছে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে। আজি নতুন দিল্লীত মুখ্যমন্ত্ৰী ড° শৰ্মাই বান দুৰ্গতসকলৰ পুনৰ সংস্থাপনক লৈ প্ৰধানমন্ত্ৰী মোদীক সাক্ষাৎ কৰি আলোচনাত মিলিত হয়। এই আলোচনা কালত মোদীয়ে বান দুৰ্গতসকলৰ *আঠ পৃষ্ঠাত চাওক*

■ যোৰাবাটত অসমৰ চালকৰ দিনজোৰা উত্তাল প্ৰতিবাদ ■ মেঘালয়ত পঞ্জীয়নভুক্ত বাহনক অসমত প্ৰৱেশত বাধা ■ পুনৰ আক্ৰমণৰ বলি হ’ল অসমৰ সাধাৰণ ৰাইজ

# শ্বিলঙত খাচিৰ আক্ৰমণৰ উত্তাপ অসমতো



■ অসমৰ পঞ্জীয়নভুক্ত বাহনক বৰ্ণিহাটত মেঘালয়ৰ সংগঠনৰ বাধা প্ৰদান ■ পৰিস্থিতি উত্তেজনাপূৰ্ণ ■ বুজ ল’বলৈ আহৰি নহ’ল প্ৰশাসন-বিষয়াৰ ঃ অসমৰ চালকৰ অভিযোগ



**ষ্টাফ ৰিপ’ৰ্টাৰ**
**গুৱাহাটী, ২০ আগষ্ট ঃ** খাচি ছাত্ৰ সন্থাই কালি শ্বিলঙত ৰূপায়ণ কৰা ক’লা দিৱস কাৰ্যসূচীৰ সময়ত সাধাৰণ লোকৰ ওপৰত কৰা আক্ৰমণক লৈ মেঘালয়ৰ লগতে অসমতো বিৰাজ কৰিছে উত্তেজনাপূৰ্ণ পৰিস্থিতি। মেঘালয় চৰকাৰৰ বিৰুদ্ধে সাব্যস্ত কৰা এই প্ৰতিবাদত একাংশ প্ৰতিবাদকাৰীয়ে উদ্দেশ্যপ্ৰণোদিতভাৱে শিল, ৰড, অন্যান্য কঠিন সামগ্ৰী আদিৰে সাধাৰণ লোক আৰু বহু যানবাহনৰ ওপৰত আক্ৰমণ চলায়। এই আক্ৰমণত শিশু, মহিলাসহ কে’বাজনো লোক আহত হয়। ভাঙি চূৰ্ণ-বিচূৰ্ণ কৰা হয় ব্যক্তিগত আৰু বাণিজ্যিক বহু বাহন। এনে বাহনৰ অধিকাংশই অসমৰ। অভিযোগ অনুসৰি আক্ৰমণকাৰী দলে বাছি বাছি অসমত পঞ্জীনয়ভুক্ত বাহনৰ ওপৰত আক্ৰমণ চলায়। পাৰ্কিং স্থানত ৰখাই থোৱাৰ উপৰি যাত্ৰী থকা বাহনতো উন্মত্ত দলে আক্ৰমণ চলায়। বাহনত *আঠ পৃষ্ঠাত চাওক*

## বিজেপি চৰকাৰৰ দিনত চুবুৰীয়া ৰাজ্যৰ স’তে সংঘাত বৃদ্ধি ঃ কংগ্ৰেছ

মুখ্যমন্ত্ৰী শৰ্মাক সমালোচনা অজাপৰ ঃ ঘটনাক লৈ উদ্বেগ বিজেপিৰ

**ষ্টাফ ৰিপ’ৰ্টাৰ**
**গুৱাহাটী, ২০ আগষ্ট ঃ** মেঘালয়ত প্ৰায় সঘনে সৃষ্টি হোৱা *দুই পৃষ্ঠাত চাওক*

## মণিপুৰত বাধাৰ বাবে পিছুৱালে লোকপিয়লৰ কাম-কাজ

ভৈয়ামত এনআৰচিৰ দাবীত তীব্ৰ প্ৰতিবাদ

■ **নিউজ ব্যুৰ’**
**ইম্ফল, ২০ আগষ্ট ঃ** বিগত তিনি বছৰৰ অধিক দিন ধৰি আইন-শৃংখলা জৰ্জৰিত হৈ থকা মণিপুৰত এইবাৰ লোকপিয়লৰ কামেই পিছুৱালে। *আঠ পৃষ্ঠাত চাওক*

ককৰোচৰ প্ৰতিবাদত আৰক্ষীৰ বৰ্বৰতা

## উচ্চ ক্ষমতা সম্পন্ন পাঁচজনীয়া তদন্ত সমিতি ন্যায়ালয়ৰ

■ **নিউজ ব্যুৰ’**
**নতুন দিল্লী, ২০ আগষ্ট ঃ** দেশ উত্তাল কৰি ৰখা যোৱা ২০ জুলাইৰ দিল্লীৰ ককৰোচ জনতা পাৰ্টিৰ ‘সংসদ চলো’ যাত্ৰাত দিল্লী আৰক্ষী আৰু অন্যান্য নিৰাপত্তা সংস্থাই প্ৰদৰ্শন কৰা *আঠ পৃষ্ঠাত চাওক*

■ কেএছইউৰ দাবী পূৰণত মেঘালয় চৰকাৰৰ অৱহেলাৰ অভিযোগ ■ হিংসাত্মক প্ৰতিবাদত পুৱতি নিশালৈ অব্যাহত বিক্ষিপ্ত ঘটনা

## প্ৰবল প্ৰতিৰোধৰ মাজেৰে গ্ৰেপ্তাৰ খাচি ছাত্ৰ সন্থাৰ তিনি নেতাক

■ কমেও ৩১ খন বাহনৰ ক্ষতি সাধন ঃ আহত ১৬ জন ■ পৰিস্থিতি নিয়ন্ত্ৰণৰ বাবে চিআৰপি-ৰেপিড একচন ফ’ৰ্চৰ কে’বাটাও বাহিনী নিয়োগ কেন্দ্ৰৰ



**ষ্টাফ ৰিপ’ৰ্টাৰ**
**গুৱাহাটী, ২০ আগষ্ট ঃ** পুনৰ এবাৰ উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হৈছে মেঘালয়। ৰাজ্যখনৰ লগতে ইয়াৰ প্ৰকৃত বাসিন্দাসকলৰ পৰিচয়, সুৰক্ষা নিশ্চিত কৰাৰ দাবীক কেন্দ্ৰ কৰিয়ে এই পৰিস্থিতিৰ উদ্ভৱ হৈছে। মেঘালয়ৰ প্ৰধান ছাত্ৰ সংগঠন খাচি ছাত্ৰ সন্থাই ৰাজ্য চৰকাৰৰ ওচৰত কে’বাটাও দাবী উত্থাপন কৰিছিল। তাৰ বাবে নিৰ্দিষ্ট সময়সীমা ধাৰ্য কৰিছিল। কিন্তু সেই সময়সীমাৰ ভিতৰত কনৰাড চাংমা নেতৃত্বাধীন চৰকাৰে কোনো ব্যৱস্থা গ্ৰহণ *আঠ পৃষ্ঠাত চাওক*

ৰাজ্য চৰকাৰৰ নিৰ্দেশনা

## নিলম্বিত বিষয়া-কৰ্মচাৰীয়ে এদিনৰ বিৰতিত আহিব লাগিব মুখ্য কাৰ্যালয়লৈ

**ষ্টাফ ৰিপ’ৰ্টাৰ**
**গুৱাহাটী, ২০ আগষ্ট ঃ** বিভিন্ন অভিযোগত নিলম্বিত অসম চৰকাৰৰ কৰ্মচাৰীসকলে নিলম্বনত থকা সময়তো *আঠ পৃষ্ঠাত চাওক*



## বান-খহনীয়াক ৰাষ্ট্ৰীয় সমস্যা ঘোষণাৰ দাবীত যুৱ-ছাত্ৰৰ প্ৰতিবাদ

**ষ্টাফ ৰিপ’ৰ্টাৰ**
**গুৱাহাটী, ২০ আগষ্ট ঃ** সকলো চৰ্ত পূৰণ হোৱা সত্ত্বেও অসমৰ বান-খহনীয়া সমস্যাক কেন্দ্ৰীয় চৰকাৰে ৰাষ্ট্ৰীয় সমস্যাৰূপে গ্ৰহণ নকৰাৰ *দুই পৃষ্ঠাত চাওক*

## বংশৰত প্ৰেমৰ বাবে ভেলামাৰী নৈত জাঁপ দি যুৱকৰ আত্মহত্যা

নৈৰ পাৰত স্কুটী-ছেণ্ডেল উদ্ধাৰ

**অগ্ৰদূত বাৰ্তা**
**শুৱালকুছি, ২০ আগষ্ট ঃ** কামৰূপ জিলাৰ শুৱালকুছি আৰক্ষী থানাৰ অন্তৰ্গত বংশৰৰ ভেলামাৰী নদীত প্ৰেমৰ বাবে এজন যুৱকে জাঁপ দি আত্মহত্যা *দুই পৃষ্ঠাত চাওক*

যোৰহাটৰ অন্বেষা মৃত্যুকাণ্ড

## ড্ৰাগছ যোগান ধৰা অংকিতক গ্ৰেপ্তাৰ, দুদিনৰ আৰক্ষী জিম্মাত



**ষ্টাফ ৰিপ’ৰ্টাৰ**
**যোৰহাট, ২০ আগষ্ট ঃ** যোৰহাটৰ অন্বেষা শইকীয়াৰ ৰহস্যজনক মৃত্যুৰ ঘটনাত অন্বেষাক ড্ৰাগছ যোগান ধৰাৰ *দুই পৃষ্ঠাত চাওক*


অসম-মেঘালয় ভগ্নী ৰাজ্য ঃ ড° শৰ্মা

## উত্তেজনা নাশ কৰি শান্তি ঘূৰাই অনাৰ সংকল্প দুই ৰাজ্যৰ মুখ্যমন্ত্ৰীদ্বয়ৰ

আমি গভীৰ বান্ধোন সুৰক্ষিত কৰাৰ বাবে একেলগে কাম কৰিব লাগিবই ঃ চাংমা



**ষ্টাফ ৰিপ’ৰ্টাৰ**
**গুৱাহাটী, ২০ আগষ্ট ঃ** আকস্মিকভাৱে যোৱা নিশা শ্বিলঙত সূত্ৰপাত হোৱা হিংসাত্মক ঘটনাই সৃষ্টি কৰা পৰিস্থিতি উত্তেজনা নিৰাময়ৰ বাবে হাত মিলালে অসম *আঠ পৃষ্ঠাত চাওক*



| তাপমাত্ৰা | সৰ্বোচ্চ | সৰ্বনিম্ন |
| --- | --- | --- |
| গুৱাহাটী | ৩২° | ২৬° |
| ডিব্ৰুগড় | ৩৪° | ২৭° |
| দিল্লী | ৩৪° | ২৮° |
| কলকাতা | ৩৪° | ২৮° |
| মুম্বাই | ৩০° | ২৭° |
| চেন্নাই | ৩৪° | ২৭° |
| বাংগালুৰু | ২৮° | ২০° |
| শ্বিলং | ২৬° | ২২° |

*২০ আগষ্ট, ২০২৬*

**চেঙা তেল**



*ছাৰ তেওঁলোক আপোনাক সম্বৰ্ধনা দিবলৈ অহা নাই, প্ৰতিশ্ৰুতি পূৰণ নকৰাত ধৰ্ণা দিবলৈহে আহিছে!*

■ ৩৫ বছৰৰ পাছত নিৰ্বাচন অনুষ্ঠিত ■ প্ৰাক্তন বিএনপি নেতা হ’ব ২৩ সংখ্যক ৰাষ্ট্ৰপ্ৰধান

## প্ৰধানমন্ত্ৰী তাৰেকৰ হাত শক্তিশালী কৰি বাংলাদেশৰ নতুন ৰাষ্ট্ৰপতি মিৰ্জা ফখৰুল

**নিউজ ব্যুৰ’**
**ঢাকা, ২০ আগষ্ট ঃ** প্ৰত্যাশিতভাৱে বাংলাদেশৰ ৰাষ্ট্ৰপতি নিৰ্বাচিত হৈছে শাসকীয় বাংলাদেশ নেচনেলিষ্ট পাৰ্টি (বিএনপি)ৰ প্ৰাৰ্থী মিৰ্জা ফখৰুল ইছলাম আলমগীৰ। আজি অনুষ্ঠিত নিৰ্বাচনত বিএনপি প্ৰাৰ্থীজনে জামাতুল ইছলামী নেতৃত্বাধীন ১১ দলৰ সমৰ্থিত প্ৰাৰ্থী কৰ্ণেল



(অৱসৰপ্ৰাপ্ত) অলি আহমেদক ১৬৭ টা ভোটৰ ব্যৱধানত পৰাস্ত কৰে। বিজয়ী প্ৰাৰ্থী আলমগীৰে ২৫৫ টা ভোট লাভ কৰাৰ বিপৰীতে বিজিত প্ৰাৰ্থীজনৰ পক্ষত ৮৮ টা ভোট পৰে। উল্লেখ্য যে ইয়াৰ পূৰ্বে বাংলাদেশত অন্তিমবাৰ ৰাষ্ট্ৰপতি নিৰ্বাচনত ভোটগ্ৰহণ হৈছিল ১৯৯১ত। তেতিয়াৰে পৰা ৩৫ বছৰৰ *আঠ পৃষ্ঠাত চাওক*



দৈনিক
# অগ্ৰদূত



### নাম শুধৰণি

মোৰ পান কাৰ্ড EMNPK 4582A মতে Usha Barman Kalita হৈ আছে। আধাৰ কাৰ্ড 3148 4563 9658 মতে Usha Kalita আছে। প্ৰকৃততে Usha Kalita হ'ব লাগে।

Usha Kalita
C/o- Niranjan Kalita
Vill-Lakhopur
P.O- Lakhopur
P.S- Belsor, Dist- Nalbari
Pin-781338

### AFFIDAVIT

My actual and correct name is Labhita Basumatary Boro, which is recorded in my Aadhaar Card Vide no-9042 2066 8807. At the time of my daughter's admission my name has been recorded in her birth certificate as Anu Boro. However Later I corrected my name in my daughter's birth certificate. I have declared by an affidavit before Executive Magistrate Tamulpur that Anu Boro and Labhita Basumatary Boro is the Same and one person.

Labhita Basumatary Boro

### NAME CORRECTION

I hereby declare by an affidavit before notary Kaliabor Sub-Division on 27-7-2026 that , my name has been wrongly recorded in my AGV bank pass book, Naltoli Branch vide A/C No.7258029023235 as JOSHNARA BEGUM in place of my correct & actual name JOSNA BEGUM.

Josna Begum
W/o-Abdul Ali
Vill- Bhurbandha No.4
P.O-B/Sapmari,
Dist- Nagaon (Assam)
PIN-782120

### LOST

I have lost my H.S.L.C. original Admit Card bearing Roll: B22 - 0039, No: 0143 year of 2022.

NIVA DAIMARY
C/o. Prabin Daimary
Baramchary, Baksa.

### NAME CORRECTION

I, SUDAM PODDAR, S/o Lt. Phanindra Nath Poddar, R/o Vill. Noonmati Pt-I, P.O. Hatipota, P.S. Chapar, Dist. Dhubri, Assam, do hereby declare by an affidavit that my correct name is SUDAM PODDAR, wrongly recorded as SUDAM CH PODDAR in my Service Appointment Certificate and SUDAM CHANDRA PODDAR in my Voter ID vide no. DBG1396958. My father's correct name is PHANINDRA NATH PODDAR, wrongly recorded as PHANINDRA PODDAR in my Voter ID. SUDAM PODDAR, SUDAM CH PODDAR & SUDAM CHANDRA PODDAR and PHANINDRA NATH PODDAR & PHANINDRA PODDAR refer to one and the same persons respectively.

# এপ'লো হাস্পতালৰ 'অলৱেজ অ'পেন অলৱেজ হিয়েৰ' মুকলি




**নিউজ ব্যু'ৰ**
**নতুন দিল্লী, ২০ আগষ্ট ঃ** এপ'লো হাস্পতালৰ বৃহবাৰে 'অলৱেজ অপেন, অলৱেজ হিয়াৰ' শীৰ্ষক এক অভিনৱ উদ্যোগৰ আৰম্ভ ঘোষণা কৰে। এই উদ্যোগৰ জৰিয়তে এপ'লো হাস্পতালছৰ বিভিন্ন কেন্দ্ৰত এতিয়াৰে পৰা সপ্তাহৰ সাতোটা দিনতে, দেওবাৰকে ধৰি নিয়মীয়া আৰু পৰিকল্পিত স্বাস্থ্যসেৱা উপলব্ধ হ'ব। নতুন উদ্যোগৰ অধীনত দেওবাৰে বহিঃবিভাগীয় বিশেষজ্ঞ পৰামৰ্শ, ডায়গ্ন'ষ্টিক পৰীক্ষা, প্ৰতিৰোধমূলক স্বাস্থ্য পৰীক্ষা, ফ'ল'আপ কনছালটেচন আৰু নিৰ্ধাৰিত চিকিৎসা পদ্ধতি উপলব্ধ হ'ব। ইয়াৰ ফলত ৰোগী আৰু তেওঁলোকৰ পৰিয়ালে সপ্তাহৰ কৰ্মদিনলৈ অপেক্ষা নকৰাকৈ সময়মতে চিকিৎসা গ্ৰহণ কৰিব পাৰিব। এপ'লোৱে 'হ্ৰেলথ অৱ দ্য নেচন ২০২৬ ৰিপ'ৰ্ট'-এ মেদবহুলতা, উচ্চ ৰক্তচাপ, ডায়েবেটিছ আৰু মেটাবলিক ডিজঅৰ্ডাৰৰ দৰে জীৱনশৈলীৰ স'তে জড়িত ৰোগৰ বৰ্ধিত প্ৰৱণতাৰ কথা উল্লেখ কৰিছে। ভাৰতত ২৫ লাখৰো অধিক ব্যক্তিৰ স্বাস্থ্য পৰীক্ষাৰ তথ্যৰ ওপৰত ভিত্তি কৰি প্ৰস্তুত কৰা প্ৰতিবেদনত প্ৰায় ২৬ শতাংশ লোকৰ উচ্চ ৰক্তচাপ আৰু ২৩ শতাংশ লোকৰ ডায়েবেটিছ ধৰা পৰিছে যদিও তেওঁলোকৰ কোনো লক্ষণ নাছিল। এপ'লো হাস্পতালছ গ্ৰুপৰ প্ৰতিষ্ঠাপক তথা অধ্যক্ষ ডাঃ প্ৰতাপ চি ৰেড্ডীয়ে কয়, 'অলৱেজ অপেন, অলৱেজ হিয়াৰ' হৈছে সেই প্ৰতিশ্ৰুতিৰে এক স্বাভাৱিক পৰৱৰ্তী পদক্ষেপ।' এপ'লো হাস্পতালছৰ এক্সিকিউটিভ ভাইচ চেয়াৰপাৰ্ছন ডাঃ প্ৰীথা ৰেড্ডীয়ে কয়, 'মানুহে যাতে নিজৰ জীৱনধাৰাৰ স'তে সহজে খাপ খোৱা সময়ত চিকিৎসা গ্ৰহণ কৰিব পাৰে, সেই সুবিধা থকা উচিত।'

### LOST

I have lost my all original educational documents of HSLC (2011) HSSLC (2013) B. Sc (2016) M. Sc (2019) B. Ed (2021).

Rabina Begum.
Rangia


### AFFIDAVIT

I, CHUMI MUNDA, W/O-Late Jonach Munda, Village-Sirajuli Tea Estate, P.S.-Dhekiajuli, District- Sonitpur (Assam) hereby declared by an affidavit at Tezpur Court on 18/08/2026 that my actual and correct name is CHUMI MUNDA. But in my a joint account at SBI, Dhekiajuli Branch, vide A/c no. 31051955360,my name has been recorded as TULINAI MUNDA instead of CHUMI MUNDA. That CHUMI MUNDA and TULINAI MUNDA are the names of same person having single identity.

### NAME CORRECTION

I, Rina Rabha Baro, W/O -Lt. Narendra Baro, R/O Vill : Pub Jangalpara, P.O: Meskapukhuri, P.S : Kalaigaon, Dist- Udalguri (BTR) Assam declared vide an affidavit before NOTARY DARRANG dtd. 12/08/26, that in my land documents vide Dag No. 98, Patta No.1 situated at Village: Pub Jangalpara, Mouza : Silpota under Kalaigaon Revenue Circle, Dist. Udalguri, my name is recorded as Bina Rabha Baro, W/O -Naren instead of Rina Rabha Baro, W/O Lt. Narendra Baro. Both are same person having single identity.

# আয়ুৰ্বেদিক ড° অৰ্থো আৰু 'আৱাৰাপন ২' ছবিৰ মাজত বিশেষ ব্ৰেণ্ড অংশীদাৰিত্ব




**চণ্ডীগড়, ২০ আগষ্ট ঃ** নীতিন কক্কাৰৰ পৰিচালিত 'আৱাৰাপান ২' ছবিখনে ডাঙৰ পৰ্দালৈ আনিছে প্ৰেম, আৱেগ, সংগ্ৰাম আৰু জীৱনৰ উত্থান-পতনৰ কাহিনী। ছবিখনৰ মুখ্য চৰিত্ৰত অভিনয় কৰিছে ইমৰান হাচমী আৰু দিশা পাটানিয়ে। ছবিখনৰ প্ৰচাৰ অভিযানৰ সময়ত অভিনেতাসকলে ডাঃ অৰ্থপেডিক মেট্ৰেছ আৰু গাৰুৰ পৰামৰ্শ দিছিল, যিটো আপোনাৰ মেৰুদণ্ড. ডিঙি, পিঠি আৰু নিতম্বৰ সঠিক প্ৰান্তিককৰণ বজাই ৰখাত সহায় কৰিবলৈ ডিজাইন কৰা হৈছে, যাতে প্ৰতিটো নিশাই অধিক আৰামদায়ক আৰু বিষমুক্ত হয়। ছবিখনৰ সফলতা কামনা কৰি উদ্যোগী তথা বিনিয়োগকাৰী ড° সঞ্জীৱ জুনেজাই কয় যে আৱেগ, সম্পৰ্ক, জীৱনৰ সংগ্ৰামক সুন্দৰকৈ চিত্ৰিত কৰা ছবিবোৰে দৰ্শকৰ স'তে পোনপটীয়াকৈ সংযোগ স্থাপন কৰে। তেওঁ সমগ্ৰ দললৈ শুভেচ্ছা জ্ঞাপন কৰাৰ লগত আৱাৰাপান ২ৰ সফলতা কামনা কৰে। এই উপলক্ষে কোম্পানীটোৰ এজন প্ৰতিনিধিয়ে কয় যে ডাঃ অৰ্থপেডিক মেট্ৰেছ আৰু গাৰু এজন ব্যক্তিক সহায় কৰাৰ ধাৰণাৰে বিকশিত কৰা হৈছে আৰু সক্ৰিয় জীৱনশৈলীৰ লগতে ভাল আৰু অধিক আৰামদায়ক টোপনিও প্ৰদান কৰে। প্ৰতিনিধিজনে আৰু কয় যে ভৱিৰ উন্নত যন্ত্ৰ আৰু আৰাম প্ৰদানৰ বাবে ডাঃ অৰ্থ একুপ্ৰেচাৰ চপ্পল এণ্ড শ্বুজো প্ৰৱৰ্তন কৰা হৈছে।

# ডিব্ৰুগড় নন্দলাল বৰগোহাঁই চিটি মহাবিদ্যালয়ৰ প্ৰতিষ্ঠা দিৱস

**বিশেষ সংবাদদাতা**
**ডিব্ৰুগড়, ২০ আগষ্ট ঃ** ডিব্ৰুগড়ৰ অন্যতম অগ্ৰণী শিক্ষানুষ্ঠান নন্দলাল বৰগোহাঁই চিটি মহাবিদ্যালয়ৰ ৩৪ সংখ্যক প্ৰতিষ্ঠা দিৱস উলহ-মালহেৰে সম্পন্ন হয়। মহাবিদ্যালয়ৰ প্ৰাংগণত অনুষ্ঠিত এই বিশেষ অনুষ্ঠানত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰি ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ, ড° শশীকান্ত শইকীয়াই কয় যে এটা জাতিক ধ্বংস কৰিবলৈ এটম বোমাৰ প্ৰয়োজন নাই, কেৱল তাৰ শিক্ষাব্যৱস্থাক ধ্বংস কৰি দিলেই পৰ্যাপ্ত। যি জাতিয়ে নিজৰ ভাষা, সংস্কৃতি আৰু বুৰঞ্জীক শ্ৰদ্ধা নকৰে, সেই জাতি কালৰ গতিত বিলুপ্ত হৈ যায় বুলি উল্লেখ কৰি তেওঁ নতুন প্ৰজন্মক সামাজিক মাধ্যম আৰু স্মাৰ্টফোনৰ ৰঙীন পৃথিৱীখনৰ পৰা আঁতৰি আহি গভীৰ অধ্যয়ন আৰু পৰিশ্ৰমত মনোনিৱেশ কৰিবলৈ আহ্বান জনায়। পতাকা উত্তোলন আৰু বন্তি প্ৰজ্বলনেৰে আৰম্ভ হোৱা অনুষ্ঠানত আদৰণি ভাষণ প্ৰদান কৰে মহাবিদ্যালয়ৰ অধ্যক্ষ ড° সঞ্জীৱানন্দ বৰগোঁহাইয়ে। মহাবিদ্যালয়ৰ মূল পৃষ্ঠপোষক তথা প্ৰতিষ্ঠাপক স্বৰ্গীয় নন্দলাল বৰগোহাঁইৰ পত্নী তথা পৰিচালনা সমিতিৰ সভাপতি জ্যোতি বৰগোঁহাইয়ে ৩৩ বছৰ পূৰ্বে এক সংগ্ৰামপূৰ্ণ পৰিস্থিতিত জন্মলাভ কৰা মহাবিদ্যালয়খনৰ আৰম্ভণিৰ দিনবোৰৰ কথা সোঁৱৰণ কৰি আবেগিক হৈ পৰে। আমোলাপট্টি নাট্য মন্দিৰৰ সৰু কোঠাৰ পৰা আৰম্ভ হোৱা এই শিক্ষানুষ্ঠানখনে বৰ্তমান ক্ৰীড়া, শিক্ষা আৰু সংস্কৃতিৰ ক্ষেত্ৰত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অধীনত এক সুকীয়া পৰিচয় দাঙি ধৰিবলৈ সক্ষম হোৱাটো সকলোৰে বাবে গৌৰৱৰ বিষয় বুলি তেওঁ উল্লেখ কৰে। অনুষ্ঠানত বিশিষ্ট সমাজসেৱক তথা চাৰ্টাৰ্ড একাউনন্টেণ্ট জ্যোতিপ্ৰসাদ কানৈক গছপুলি, কিতাপৰ টোপোলা, ফুলাম গামোচা আৰু মানপত্ৰৰে বিশেষভাৱে সম্বৰ্ধনা জনোৱা হয়। তেওঁ মহাবিদ্যালয়খনৰ আন্তঃগাঁথনি উন্নয়নৰ বাবে নগদ দুই লাখ টকা আগবঢ়োৱাৰ লগতে প্ৰতিটো শিক্ষাবৰ্ষৰ শ্ৰেষ্ঠ স্নাতকক ১০ হেজাৰ টকাৰ বঁটা প্ৰদানৰ ঘোষণা কৰে। অনুষ্ঠানত বৃহত্তৰ ডিব্ৰুগড় প্ৰেছ ক্লাবৰ সভাপতি তথা অসম আদিত্যৰ সম্পাদক মনজিৎ বৰাই কয় যে প্ৰযুক্তিয়ে যেন আমাক পৰিচালনা নকৰে, আমিহে বিজ্ঞান আৰু কৃত্ৰিম বুদ্ধিমত্তাৰ নিয়ন্ত্ৰক হ'ব লাগিব। সাহিত্যিক, সাংবাদিক তথা মহাবিদ্যালয়খনৰ প্ৰাক্তন ছাত্ৰ ৰাতুল বুঢ়াগোঁহাইয়ে ভাষণ প্ৰদান কৰি প্ৰতিষ্ঠাপক নন্দলাল বৰগোহাঁইৰ ত্যাগক শ্ৰদ্ধাৰে সোঁৱৰে। এই অনুষ্ঠানতে অধ্যক্ষ ড° বৰগোহাঁইয়ে ৰাতুল বুঢ়াগোঁহাইৰ শেহতীয়া উপন্যাস 'কংক্ৰিট'ৰ ১০টা কপি গ্ৰন্থাগাৰৰ বাবে ক্ৰয় কৰাত তেওঁ কৰ্তৃপক্ষক ধন্যবাদ জনায়। ড° তুলতুল বৰুৱায়ো শিক্ষাৰ্থীসকলক উদ্দেশ্যি মূল্যবান বক্তব্য আগবঢ়ায়। নৃতত্ত্ব বিভাগৰ অধ্যাপক নিৰঞ্জন বড়াই আঁত ধৰা আৰু অধ্যক্ষৰ সভাপতিত্বত অনুষ্ঠিত এই অনুষ্ঠানত সমাজতত্ত্ব বিভাগৰ অধ্যাপক ভদ্ৰেশ্বৰ বৰুৱাই শলাগৰ শৰাই আগবঢ়ায়।

# বিশিষ্ট শিল্পী-সত্ৰীয়া সংস্কৃতিৰ সাধক ভূজেন মহন্তৰ বিয়োগ

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**নগাঁও, ২০ আগষ্ট ঃ** এসময়ৰ অসমৰ ভ্ৰাম্যমাণ থিয়েটাৰৰ বিশিষ্ট বাদ্যযন্ত্ৰী তথা সত্ৰীয়া, সত্ৰীয়া সংস্কৃতিৰ সাধক ভূজেন মহন্তৰ কালি চিকিৎসাধীন অৱস্থাত তেজপুৰ মিছন হাস্পতালত পৰলোক প্ৰাপ্তি ঘটে। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৭৬ বছৰ। ১৯৫০ৰ ২৯ জুলাইত নগাঁও জিলাৰ গোঁসাইবৰীত জন্ম লাভ কৰা মহন্তই অসমৰ বিভিন্ন ভ্ৰাম্যমাণ থিয়েটাৰত বিশিষ্ট বাদ্যযন্ত্ৰী হিচাপে কৰ্মজীৱন আৰম্ভ কৰি পাছত বিভিন্ন চাহ বাগিচাত কৰ্মৰত হৈ অবিভক্ত শোণিতপুৰ বৰ্তমান বিশ্বনাথ জিলাৰ গহপুৰ মহকুমাৰ অন্তৰ্গত মাগনি গাঁৱৰ স্থায়ী বাসিন্দা হৈ সত্ৰীয়া সংস্কৃতিৰ লগত জৰিত হৈ পৰি অসম সত্ৰ মহাসভাৰ আজীৱন সদস্য হৈ সত্ৰীয়া সংস্কৃতি প্ৰচাৰ আৰু প্ৰসাৰত জৰিত হৈ পৰে।

# ডিব্ৰুগড়ৰ জ্যেষ্ঠ অধিবক্তা জৈন উদ্দিন আহমেদৰ মৃত্যু

**বিশেষ সংবাদদাতা**
**ডিব্ৰুগড়, ২০ আগষ্ট ঃ** ডিব্ৰুগড়ৰ জ্যেষ্ঠ অধিবক্তা, সমাজকৰ্মী জৈন উদ্দিন আহমেদৰ কালি দিল্লীৰ এখন চিকিৎসালয়ত চিকিৎসাধীন অৱস্থাত ৬৮ বছৰ বয়সত মৃত্যু হয়। আজি পুৱা তেওঁৰ নশ্বৰদেহ নতুন দিল্লীৰ পৰা বিমানযোগে ডিব্ৰুগড়লৈ অনা হয়। উল্লেখ্য যে ১৯৫৮ৰ ১৮ ডিচেম্বৰত ডিব্ৰুগড়ৰ লোহাৰপট্টিত জন্মগ্ৰহণ কৰা আহমেদে তাহানিৰ পাঞ্জাৱী হাইস্কুলৰ পৰা মেট্ৰিক, ডিব্ৰুগড় কানৈ কমাৰ্চ কলেজৰ পৰা বি-কম, আইন মহাবিদ্যালয়ৰ পৰা আইনী ডিগ্ৰী আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ পৰা ডিগ্ৰী লাভ কৰে। মৃত্যুৰ আগলৈকে ডিব্ৰুগড়ত ওকালতি পঢ়ি অহা আহমেদে মৃত্যুৰ সময়ত পত্নীসহ এজন পুত্ৰ আৰু দুই কন্যাক এৰি যায়। ডিব্ৰুগড় নতুন বজাৰ জামে মছজিদ, ডিব্ৰুগড়ৰ সামাজিক অনুষ্ঠান চেণ্টাৰ ফৰ ইছলামিক ষ্টাডিজ, ডিব্ৰুগড় মাজাৰ কমিটী আদি অনুষ্ঠান-প্ৰতিষ্ঠানৰে জড়িত অধিবক্তা আহমেদৰ মৃত্যুত শোকৰ ছাঁ পৰিছে। আজি স্থানীয় আমোলাপট্টি কবৰ স্থানত গুণমুগ্ধৰ উপস্থিতিত তেওঁৰ জানাজা সম্পন্ন কৰা হয়।

# বংশৰত প্ৰেমৰ বাবে ভেলামাৰী

*এক পৃষ্ঠাৰ পৰা* কৰাৰ সন্দেহ কৰা হৈছে। আৰক্ষীয়ে জনোৱা মতে, গন্ধমৌ বৰবদ্দিয়া গাঁৱৰ প্ৰদীপ নাথ আৰু গিৰিবালা নাথৰ কনিষ্ঠ পুত্ৰ প্ৰাঞ্জল নাথ (২৩)-এ বুধবাৰে নিশা সমনীয়াৰ স'তে সমীপৰ মনসা পূজা চাবলৈ ওলাই গৈছিল। কিন্তু পূজাথলীত সমনীয়াসকলক হঠাতে এৰি যুৱকজন নিৰুদ্দেশ হয়। বহু বিচাৰ-খোচাৰ কৰাৰ পাছত সমনীয়াসকলে প্ৰাঞ্জলৰ স'তে ফোনত যোগাযোগ কৰিবলৈ সক্ষম হয় যদিও ফোনত যুৱকজনে অত্যন্ত হতাশাগ্ৰস্ত হৈ কয়, 'মই মৰিবলৈ আহিছো, তহঁত ভালকৈ থাকিবি। মই শেষ হৈ গ'লো, বৰ্বাদ হৈ গ'লো, মোক বিচাৰিব নালাগে। মই জীয়াই থকাৰ কোনো অৰ্থ নাই।' ইয়াৰ পাছতে প্ৰাঞ্জলে ফোনটো বন্ধ কৰি দিয়ে। প্ৰাঞ্জলৰ এই কথা শুনি সমনীয়াসকলে ততাতৈয়াকৈ সন্ধান চলায়। অৱশেষত বংশৰৰ ভেলামাৰী নদীৰ পাৰত যুৱকজনৰ স্কুটী আৰু তেওঁৰ হাৱাই ছেণ্ডেলযোৰ উদ্ধাৰ কৰে। এই সন্দৰ্ভত শুৱালকুছি আৰক্ষীক অৱগত কৰাত আৰক্ষীৰ লগতে স্থানীয় ৰাইজ আৰু উদ্ধাৰকাৰী বাহিনীয়ে নৈখনত অভিযান চলায় যদিও এই পৰ্যন্ত কোনো সন্ধান পোৱা নাই। ইফালে, প্ৰাঞ্জলৰ এই ফোন ৰেকৰ্ডিং ভাইৰেল হৈ পৰাত ঘটনাৰ ৰহস্য অধিক ঘনীভূত হৈছে। প্ৰেমিকাৰ স'তে হোৱা মতানৈক্যৰ বাবে যুৱকজনে নৈত জাঁপ দি আত্মহত্যা কৰাৰ সন্দেহ প্ৰকাশ কৰিছে পৰিয়ালৰ লগতে স্থানীয় ৰাইজে। উল্লেখ্য যে এবছৰ পূৰ্বে প্ৰাঞ্জলৰ জ্যেষ্ঠ ভ্ৰাতৃৰো আকস্মিক মৃত্যু ঘটিছিল। এবছৰৰ ভিতৰতে দুই পুত্ৰক হেৰুৱাই এতিয়া নিথৰুৱা হৈ পৰিছে বৃদ্ধ পিতৃ-মাতৃ। এই ঘটনাই অঞ্চলটোত শোকৰ ছাঁ পেলাইছে।

# বান-খহনীয়াক ৰাষ্ট্ৰীয় সমস্যা ঘোষণাৰ

*এক পৃষ্ঠাৰ পৰা* অভিযোগৰে আজি সৰৱ হয় অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ। বান-খহনীয়াক ৰাষ্ট্ৰীয় সমস্যাৰূপে ঘোষণাৰ দাবী জনাই আজি সংগঠনটোৰ বৃহৎসংখ্যক সদস্যই গুৱাহাটীৰ চচলত অৱস্থান ধৰ্মঘট কাৰ্যসূচী ৰূপায়ণ কৰে। নিজ দাবীৰ সমৰ্থনত শ্ল'গান দিয়াৰ লগতে 'অসমৰ সম্পদ লুটিবলৈ ৰাষ্ট্ৰীয় স্বাৰ্থ, কিন্তু অসমৰ সংকটত কিয় নিমাত', 'ৰাষ্ট্ৰীয় সম্পদৰ অংশীদাৰ অসম, সেয়েহে ৰাষ্ট্ৰীয় সমস্যাৰ সমাধানতো অসমক ন্যায়সংগত অংশীদাৰিত্ব দিয়ক', 'বছৰে বছৰে বান, বছৰে বছৰে পেকেজ, এই চক্ৰৰ অৱসান ঘটাব লাগিব', 'অসমক সহানুভূতি নালাগে, লাগে স্থায়ী সমাধানৰ সাংবিধানিক আৰু ৰাষ্ট্ৰীয় দায়বদ্ধতা' আদি লিখা প্লেকাৰ্ড প্ৰদৰ্শন কৰে। আনহাতে, এই প্ৰতিবাদী কাৰ্যসূচীত নেতৃত্ব প্ৰদান কৰি পৰিষদৰ সভাপতি পলাশ চাংমাই আৰু সাধাৰণ সম্পাদক বিজন বায়নে কয়, 'অসমৰ বান আৰু খহনীয়া কেৱল প্ৰাকৃতিক দুৰ্যোগ নহয়, বৰঞ্চ প্ৰতি বছৰে অসমৰ অৰ্থনীতি আৰু জনজীৱন ধ্বংস কৰা এক বৃহৎ সংকট। এই ভয়াৱহ সমস্যাৰ স্থায়ী সমাধানৰ লক্ষ্যৰে আমি আজি চচলত তিনি ঘণ্টীয়া অৱস্থান ধৰ্মঘট কাৰ্যসূচী পালন কৰো। এই আন্দোলনৰ জৰিয়তে কেন্দ্ৰৰ ওচৰত স্পষ্ট দাবী উত্থাপন কৰা হয় যে অসমৰ বান আৰু খহনীয়াক শীঘ্ৰে আনুষ্ঠানিকভাৱে ৰাষ্ট্ৰীয় সমস্যাৰূপে স্বীকৃতি প্ৰদান কৰিব লাগে।' শেহতীয়া বানত বিধ্বস্ত পূব অসমৰ আৰ্থিক পুনৰুজ্জীৱিতকৰণৰ বাবে কেন্দ্ৰীয় চৰকাৰক জৰুৰীভাৱে ১০ হেজাৰ কোটি টকা বিশেষ সাহায্য মোকলাই দিবলৈ পৰিষদৰ নেতাদ্বয়ে দাবী উত্থাপন কৰে। দুয়োৰে লগতে কয় যে প্ৰতি বছৰে বান-খহনীয়াৰ ফলত সৰ্বস্বান্ত হোৱা অৰ্থনীতি পুনৰ গঢ়িবলৈও ধাৰাবাহিকভাৱে ১০ হেজাৰ কোটি টকা ধাৰ্য কৰিব লাগে। যদিহে কেন্দ্ৰ এই বাৰ্ষিক সাহায্য প্ৰদানত ব্যৰ্থ হয় তেন্তে অইল ইণ্ডিয়া, অ'এনজিচি, ক'ল ইণ্ডিয়া আদি প্ৰতিষ্ঠানৰ পৰা কেন্দ্ৰই সংগ্ৰহ কৰি থকা ৰয়েলটি বন্ধ কৰিব লাগিব বুলিও পৰিষদে দাবী জনায়।


# ড্ৰাগছ যোগান ধৰা অংকিতক গ্ৰেপ্তাৰ

*এক পৃষ্ঠাৰ পৰা* অভিযোগত অংকিত দাস নামৰ এজন যুৱকক যোৱা নিশা গ্ৰেপ্তাৰ কৰে যোৰহাট আৰক্ষীয়ে। যোৱা নিশা যোৰহাট নগৰৰ মিলন নগৰৰ বাসিন্দা অংকিতক ঘৰৰ ওচৰৰ পৰা আৰক্ষীয়ে বিশেষ অভিযান চলাই গ্ৰেপ্তাৰ কৰাৰ পাছত আজি আদালতত হাজিৰ কৰোৱা হয়। আদালতে অংকিতক দুদিনৰ বাবে আৰক্ষীৰ জিম্মালৈ প্ৰেৰণ কৰে। উল্লেখ্য যে যোৱা ১৫ আগষ্টত নগৰৰ মাজমজিয়াৰ দহাবৰা চুকৰ গৌৰী এনক্লেভত অন্বেষা শইকীয়াৰ মৃত্যুৰ ঘটনাৰ পাছৰে পৰা অংকিত পলাতক হৈ আছিল। উল্লেখ্য যে ঘটনাৰ দিনা ফ্লেটটোত হোৱা পাৰ্টিত ধৃত অংকিত উপস্থিত আছিল বুলি আৰক্ষীৰ তদন্তত পোহৰলৈ আহিছে। যোৰহাট সদৰ থানাৰ ভাৰপ্ৰাপ্ত বিষয়া হৃষীকেশ হাজৰিকাই 'দৈনিক অগ্ৰদূত'ক জনোৱা মতে, অংকিত নিজে ড্ৰাগছ আসক্ত এজন যুৱক হোৱাৰ উপৰি তেওঁ ড্ৰাগছ সৰবৰাহ কৰে। সেইদিনা পাৰ্টিত সক্ৰিয় অংশগ্ৰহণ কৰিছিল যদিও অংকিত পাছত ঘটনা বিষম দেখি পলায়ন কৰে। ড্ৰাগছৰ বেহাৰ স'তে জড়িত অংকিতৰ উদ্যোগত সেইদিনাৰ পাৰ্টি আয়োজন কৰা হৈছিল আৰু সেই পাৰ্টিত অন্বেষা, মনালিছা, অৰ্পিতাৰ উপৰি ফ্লেটটো ভাড়া লৈ থকা ঝৰ্ণা গোস্বামীৰ পুত্ৰ আৰিয়ান আৰু অংকিতে অংশগ্ৰহণ কৰিছিল। নৈশ আহাৰ গ্ৰহণৰ পূৰ্বে চলিছিল ড্ৰাগছ গ্ৰহণ পৰ্ব। অন্বেষা, আৰিয়ান আৰু অংকিতে চিৰিঞ্জৰে ড্ৰাগছ লৈছিল যদিও মনালিছা আৰু অৰ্পিতাই ড্ৰাগছ লোৱা নাছিল বুলি আৰক্ষী সূত্ৰই জনাইছে। অন্বেষাক পাৰ্টিলৈ মাতি অনা মূল মানুহটোৱে হ'ল অংকিত। অংকিতৰ গ্ৰেপ্তাৰৰ পাছত এই সন্দৰ্ভত তদন্তত নতুন তথ্য পোহৰলৈ অহাৰ সম্ভাৱনা আছে বুলি আৰক্ষী সূত্ৰই প্ৰকাশ কৰিছে যদিও তদন্তৰ খাতিৰত সবিশেষ জনোৱাৰ পৰা বিৰত থাকে। আজি আদালতত অংকিতক হাজিৰ কৰোৱাৰ সময়ত সাংবাদিকে বিভিন্ন প্ৰশ্ন কৰে যদিও তেওঁ কোনো মন্তব্য নকৰে। টি-ছাৰ্টৰে মুখ ঢাকি আদালত চৌহদত সাংবাদিকৰ পৰা নিজকে আঁতৰাই ৰখাৰ চেষ্টা কৰে। আনহাতে, অংকিতৰ মাতৃ আৰু একাংশ আত্মীয়ই থানা আৰু আদালত চৌহদত সাংবাদিকৰ স'তে বাক-বিতণ্ডাত লিপ্ত হোৱাৰ লগতে অংকিতক নিৰ্দোষী বুলি দাবী কৰে।

### গৌৰী এনক্লেভত ফৰেনচিক গৱেষকৰ দল

ইফালে, অন্বেষা শইকীয়াৰ মৃত্যুৰ তদন্তত আজি আন এক গুৰুত্বপূৰ্ণ অগ্ৰগতি ঘটে। গুৱাহাটীৰ পৰা অহা চাৰিজনীয়া ফৰেনচিক গৱেষকৰ এটা দলে দহাবৰা চুকৰ গৌৰী এনক্লেভৰ বি-২ ফ্লেটত উপস্থিত হৈ সেই নিশা ব্যৱহৃত বিভিন্ন সামগ্ৰীৰ নমুনা সংগ্ৰহ কৰে। অৱশ্যে ফৰেনচিক দলটোৱে কি কি সামগ্ৰীৰ নমুনা সংগ্ৰহ কৰিছে সেই বিষয়ে আনুষ্ঠানিক কোনো তথ্য প্ৰকাশ কৰা নাই যদিও কিছু চিৰিঞ্জ, ড্ৰাগছৰ অৱশিষ্ট আৰু কিছু খাদ্য সামগ্ৰীৰ নমুনা সংগ্ৰহ কৰে।

### শব্দবেহু ঃ ২১ আগষ্ট ২০২৬



**পথালিয়ে**
১। নাৰীৰ স্তন (২)
২। নিৰুদ্দেশ, সন্ধানহীন (৩)
৪। বাঁহ আদিৰ মিহি গোটা কাঠী (৩)
৬। শোভা, সংগীতৰ ৰাগ (৩)
৮। মানুহ বা জন্তুৰ সমূহ, জুম (২)
১১। পাতল, গধূৰ নোহোৱা (২)
১৩। কাৰুশালা, দ্ৰব্য নিৰ্মাণৰ স্থান (৪)
১৫। অধ্যয়নৰ কাৰণে দিয়া বৃত্তি (৪)
১৭। অৰ্থ, বিত্ত, সম্পত্তি (২)
১৮। লাখ, এশ হেজাৰ (২)
২২। গৰাকী, অধিকাৰী (৩)
২৪। নেউল, শিৰ (৩)
২৫। আৰ্হি, আদৰ্শ (৩)
২৬। তিৰোতা, ললনা (২)

**থিয়কৈ**
১। ইটাগুড়ীয়া বৰণৰ কাউৰীৰ আকৃতিৰ এবিধ চৰাই (৩)
২। পতাকা, চিন (৩)
৩। সোপান, খটখটী (৩)
৫। নিকাহৰ সময়ত মুছলমান লোকে চহী কৰা চুক্তিপত্ৰ (৫)
৭। দেশৰ অধিপতি, নৃপতি (২)
৯। দঢ়াই কোৱা কথা (৩)
১০। আশংকা, সন্দেহ (২)
১২। ৰজাৰ পুত্ৰ (৫)
১৪। ৰসপূৰ্ণ, সৰস (৩)
১৬। শ্ৰদ্ধা, দঢ় ভক্তি, ব্ৰত (২)
১৯। দোষ-মাৰ্জনা, মাফ (২)
২০। দোলা বা ইফালে-সিফালে লৰা (৩)
২১। বিষ, দুখ, যন্ত্ৰণা (৩)
২৩। লাহী, খোপা (৩)

**উত্তৰ অহা সংখ্যাত**

**২০ আগষ্ট ২০২৬ সংখ্যাৰ উত্তৰ**

**পথালিয়ে**
৩। বৰবাদ ৫। ৰোষ ৬। নামাৱলী ৭। শম ৮। নাবালক ১০। বাৎসল্য ১৪। বাৰকোছ ১৫। হলাহল ১৭। ধৃত ১৮। জয়পাল ২০। কোপ ২১। তানপুৰা

**থিয়কৈ**
১। প্ৰৰোচনা ২। ধুমা ৩। বলী ৪। দশম ৬। নাৰিকল ৭। শল্য ৯। বাণ ১০। বান্দা ১১। গছ ১২। তহবিল ১৩। জহ ১৪। বাত ১৬। লহপহ ১৭। ধৃষ্টতা ১৮। জৰা ১৯। পাত্ৰ

### আজিৰ দিনটো


কিৰো ইয়ং, ৰত্ন কুবেৰ জেমছ এণ্ড জুৱেলাৰী
জি. এছ. ৰোড, মণিপুৰী বস্তী, গুৱাহাটী-৭
☎ ঃ ৮৮২২৯-১১১৭১, ৯০৮৫৯৪৯৩০৯

**৩ ভাদ শুকুৰবাৰ ২১ আগষ্ট**

**সূৰ্যোদয় ঃ** ঘঃ ৫।০।২৪। **সূৰ্যাস্ত ঃ** ঘঃ ৫।৫১।১৬। **তিথি ঃ** শুক্লা, নৱমী, দং ৪৬।৪৮।২৮ ৰাঘ ১১।৪৪।৪৭। **নক্ষত্ৰ ঃ** অনুৰাধা, দং ২১।০।২৯ ঘঃ ১।২৪।৩৬। **যোগ ঃ** ইন্দ্ৰ, দং ৫।৯।২২ ঘঃ ৭।৪।৯। **কৰণ ঃ** বালৱ। **জন্মত ঃ** বৃশ্চিকৰাশি, বিপ্ৰবৰ্ণ, দেৱগণ, হৰিণৰ অস্থি, বৰুণযোগ, অষ্টোত্তৰী আৰু বিংশোত্তৰী শনিৰ দশা, ঘঃ ১।২৪।৩৬ যোৱাত দেৱাৰিগণ, বিংশোত্তৰী বুধৰ দশা। **আদ্যঋতু হ'লে ঃ** তিনিমহীয়া পতিহীনা যোগ। **মৰণত দোষ ঃ** নাই। **যোগিনী ঃ** পূবত, ৰাঘ ১১।৪৩।৪৭ যোৱাত উত্তৰত। **যাত্ৰা ঃ** শুভ অমৃতযোগ, পশ্চিমত নাই, ৰাঘ ১১।৪৩।৪৭ যোৱাত শুভ। **শুভকৰ্ম ঃ** দীক্ষা, আৰোগ্যস্নান, ৰত্নাদিধাৰণ, ক্ৰয়-বিক্ৰয়। **ভক্ষ্যাভক্ষ্য ঃ** লাউ, ৰাঘ ১১।৪৩।৪৭ যোৱাত কলমৌ শাক খোৱা নিশেষ।

*দিনটোৰ ৰাশিফল*

**মেষ ঃ** প্ৰত্যক্ষভাৱে কাৰ্যসিদ্ধি। ব্যৱসায়ত উন্নতি, ৰাজনীতি লগত জড়িত ব্যক্তিৰ ব্যস্ততা। ভ্ৰমণ কৰোতে গণেশৰ নাম স্মৰণ কৰক। শুভ ৰং হালধীয়া। শুভ সংখ্যা ৬।
**বৃষ ঃ** পৰিশ্ৰম বৃদ্ধি, অৰ্থ লাভ, ভ্ৰমণত শুভ। অন্ধবিশ্বাসৰ পৰা আঁতৰত থাকক। শুভ ৰং নীলা। শুভ সংখ্যা ২।
**মিথুন ঃ** কৰ্মব্যস্ততা বৃদ্ধি, সন্মান বৃদ্ধি, কৰ্তব্যৰ প্ৰতি নিষ্ঠা থাকিব। গোপন শত্ৰুবৃদ্ধি ভ্ৰমণ পূব দিশৰ পৰা কৰিব। শুভ ৰং পাতল নীলা। শুভ সংখ্যা ৯।
**কৰ্কট ঃ** মাংগলিক তৎপৰতা বৃদ্ধি। কাৰ্যক্ষেত্ৰত মধ্যম। প্ৰেমত শুভ। দূৰ সংযোগৰ পৰা আনন্দিত হ'ব। শুভ ৰং মুগা। শুভ সংখ্যা ৫।
**সিংহ ঃ** কৰ্মক্ষেত্ৰত উন্নতি। জেদভাৱ ত্যাগ কৰক। বৰঞ্চ ক্ষতি হ'ব। গোপন শত্ৰু বৃদ্ধি অৰ্থ লাভ। শুভ ৰং মেৰুণ। শুভ সংখ্যা ৩।
**কন্যা ঃ** কৰ্তব্যৰ প্ৰতি দায়বদ্ধতা বৃদ্ধি। ব্যৱসায়ত উন্নতি। খৰচ বৃদ্ধি। শুভ ৰং সোণালী। শুভ সংখ্যা ৪।
**তুলা ঃ** সন্মান বৃদ্ধি। ভ্ৰমণ কৰোতে সাৱধান হওক। কৰ্মত উন্নতি। নিবনুৱাৰ কৰ্ম সংস্থাপন। শুভ ৰং সেউজীয়া। শুভ সংখ্যা ১।
**বৃশ্চিক ঃ** ৰাজনীতিক, শিল্পী, সাংবাদিক সুখ্যাতি। কৰ্মত কিছু জটিল সমস্যাৰ সন্মুখীন হ'ব পাৰে। শুভ ৰং গোলপীয়া। শুভ সংখ্যা ৭।
**ধনু ঃ** কৰ্মব্যস্ততা বৃদ্ধি। গণেশক নাম স্মৰণ কৰক। বিদ্যাত শুভ। দূৰ ভ্ৰমণৰ যোগ। শুভ ৰং বগা। শুভ সংখ্যা ৮।
**মকৰ ঃ** বিবাহৰ যোগ, আয়-ব্যয় সমান। ভ্ৰমণত মধ্যম। কৰ্ম উন্নতি নতুন বাহন ক্ৰয় কৰিব পাৰিব। শুভ ৰং সোণালী। শুভ সংখ্যা ২।
**কুম্ভ ঃ** ফুৰা-চকাত সৰ্তক হওক। কৰ্মস্থানত উন্নতি বৃদ্ধি। বন্ধুৰ পৰা উৎসাহ পাব। শুভ ৰং মেৰুণ। শুভ সংখ্যা ৩।
**মীন ঃ** অৰ্থ লাভ। আশাবাদী চিন্তাত ব্ৰতী। সন্মান বৃদ্ধি, নতুন যোগাযোগে অধিক দিব। শুভ ৰং বগা। শুভ সংখ্যা ৮।

# বিজেপি চৰকাৰৰ দিনত চুবুৰীয়া ৰাজ্যৰ স'তে সংঘাত

*এক পৃষ্ঠাৰ পৰা* আইন-শৃংখলা পৰিস্থিতিয়ে অসমতো গুৰুতৰ প্ৰভাৱ পেলাই আহিছে। এই প্ৰভাৱক লৈ অসমত চৰকাৰৰ লগতে দল-সংগঠনে প্ৰতিক্ৰিয়া ব্যক্ত কৰিছে। মেঘালয়ত অসমৰ পৰ্যটক, যানবাহনৰ ওপৰত চলা আক্ৰমণক লৈ আজি দিনজুৰি উত্তপ্ত পৰিস্থিতিয়ে বিৰাজ কৰে অসমৰ যোৱাবাটত। অসমৰ চালকসকলৰ নেতৃত্বত চলা এই প্ৰতিবাদৰ ফলত দুয়োখন ৰাজ্যৰ মাজত যাতায়াত ব্যাহত হয়। সমান্তৰালভাৱে উত্তেজনাও বিয়পি পৰে। এই পৰিস্থিতিত অসম চৰকাৰৰ কৃষি আৰু জলসিঞ্চন মন্ত্ৰী পীযুষ হাজৰিকাই প্ৰতিক্ৰিয়া ব্যক্ত কৰি কয় যে এই সমস্যাৰ এটা ভাল ৰাস্তা উলিয়াব লাগিব। কাৰণ দুখন চুবুৰীয়া ৰাজ্যৰ মাজত কাজিয়া লগাটো ভাল কথা নহয়। হাজৰিকাই লগতে কয়, 'আমি ভালে থাকিব লাগিব। বন্ধুত্ব সলনি কৰিব পাৰি, চুবুৰীয়া সলাব নোৱাৰি। আমি সদায় চুবুৰীয়া হৈ থাকিব লাগিব। গতিকে আমি ভালে থাকিব লাগিব। আমি ভাই-ককাইৰ দৰে থাকিব লাগিব। কেইজনমান দুষ্কৃতিকাৰীৰ বাবে এখন ৰাজ্যৰ সকলো ৰাইজ দোষী নহয়।' মেঘালয়ৰ সচেতন ৰাইজেও কালিৰ ঘটনাটোৰ বিৰোধিতা কৰা বুলি হাজৰিকাই উল্লেখ কৰে। আনহাতে, আজি অসম বিধানসভাৰ চৌহদত বিৰোধী উপ-দলপতি ডাঃ জয়প্ৰকাশ দাসে মন্তব্য কৰে যে বিজেপি চৰকাৰ শাসনলৈ অহাৰে পৰা চুবুৰীয়া ৰাজ্যৰ লগত অসমৰ সংঘাত বৃদ্ধি হৈছে। এই সংঘাত নিৰাময়ত দিল্লীৰ চৰকাৰ ব্যৰ্থ হৈছে। ডাঃ দাসে কয়, 'কেন্দ্ৰই কেৱল নিৰ্বাচনৰ সময়তহে অসমক গুৰুত্ব দিয়ে। নৰেন্দ্ৰ মোদী আৰু অমিত শ্বাহে আমাৰ সাতভনীৰ মিলাপ্ৰীতিক বুজি নাপায়। তেওঁলোকে অত্যন্ত আমাৰ মাজৰ সংঘাত দূৰ কৰিবলৈ চেষ্টা কৰক, এয়াই আহ্বান। অসম চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰিব লাগে, কেৱল বৈঠক পাতি থাকিলেই নহয়।'

### বিজেপিৰ গৰিহণা

মেঘালয়ত সংঘটিত ঘটনাক উদ্বেগ প্ৰকাশ কৰি কালি পৰ্যটক আৰু যানবাহনৰ ওপৰত দুষ্কৃতিকাৰীয়ে সংঘটিত কৰা আক্ৰমণক গৰিহণা দিছে অসম ৰাজ্যিক বিজেপিয়ে। আজি বিষয়টোক লৈ আয়োজিত এক সংবাদমেলত মুখপাত্ৰ কমল কুমাৰ মেধিয়ে কয় যে এনে ঘটনাই মেঘালয়ৰ স'তে আন ৰাজ্যৰ সম্পৰ্কৰ ক্ষেত্ৰত বিৰূপ প্ৰভাৱ পেলাব। এনে ঘটনাই অসম আৰু মেঘালয়ৰ সাতামপুৰুষীয়া একাত্মতাকো বিঘ্নিত কৰাৰ আশংকাৰ জন্ম দিয়ে। কালি শ্বিলঙত আক্ৰমণৰ বলি হোৱাৰ পাছত অসমৰ চালকসকলে আজি সাব্যস্ত কৰা প্ৰতিবাদৰ প্ৰতিও বিজেপিয়ে সহমৰ্মিতা প্ৰকাশ কৰে। চালকসকলৰ জীৱনৰ নিৰাপত্তা সুনিশ্চিত কৰিবলৈ দলটোৱে দুয়োখন ৰাজ্যৰ চৰকাৰক আহ্বান জনায়। সমান্তৰালভাৱে কালিৰ আক্ৰমণক লৈ অভিযোগ দিয়াৰ পাছতো মেঘালয় আৰক্ষীয়ে সমুচিত ব্যৱস্থা নোলোৱা বুলি অসমৰ চালকসকলে আজি ৰূপায়ণ কৰা প্ৰতিবাদক গুৰুত্বসহকাৰে ল'বলৈ মেঘালয় চৰকাৰক অসম ৰাজ্যিক বিজেপিয়ে আহ্বান জনায়।

### আক্ৰমণক গৰিহণা ইউডিএফৰ

এআইইউডিএফৰ সভাপতি তথা বিধায়ক বদৰুদ্দিন আজমলে মেঘালয়ত অসমৰ বাহন আৰু যাত্ৰীৰ ওপৰত হোৱা আক্ৰমণক গৰিহণা দিছে। এক বিবৃতিত আজমলে কয়, 'সাতভনীৰ ৰাজ্যসমূহৰ মাজত যি সাতামপুৰুষীয়া ঐক্য, সংহতি আৰু ভ্ৰাতৃত্ববোধ আছে সেয়া সদায় অটুট থাকক— আমি এই কামনা কৰো। জনসাধাৰণৰ মাজত সংঘটিত ঘটনাই যি প্ৰশ্ন, উদ্বেগ আৰু যন্ত্ৰণাৰ সৃষ্টি কৰিছে সেয়া শীঘ্ৰে প্ৰশমিত হোৱাটো আমি বিচাৰো। এই ক্ষেত্ৰত দুয়োখন ৰাজ্যৰ মুখ্যমন্ত্ৰী, কেন্দ্ৰীয় মন্ত্ৰী কিৰেণ ৰিজিজু আৰু গৃহমন্ত্ৰী অমিত শ্বাহৰ তৎকালীন হস্তক্ষেপৰে বিষয়টোৰ স্থায়ী সমাধানৰ আমি দাবী জনাইছো। হিংসা, প্ৰতিহিংসাই সমস্যাক অধিক জটিল কৰি তোলে।'

### মুখ্যমন্ত্ৰীক সমালোচনা জাতীয় পৰিষদৰ

অসম জাতীয় পৰিষদৰ সভাপতি লুৰীণজ্যোতি গগৈয়ে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক সমগ্ৰ ঘটনাৰ বাবে সমালোচনা কৰে। গগৈয়ে কয়, 'শ্বিলঙত অসম নাগৰিক আৰু অসমৰ নম্বৰপ্লেট থকা বাহনক লক্ষ্য কৰি আক্ৰমণ চলোৱাৰ পাছতো মুখ্যমন্ত্ৰী তথা নেডাৰ আহ্বায়ক হিমন্ত বিশ্ব শৰ্মাৰ নীৰৱতা অত্যন্ত উদ্বেগজনক। এনে সময়ত মেঘালয় চৰকাৰৰ স'তে তাৎক্ষণিক আলোচনাৰ উদ্যোগ লৈ পৰিস্থিতি নিয়ন্ত্ৰণ আৰু অসমৰ নাগৰিকৰ সুৰক্ষা নিশ্চিত কৰাটো তেওঁৰ দায়িত্ব হ'ব লাগিছিল। কিন্তু নেডাৰ আহ্বায়ক হিচাপে চুবুৰীয়া ৰাজ্যত অসমৰ নাগৰিকৰ নিৰাপত্তা সুনিশ্চিত কৰাত মুখ্যমন্ত্ৰী ব্যৰ্থ হৈছে। অসমৰ নাগৰিকক জধে-মধে আক্ৰমণ কৰা হ'ব, গাড়ী ভাঙিব আৰু নেডাৰ আহ্বায়ক নীৰৱ হৈ থাকিব, এয়া গ্ৰহণযোগ্যটো নহয়েই বৰঞ্চ চৰম লজ্জাজনক।'

### আছুই আলোচনা কৰে

সদৌ অসম ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক সমীৰণ ফুকনে মেঘালয়ৰ শেহতীয়া পৰিস্থিতিক লৈ তেওঁলোক উদ্বিগ্ন বুলি কয়। ফুকনে কয় যে এনে ঘটনাবোৰ সঘনে সংঘটিত হ'বলৈ ধৰিছে। এনে ঘটনাৰ সঘন পুনৰাবৃত্তিত দুয়োখন ৰাজ্যৰ মাজত থকা সমন্বয়, ভ্ৰাতৃত্ববোধৰ এনাজৰীডাল ক'ৰবাত দুৰ্বল হোৱাৰ উপক্ৰম হৈছে। ফুকনে লগতে কয়, 'আমি তাৎক্ষণিকভাৱে অসম আৰু মেঘালয় চৰকাৰক বিষয়টোত ব্যৱস্থা গ্ৰহণ কৰিবলৈ দাবী জনাইছো। যিসকলে দুৰ্বৃত্তৰ দৰে আচৰণ কৰি মুখত ক'লা কাপোৰ বান্ধি বা আন ধৰণে নিজৰ মুখ লুকুৱাই অসমৰ নম্বৰপ্লেট থকা বাহন দেখা পালে আক্ৰমণ কৰি যাত্ৰীক মাৰপিট কৰে, জনসাধাৰণৰ জীৱন আৰু নিৰাপত্তালৈ ভাবুকি কঢ়িয়াই আনে, সেইসকল দুৰ্বৃত্তক চিনাক্ত কৰি শীঘ্ৰেই গ্ৰেপ্তাৰ কৰক আৰু কঠোৰ শাস্তি প্ৰদান কৰক এয়াই আমাৰ দাবী।' সদৌ অসম ছাত্ৰ সন্থা আৰু উত্তৰ-পূৰ্বাঞ্চল ছাত্ৰ সংগঠন (নেছ')-এ শীঘ্ৰে খাচি ছাত্ৰ সন্থাৰ লগত আলোচনাত মিলিত হ'ব বুলি ফুকনে জনায়। জনসাধাৰণক আশ্বস্ত কৰিবলৈ চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰিব লাগে বুলি দাবী জনাই ফুকনে এইবুলিও কয় যে অসমৰ মানুহক মেঘালয়ত মাৰপিট কৰিব, মেঘালয়ৰ মানুহক অসমত মাৰপিট কৰিব এনে কথা কেতিয়াও গ্ৰহণযোগ্য হ'ব নোৱাৰে। আহিবলগীয়া সময়ত এনেকুৱা পৰিস্থিতি যাতে পুনৰ উদ্ভৱ নহয়, তেনেকুৱা এটা বাতাবৰণ সৃষ্টি কৰিবলৈ চৰকাৰক দৃঢ় হ'বলৈ ফুকনে চৰকাৰক আহ্বান জনায়। বীৰ লাচিত সেনাৰ নেতা শৃংখল চলিহাই এই ঘটনাত অসম চৰকাৰৰ অস্তিত্বক লৈ প্ৰশ্ন কৰে। চলিহাই কয়, 'আমি মাৰ খাই জীয়াই থকা অসমীয়া নহয়। আক্ৰমণ হ'লে প্ৰত্যাক্ৰমণো হ'ব।' বিশেষকৈ অসমৰ যানবাহন আৰু চালকৰ ওপৰত হোৱা আক্ৰমণক লৈ চলিহাই কয় যে এতিয়াৰে পৰা যদি অসমৰ কোনো চালকৰ গাত হাত দিয়ে তেন্তে হাত ভাঙি দিয়া হ'ব। অসমৰ চালকসকলৰ বাবে মেঘালয়ে খাবলৈ পাইছে বুলিও চলিহাই মন্তব্য কৰে।

শ্বিলঙত সংঘটিত ঘটনাক গৰিহণা দিছে বাঙালী জাতীয় পৰিষদ অসমৰ কেন্দ্ৰীয় সমিতিয়ে। সভাপতি চিত্ত পাল আৰু সাধাৰণ সম্পাদকদ্বয় পংকজ কুমাৰ দেৱ আৰু উত্তম দাসে এক বিবৃতিত খাচি ছাত্ৰ সন্থাৰ প্ৰতিবাদৰ সময়ত সংঘটিত হিংসাত্মক ঘটনাক গৰিহণা দিয়াৰ লগতে সুভাষ চন্দ্ৰ বসু আৰু স্বামী বিবেকানন্দৰ মূৰ্তি ভাঙি পেলোৱা কাৰ্যত তীব্ৰ ক্ষোভ প্ৰকাশ কৰে। এনে নিন্দনীয় কাৰ্য দেশৰ মহান ব্যক্তিসকলৰ প্ৰতিয়ে নহয়, দেশৰ ঐতিহাসিক আৰু সাংস্কৃতিক ঐতিহ্যতো এক কুঠাৰাঘাত বুলি তেওঁলোকে মন্তব্য কৰে। ঘটনাত জড়িতসকলক শীঘ্ৰে চিনাক্ত কৰি কঠোৰ আইনগত ব্যৱস্থা ল'বলৈ সংগঠনটোৱে দাবী জনায়।

## লংকা ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয়ত অনিয়ম

**উদালিৰ দুই ভুক্তভোগী ভ্ৰাতৃয়ে ভূমি জালিয়াতিৰ অভিযোগ কৰি সৰৱ**

অগ্ৰদূত বাৰ্তা
**হোজাই, ২০ আগষ্ট ঃ** হোজাই জিলাৰ লংকা ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয়ত ভূমি সম্পৰ্কীয় অনিয়ম আৰু দালালৰাজক লৈ বিতৰ্কৰ সৃষ্টি হৈছে। উদালি অঞ্চলৰ দুই সহোদৰ ক্ৰমে মাকছুদুৰ ৰহমান আৰু মফিজুদ্দিনে একাধিক ব্যক্তিৰ বিৰুদ্ধে ভূমি জালিয়াতিৰ গুৰুতৰ অভিযোগ কৰিছে। অভিযোগ অনুসৰি, উদালিৰ মাকছুদুৰ মালিকানাধীন ম্যাদী মাটি আছিকুৰ ৰহমানৰ নামত নামজাৰী কৰি দিয়াৰ ছয় পৃষ্ঠাত চাওক


# দৈনিক অগ্ৰদূত

গুৱাহাটী, ২১ আগষ্ট ২০২৬ শুক্ৰবাৰ পৃষ্ঠা তিনি


## ৰাজ্যৰ বিভিন্ন প্ৰান্তত ৰাষ্ট্ৰীয় বিজ্ঞান মনস্কতা দিৱস

**বৈজ্ঞানিক মানসিকতাৰ বিকাশত গুৰুত্ব, অন্ধবিশ্বাস, কুসংস্কাৰ আঁতৰ কৰিবলৈ আহ্বান**

**গুৱাহাটী, ২০ আগষ্ট ঃ** ৰাজ্যৰ বিভিন্ন প্ৰান্তত ইলোৱা বিজ্ঞান মঞ্চৰ উদ্যোগত আজি ৰাষ্ট্ৰীয় বিজ্ঞান মনস্কতা দিৱস উদ্‌যাপন কৰা হয়। সদৌ ভাৰত জ্ঞান-বিজ্ঞান নেটৱৰ্ক সমন্বয়ৰক্ষী সমিতি, অসমৰ আহ্বানত ছয় পৃষ্ঠাত চাওক

## তেজপুৰ বিশ্ববিদ্যালয়ৰ নিৰ্মীয়মাণ অট্টালিকাৰ পৰা পৰি শ্ৰমিক নিহত

ষ্টাফ ৰিপ'ৰ্টাৰ
**তেজপুৰ, ২০ আগষ্ট ঃ** তেজপুৰ বিশ্ববিদ্যালয়ত আজি পুৱা প্ৰায় ৯-৩০ বজাত নিৰ্মীয়মাণ এটা অট্টালিকাৰ পৰা পৰি এজন শ্ৰমিক নিহত হয়। বিশ্ববিদ্যালয়খনৰ সূত্ৰই প্ৰকাশ কৰা অনুসৰি, তেজপুৰ বিশ্ববিদ্যালয় চৌহদত নিৰ্মীয়মাণ চি আৰ্হিৰ অট্টালিকাটোৰ চতুৰ্থ মহলাত কাম কৰি থকা শ্ৰমিক আব্বাছ আলী ওৰফে বুলবুল তললৈ সৰি পৰে। গুৰুতৰভাৱে আহত ২০ বছৰীয়া শ্ৰমিকজনক লগে লগে তেজপুৰ নিকামূলস্থিত এখন নাৰ্ছিংহোমলৈ অনা হয় যদিও ছয় পৃষ্ঠাত চাওক

## সৰুপেটাত ভূমিকেন্দ্ৰিক সংঘাতত উত্তপ্ত পৰিস্থিতি

অগ্ৰদূত বাৰ্তা
**সৰুপেটা, ২০ আগষ্ট ঃ** বজালী জিলাৰ সৰুপেটা বজাৰত এডোখৰ ভূমিক কেন্দ্ৰ কৰি দীৰ্ঘদিন ধৰি চলি থকা তীব্ৰ বিবাদৰ পৰিণতিত আজি ৰতন কুমাৰ সাহা নামৰ এজন লোকে এক্সকেভেটৰৰে বিতৰ্কিত ভূমি ডোখৰত উচ্ছেদ অভিযান চলোৱাক কেন্দ্ৰ কৰি তীব্ৰ উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হয়। উল্লেখ্য যে উচ্ছেদ অভিযান চলি থকা সময়ছোৱাত সৰুপেটা ৰাজহ চক্ৰ বিষয়া ছয় পৃষ্ঠাত চাওক

## মৰাণত নৱম শ্ৰেণীৰ ছাত্ৰীক অপহৰণ কৰি ধৰ্ষণ কৰাৰ অভিযোগত তিনিজন আৰক্ষীৰ জালত

অগ্ৰদূত বাৰ্তা
**খোৱাং ২০ আগষ্ট ঃ** নৱম শ্ৰেণীৰ ছাত্ৰীক অপহৰণ কৰি ধৰ্ষণ কৰা ঘটনাই তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে ডিব্ৰুগড়ত। ডিব্ৰুগড় জিলা মৰাণৰ ডোমৰদলঙত মঙলবাৰে নিশা এগৰাকী নৱম শ্ৰেণীৰ ছাত্ৰীক দুই পাষণ্ডই অপহৰণ কৰি নি ধৰ্ষণ কৰা ঘটনা সংঘটিত হৈছিল। ঘটনা পোহৰলৈ অহাৰ পাছতে ভুক্তভোগী ছাত্ৰীগৰাকীৰ পৰিয়ালে মৰাণ আৰক্ষী থানাত এজাহাৰ দাখিল কৰিছে। পৰিয়ালৰ ছয় পৃষ্ঠাত চাওক

**■ নগাঁও লোকসভা সমষ্টিৰ উপ-নিৰ্বাচনক লৈ তৎপৰ বিজেপি-কংগ্ৰেছ-এআইইউডিএফ**

# ভোটাৰৰ বিন্যাসে চিন্তাত পেলাইছে বিজেপিক



*মূল্যবৃদ্ধিৰ বিৰুদ্ধে গুৱাহাটী শোধনাগাৰৰ 'ইউনাইটেড ৱৰ্কমেন ইউনিয়ন'ৰ প্ৰতিবাদ।*

ষ্টাফ ৰিপ'ৰ্টাৰ
**নগাঁও, ২০ আগষ্ট ঃ** নগাঁও লোকসভা সমষ্টিৰ সাংসদ প্ৰদ্যুৎ বৰদলৈয়ে বিধানসভা নিৰ্বাচনৰ পূৰ্বে কংগ্ৰেছ দল ত্যাগ কৰি বিজেপি দলত যোগদান কৰাৰ লগতে গেৰুৱা দলটোৰ টিকটৰে দিছপুৰ সমষ্টিত অৱতীৰ্ণ হৈ বিধায়ক হিচাপে নিৰ্বাচিত হোৱাত অৱধাৰিত হৈ পৰে নগাঁও লোকসভা সমষ্টিৰ উপ-নিৰ্বাচন। সংসদীয় সমষ্টিটোৰ উপ-নিৰ্বাচনৰ দিন এই পৰ্যন্ত নিৰ্বাচন আয়োগে আনুষ্ঠানিকভাৱে ঘোষণা কৰা নাই যদিও প্ৰায় প্ৰতিটো ৰাজনৈতিক দলেই নিৰ্বাচনী কুচকাৱাজ আৰম্ভ কৰিছে। উল্লেখ্য যে নগাঁও জিলাৰ পাঁচটা বিধানসভা সমষ্টি ক্ৰমে ধিং, ৰূপহীহাট, চামগুৰি, ৰহা, নগাঁও-বটদ্ৰৱা আৰু মৰিগাঁও জিলাৰ তিনিটা বিধানসভা সমষ্টি ক্ৰমে লাহৰীঘাট, জাগীৰোড আৰু মৰিগাঁওসহ মুঠ আঠোটা বিধানসভা সমষ্টিৰে গঠিত নগাঁও লোকসভা সমষ্টিৰ সৰ্বমুঠ ভোটাৰ ১৯,০৭,২০৯ গৰাকী। ধৰ্ম অনুযায়ী ভোটাৰৰ বিন্যাস হ'ল এনে ধৰণৰ-মুঠ হিন্দু ভোটাৰ ঃ ৬,৯৯,৭৩৬ গৰাকী ৩৬.৬৮ শতাংশ, মুছলমান ভোটাৰঃ ১১,৬৩,০০৮ গৰাকী ৬০.৯৭ শতাংশ আৰু অন্যান্য ধৰ্মৰ ভোটাৰ ঃ ৪৩,৩৯৯ গৰাকী ২.৩৭ শতাংশ। সংসদীয় সমষ্টিটোৰ ধিং, ৰূপহীহাট, চামগুৰি, লাহৰীঘাট বিধানসভা সমষ্টি ধৰ্মীয় সংখ্যালঘু সম্প্ৰদায়ৰ অধ্যুষিত। য'ত প্ৰায় ৯০-৯৫ শতাংশ মুছলমান ভোটাৰ আছে। আনহাতে, হিন্দু ভোটাৰ প্ৰধান সমষ্টিকেইটা হ'ল নগাঁও - বটদ্ৰৱা, ৰহা, মৰিগাঁও আৰু জাগীৰোড সমষ্টি। অৱশ্যে এই সমষ্টি কেইটাতে ৩৫-৪৫ শতাংশ পৰ্যন্ত মুছলিম ভোটাৰ আছে। সমষ্টিটোৰ ভোটাৰৰ জন বিন্যাসে সাব্যস্ত কৰে যে ইয়াত কোনো এগৰাকী প্ৰাৰ্থীৰ জয়-পৰাজয় নিৰ্ধাৰণ কৰে মুছলমান ভোটাৰসকলে। অৱশ্যে সমষ্টি পুনৰ নিৰ্ধাৰণৰ পূৰ্বে এই সংসদীয় সমষ্টিটোৰ ভোটাৰৰ বিন্যাস অন্য ধৰণৰ আছিল। নগাঁও লোকসভা সমষ্টিত ১৯৯১ৰ পৰা ২০২৪ পৰ্যন্ত অনুষ্ঠিত নটা লোকসভাৰ নিৰ্বাচনত দুটাত অসম গণ পৰিষদ দলে, চাৰিটাত বিজেপি দলে আৰু তিনিটাত কংগ্ৰেছে বিজয় সাব্যস্ত কৰে। ১৯৯১ আৰু ১৯৯৬ৰ নিৰ্বাচনত লোকসভা সমষ্টিটোত অগপ দলৰ প্ৰাৰ্থী মুহিৰাম ছয় পৃষ্ঠাত চাওক

**এআইইউডিএফৰ ৰণচালিক লৈ উদ্বিগ্ন কংগ্ৰেছ**

**মদ বেপাৰীৰ দৌৰাত্ম্যই বিনষ্ট কৰিছে সামাজিক পৰিৱেশ**

## আবকাৰী বিভাগৰ পৃষ্ঠপোষকতাত তিতাবৰত অবৈধ চুলাই মদৰ ৰমৰমীয়া বেহা

অগ্ৰদূত বাৰ্তা
**তিতাবৰ, ২০ আগষ্ট ঃ** তিতাবৰ সমজিলাৰ আবকাৰী বিভাগৰ পৃষ্ঠপোষকতাত তিতাবৰত অবৈধ চুলাই মদৰ এখন ৰমৰমীয়া ক'লা বজাৰ ঠন ধৰি উঠিছে। আবকাৰী বিভাগৰ আশিসধন্য অবৈধ চুলাই মদৰ বেপাৰীৰ দৌৰাত্ম্য আৰু অসভ্যালিয়ে তিতাবৰৰ বিভিন্ন গ্ৰামাঞ্চলৰ সামাজিক পৰিৱেশ বিনষ্ট কৰাৰ উপৰি একো একো পৰিয়ালক নৰক সদৃশ পৰিৱেশৰ মুখলৈ ঠেলি দিছে। অবৈধ চুলাই বেপাৰীৰ লগত তিতাবৰৰ আবকাৰী বিভাগৰ গোপন মিতিৰালিৰ বাবেই ২০১৯ত তিতাবৰৰ বৰহোলাত ৪৮ ঘণ্টাৰ ভিতৰত এশজনৰো অধিক পুৰুষ-মহিলাৰ বিষক্ৰিয়াত আক্ৰান্ত হৈ মৃত্যু মুখত পৰিছিল। এটা এটা মিনিটৰ অন্তৰালত একোজনকৈ মানুহৰ মৃত্যুৰে একপ্ৰকাৰ বধ্যভূমিলৈ পৰিণত কৰাৰ সেই জীয়া কাহিনীবোৰ শেষ নৌহওঁতেই পুনৰ তিতাবৰত আবকৰী বিভাগৰ গোপন নিৰ্দেশতে কাঠফুলাৰ দৰে অবৈধ চুলাই মদৰ ব্যৱসায় আৰম্ভ হৈছে। বিভাগটোৰ এনে ধৰণৰ অমানৱীয় কৰ্মকাণ্ডৰ বাবেই অসম চৰকাৰে বৃহৎ পৰিমাণৰ ৰাজহ হেৰুৱাবলগীয়া হোৱাৰ উপৰি সামাজিক পৰিৱেশৰো বিনষ্ট হৈছে। শেহতীয়াকৈ পোৱা তথ্য অনুসৰি তিতাবৰৰ ৰঙাজানৰ দৰে এটা সৰু অঞ্চলতে আবকাৰী বিভাগৰ পৃষ্ঠপোষকতাত ৩০ খনতকৈ অধিক অবৈধ চুলাই মদৰ দোকান আছে। এই অভিযোগ স্থানীয় বঙালমৰা ৰঙাজান গাঁওৰক্ষী বাহিনীৰ সদস্যসকলৰ। অঞ্চলটোৰ গাঁওৰক্ষী বাহিনীৰ কৰ্মকৰ্তাসকলে অভিযোগ কৰা মতে ছয় পৃষ্ঠাত চাওক

**■ দুমাহ ধৰি স্পষ্টতা প্ৰকাশ নকৰিলে উচ্চ শিক্ষা সঞ্চালকালয়ে**

## বৰভাগ মহাবিদ্যালয়ত বিত্তীয় কেলেংকাৰি !



বিশেষ সংবাদদাতা
**নলবাৰী, ২০ আগষ্ট ঃ** নলবাৰীৰ এখন উচ্চ শিক্ষানুষ্ঠান বৰভাগ মহাবিদ্যালয়ত ব্যাপক বিত্তীয় কেলেংকাৰি সংঘটিত হোৱাৰ ৰাজহুৱা অভিযোগ সন্দৰ্ভত বিগত দুমাহ ধৰি স্পষ্টতা প্ৰকাশ নকৰিলে উচ্চ শিক্ষা সঞ্চালকালয়ে। এই অভিযোগ বৰভাগৰ স্থানীয় ৰাইজৰ। উচ্চ শিক্ষা সঞ্চালকালয়ৰ এনে নীৰৱ ভূমিকাক আনকি সন্দেহজনক বুলিও একাংশ ৰাইজ আৰু স্বয়ং মহাবিদ্যালয়খনৰ এক বিশেষ মহলে প্ৰকাশ কৰিছে। উল্লেখ্য যে জিলাখনৰ বৃহত্তৰ বৰভাগ অঞ্চলৰ একমাত্ৰ চৰকাৰী উচ্চ শিক্ষানুষ্ঠানেই হৈছে এইখন মহাবিদ্যালয়। যোৱা ২৫ জুনত বৰভাগ মহাবিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি প্ৰফুল্ল ডেকা আৰু ভাৰপ্ৰাপ্ত অধ্যক্ষ অজিত কুমাৰ শৰ্মাই সংবাদ মাধ্যমৰ সন্মুখত পূৰ্বৰ অধ্যক্ষ ড° বিৰিঞ্চি চৌধুৰীৰ বিৰুদ্ধে ব্যাপক বিত্তীয় খেলিমেলিৰ অভিযোগ উত্থাপন কৰাৰ পাছতে অঞ্চলজুৰি তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছিল। মহাবিদ্যালয়খনত বিগত ২০২৩ৰ পৰা কাৰ্যকৰী হৈ থকা প্ৰধানমন্ত্ৰী কৌশল বিকাশ যোজনাৰ বাবে পৰিচালনা সমিতিৰ অনুমোদন মৰ্মে অধ্যক্ষ বিৰিঞ্চি চৌধুৰীয়ে বেংক অফ মহাৰাষ্ট্ৰত এটা বেংক একাউন্ট খোলে যদিও মহাবিদ্যালয় এৰাৰ সময়ত বেংকৰ সবিশেষ মহাবিদ্যালয় কৰ্তৃপক্ষক প্ৰদান নকৰাৰ অভিযোগ উত্থাপন কৰিছিল উক্ত সংবাদমেলত। পৰৱৰ্তী সময়ত ভাৰপ্ৰাপ্ত অধ্যক্ষ অজিত কুমাৰ শৰ্মাৰ আবেদনৰ ভিত্তিত বেংক কৰ্তৃপক্ষই সবিশেষ তথ্য প্ৰদান কৰাৰ পাছতে একাউন্টটোত আঁচনিখনৰ ছয় পৃষ্ঠাত চাওক

**অখিল গগৈৰ সংবাদমেল ঃ মিছন আশ্ৰয়লৈ দুটা অনুষ্ঠানে আগবঢ়ালে ১০ লাখ টকা**

## মোৰ সকলো শক্তিৰে বানাক্ৰান্ত ৰাইজক সহায় কৰিবলৈ চেষ্টা কৰিম

বিশেষ সংবাদদাতা
**শিৱসাগৰ, ২০ আগষ্ট ঃ** উজনিৰ তিনিখন জিলাৰ বানপীড়িতৰ বাবে প্ৰথম পৰ্যায়ত এক লাখ পৰিয়ালক ১৫ হেজাৰ টকাকৈ সাহায্য প্ৰদান কৰা হৈছিল। কিন্তু বহু বানপীড়িত পৰিয়াল এই সাহায্যৰ পৰা বঞ্চিত হোৱাৰ অভিযোগ অখিল গগৈৰ। শিৱসাগৰত এক সংবাদমেলত আজি শিৱসাগৰৰ বিধায়ক অখিল গগৈয়ে এই অভিযোগ কৰি তেওঁৰ অনুৰোধত মুখ্যমন্ত্ৰীয়ে এছডিএমএৰ ৱেবছাইট মুকলি কৰাৰ আশ্বাস দিয়া বুলি দাবী কৰে। শিৱসাগৰ সমষ্টিত প্ৰথম পৰ্যায়ত ২৭ হেজাৰ পৰিয়ালে ১৫ হেজাৰ টকাকৈ লাভ কৰাৰ বিপৰীতে বহু পৰিয়াল এতিয়াও পাবলৈ বাকী আছে বুলি সদৰী কৰে বিধায়কজনে। শিৱসাগৰ, চৰাইদেউ আৰু যোৰহাট জিলাৰ প্ৰতিটো বানপীড়িত পৰিয়ালক ১০ লাখ টকাকৈ সাহায্য দিয়াৰ দাবী অখিল গগৈৰ। এই দাবীক লৈ অহা ২৫ আগষ্টত পুৱা ১১ বজাত ব'ৰ্ডিং ফিল্ডত গণ সমাৰেশ অনুষ্ঠিত হ'ব বুলি তেওঁ প্ৰকাশ কৰে। ইফালে, ভাড়াঘৰত থকা লোকসকলেও যাতে অসম চৰকাৰৰ তৎকালীন সাহায্য লাভ কৰে, তাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিব বুলি কয় গগৈয়ে। মন্ত্ৰী বিমল বৰাই সাধাৰণ লোকক বঞ্চিত কৰাৰ অভিযোগ তুলি একেটা পৰিয়ালে চাৰিবাৰকৈ সাহায্য লাভ কৰা বুলি উল্লেখ কৰে গগৈয়ে। চৰকাৰৰ ওচৰত হয়তো টকা নাই, সেয়েহে এনে ধৰণৰ অভিযোগ উত্থাপন কৰা হৈছে বুলিও মন্তব্য কৰে বিধায়কজনে। সকলো প্ৰকৃত বানপীড়িতই সাহায্য লাভ কৰিব বুলি দাবী অখিল গগৈৰ। জৰীপ কৰা লোকসকলৰ স'তে মন্ত্ৰী, আয়ুক্ত আৰু বিধায়কসকলৰ এখন বৈঠক অনুষ্ঠিত কৰাৰ কথাও ঘোষণা কৰে তেওঁ। প্ৰকৃত বানপীড়িতই যাতে সাহায্য লাভ কৰে, সেই উদ্দেশ্যে এই বৈঠক অনুষ্ঠিত হ'ব। ইফালে, বানত ক্ষতিগ্ৰস্ত লোকসকলৰ বাবে ৫০ কোটি টকাৰ অনুদান বিচাৰি অ'এনজিচিৰ ওচৰতো আবেদন জনাইছে গগৈয়ে। এই সন্দৰ্ভত আজি অ'এনজিচিৰ বিষয়া-কৰ্মচাৰীৰ স'তে বৈঠকত বহিব বিধায়কজন। আনহাতে, ছয় পৃষ্ঠাত চাওক

## ঠেলামৰাত অধিবক্তা দম্পতীৰ ঘৰত চোৰৰ লুটপাট

**লুটি নিলে গহনা-নগদ ধন**

অগ্ৰদূত বাৰ্তা
**ঠেলামৰা, ২০ আগষ্ট ঃ** শোণিতপুৰ জিলাৰ ঠেলামৰা আৰক্ষী থানাৰ অন্তৰ্গত ঔবাৰী গাঁৱত বৃহস্পতিবাৰে দিন দুপৰতে এক চাঞ্চল্যকৰ চুৰি কাণ্ড সংঘটিত হয়। অঞ্চলটোৰ অধিবক্তা দম্পতী ৰূপম বৰা আৰু নয়নমণি হাজৰিকাৰ বাসগৃহত চোৰে চুৰিকাণ্ড সংঘটিত কৰি নগদ ধনসহ বুজন পৰিমাণৰ গহনা লুটি লৈ যায়। তথ্য অনুসৰি, আজি পুৱাই অধিবক্তা দম্পতী নিজ কৰ্তব্যৰ খাতিৰত তেজপুৰ আদালতলৈ গৈছিল। ঘৰত কোনো নথকাৰ সুযোগ লৈ চোৰে ঘৰৰ পিছ ফলৰ দৰ্জাৰ তলা ভাঙি ভিতৰত প্ৰৱেশ কৰে। ইয়াৰ পাছত চোৰৰ দলটোৱে আলমাৰী আৰু অন্যান্য আচবাব ছয় পৃষ্ঠাত চাওক



*পাণ্ডুৰ ছয় নম্বৰ গেটত ৰেলৱেৰ মাটিত অবৈধ বেদখলৰ বিৰুদ্ধে উচ্ছেদ অভিযান।*

## শ্ৰীৰামপুৰত বৃহৎ পৰিমাণৰ বিদেশী চিগাৰেট জব্দ ঃ চালকসহ তিনিজনক গ্ৰেপ্তাৰ

অগ্ৰদূত বাৰ্তা
**শ্ৰীৰামপুৰ, ২০ আগষ্ট ঃ** কোকৰাঝাৰ জিলাৰ গোসাঁইগাঁও মহকুমাৰ অসম- বংগ সীমান্তৰ শ্ৰীৰামপুৰত ২৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথত থকা শিমুলটাপু আৰক্ষী চকীৰ নাকাত আৰক্ষীয়ে কালি নিশা ১১-০০ বজাত অসমৰ পৰা পশ্চিমবংগৰ দিশে যোৱা এখন বাঁহ ভৰ্তি ছচকীয়া কন্টেইনাৰত তালাচী চলাই মূল্যৱান বিদেশী চিগাৰেট সহ বাহনখন জব্দ কৰে। শিমুলটাপু আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত বিষয়া সঞ্জীৱ সন্দিকৈৰ নেতৃত্বত আৰক্ষীয়ে নিশা ১১-০০ মান বজাত গোপন খবৰৰ ভিত্তিত এ এছ ২৫ ডিচি-৮৯০৭ নম্বৰৰ বাঁহ বোজাই কন্টেইনাৰ ট্ৰাকখন ৰখাই চালকক ছয় পৃষ্ঠাত চাওক

## তেজপুৰৰ ঐতিহাসিক পকী চৰকাৰক অৰ্পণ কৰাৰ ৫০ বছৰ



ষ্টাফ ৰিপ'ৰ্টাৰ
**তেজপুৰ, ২০ আগষ্ট ঃ** ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ পৈতৃক গৃহ তেজপুৰৰ ঐতিহাসিক পকী সংৰক্ষণৰ বাবে ১৯৭৭ত ৰাজ্য চৰকাৰক অৰ্পণ কৰিছিল ৰূপকোঁৱৰৰ পৰিয়ালবৰ্গই। তাৰ পাছৰ পৰাই অসম চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগে ইয়াক জ্যোতি ভাৰতী নামকৰণেৰে নামাংকিত কৰি শোণিতপুৰ জিলাৰ জিলা সাংস্কৃতিক উন্নয়ন বিভাগৰ মূল কাৰ্যালয়ৰূপে অভিহিত কৰি ৰাজ্যখনৰ এক অন্যতম ঐতিহাসিক তথা সাংস্কৃতিক পীঠস্থানলৈ পৰ্যৱসিত কৰি তোলে। উল্লেখ্য যে ৰূপকোঁৱৰৰ পৰিয়ালে অসম ছয় পৃষ্ঠাত চাওক

**ক্ষুব্ধ ৰাইজে এপিডিচিএলৰ কাৰ্যালয়ৰ গেটত ওলমালে তলা, জ্বলালে মম**

## অভয়াপুৰীত ঘণ্টাৰ পাছত ঘণ্টা বিদ্যুৎ সৰবৰাহ ব্যাহত

অগ্ৰদূত বাৰ্তা
**অভয়াপুৰী, ২০ আগষ্ট ঃ** বঙাইগাঁও জিলাৰ অভয়াপুৰী আৰু পাৰ্শ্বৱৰ্তী অঞ্চলত উৎকট গৰমৰ মাজতো একেৰাহে ২৪ ঘণ্টাতকৈ অধিক সময় কোনো জাননী নিদিয়াকৈ কৰ্তন কৰি ৰখাত ক্ষুব্ধ জনতাই যোৱা নিশা এপিডিচিএলৰ অভয়াপুৰীস্থিত কাৰ্যালয়ত তীব্ৰ প্ৰতিবাদ জনোৱাৰ লগতে গেটত তলা মাৰি মমবাতি প্ৰজ্বলন কৰে। উল্লেখ্য যে প্ৰচণ্ড গৰমৰ বাবে বিদ্যালয়সমূহত পুৱাৰ ভাগতে পাঠদান কৰি অহাৰ সময়তে অভয়াপুৰী আৰু ইয়াৰ পাৰ্শ্বৱৰ্তী



অঞ্চলত সামান্য বতাহ বা বৰষুণতে ঘণ্টাৰ পাছত ঘণ্টা বিদ্যুৎ সৰবৰাহ বন্ধ হৈ পৰে। এনে অৱস্থাত উৎকট গৰমৰ বাবে টোপনি ক্ষতিৰ বাবে পুৱাতে বিদ্যালয়লৈ ছয় পৃষ্ঠাত চাওক

**■ কৰ্তৃপক্ষৰ অবিবেচক কাণ্ডত হতবাক বিদ্বৎ মহল**

## লোকপিয়লৰ কামত শিক্ষক নিয়োগ কৰাত একাধিক বিদ্যালয়ত বন্ধ পাঠদান

অগ্ৰদূত বাৰ্তা
**শ্ৰীৰামপুৰ, ২০ আগষ্ট ঃ** লোকপিয়লৰ কামত প্ৰচুৰ সংখ্যক শিক্ষকক নিযুক্ত কৰাৰ ফলত ৰাজ্যৰ বিভিন্ন প্ৰান্তত চৰকাৰী বিদ্যালয়ত পাঠদান প্ৰক্ৰিয়া ব্যাহত হোৱাৰ দৰে কোকৰাঝাৰ জিলাৰ গোসাঁইগাঁও মহকুমাতো শিক্ষকৰ অভাৱত অনেক বিদ্যালয়ৰ পাঠদান প্ৰক্ৰিয়া ব্যাহত হোৱাই নহয় একাংশ বিদ্যালয়ত তলা ওলমা প্ৰত্যক্ষ হৈছে। শিক্ষক নথকাত বিদ্যালয় ছয় পৃষ্ঠাত চাওক




## ডিব্ৰুগড়ত আৰক্ষীৰ জালত কোটিটকীয়া প্ৰৱঞ্চক ইমতিয়াজ হুছেইন

**আত্মগোপন কৰি আছিল ঘৰৰ এটা গোপন কোঠাৰ বিছনাৰ তলত**

বিশেষ সংবাদদাতা
**ডিব্ৰুগড়, ২০ আগষ্ট ঃ** ডিব্ৰুগড় মহানগৰত টকা সলনিৰ প্ৰলোভন, চাকৰি দিয়াৰ নামত প্ৰৱঞ্চনা আৰু কোটি কোটি টকা আত্মসাৎ কৰা কুখ্যাত মহাপ্ৰৱঞ্চক ইমতিয়াজ হুছেইনক অৱশেষত আজি এক নাটকীয় অভিযান চলাই গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হৈছে ডিব্ৰুগড় আৰক্ষীয়ে। চিৰিং চাপৰিৰ টি আৰ ফুকন ৰোডস্থিত ইমতিয়াজৰ বাসগৃহত দণ্ডাধীশক লগত লৈ আৰক্ষীয়ে এই অভিযান চলায়। জানিব পৰা মতে, আজি ডিব্ৰুগড় আৰক্ষীয়ে ইমতিয়াজ হুছেইনক বিচাৰি টি আৰ ফুকন ৰোডস্থিত তেওঁৰ বাসগৃহত অভিযান চলায়। কিন্তু আৰক্ষী অহাৰ উমান পাই ইমতিয়াজে পত্নীসহ ঘৰৰ ভিতৰৰ এটা গোপন কোঠাত আত্মগোপন কৰি দুৱাৰ বন্ধ কৰি লয়। আৰক্ষীয়ে প্ৰায় কে'বা ঘণ্টা ছয় পৃষ্ঠাত চাওক

**নাজিৰাৰ বানবিধ্বস্ত কমলচাপৰিলৈ ঘৰ বনাবৰ বাবে বাঁহ কঢ়িয়াই নিয়া গাড়ী সোমাৱাত বাধা আৰোপ বাগিচা কৰ্তৃপক্ষৰ ■ ওৰে নিশা বাগিচাৰ গেটৰ বাহিৰত কটালে দলটোৱে**

## বহিৰাগত বাগিচা পৰিচালকৰ হাতত অপমানিত হ'ব লগা হ'ল ইউটিউবাৰ সময় গগৈ



অগ্ৰদূত বাৰ্তা
**শিমলুগুৰি, ২০ আগষ্ট ঃ** শেহতীয়াকৈ বানে বিধ্বস্ত কৰা অঞ্চলসমূহৰ ছয় পৃষ্ঠাত চাওক


**Advertisement Service**

**বিজ্ঞাপন সেৱা**

'দৈনিক অগ্ৰদূত'ত ৰঙীণ
(Display- Clour, Black & white)
আৰু শ্ৰেণীবদ্ধ বিজ্ঞাপন
(Classified) প্ৰকাশৰ বাবে
তলৰ নম্বৰত যোগাযোগ কৰক।
9957222140 (WhatsApp), 98648 97175

বিজ্ঞাপন বিভাগ, দৈনিক অগ্ৰদূত
অগ্ৰদূত ভৱন, দিছপুৰ-৬

দৈনিক
# অগ্ৰদূত

গুৱাহাটী শুকুৰবাৰ ৩ ভাদ ১৪৩৩ ভাস্কৰাব্দ ২১ আগষ্ট ২০২৬

## আমাৰ সমাজ

**যন্ত্ৰৰ** আৱিষ্কাৰে মানুহৰ শ্ৰম লাঘৱ কৰিলেও এতিয়া মানুহ যন্ত্ৰৰ দাস হৈ পৰিছে। এই আত্মঘাতী প্ৰৱণতাই মানুহক ধ্বংসৰ পথলৈ নিছে। দৰাচলতে তথাকথিত সভ্য মানুহেই পৃথিৱীৰ আয়ুস কমাইছে। ব্যক্তি স্বাৰ্থ পূৰণৰ হেতুকে গছ-গছনি কাটি ক্ৰমাৎ ধৰিত্ৰীৰ বুকু উদং কৰা হৈছে। ফলস্বৰূপে বায়ু প্ৰদূষিত হৈছে আৰু নগৰসমূহত এতিয়া কৃত্ৰিমভাৱে অক্সিজেন ল'ব লগা হৈছে। কোটি কোটি টকা ব্যয় কৰিও প্ৰদূষণ ৰোধ কৰাটো সম্ভৱ হোৱা নাই। তদুপৰি এহাতে প্ৰকৃতি ধ্বংস আৰু আনহাতে যান্ত্ৰিকতাৰ হেতুকে ধৰিত্ৰীৰ উপৰি ভাগত উত্তাপ এনেদৰে বৃদ্ধি পাইছে যে মানৱ জাতিৰ আয়ুস সীমিত হোৱাটো নিশ্চিত। উল্লেখনীয় যে যন্ত্ৰৰ পয়োভৰ হোৱা অঞ্চলসমূহকেই উন্নয়নৰ নিদৰ্শন বুলি কোৱা হয়; কিন্তু ই এক ধ্বংসমুখি যাত্ৰাহে, যাক ৰোধ কৰাৰ কোনো উপায় নাথাকে। এই সুন্দৰ ধৰিত্ৰীৰ বুকুত মানুহে সুখ-শান্তিৰে নিঃসন্দেহে থাকিব পাৰিলেহেঁতেন; কিন্তু দুৰন্ত খকৰ হেতুকে মানুহে আত্মঘাতী পথ লৈছে। আনহাতে, গ্ৰামাঞ্চলৰ কিশোৰ-কিশোৰী আৰু নগৰাঞ্চলৰ কিশোৰ-কিশোৰীৰ মাজত স্পষ্ট পাৰ্থক্য ওলাই পৰে। গ্ৰামাঞ্চলৰ ল'ৰা-ছোৱালীয়ে প্ৰকৃতিৰ মাজত খেলি উলাহত দিন কটায়। তেওঁলোক পুখুৰীত মাছ ধৰে, নৈত সাঁতোৰে আৰু মুকলি পথাৰত খেলি সময় কটায়। পাছলৈ শিক্ষা লাভ কৰি উপাৰ্জনক্ষম হয়। ইয়াৰ বিপৰীতে নগৰাঞ্চলত কিশোৰী-কিশোৰীবোৰক একোটা নিৰ্জীৱ ৰবটৰ দৰে ব্যৱহাৰ কৰা হয়। অভিভাৱকৰ নিৰ্দেশ— পৰীক্ষাত বেছি নম্বৰ পাবই লাগিব। বেছি দৰমহাৰ চাকৰিয়েই তেওঁলোকৰ জীৱনৰ লক্ষ্য। তেওঁলোকৰ মাজৰ পৰা ক্ৰমাৎ মানৱীয় অনুভূতিসমূহ হেৰাই যাবলৈ বাধ্য হয়। তেওঁলোকে পাছলৈ সেই মাক-দেউতাককো ঘূৰি চাবলৈ সময় নোপোৱা হয়। এনে অৱস্থাৰ পৰা আমাৰ কি লাভ হৈছে? এজন লোক বহু ধনৰ মালিক হ'ব পাৰে; কিন্তু যদিহে সেই ধনে সুখ-শান্তি আনি দিব নোৱাৰে, তেন্তে সেই ধন বিষতুল্য নহয়নে? টকাৰ আৱিষ্কাৰকেই সভ্যতাৰ অন্যতম মাপ-কাঠি হিচাপে লোৱা হয়। ধনৰ সুষম ব্যৱহাৰ নিতান্তই কাম্য; কিন্তু সেই ধন গলগ্ৰহ হ'ব নালাগে। ছুৰী এখনেৰে আপেল চকলীয়াই খাব পাৰি; কিন্তু কোনোবাই যদিহে আপেলৰ সলনি কাৰোবাৰ ডিঙি কটাত ব্যৱহাৰ কৰে, তেন্তে তেনে ছুৰীৰ আৱশ্যকতা কি?

এই সময়ত আমি প্ৰত্যেকে ক'লৈ গৈ আছো সেই বিষয়ে চিন্তা কৰাটো বাঞ্ছনীয়; কিয়নো তথাকথিত সভ্য হ'বলৈ গৈ আমি কেৱল দৌৰিছো, কেৱল ব্যক্তিগত আকাংক্ষা পূৰণৰ হেতুকেহে; কিন্তু সেই আকাংক্ষাৰ কোনো সীমা নাই, অথচ আমাৰ শক্তি-সামৰ্থ্য অনুসৰি নিজ ক্ষেত্ৰখনতেই সুখী হোৱাৰ যথেষ্ট উপাদান আছে। গুৱাহাটীতেই কিছু সংখ্যক ৰাজনৈতিক নেতা আৰু আমোলাৰ বহু ঠাইত মাটি আৰু কে'বামহলীয়া অট্টালিকা আছে; কিন্তু সেইবোৰৰ মালিক তেওঁলোক নে তেওঁলোকৰ মালিক অট্টালিকাসমূহ? এনেবোৰ সম্পদ আহৰণৰ উদ্দেশ্যে যিবোৰ বেঁকা পথ লৈছে, সেইবোৰৰ প্ৰত্যক্ষ নহ'লেও পৰোক্ষভাৱে তেওঁলোকে প্ৰতিফল ভোগ কৰিবই লাগিব। নিজৰ সতি-সন্ততিলৈ মাত্ৰাধিক ধন এৰি যোৱাটো নিশ্চয় বিবেকবান লোকৰ কাম নহয়। তেনে সম্পদে সন্তানক নিষ্কৰ্মা, দুশ্চৰিত্ৰ অথবা ধোৱাখুলীয়াহে কৰি তোলাৰ সম্ভাৱনা বেছি।

সবাতোকৈ উল্লেখনীয় যে সভ্য হ'বলৈ যোৱাৰ নামত আমি স্বকীয় অস্তিত্বকেই হেৰুৱাই পেলাবলৈ ধৰিছো। মাতৃভাষাক অনাদৰ কৰা হৈছে। নিজৰ সংস্কৃতিৰ প্ৰতি বীতশ্ৰদ্ধ, পৰম্পৰাগত সাজ-পাৰ, খোৱা-লোৱা সকলো বিস্মৃতিৰ পথত। আমদানিকৃত ধ্যান-ধাৰণা, সাজ-পাৰ, খোৱা-লোৱা সকলোখিনিকে গো-গ্ৰাসে হজম কৰিবলৈ লোৱাৰ ফলস্বৰূপে সমাজত মানসিক বিকৃতিৰ লোকৰ সংখ্যা বৃদ্ধি পাইছে। তেওঁলোকক একপ্ৰকাৰ আচহুৱা বহুৱালৈ পৰিবৰ্তিত হোৱা দেখা গৈছে। সভ্য সমাজত অন্তৰ্ভুক্ত হ'বলৈকে কাউৰীয়ে ম'ৰাৰ পাখি গুজি লোৱাৰ দৰেই এনেদৰে উঠিপৰি লগা দেখা গৈছে।

কিন্তু তেনে পৰিৱেশৰ পৰা মুক্তি লাভ কৰিবলৈ হ'লে শিশুৰ পিতৃ-মাতৃয়ে শৈশৱৰ পৰাই তেওঁলোকৰ স্বাভাৱিক বিকাশ যাতে বাধাগ্ৰস্ত নহয়, তাৰ ওপৰত দৃষ্টি দিব লাগিব। ধৰ্ম-ভাষা-বৰ্ণ-গোষ্ঠী নিৰ্বিশেষে সকলোৰে অধিকাৰ ৰক্ষাৰ ওপৰত গুৰুত্ব দিয়াৰ বাবে প্ৰশিক্ষণ দিব লাগিব। ঘৰখনতেই সতি-সন্ততিক ব্যক্তিকেন্দ্ৰিকতাৰ সলনি সামূহিক চিন্তাৰ সমল যোগাব পাৰিব লাগিব। পাশ্চাত্যৰ তথাকথিত সভ্যতাৰ সমল আমদানি কৰিবলৈ যোৱাৰ আগতে আমাৰ চাৰিওফালৰ পৰিৱেশৰ লগতে আমাৰ মানুহখিনিকো মানৱীয় কৰি তুলিবলৈ শিকিব লাগিব।

## খো লা ম ঞ্চ

### যুৱ সমাজক স্বাৱলম্বী কৰি তুলিবলৈ চৰকাৰৰ সদিচ্ছা থকা বুলি ভাবেনে?



**প্ৰিয় নাথ দত্ত**

**ভাৰত** স্বাধীন হোৱাৰ পাছৰে পৰা সেই সময়ৰ প্ৰধানমন্ত্ৰী জৱাহৰলাল নেহৰুৱে দুটা জ্বলন্ত সমস্যাৰ সন্মুখীন হৈছিল—বুভুক্ষ জনতাক ভাত-কাপোৰৰ যোগান ধৰা, ভিন ভিন প্ৰান্তৰ ভাষাৰ ভিত্তিত ৰাজ্য গঠন কৰি ঐক্য আৰু সংহতি ৰক্ষা কৰাৰ লগতে ভাৰতৰ সাৰ্বভৌমত্বক আগস্থান দিব লগা হৈছিল। আনহাতে, সেই তাহানিৰে পৰা অৰ্থাৎ ১৯৪৭খ্ৰীষ্টাব্দৰ ১৫ আগষ্টৰ পৰা যুৱ প্ৰজন্মকো শিক্ষা-দীক্ষাৰ পৰা চাকৰিত মকৰল কৰাৰ উপৰি স্বাৱলম্বী হোৱাৰ বাবে ভিন ভিন কাৰ্যপন্থা হাতত ল'লেও সেইবিলাক আছিল ক্ষন্তেকীয়া, ভুকুতে কল পকোৱাৰ দৰে। ৰাজহ আৰু বেংকৰ পৰিসীমাৰ ভিতৰত থাকি যুৱ প্ৰজন্মক স্বাৱলম্বী কৰাৰ বাবে কোনো দীৰ্ঘম্যাদী আঁচনিৰ চিন্তা-চৰ্চা হোৱা নাছিল। এতিয়া যদিও কেন্দ্ৰীয় চৰকাৰৰ ফালৰ পৰা Skill Development, Make in India বা ভিন ভিন আন্তঃগাঁথনি কিম্বা উদ্যোগীকৰণৰ, মুদ্ৰা ঋণৰ দ্বাৰা যুৱ প্ৰজন্মক আকৰ্ষণ কৰি ৰাষ্ট্ৰৰ মন-প্ৰাণ সপি দিয়াৰ দেখাত যাউতিযুগীয়া আঁচনি গ্ৰহণ কৰা হ'লেও এয়া কেৱল নিৰ্বাচনৰ প্ৰাক্‌মুহূৰ্তৰ ঘোষণা কৰি কিছু কিছু ক্ষেত্ৰত কামত আহিলেও সম্পূৰ্ণ কৃতকাৰ্যতা হ'ব পৰা নাই। অৱশ্যে অসমতো মুখ্যমন্ত্ৰীয়ে বিভিন্ন আঁচনি গ্ৰহণ কৰি পুৰুষ-মহিলা বা যুৱ প্ৰজন্মক আৰ্থিক সকাহ দিয়াৰ লেখিয়া যেন লাগে; আনহাতে, কৃষিক্ষেত্ৰত স্বাৱলম্বিতা হোৱাৰ বাবে কোনো বাস্তৱ পদক্ষেপ গ্ৰহণ কৰা দেখা নাই। ইয়াৰ অন্তৰালত যিদৰে নিৰ্বাচনী বৈতৰণী পাৰ হোৱাৰ কথা চৰকাৰখনে আগস্থান দিয়ে, একেদৰে যুৱ প্ৰজন্মৰো পৰিশ্ৰমৰ মৰ্যাদা দিয়াৰ আন্তৰিকতাৰ অভাৱ দেখা যায়।



# দানৰ ধৰ্মীয় মাহাত্ম্য আৰু বিভিন্ন জাতিৰ দাবীৰ অসাৰতা

**যিহেতু দান কৰ্মৰ ক্ষেত্ৰত আৱিষ্কাৰৰ প্ৰসংগ আহিব, সেয়েহে হিন্দুসকলে অৱশ্যেই দাবী কৰিব পাৰিব যে অতি পুৰণি সনাতন ধৰ্মই এই বৈশিষ্ট্যৰ আৱিষ্কৰ্তা। অন্য ধৰ্মই হিন্দুৰ পৰাহে এই ধাৰণা লৈছে। পিছে নৃতাত্ত্বিক পণ্ডিতসকলে সেই ধাৰণাত কুঠাৰাঘাত কৰি কৈছে যে দান, মানুহে মানুহক আৰু লগতে আন জীৱকো বিপদত সহায় কৰাটো মানুহৰ জিন বা ডিএইএ'তে 'লিখা' আছে। এয়া অৱশ্যে জ্যোতিষে কোৱা ভাগ্যলিপি নহয়, ষ্টিভ জোন্স, হাৰাৰি আদিয়ে পোষণ কৰা মতহে ।**



দৃষ্টিপাত

**ড° খৰ্গেশ্বৰ ভূঞা**

**অসমত** যোৱা মাহত চাৰি জিলাত হোৱা প্ৰলয়ংকৰী বানৰ ফলত ৰাজ্যখনৰ প্ৰত্যক্ষ আৰু পৰোক্ষ ক্ষতিৰ হিচাপ-নিকাচ চলি আছে। এইবোৰ ক্ষতিৰ হিচাপ প্ৰকৃত আৰু সুদূৰপ্ৰসাৰী ক্ষতিৰ লগত অৱশ্যে তুলনাই নহয়। ইয়াৰ এটা ধনাত্মক দিশ হৈছে— বানপানীত আক্ৰান্ত হোৱাসকলক ৰাজ্যৰ আৰু বাহিৰৰ বিভিন্ন স্তৰৰ মানুহে পাৰ্যমানে সহায় কৰিবলৈ চেষ্টা কৰিছে। সময় যোৱাৰ লগে লগে অৱশ্যে মানুহৰ এই উৎসাহ কমি যাব, আনহাতে বন্যাক্ৰান্তৰ সমস্যা বহু কাললৈকে দূৰ নহয়। এই ক্ষেত্ৰত চৰকাৰেই ৰাইজক বিপদৰ পৰা উদ্ধাৰ কৰিব লাগিব। বিগত বিধানসভাৰ নিৰ্বাচনত ৰাইজে যিহেতু বিজেপি মিত্ৰজোঁটক হিয়া উজাৰি ভোট দি তৃতীয় বাৰৰ বাবে শাসন ক্ষমতা গতাই দিছে, সেয়েহে আশা কৰিব পাৰি যে চৰকাৰেও ৰাইজক এই বিপদৰ পৰা সুকলমে উদ্ধাৰ কৰি আনিব। মুখ্যমন্ত্ৰীয়ে কৈছে যে প্ৰধানমন্ত্ৰী, গৃহমন্ত্ৰী বানৰ খবৰ ল'বলৈ অহাৰ দৰকাৰ নাই, ধনৰ বাবে কোনেও ভিক্ষা কৰিবও নালাগে, কাৰণ ৰাজকোষত হেনো পৰ্যাপ্ত পৰিমাণে সহায়ৰ বাবে ধন আছেই।

ভিক্ষাৰ প্ৰসংগতে ৰাইজৰ দান-বৰঙণিৰ কথা আহে। জীয়াই থাকিবলৈ আৰু আজিকালি বিলাসিতা, আনন্দ-উপভোগ আদিৰ বাবেও বিধে বিধে সামগ্ৰীৰ প্ৰয়োজন হয়। এনে সামগ্ৰী সহজেই উপলব্ধও হয়, এয়া সংগ্ৰহ কৰিবলৈ মাথোঁ ধন লাগে। নিজা সামৰ্থ্যৰে ধন সংগ্ৰহ কৰি এচামে লাগতিয়াল সামগ্ৰী গোটোৱাৰ বিপৰীতে আন বহুতেই নোৱাৰে। বিভিন্ন কাৰণে সামৰ্থ্যহীন হোৱাসকলক অন্যে দৰকাৰী বস্তু দিব পাৰে— এই দিয়াকে দান বুলিব পাৰি। নগদ ধন বা পোনপটীয়াকৈ সামগ্ৰীও দান হিচাপে দিব পাৰি। সাধাৰণতে যাক এনে বস্তু লাগে, তেওঁ থকাসকলৰ পৰা খুজিবও পাৰে, এয়াই হৈছে ভিক্ষা।

প্ৰাচীন কালতেই হওক বা আধুনিক কালতেই হওক ভিক্ষাক মানুহে সচৰাচৰ ভাল দৃষ্টিৰে নাচায়। পিছে ভাৰতীয় সংস্কৃতিত বা হিন্দু বা আজিকালিৰ কথিত সনাতনী ধৰ্মত ভিক্ষা জীৱিকাৰ এটি পদ্ধতি বুলিয়েই গণ্য কৰা হয়। বেদত থকা বেছিভাগ সূক্তই হৈছে দেৱতাৰ পৰা বস্তু বিচৰাৰ কাকুতি-মিনতি। সেইদৰে মানুহৰ চাৰি আশ্ৰমৰে প্ৰথমটো ব্ৰহ্মচৰ্য আশ্ৰমত শিষ্যই ভিক্ষা কৰিয়েই জীৱন নিৰ্বাহ কৰাৰ কথা কোৱা হৈছে। চতুৰ্বৰ্ণৰ সকলোতকৈ উচ্চ বুলি বিবেচিত ব্ৰাহ্মণে যিহেতু শাৰীৰিক শ্ৰম কৰি জীৱিকাৰ সাধন গোটাব নোৱাৰে, সেয়েহে তেওঁলোকে ভিক্ষাৰেই সকলো সংগ্ৰহ কৰিব লাগিব। অৱশ্যে তেওঁলোকৰো সন্মান ৰক্ষাৰ বাবে আন তিনি বৰ্ণক কোৱা হৈছে যে ব্ৰাহ্মণক খোলা হাতেৰে দান দিয়াটোৱেই হৈছে আটাইতকৈ পুণ্যৰ কাম। ব্ৰাহ্মণক দান দিলে সবাতোকৈ পুণ্য ফল পোৱাৰ বিপৰীতে ক্ষত্ৰিয়, বৈশ্য আৰু শূদ্ৰৰ ক্ষেত্ৰৰ দানৰ মাহাত্ম্য, অৰ্থাৎ পুণ্যলাভৰ পৰিমাণ ক্ৰমান্বয়ে কমি যায়।

ভাৰতীয় শাস্ত্ৰত দান লোৱাসকলতকৈ দাতাসকলৰ মহানতাৰ বিষয়ে অনেক কাহিনী বৰ্ণিত হৈছে। এনে কাহিনীয়ে দানৰ প্ৰতি সকলোৰে আগ্ৰহ বৃদ্ধি কৰিছিল। পিছে দান দিয়াসকলৰ এটি অহংকাৰ থকাৰ বিপৰীতে দান লোৱাজনৰ মনলৈও হীনমন্যতা আহিব পাৰে। সেয়েহে শাস্ত্ৰই দান দিয়াৰ ক্ষেত্ৰতো কিছুমান নিয়ম প্ৰৱৰ্তন কৰিছিল। যেনে তৈত্তিৰীয় উপনিষদৰ প্ৰথম অধ্যায়ৰ একাদশ অনুবাকৰ তিনি নম্বৰ মন্ত্ৰত কৈছে— 'শ্ৰদ্ধয়া দেয়ম্। অশ্ৰদ্ধয়া অদেয়ম্। শ্ৰিয়া দেয়ম্। হ্ৰয়া দেয়ম্। ভিয়া দেয়ম্। সংবিদা দেয়ম্।' ইত্যাদি (১/১১/৩)। দান কৰোতে তিনিটা কথা থাকিব লাগিব— শ্ৰী, হ্ৰী আৰু শ্ৰদ্ধা। শ্ৰীয়ে সৌন্দৰ্য বুজায়, দান দিওঁতে লেতেৰা-পেতেৰাকৈ নিদি, চাফ-চিকুণকৈ দিব লাগিব। পৌষ্য ৰজাৰ ৰান্ধনীয়ে উতঙ্ক মুনিক চুলি পৰি থকা বাহী ভাত দিয়াৰ কাৰণে মুনিয়ে ৰজাক অভিশাপ দিছিল। হ্ৰী মানে লজ্জা। দান কৰাজনে লাজ কৰিব লাগিব, অৰ্থাৎ দান দিয়াৰ বাবে তেওঁ উচ্চ আৰু গ্ৰহীতাজন তলখাপৰ— এনে মনোভাৱ প্ৰকাশ নহ'বৰ কাৰণে অতি নম্ৰতাৰে দৰকাৰ হ'লে দুখন হাতেৰে দান দিব লাগে। দিয়াজনৰ প্ৰতি শ্ৰদ্ধা প্ৰদৰ্শন কৰিব লাগিব। গাঁৱৰ গৃহিণীয়ে ভিক্ষাৰীক চাউল মুঠি দিওঁতেও সোঁহাতে বাটিত চাউল লৈ বাওঁহাতখন সেৱাৰ ভংগীত সোঁহাতৰ সৰু গাঁঠিত ধৰি থাকে। এয়া হৈছে শ্ৰদ্ধা দেখুওৱাৰ ভকতীয়া পদ্ধতি। সামৰ্থ্য মতেহে দান কৰিব লাগে। শ্ৰদ্ধা নাথাকিলে দান দিব নালাগে।

কন্যাদান, যজ্ঞত বলিৰ ৰূপত পশুদান আদিক লৈ শাস্ত্ৰ সমূহত অনেক নিয়ম-নীতিৰ কথা আছে। দৈত্যৰাজ বলিয়ে বিষ্ণুৰ বামন অৱতাৰক দিয়া ত্ৰৈলোক্য দান, শেনৰূপী ইন্দ্ৰক শিবি ৰজাই দিয়া দান, দানৰ পিছত ব্ৰাহ্মণক দিব লগা দক্ষিণাৰ বাবে হৰিশ্চন্দ্ৰই পুত্ৰ-কন্যাকো বেচিব লগা হোৱা, কৰ্ণই ইন্দ্ৰক কৰা কৱচ-কুণ্ডল দান আদি বিভিন্ন দানৰ কাহিনীৰে হিন্দু শাস্ত্ৰ প্লাৱিত হৈ আছে। এইবোৰ পঢ়িলে এনে লাগিব যেন হিন্দু ধৰ্মই অনন্যভাৱে দান দিয়াৰ পদ্ধতিৰ প্ৰচলন কৰিছিল আৰু এয়া এই ধৰ্মৰেই বিশেষত্ব। পিছে ইছলাম, খ্ৰীষ্টান, বৌদ্ধ, শিখ, ইহুদী আদি প্ৰায় সকলো ধৰ্মই এই বিষয়টোক বিশেষ গুৰুত্ব দিছিল। কেৱল সামগ্ৰী প্ৰদান কৰাই নহয় যুদ্ধক্ষেত্ৰত প্ৰাণ দিয়াটোও বলিদান, উগ্ৰপন্থীয়ে আত্মঘাতী বোমাৰে শত্ৰু বুলি ভবাসকলক ধ্বংসৰ বাবে নিজক নিঃশেষ কৰি দিয়াটোকো দান বুলিয়েই ভাবে।

অসমৰ সাম্প্ৰতিক বানত পীড়িত হোৱাসকলক সহায়ৰ হাত আগবঢ়াবলৈ যোৱা প্ৰথম খেপৰ লোকসকলৰ ভিতৰত মৌলানা বদৰুদ্দিন আজমল আছিল অন্যতম। বহুতেই এই কামত ৰাজনীতিৰ গোন্ধ পালেও ইছলামধৰ্মী বিভিন্নজনে দেখুৱাই দিছিল যে বিপদত পৰা মানুহক জাকাত বা অন্য নামত সহায় কৰাটো ধৰ্মটোৰেই অন্যতম বৈশিষ্ট্য। ইয়াত নিজৰ ধৰ্ম বা ৰাজনৈতিৰ লাভালাভৰ কথা নুঠে। তাৰ পাছতেই দেখা গ'ল যে চৰম হিন্দুত্ববাদী মুষ্টিমেয় এচামৰ বাদে বন্যাক্ৰান্ত সকলেই হওক বা সহায় কৰাসকলেই হওক, প্ৰায় সকলোৰেই ধৰ্ম আৰু ৰাজনীতিক সাহায্য, দান আদিৰ লগত সনাপোটকা কৰা নাই। খ্ৰীষ্টান, শিখ আৰু আন ধৰ্মীসকলেও সহায়ৰ কামটোত ধৰ্মক বিচাৰি যোৱা নাই।

দান-দক্ষিণা, পাৰস্পৰিক সাহায্য আদিৰ ওৰ বিচাৰিবলৈ গ'লে ধৰ্মৰ আধিপত্য অৱশ্যেই দেখা যায়। বেছি শুদ্ধকৈ ক'বলৈ হ'লে প্ৰায় প্ৰতিটো ধৰ্মৰ অনুগামীয়েই ভাবে যে তেওঁলোকৰ ধৰ্মই বিপদত পৰা মানুহক সহায় কৰা, পাৰ্যমানে দান দিয়া ধৰণৰ কামবোৰ ধৰ্মৰ বৈশিষ্ট্য হিচাপে আৱিষ্কাৰ বা প্ৰৱৰ্তন কৰিছিল। হিন্দু শাস্ত্ৰৰ উদ্ধৃতিৰ লগতে ইছলাম ধৰ্মীসকলে আগবঢ়োৱা ভাষ্যও ওপৰত সামান্য ভাৱে দিয়া হৈছে। অন্যবোৰ ধৰ্মশাস্ত্ৰৰ পৰাও তেনে উদ্ধৃতি আনিব পাৰি। যিহেতু দান কৰ্মৰ ক্ষেত্ৰত আৱিষ্কাৰৰ প্ৰসংগ আহিব, সেয়েহে হিন্দুসকলে অৱশ্যেই দাবী কৰিব পাৰিব যে অতি পুৰণি সনাতন ধৰ্মই এই বৈশিষ্ট্যৰ আৱিষ্কৰ্তা। অন্য ধৰ্মই হিন্দুৰ পৰাহে এই ধাৰণা লৈছে। পিছে নৃতাত্ত্বিক পণ্ডিতসকলে সেই ধাৰণাত কুঠাৰাঘাত কৰি কৈছে যে দান, মানুহে মানুহক আৰু লগতে আন জীৱকো বিপদত সহায় কৰাটো মানুহৰ জিন বা ডিএইএ'তে 'লিখা' আছে। এয়া অৱশ্যে জ্যোতিষে কোৱা ভাগ্যলিপি নহয়, ষ্টিভ জোন্স, হাৰাৰি আদিয়ে পোষণ কৰা মতহে ।

পুনৰাবৃত্তি হ'লেও ক'ব লাগিব যে পৃথিৱীত প্ৰাতিষ্ঠানিক বা উপাসনা ধৰ্ম আৱিৰ্ভাৱ হোৱাৰ অতি বেছি আঠ হেজাৰমান বছৰ হৈছে। আনহাতে মানুহ বা হোমো ছেপিয়ান্সৰ আৱিৰ্ভাৱ প্ৰায় দুই লাখ বছৰৰ আগতে হৈছিল। ভোক লাগিলে, সুৰক্ষা বিঘ্নিত হ'লে আৰু যৌন উত্তেজনা আহিলে পশুৱে সাধাৰণতে হিংস্ৰতা দেখুৱায়। অৱশ্যে এইবোৰৰ উপশম ঘটিলে পশু পুনৰ স্বাভাৱিক অৱস্থালৈ আহে। এই ক্ৰোধৰ প্ৰবৃত্তি পশুৰ পৰাই মানুহৰ জিনলৈও আহিল, অৱশ্যে মানুহে মনেৰে চিন্তা কৰিবলৈ লোৱাৰ পৰা লাহে লাহে হিংস্ৰ ভাৱ নিয়ন্ত্ৰণ কৰিবলৈ ল'লে। অত্যন্ত ক্ৰোধী মানুহৰ ক্ৰোমোজোমত থকা গণ্ডগোলৰ পৰা ডিএনএ'ৰ লগত ক্ৰোধ তথা বিভিন্ন অনুভূতিৰ



সম্বন্ধ বিচাৰি উলিওৱা হৈছে।

মানুহৰ পৰস্পৰৰ প্ৰতি মৰম-চেনেহ, বিপদত সহায়ৰ হাত আগবঢ়োৱা প্ৰবৃত্তিবোৰো জিনত প্ৰোথিত হৈছিল হেজাৰ হেজাৰ বছৰ ধৰি সন্মিলিতভাৱে কাম কৰিবলৈ লোৱাৰ পৰা। চিন্তা কৰিব পৰা মানুহৰ মনে বুজিছিল যে এই দান-বৰঙণি, পাৰস্পৰিক সহায় আদি লাভজনক, কিয়নো বিশাল আৰু শক্তিশালী প্ৰকৃতিৰ বিৰুদ্ধে অকলে যুঁজি মানুহ জয়ী হোৱাটো বাদেই ধ্বংসহে হ'ব লাগিব। অনুভৱৰ এই স্তৰবোৰ যথেষ্ট মন্থৰ হ'লেও কাৰ্যকৰী হৈছিল। সেইদৰে প্ৰকৃতিৰ লগত সংগ্ৰাম আৰু পাৰস্পৰিক সহযোগিতাৰ সুফল পৃথিৱীৰ প্ৰায় সকলো ঠাইৰ মানুহেই বেলেগে লাভ কৰিছিল বাবে পৰস্পৰৰ মাজত সংযোগ নোহোৱাকৈয়ে দানৰ মহিমা মানুহে বুজি পাইছিল। একোটা দল বা গোষ্ঠীৰ মাজত পাৰস্পৰিক সহযোগিতা থাকিলেও বিভিন্ন গোষ্ঠীৰ মাজত পশুৰ দৰে শত্ৰুতা থাকিয়েই গৈছিল, যিটো আধুনিক মানুহৰো বৈশিষ্ট্য।

মানুহ আৰু আন জীৱৰ প্ৰতি দয়া, পৰস্পৰক সহায় কৰা, দৰকাৰ অনুসৰি দান দিয়া— এই বৈশিষ্ট্যবোৰ মানুহে উত্তৰাধিকাৰী সূত্ৰে প্ৰবৃত্তি ৰূপে পাইছিল আৰু ধৰ্মৰ আৱিৰ্ভাৱৰ পাছত এইবোৰ সৎ কৰ্ম বুলি বিবেচনা কৰি ধৰ্মৰ নিয়ম হিচাপে ব্যৱহাৰ কৰিছিল। এই সিদ্ধান্তই আন এটা কথাও প্ৰতিপন্ন কৰে, সেয়া হৈছে ধৰ্মৰ উদ্দেশ্য আছিল মানৱ কল্যাণ, সেয়েহে যিবোৰ মানৱ কৰ্মক ধৰ্মৰ প্ৰৱৰ্তকসকলে পৰ্যবেক্ষণৰ যোগেদি হিতকাৰক বুলি ভাবিছিল, সেইবোৰকে ধৰ্মৰ বাণী বা কৰণীয় কৰ্ম ৰূপে নিৰ্দ্ধাৰণ কৰিছিল। ইয়াৰ বিপৰীতে মানুহৰ অনিষ্ট কৰিব পৰা বুলি ভবা কৰ্মবোৰ বৰ্জনীয় বুলি ধৰিছিল। প্ৰকৃতিৰ লগত মানুহৰ অবিচ্ছেদ্য সম্পৰ্কৰ কথা মানুহে কমেও পঞ্চাশ হেজাৰ বছৰৰ আগতেই অনুভৱ কৰিছিল। সেই প্ৰকৃতিৰ স্ৰষ্টা, পালক আদিৰ ধাৰণা বহু হেজাৰ বছৰৰ পাছত মনলৈ অহাত ঈশ্বৰৰ বিষয়েও কল্পনা কৰিছিল। এই ঈশ্বৰেও মানুহৰ কল্যাণেই কৰে, বেয়া কাম কৰিলে শাস্তি দিয়ে— এইবোৰ ধাৰণাও মানুহে কৰিলে। যদিও মানৱীয় দোষ-গুণবোৰ প্ৰকৃতি প্ৰদত্ত আৰু উত্তৰাধিকাৰী সূত্ৰে পোৱা, তথাপি ধৰ্মশাস্ত্ৰ লিখাসকলে এয়া ঈশ্বৰেই দান বুলিলে।

দান কৰাটো মানুহৰ এটা ভাল বৈশিষ্ট্য বুলি কোৱাৰ লগে লগে যেনেকৈ প্ৰতিটো ধৰ্মৰ লোকে সেয়া নিজৰ ধৰ্মটোৰ পৰা উদ্ভৱ বুলি দাবী কৰিবলৈ ধৰে, তেনেদৰেই পৃথিৱীৰ বিভিন্ন জাতিয়ে জ্ঞান-বিজ্ঞান, ভাল কাম আদিকে ধৰি সকলো গুণেই নিজৰ জাতিয়ে প্ৰদান কৰাৰ এটা ধাৰণা পোষণ কৰে। যেনে বহু গ্ৰীক লোকেই ভাবে যে পৃথিৱীৰ ইতিহাসৰ মূল হৈছে হোমাৰ, চোফিক্লিচ আৰু প্লেটো। সেইদৰে সকলো গুৰুত্বপূৰ্ণ ধাৰণা আৰু আৱিষ্কাৰ হৈছিল এথেন্স, স্পাৰ্টা, আলেকজেন্দ্ৰিয়া বা কন্‌ষ্টাণ্টিপোলত। আনহাতে চীনা জাতীয়তাবাদীৰ মতে প্ৰকৃত ইতিহাস আৰম্ভ হৈছিল পীত সম্ৰাট হুৱাণ্ডি (খ্ৰী.পূ ২৬৯৭ - ২৫৯৭), জিয়া আৰু চেং ৰাজবংশৰ পৰা। পশ্চিমীয়া দেশেই হওক বা ইছলাম বা ভাৰতীয়সকলেই হওক, সকলোৰেই চীনৰ পৰা ধাৰণা লৈয়েই আগবাঢ়িছিল। ধাৰ্মিক মুছলমানসকলে ভাবে যে হজৰত মহম্মদৰ পূৰ্বৰ ইতিহাসৰ কোনো কথাই প্ৰাসংগিক নহয় আৰু কোৰানৰ আৱিৰ্ভাৱৰ পাছত ইতিহাস ইছলাম ৰাষ্ট্ৰবোৰক কেন্দ্ৰ কৰিয়েই আগবাঢ়ে।

ব্ৰিটিছ, ফৰাচী, জাৰ্মান, আমেৰিকান, জাপানীকে ধৰি প্ৰায় সকলো জাতি-জনগোষ্ঠীয়েই ভাবে যে সেই সেই জনগোষ্ঠীৰ অৱদান নহ'লে পৃথিৱীৰ মানুহ আজিও বৰ্বৰ অৱস্থাতেই থাকিলহেঁতেন। ব্ৰিটিছে ভাৰত শাসন কৰাৰ কালতো কথিত আৰু লিখিতভাৱে প্ৰকাশ কৰা হৈছিল যে ভাৰতত পূৰ্বতে সভ্যতা বুলিবলৈ নাছিলেই; ইংৰাজসকলে আহিহে ভাৰতীয়ক সভ্যতা শিকালে। প্ৰাচ্য সংস্কৃতিৰ পণ্ডিত বুলি ভবা মেক্‌স মূলাৰে বেদক শিশুমতীয়া আখ্যানৰ ভঁৰাল বুলিছিল আৰু ভাৰতীয়ৰ মগজুৰ পৰা বেদৰ সংস্কাৰ মূলৰ পৰা উঘালিবলৈ প্ৰয়াস কৰিছিল। সিন্ধু সভ্যতাৰ আৱিষ্কাৰৰ পাছত অৱশ্যে ব্ৰিটিছৰ ধাৰণাৰ বহুখিনি সলনি হৈছিল। আজটেকসকলে ভাবে যে তেওঁলোকে প্ৰতি বছৰে কৰা ধৰ্মীয় উছৰ্গাবোৰ নকৰিলে সূৰ্য উদয় নহ'ব আৰু বিশ্বব্ৰহ্মাণ্ডও ছিৰাছিৰ হ'ব।

বিভিন্ন জাতি-জনগোষ্ঠীয়ে কৰা এইবোৰ ধাৰণাৰ কিয়দংশ বিশিষ্ট ইতিহাসবিদ য়ুভাল নোৱা হাৰাৰিৰ গ্ৰন্থত উল্লেখিত হৈছে। তেওঁ নিজৰ দেশ ইজৰাইলৰ ইহুদীসকলৰ ধাৰণাৰ বিষয়েও কৈছে। তেওঁলোকে ভাবে যে পৃথিৱীত যিমানবোৰ গুৰুত্বপূৰ্ণ কাম হৈছে, সকলোবোৰৰে আঁৰত ইহুদীসকলৰ অৰিহণা আছে। মানুহে প্ৰাপ্ত কৰা যিকোনো সাফল্যত এওঁলোকৰ ধাৰণাই সহায় কৰিছে। হাৰাৰিক এজন যোগ শিক্ষকে কৈছিল যে যোগৰ আৱিষ্কাৰক হৈছে আব্ৰাহাম। যোগৰ বিভিন্ন মুদ্ৰা আৰু আসনৰ সৃষ্টি হৈছে হিব্ৰু ভাষাৰ আখৰবোৰৰ আধাৰত। আব্ৰাহামে এইবোৰ আসন আৰু মুদ্ৰা নিজৰ এজন প্ৰিয় শিষ্যক শিকাইছিল, তেওঁ পাছত ভাৰতলৈ গৈ সেইবোৰ ভাৰতীয়ক শিকাইছিল। হাৰাৰিয়ে সুধিলে— এই দাবীৰ কিবা প্ৰমাণ আছে নেকি বুলি। তেতিয়া তেওঁ বাইবেলৰ এটা বাক্য উদ্ধৃত কৰিলে। জেনেচিচ ২৫/৬ ৰ এই বাক্যটো হ'ল— 'আব্ৰাহামে তেওঁৰ শিষ্যসকলক কিছু উপহাৰ দিছিল আৰু তেওঁ জীয়াই থকাৰ কালতে তেওঁলোকক পূবৰ দেশবোৰলৈ পঠিয়াই দিছিল।' যোগ শিক্ষকজনৰ মতে আব্ৰাহামৰ উপহাৰবোৰ হ'ল 'যোগৰ জ্ঞান' আৰু পূবলৈ যোৱা মানে ভাৰতলৈ গৈ সেই যোগ শিক্ষা ভাৰতীয়ক দিয়া। এয়া কেনেধৰণৰ প্ৰমাণ হাৰাৰিয়েও বুজে, পাঠক আৰু শ্ৰোতাসকলেও বুজে।

ভাৰতীয়সকলো এইবোৰ ক্ষেত্ৰত এখোপ চৰা। ভাৰতেই পৃথিৱীৰ সকলো সভ্যতাৰ মূল বুলি দাবী কৰা হয়। সেইদৰে 'বেদতেই সকলো আছে' বুলি কোৱা লোকো কম নহয়। ভাৰতৰ পুৰাণ আৰু মহাকাব্য দুখনত বিমানেৰে আকাশ ভ্ৰমণ কৰাৰ বৰ্ণনা থকাৰ লগতে মহাভাৰতত অৰ্জুনক মহাকাশলৈ লৈ যোৱাৰো উল্লেখ আছে। মহৰ্ষি ভৰদ্বাজে বিমান আৰু ৰকেট আৱিষ্কাৰ কৰিছিল, বিশ্বামিত্ৰ আছিল ক্ষেপণাস্ত্ৰ বা মিছাইলৰ জনক। মহাভাৰতৰ দ্ৰোণ পৰ্বত দ্ৰোণাচাৰ্যই পাৰমাণৱিক অস্ত্ৰ নিক্ষেপ কৰি শত্ৰু দমন কৰিছিল। নিমি ৰজাই নিজৰ শিৰ কাটি তাৰ ঠাইত ঘোঁৰাৰ মূৰ লগাই লৈ মধুবিদ্যা শিকিছিল, কাৰণ ইন্দ্ৰই অভিশাপ দি থৈছিল যে মধুবিদ্যা শিকিলে শিৰ নিজে নিজে খহি পৰিব। মধুবিদ্যা শিকাৰ পাছত নিমিয়ে নিজৰ মূৰ পুনৰ লগাই লয়। ছান্দোগ্য উপনিষদত মধুবিদ্যাৰ কথা বাৰে বাৰে উল্লেখিত হৈছে যদিও বিদ্যাটোনো কি সেয়া স্পষ্ট কৰা নাই, এইটো শিকিলে হেনো মানুহ অমৰ হয়। মানুহৰ বিভিন্ন অঙ্গৰ পুনৰ সংস্থাপনৰ বিষয়ে বহু উদাহৰণ দিয়া হৈছে। এইবোৰত অন্য মানুহ বা প্ৰাণীৰ অঙ্গ ব্যৱহাৰৰ উল্লেখো আছে। বুঢ়াক ডেকা কৰা, পুৰুষক নাৰী কৰা, পুৰুষৰ উদৰৰ পৰা পুত্ৰৰ জন্ম, সহস্ৰ ফণাৰ ওপৰত মানুহে নচা, আঙুলিৰে পৰ্বত ছাতিৰ দৰে দাঙি ধৰা, ৰাতিটোৰ ভিতৰতে পৰ্বত দাঙি হিমালয়ৰ পৰা লংকালৈ যোৱাকে ধৰি অজস্ৰ অলৌকিক কাহিনীৰে হিন্দু শাস্ত্ৰ প্লাৱিত হৈ আছে। হিন্দু ধৰ্মৰ অন্যতম শাখা গাণপত্যৰ আৰাধ্য দেৱতা গণেশৰ শিৰ কাটি হাতীৰ মূৰ লগাই দিয়াৰ কাহিনী বাৰুকৈয়ে জনপ্ৰিয়। এইবোৰ কাহিনীৰ আধাৰত হিন্দুৱে কমেও চাৰি হেজাৰ বছৰৰ আগতেই পৃথিৱীত আধুনিক বিজ্ঞানে এতিয়াহে কৰিব পৰা প্ৰযুক্তিগত কামবোৰ কৰিছিল বুলি ভাবে।

একে আষাৰে ক'ব পৰা কথাটো হ'ল সকলোবোৰ ধৰ্ম আৰু জাতি-জনগোষ্ঠীয়ে কৰা দাবীবোৰৰ প্ৰায় খিনিয়ে সত্য নহয়। এইবোৰ দাবীৰ বাস্তৱ ব্যাখ্যাও কৰিব পাৰি।


*ফোন ঃ ৮১৩৫৮৩৫২১৯*

# ১৯৯৮ৰ মাজুলীৰ বানপানীৰ কথাৰে

**ৰমেন বৃৰদুগ**

**তেতিয়া** মই সৰু ল'ৰা। বাৰিষা কালত মাতমৰা মথাউৰি ছিগিল বুলি অৰ মুখে-তৰ মুখে শুনিলেই আমাৰ শিশু মনবোৰ উৎফুল্লিত হৈ পৰো। চোতালত পানী সোমাব, সাঁতুৰিব শিকিম, কলৰ ভূৰত উঠি অলৈ যাম তলৈ যাম, বৰশী বাম, মাছ ধৰিম লাগিত। মুঠতে অনেক কল্পনা কৰি থাকো। ইফালে, মা-দেউতাৰ অনেক চিন্তা। গৰু-ছাগলীবোৰ ক'ত থ'ব, ক'ত বাম ঠাই আছে সেইবোৰৰ সন্ধানত ব্যস্ত হৈ পৰে। ১৯৯৬ত মোৰ নিজ চকুৰে আলি ছিগি পানী বলীয়া ৰূপত বাগৰি যোৱা দৃশ্য প্ৰথম দেখিছো। তেতিয়া আহাৰ মাহৰ ৩০ তাৰিখ আছিল। ইংৰাজী কি তাৰিখ আছিল মনত নাই। কাৰণ তেতিয়া মা-দেউতাহঁতে অসমীয়াতে চন-বাৰ তাৰিখ হিচাপ ৰাখিছিল। তাৰ পাছত ১৯৯৭ত বানপানীৰ সমস্যাটো ইমান প্ৰবল নাছিল। তেতিয়া ভাৰতীয় সেনাই সৈনিকসকলে জেংৰাইমুখ মাজুলীৰ পৰা ঢকুৱাখনা আৰু নয়াবজাৰ সংযোগী গড়কাপ্তানী পথটো ফকলেঙেৰে নিৰ্মাণ কৰি থকা দেখিছিলো।

এতিয়া ১৯৯৮ৰ বানৰ মহাপ্ৰলয়ৰ কথালৈ আহো। মাতমৰা মথাউৰি ছিগিলেই মাজুলীবাসী মহা প্ৰলয়ৰ সন্মুখীন হোৱাতো স্বাভাৱিক কথা। বিশেষভাৱে মাজুলীৰ জেংৰাইমুখৰ মানুহ ভীতিগ্ৰস্ত হোৱাৰ লগতে জীৱন সম্পদ ক্ষতিগ্ৰস্ত হোৱাৰ আশংকাই মনবোৰ শংকাময় কৰি তোলে। এটা কথা ঠিক যে জেংৰাইমুখ অঞ্চলৰ ৰাইজ বাৰিষা বানৰ সময়ত অতি সজাগ সচেতন হৈ থাকে। জেংৰাইমুখৰ কুমাৰবাৰী, বৰপমুৱা, নামনি চেৰপাই গাঁও উন্নয়ন সমিতি, যুৱক সংঘ, টি এম গি কে আদিয়ে জেংৰাইমুখৰ পৰা ঢকুৱাখনাৰ মাতমৰা মথাউৰিলৈকে পহৰা দি থাকে। এনে এক কোনোবা মুহূৰ্তত মাতমৰা মথাউৰিৰ বান্ধ ছিগিল। এই ভয়ংকৰ খবৰটো তাত থকা মানুহবোৰৰ চিঞৰ-বাখৰৰ শব্দ ধ্বনিয়ে নিমিষতে ঢকুৱাখনা গাঁও নগৰ অঞ্চলত ছিটিকি পৰাৰ লগতে মাজুলীৰ জেংৰাইমুখৰ গাঁৱে গাঁৱে, চুবুৰিয়ে চুবুৰিয়ে প্ৰতিধ্বনিত হৈ মাজুলীৰ সমগ্ৰ অঞ্চলত বিয়পি পৰে। তাৰ পাছতে ভয় শংকাত হাহাকাৰ পৰিস্থিতিৰ সৃষ্টি হয়। মাইকত ঘোষণা কৰিলে যে ৰাইজো সজাগ হওক. নিৰাপদ ঠাই বাছি লওক আৰু জেংৰাইমুখৰ পৰা নয়াবজাৰ সংযোগী গড়কাপ্টানী পথটো যিকোনো প্ৰকাৰে বচাবলৈ প্ৰতি ঘৰৰ পৰা এজনকৈ মতা মানুহ আহিব লাগে। কথা মতে কাম। য'ত যেনেকৈ আছিল তেনেকৈয়ে মতা মানুহবোৰ মাজুলীবাসীক ৰক্ষা কৰিব লগা আলিটো বচাবলৈ লৰ মাৰি যায়। ভয়ংকৰ ৰূপত খেৰকটা নদীৰ ভূ-পৃষ্ঠ বাঢ়ি আহি আলিটোৰ কাষ পালেগৈ। মিনিটে মিনিটে পানী বৃদ্ধি হৈ আলিটোৰ শিখৰ চুলেগৈ। আলিৰ ওপৰত পানী বাগৰিব আৰম্ভ কৰিলে। বস্তাত মাটি ভৰাই ৰাইজ একতাৰে বাগৰা পানী ৰোধ কৰিবলৈ চেষ্টা কৰিলে। প্ৰশাসনৰ ফালৰ পৰা য'ত যিমান বস্তা তিৰপাল লাগে যোগান ধৰিছে। ট্ৰেক্টৰেৰে মাটি অনাই আনিছে বস্তাত মাটি ভৰোৱাই ভৰাইছে। যেন ৰণত শত্ৰু পক্ষৰ সৈনিকৰ স'তে মৰণ পণ যুঁজ দিছে। ভোক-পিয়াহ-টোপনি নেওচি ৰাতি ১২ বজালৈ যুঁজ দি অৱশেষত যুঁজাৰু ৰাইজ হাৰ মানিব লগা হয়। ৰণস্থলী এৰি চিঞৰ মাৰি নিজা নিজা ঘৰলৈ দৌৰি আহে । পানী বাগৰি অহা ভয় লগা শব্দবোৰেও ঘৰতে টিপ চাকি জ্বলাই অনিদ্ৰাত থকা বোৱাৰী-জীয়াৰী, ল'ৰা- ছোৱালীসকলৰ বুকু কঁপাই দিছে। প্ৰতি ঘৰতে হাহাকাৰ অৱস্থা। মিনিটে মিনিটে পানীৰ উচ্চতা বাঢ়িব ল'লে। চকুৰ পচাৰতে ধানৰ ভঁৰাল পানীত ডুব গৈছে। আলিৰ কাষতে থকা ঘৰবোৰ উটুৱাই নিছে। হাড়ক পানী কৰি কপালৰ ঘাম মাটিত পেলাই মৰমেৰে সজা ঘৰখন বলিয়া বানে আলি ছিগি আহি চকুৰ আগত উটুৱাই নিয়া আৰু মৰমৰ পোহনীয়া জীৱ-জন্তুবোৰ পানীত ককবকাই পানীত ওপঙি থকা দৃশ্যবোৰ কিমান মৰ্মান্তিক হ'ব পাৰে তাক দেখাজন আৰু ভোক্তভোগীয়েহে উপলব্ধি কৰিব



পাৰিব । ১৯৯৬ৰ আহাৰৰ বানপানীৰ পৰিস্থিতিয়ে জেংৰাইমুখ মাজুলীত যি হাহাকাৰ অৱস্থাৰ সৃষ্টি কৰিছিল তাৰ পৰা মানুহে কিছু শিক্ষা লৈছিল যে বানপানীৰ বাবে কেনেকৈ সজাগ সচেতন হৈ থাকিব লাগে।জেংৰাইমুখ তিনিআলিৰ পৰা নয়াবজাৰ সংযোগী পথটো কুমাৰবাৰী, নামনি চেৰেপাই, উজনি চেৰেপাই আদি গাঁৱৰ মাজেদি গৈছিল। ১৯৯৬ত সেই গড়কাপ্তানি পথটো বানপানীত টুকুৰা টুকুৰ হৈ সম্পূৰ্ণ অৱস্থাহীন হৈ পৰাত উল্লিখিত গাঁওসমূহৰ বাহিৰত অৰ্থাৎ খেৰকটা নদীৰ পাৰে পাৰে জেংৰাইমুখৰ পৰা নয়াবজাৰ আৰু ঢকুৱাখনালৈ সংযোগ কৰি ১৯৯৭ত পুনৰ নিৰ্মাণ কৰিলে। পূৰ্বেও এটা আলি আছিল যদিও ইমান সবল নাছিল।

গুৰুত্বপূৰ্ণ কথাটো হ'ল প্ৰলয়ংকৰী বানপানীয়ে বানবিধ্বস্ত অঞ্চলসমূহক কি দি যায় আৰু কি লৈ যায় সেয়া ১৯৯৮ ৰ মহাপ্ৰলয়ী বানপানীৰ অভিজ্ঞতাৰ পৰা ক'ব বিচাৰিছো। ১৯৯৬ৰ আগত মাজুলীৰ জেংৰাইমুখৰ গাঁওসমূহ শস্য-মৎস্যৰে সমৃদ্ধিশালী, ধনী গাঁও আছিল। জেংৰাইমুখৰ গাঁৱৰ পথাৰত সকলো খেতিয়ে ভাল হৈছিল। মাটি মাহ, সৰিয়হ, মটৰ মাহ, আহুধান, বাও ধান, শালি খেতি, নহৰু, আলু, পিয়াঁজ, কপাহ খেতি আদি ৰাসায়নিক সাৰ প্ৰয়োগ নকৰাকৈয়ে ভঁৰাল ভৰ্তি হৈ ধান মাহ সৰিয়হ পাইছিল। বাঁহ, বেত, খেৰ, শস্য মৎস্য, গৰু ম'হ নদীৰে উভৈনদী, সমৃদ্ধিশালী, অভিজাত্য গাঁওবোৰ, পৰিয়ালবোৰ ১৯৯৮ৰ মহাপ্ৰলয়ী বানত তচনচ হৈ পৰিল। খেতি মাটি, ঘৰ-বাৰী, ভঁৰাল আদি বালি আৰু পলসেৰে ক'ৰবাত একাঁল, ক'ৰবাত এবুকু পোত খাই পৰিল। দ মাটি বাম হ'ল, বাম মাটি দ হ'ল, য'ত বিল-পুখুৰী নাছিল তাত বিল-পুখুৰী হ'ল, গাঁও চুবুৰি, বাট-পথ আলি পদূলিৰ নক্সা বা ৰূপ সলনি হ'ল। বান গুচি যোৱাৰ পাছত নিজৰ ঘৰ, চুবুৰি, গাঁও নে? কোনোবা সাগৰৰ মাজৰ অচিন মৰুভূমি, ধৰিব নোৱাৰা পৰিৱেশ হৈছিল। য'ত গড়কাপ্টানী পথটো আছিল সেই পথটো তিনি কিলোমিটাৰ দীঘল পুখুৰী হৈ পৰাত তাত চৰকাৰে নাও দুখন দি মাহত এক হেজাৰকৈ টকা মাননি প্ৰদান কৰি চাৰিজন ঘাটে নিয়োগ কৰিছিল। ১৯৯৮ৰ বানপানীৰ মহাদুৰ্যোগত চাৰিদিন পাছতহে হেলিকপ্তাৰেৰে চৰকাৰী বান সাহায্য প্ৰদান কৰা দেখিছিলো। আজিৰ দৰে বন্যাৰ্তক উদ্ধাৰ কৰিবলৈ এছডিআৰএফ এনডিআৰএফ বাহিনী দেখা পোৱা নাছিলো, এজন দুজন আলফাৰ সদস্য আৰু স্থানীয় দল সংগঠনৰ মানুহকহে দেখা পাইছিলো। পৰৱৰ্তীকালত এজনত দুশ গ্ৰামকৈ চাউল পঞ্চায়তৰ ৱাৰ্ড মেম্বাৰৰ দ্বাৰা দিয়া বুলি মাইঁতে নিবলৈ গৈছিল। মাজে-সময়ে এজনত এক কেজিকৈ ৰিলিফৰ চাউল দিয়ে। ক'বলৈ গ'লে শিৱসাগৰ, চৰাইদেউ, নাজিৰাৰ বানপীড়িত ৰাইজ ভাগ্যবান বুলিয়ে ক'ব লাগিব। ১৯৯৮ত মাজুলীৰ মানুহবোৰ এটুপি বিশুদ্ধ খোৱা পানীৰ অভাৱত কিমান কষ্ট পাইছিল তাক জানো বৰ্ণনা কৰিব পাৰি? এতিয়া শিৱসাগৰ, চৰাইদেউ আদি বানপীড়িত অঞ্চললৈ খোৱাপানীৰ বটল, ফলমূল, শাক-পাচলি, চাউল, কাপোৰ চেনিটেৰী পেডচ আদি সাহায্য দি যিদৰে সহায় কৰিছে সেই সৌভাগ্য তেতিয়াৰ বানপীড়িত মাজুলীবাসীৰ হোৱা নাছিল। মাজুলীৰ মানুহবোৰে তেতিয়া কলগছ কাটি ভিতৰৰ কোমল বগা অংশ উলিয়াই খাই পিয়াহ নিবাৰণ কৰিছিল। তাতো সন্তোষ নহৈ কাপোৰেৰে ঘোলা পানীকে চেকি খাইছিল। আন এক অত্যন্ত দুখজনক গেলা-পচা ভেকুৰ ধৰা চাউল ৰিলিফ হিচাপে বিলাইছিল। ভাত খাবলৈ নোপোৱাত পুৰা মাছ খাইছিল, জীৱ- জন্তুক দিয়া ঘেঁহু ধান, কেচা কল সিজাই ভোক নিবাৰণ কৰিছিল। বানপানী চলি থকা সময়খিনিত মানুহবোৰ ভালে থাকে। কিয়নো বানসাহায্য অন্যান্য সুবিধাবোৰ চৰকাৰ অথবা হৃদয়ৱান মানুহবোৰ বানপীড়িত অঞ্চলৰ ৰাইজক ঠিকেই সহায় সহযোগ কৰি থাকে। কিন্তু বানপানী গুচি যোৱাৰ পাছত নৰক যন্ত্ৰণাময় অৱস্থাৰ কথা কোনেও নেদেখে। বিশেষকৈ কৃষিজীৱী মানুহবোৰৰ আলাই-আথানি কুলাই-পাচীয়ে নধৰা হয়। খেতি পথাৰত অজান পোকে ধৰিব, খেতিৰ মাটিত বালিৰে পোত খাই খেতি ভাল নহ'ব। পলসুৱা পানীয়ে নষ্ট কৰা ভঁৰালৰ গেলা পচা ধানৰ চাউল খাই ৰোগে ধৰিব মানুহবোৰৰ। কেইদিনমানৰ পাছত শিৱসাগৰ, চৰাইদেউ, নাজিৰা আৰু অন্যান্য ২০২৬ৰ বানপানীৰ বানপীড়িত মানুহক 'কেনে আছে আপোনালোক' বুলি সুধি চালে গ'ম পাব এটি হুমুনিয়াহে কিমান গভীৰতালৈ গুচি গৈছে।

যিকি নহওক ১৯৯৮ৰ প্ৰলয়ংকৰী বানে কি শিক্ষা দি থৈ গ'ল বানপীড়িত মাজুলীবাসীক। মাজুলীৰ জেংৰাইমুখৰ মানুহবোৰ ব্যৱসায় বাণিজ্য, হাজিৰা কাম কৰাত একেবাৰে কেঁচা আছিল। পুখুৰী খন্দা, মাটি তোলা, কাঠ ফলা, পকা মিস্ত্ৰি কৰা, ফাৰ্ণিচাৰ আদি কাম বাহিৰৰ মানুহে আহি কৰিছিল। কিন্তু ধ্বংস নহ'লে সৃষ্টিও নহয় বোলা কথাষাৰ প্ৰমাণিত হ'ল। ১৯৯৮ৰ বানপানীয়ে ঘৰ, মাটি-বাৰী সম্পত্তি বিনষ্ট কৰি জীয়াই থকাৰ পথ কঠিন কৰি থৈ নোযোৱা হ'লে আজিও অভাৱ-অনাটন, অনাহাৰ কি বস্তু চিনি নাপালেহেঁতেন আৰু কৰ্মমুখী হৈ নুঠিলেহেঁতেন। ১৯৯৮ৰ জটিল সময়ৰ পৰা মাজুলীত কৰতীয়াল, মছোৱা, মটীয়া, পকামিস্ত্ৰি, ৰেল্ডিংমিস্ত্ৰি, মাছ বেপাৰী, চবজি বেপাৰী, বাহিৰত গৈ কাম কৰা আদি কামবোৰ শিকি জীৱন জীয়াৰ কৌশল শিকি ল'লে। নহ'লে আজিয়ো বিহাৰৰপৰা পকামিস্ত্ৰি, মছোৱা, কাঠমিস্ত্ৰি আনি কাম কৰোৱালেহেঁতেন। বৰ্তমানো মাজুলীত অসমৰ অন্যান্য অঞ্চলতকৈ সমস্যা অধিক। মাজুলীৰ মাটি আগৰ দৰে সাৰুৱা হৈ থকা নাই। কৃষিকাৰ্যত জড়িত হৈ সংস্থাপিত হ'ব নোৱাৰি। বছৰে বছৰে নিৰনুৱা সংখ্যা বাঢ়ি গৈ আছে। পকা মিস্ত্ৰি কৰা আৰু চৰকাৰী চাকৰি আশা কৰাৰ বাদে অন্য ব্যৱহায়-বাণিজ্য কৰি সংস্থাপিত হোৱাৰ সপোন দেখাতো জটিল। মাজুলীত উদ্যোগ, চাহ বাগান বা অন্যান্য কোনোধৰণৰ ব্যৱস্থা কৰি চলিব পৰা শিক্ষিত নিৰনুৱাৰ বাবে কৰ্মস্থলী নাই। মাজুলীক বিশ্ব ঐতিহ্য ক্ষেত্ৰ হিচাপে ঘোষণা কৰা হ'লেও পূৰ্বতকৈ দেশী-বিদেশী পৰ্যটকৰ সংখ্যা বঢ়াৰ সম্ভাৱনা আছে মাজুলীক ঐতিহ্য ক্ষেত্ৰ হিচাপে ঘোষণা কৰিবলৈ প্ৰস্তুত কৰা ড'চিয়াৰখনৰ বিষয়ে চৰকাৰে গুৰুত্ব প্ৰদান কৰিব লাগে। তেনে পদক্ষেপ চৰকাৰে গ্ৰহণ কৰিলে পৰ্যটন ক্ষেত্ৰত যথেষ্ট সংখ্যক নিৰনুৱাই সংস্থাপিত হ'ব পাৰিব বুলি আশা কৰিব পাৰি।

*ফোন ঃ ৯৩৬৫০১৬৫৮৬*

**ভাগ্য শব্দটোৰ ব্যৱহাৰেৰে এক শ্ৰেণী লোকে নিজ কৰ্তব্য বা দায়িত্বৰ পৰা হাত সাৰি থকাৰ বাবে এক ব্যৱস্থাহে প্ৰস্তুত কৰি লয়। এই কথা সঁচা যে দুৰ্বলমনা লোকজনে নিজ ব্যৰ্থতাৰ কাৰণতো তেওঁ কৰিবলগীয়া কৰ্তব্য নকৰাকৈ থকাৰ কথা স্বীকাৰ কৰাৰ পৰিৱৰ্তে আনৰ ওপৰত দোষ জাপি দি নিজকে অতি সঁচা হৃদয়ৰ বুলি দাবী কৰিব খোজে**

## ভাগ্য

**ডাঃ জাকিৰ হুছেইন**



**ভাগ্য।** ভাগ্যনো কি আৰু কাক ভাগ্য বোলা হয়, প্ৰশ্ন সেয়াই। বিষয়টোৰ আলোচনাৰ প্ৰাৰম্ভিকতে মহান কবি ইকবালৰ দ্বাৰা লিখিত শ্বায়েৰী বা কবিতা এটি উল্লেখ কৰাৰ বাবে ভৱা হ'ল। কবি ইকবালে লিখিছে ঃ-

'খুদিকো কৰ বুলন্দ ইতনা, কে হৰ তকদিৰ ছে পহলে,
খোদা বন্দে ছে খুদ পুছে, বতা তেৰা ৰেজা ক্যা হাই',

**অসমীয়া ভাঙনি ঃ**

'নিজকে ইমান শক্তিমান কৰা, যাতে প্ৰতি ভাগ্যলিপিৰ পূৰ্বে,
প্ৰভুৱে স্বয়ং নিজে নিজ দাসক সোধে, কোৱা তোমাৰ
সদিচ্ছা কি?'

উপৰিউক্ত কবিতা ফাকিৰ দ্বাৰা কেইটামান মনোযোগ দিবলগীয়া কথা প্ৰকাশ হৈছে। প্ৰথমটো আৰু গুৰুত্বপূৰ্ণ হ'ল এয়ে যে 'ভাগ্য'ৰ নিৰ্ণায়ন বা লিখন মনুষ্যৰ বাবে তেওঁৰ স্ৰষ্টা প্ৰভুজনাইহে স্বয়ং নিজে কৰা বিষয়বস্তু। কবিতাটেত প্ৰকাশ পোৱা দ্বিতীয় কথাটো হ'ল এই যে মনুষ্যৰ আত্মশক্তি বা মনোবলৰ ওপৰত ভাগ্যৰ নিৰূপণ বা লিখন বিশেষভাবে নিৰ্ধাৰিত হয়। কবিতা ফাকিত কোৱা হৈছে যে দুৰ্বল মনোৱস্থাৰ ব্যক্তিৰ ক্ষেত্ৰত ভাগ্য লিখক প্ৰভুৱে নিজাববীয়াকৈ সিদ্ধান্ত গ্ৰহণ কৰি ব্যক্তিজনাৰ ভাগ্য নিৰ্ণয় কৰি দিয়ে। কিন্তু যি জনা ব্যক্তিৰ আছে প্ৰবল শক্তিশালী মনোৱস্থা আৰু আত্মবিশ্বাসৰ দৃঢ়তা তেওঁৰ ক্ষেত্ৰত প্ৰভুৱে ব্যক্তিজনাৰ নিজ পছন্দ বা সদিচ্ছাক মান্যতা প্ৰদানেৰেহে অৱশেষত সিজনাৰ ভাগ্য নিৰ্ধাৰণ বা নিৰূপণ কৰি দিয়ে। ভাগ্য নিৰ্ধাৰণ বা ৰচনাৰ কৰ্তাজন সদায়েই কিন্তু প্ৰভুহে। মনুষ্যই যদিও নিজ ভাগ্যৰ আধাৰশিলা বা কাঠামোৰ উপাদানত নিজ ইচ্ছা প্ৰৱণতাৰে নিৰ্দিষ্ট অবদান যোগান ধৰিব পাৰে, কিন্তু ভাগ্যৰ পূৰ্ণ লিখন আৰু চূড়ান্ত ৰূপদান স্বয়ং প্ৰভুৱে নিজ ইচ্ছাৰে কৰা বিষয়। প্ৰবল শক্তিমান ব্যক্তি এজনে নিজ সঞ্চালনা আৰু গতিশীলতাৰ ক্ষেত্ৰত কেৱল ভাগ্য নিয়ন্তা জনাৰ ওপৰতে নিৰ্ভৰশীল হৈ নাথকি, নিজ শুদ্ধ বিচাৰ-বিবেচনা আৰু সদিচ্ছাৰ দ্বাৰা নিজ কৰ্ম-যাত্ৰাক অব্যাহত ৰাখে। কিন্তু দুৰ্বল অন্তৰৰ লোকজনে নিজৰ ফালৰ পৰা কোনো ধৰণেৰেই সিদ্ধান্ত গ্ৰহণ কৰিব নোৱাৰি কেৱল ভাগ্য নিয়ন্তাজনৰ ইচ্ছা আৰু আদেশত লৰচৰ কৰাৰ চেষ্টা কৰে।

বহু ক্ষেত্ৰত দেখা যায় যে ভাগ্য শব্দটোৰ ব্যৱহাৰেৰে এক শ্ৰেণী লোকে নিজ কৰ্তব্য বা দায়িত্বৰ পৰা হাত সাৰি থকাৰ বাবে এক ব্যৱস্থাহে প্ৰস্তুত কৰি লয়। এই কথা সঁচা যে দুৰ্বলমনা লোকজনে নিজ ব্যৰ্থতাৰ কাৰণতো তেওঁ কৰিবলগীয়া কৰ্তব্য নকৰাকৈ থকাৰ কথা স্বীকাৰ কৰাৰ পৰিৱৰ্তে আনৰ ওপৰত দোষ জাপি দি নিজকে অতি সঁচা হৃদয়ৰ বুলি দাবী কৰিব খোজে। এই ধৰণৰ লোকসকলে কোনো কালেই নিজৰ ভুলটো দেখা নাপায় আৰু দেখা পালেও মিথ্যাৰ আশ্ৰয়ৰে নিজকে সঠিক আৰু দোষমুক্ত বুলি দাবী কৰি ফুৰে। তেওঁলোকৰ সকলো কৰ্মৰ নিৰ্ণায়ক আৰু কৰ্তা যেন তেওঁলোকৰ স্ৰষ্টাজনহে। স্ৰষ্টাই মনুষ্যক যিবোৰ কৰ্ম কৰাৰ বাবে আদেশ কৰিছে সেইসমূহ সম্পাদন নকৰাকৈ কৰ্ম নকৰাৰ পৰিণতিৰ বাবে স্ৰষ্টাজনকহে ভাগ্য নিয়ন্তাৰ দায়িত্ব দি নিজকে শুদ্ধ বুলিহে পতিয়ন নিয়াব খুজিলে।

এখন দেশত এজন ৰজা আছিল। তেওঁৰ অধীনত আছিল এজনা অতি এলেহুৱা লোক যি সদায় ৰজা তথা নিৰ্দিষ্ট ৰাজ-কৰ্মচাৰীক কোনো কাম নকৰাকৈ তেওঁৰ নিজৰ বাবে খাৱন-পিয়নৰ যোগানৰ বাবে খাটনী কৰিছিল। য'তে- ত'তেই কিবা দেখা পালেই চুৰ কৰি নিজৰ খাৱন-পিয়নৰ ব্যৱস্থা কৰি লৈছিল। চুৰি কৰাৰ বাবে প্ৰায়ে তেওঁক আটক কৰি কাৰাগাৰত আবদ্ধ কৰি ৰখা হৈছিল। কাৰাগাৰৰ ভিতৰতো মহা সমস্যা। কাৰাগাৰত আবদ্ধ অন্যান্য কয়দী সকলো প্ৰা য়ে সেই লোকজনক কাৰাগাৰৰ পৰা উলিয়াই অন্য ক'ৰবালৈ লৈ যাবলৈ আবেদন কৰিছিল। কাৰাগাৰত প্ৰেৰণ কৰিলে তেওঁ আৰু অধিক উৎফুল্লিত হৈ পৰিছিল কিয়নো কাৰাগাৰৰ ভিতৰত তেওঁ অন্যান্য কয়দীবোৰৰ আহাৰবোৰ জোৰ-জবৰদস্তিৰে কাঢ়ি নি ভক্ষণ কৰি লোৱাৰ বাবে অন্যান্য কয়দীবোৰ বহু সময়ত অনাহাৰে থাকিব লগা হৈছিল। ৰজাই তেওঁক বহুবাৰ সতৰ্ক কৰিছিলেই। অ'ত- ত'ত বহুতো তেওঁ কৰিব পৰা কৰ্মত নিয়োজিত কৰি নিজৰ জীৱিকা আহৰণৰ বাবে সাহায্যও কৰিলে। কিন্তু নাই, কেইদিনমান চুৰি কৰাৰ পৰা বিৰত থাকি পুনঃ সেই একে কৰ্মকে কৰি থাকিল। ধৰা পৰিলে সেই একেই কথা যে তেওঁৰ যি লিখা আছে সেয়াটো হ'বই। কাৰাগাৰৰ ভিতৰতো সেই একেই কৰ্ম। প্ৰায়ে কাৰাগাৰৰ অন্য বন্দীসমূহে সেই ব্যক্তিজনৰ বিৰুদ্ধে ৰজাক আপত্তি কৰাৰ উপৰি তেওঁক যাতে তেওঁলোক থকা কাৰাগাৰত স্থান নিদিয়ে তাৰ বাবে কৰিছিল মিনতি। অৱশেষত ৰজাই সেই মানুহটোক কোনোমতে নিয়ন্ত্ৰণ কৰিব নোৱাৰি নিজ সভাসদসকলৰ পৰা কি কৰিলে ভাল হয় তাৰ পৰামৰ্শ বিচাৰিলে। প্ৰথমে আমোলা-মন্ত্ৰীসকলে দলে দলে লগ হৈ সেই মানুহজনক তেওঁ কৰি ফুৰা দোষণীয় কামবোৰ পৰিহাৰ কৰি স্বাভাৱিক কৰ্মত নিবিষ্ট হ'বলৈ আহ্বান দিয়ে। হেজাৰ বুজনিৰ পাছতো মানহুজনৰ মুখেৰে সেই একেটাই কথা যে ভাগ্যত যি আছে সেয়া হ'বই কিয়নো ভাগ্যনিয়ন্ত্ৰাই তেওঁৰ বাবে এই ভাগ্যকে নিৰূপণ কৰি দিছে। কি কৰি খাব বা নিজ পৰিয়ালক কিদৰে ভৰণ-পোষণ দিব বুলি সুধিলেও তেওঁৰ একেটাই উত্তৰ যে ভাগ্যত যি লিখা আছে সেয়াই হ'ব। অৱশেষত ৰজাই তেওঁৰ সভাসদসকলৰ স'তে আলোচনা কৰি মানুহজনক মৃত্যুদণ্ড দিয়াৰ বাবে ৰায়দান কৰে। মৃত্যুদণ্ড দিয়াৰ বাবে কটোৱালে ধৰি লৈ যোৱা অৱস্থাত ৰাজপথৰ দুয়োকাষৰ লোকে যেতিয়া তেওঁক কিহৰ বাবে তেওঁৰ এই দশা হ'ল বুলি প্ৰশ্ন কৰে, তেতিয়াও তেওঁৰ মুখত সেই একেটাই কথা যে এয়া তেওঁৰ ভাগ্যত লিখা আছিল বাবেই এনে অৱস্থা। শেষ মুহূৰ্তত অৱশ্যে ৰাজ-পৰামৰ্শদাতা আৰু দেশৰ প্ৰধান ধৰ্ম-যাজকজনে ৰজাক সেই মানুহজনক প্ৰাণে নামৰি দেশান্তৰ কৰি দিয়াৰ বাবে দিয়া আবেদনত ৰজাই উক্ত মানুহজনক মৃত্যুদণ্ড নিদি নিজ দেশৰ পৰিসীমাৰ পৰা বাহিৰ কৰি দিয়ে। যেতিয়া লোকজনক প্ৰাণ প্ৰাপ্তিৰ বিষয়ে তেওঁৰ মতামত জানিব বিচাৰিলে তেতিয়াও তেওঁৰ মুখত একেটাই কথা যে সেয়া ভাগ্যতে লিখা আছিল।

কেৱল যে দুৰ্বল মনোবৃত্তিৰ লোকসকলৰ দ্বাৰাই ভাগ্য শব্দটো উল্লিখিত হয় সেয়া নহয়, কিয়নো কম-বেছি পৰিমাণে সমাজৰ সকলো বৰ্গৰ লোকেই ভাগ্য বোলা বিষয়টোক ভিন্ন ভিন্ন সময় আৰু পৰিৱেশত উল্লেখ কৰা দেখা যায়। কেতিয়াবা কোনোবাই নিজৰ ব্যৰ্থতাক ভাগ্য বুলি কয় আৰু কেতিয়াবা অন্য কোনোবাই নিজ সাফল্যতাক কয় ভাগ্য। দুয়োটা গোটতেই অৱশ্যে এটা বস্তু প্ৰকাশ্য হোৱা দেখা যায় আৰু সেয়া হ'ল দুয়োটা গোটেই নিৰ্দিষ্ট বিষয়ৰ প্ৰাপ্তি বা কৰ্মৰ পূৰ্ণতা অথবা অসম্পূৰ্ণতাৰ বাবে নিজকে কৃতজ্ঞতা বা সমালোচনাৰ পাত্ৰ হিচাপে দাবী নকৰে। বিফলতাই হওক বা সফলতা, দুয়োটা কৰ্মৰ সম্পাদনাত তেওঁলোকৰ কাৰোৰেই কোনো বিশেষ ভুমিকা নথকাৰ কথাহে তেওঁলোকে ভাগ্য শব্দৰ মাধ্যমেৰে ক'ব খোজে।

এতিয়া প্ৰশ্ন হ'ল ভাগ্য মানে কি? এয়া মনুহৰ মনটোৰ চেতনা বিষয়ক কোনো স্থিতি নহয়। এক প্ৰকাৰ ভাগ্য বোলা বিষয়টোৰ লগত চেতনা বা মনোৱস্থাৰ কোনো প্ৰত্যক্ষ সম্পৰ্ক নাই। অৱশ্যে ভাগ্য বিষয় বস্তুৰে ব্যক্তিৰ মনক স্পৰ্শন কৰি ভাল লগা বা নলগাৰ এক অনুভূতি সৃষ্টি নকৰাও নহয়। যদিও ভাগ্য কোনো হৃদয়ৰ অংশ বা এক বিশেষ চেতনা নহয়, তথাপি মনুষ্য আন্তঃপৰিৱেশক প্ৰভাৱ বা প্ৰহাৰ কৰিব পৰা এক বিশেষ তাৎপৰ্যৰ বিষয় বুলি স্বীকাৰ কৰা হয়। বিচাৰ কৰি চালে দেখা যায় ব্যক্তিৰ কৰ্মইহে তেওঁৰ ভাগ্য নিৰূপণ কৰে। ভাগ্য লিখন বা নিৰূপণৰ ক্ষেত্ৰত আমি যি কোনো বাহ্যিক শক্তিৰ উদ্ধৃতি দিয়াৰ যুক্তি নাহে। যিজন ব্যক্তিয়ে প্ৰয়োজন আৰু উচিত অনুসাৰে নিজৰ কৰিবলগীয়া কৰ্ম সম্পাদন কৰে, তেওঁ নিশ্চিতভাৱে সু-ফল আৰু সাফল্যতা আৰ্জন কৰিবই। আনহাতে, নিজ কৰ্মত গাফিলতি কৰাজনে আৰু কৰ্মৰ সময়ত এলেহুৱাভাৱে মূৰে-কপালে হাত দি বহি থাকিলে তেওঁ কাহানিও কোনো যুক্ততেই সফলতা লাভ কৰিব নোৱাৰে বাবেই তাক ভাগ্যৰ দোষ বা ভাগ্যৰ লিখন বুলি কৈ ধিক্কাৰ আৰু সমালোচনাৰ পৰা হাত-সৰাৰ চেষ্টা কৰিলেও তেওঁৰ ব্যৰ্থতা যে তেওঁৰ নিজৰ কৰ্মৰে ফল তাৰ পৰা এৰাই চলিব নোৱাৰিব।

আনহাতে, কৰিবলগীয়া কৰ্মক উচিতভাৱে সম্পাদন কৰি পূৰ্ণতাত সাফল্যতাৰ স্বাদ গ্ৰহণ কৰোতা এজনে যেতিয়া তেওঁ স্বয়ং নিজে সম্পাদন কৰি প্ৰাপ্ত হোৱা সাফল্যকো ভাগ্যৰ ফল বুলি কয়, তেতিয়া সেই প্ৰকাশ বা অভিব্যক্তিয়ে ব্যক্তিজনৰ মহানুভৱতাহে ব্যক্ত কৰে। তেনে লোকসকল সাধাৰণতেই অতি স্ব-নিয়ন্ত্ৰিত, নিজ কৰ্মত দৃঢ় আৰু অন্তৰত মইৰ ভাব নথকা লোক। তেওঁ জীৱনৰ সকলো সৰু-বৰ সাফল্যতাকো পৰম প্ৰভু জনাৰ কৃপা বুলিয়েই কয়। এনে লোকসকলৰ ক্ষেত্ৰত তেওঁলোকৰ ভাগ্যই হ'ল স্বয়ং প্ৰভুজনা। প্ৰভুৰ প্ৰতি প্ৰবল বিশ্বাসী সেইসকলৰ বাবে ভাগ্য নিয়ন্তাজনেই যেতিয়া ভাগ্যৰ লিখন সেই পৰমপ্ৰভু আৰু তেওঁৰ নিৰ্ধাৰণ বা সিদ্ধান্তৰ মাজত গুণগতভাৱে কোনো প্ৰভেদ নথকাত স্বয়ং প্ৰভুজনাই তেওঁৰ বাবে ভাগ্য হৈ পৰে। সেয়ে তেওঁৰ দ্বাৰা কৃত কৰ্মৰ মাধ্যমেৰে প্ৰাপ্ত হোৱা সাফল্যতাও স্বয়ং প্ৰভুৱে প্ৰদান কৰা কৃপা বুলিহে তেওঁ স্বীকাৰ কৰে। অহৰহ প্ৰভু ধ্যানত নিবিষ্ট এজনাৰ মনটো অতি সুস্থিৰ চিন্তা-ভাবনাৰে ভৰপূৰ থাকে আৰু সেয়ে তেওঁৰ বিচাৰ-বিবেচনা সদায় দিব্য গুণেৰে ভূষিত থকাৰ বাবে সেই বিষয়টোত ত্ৰুটি হোৱাৰ সম্ভাৱনা কম থাকে। এই লোক সকলৰ ক্ষেত্ৰত দেখা যায় তেওঁলোকে নিজৰ সকলো প্ৰাপ্তি বা সাফল্যতা কেৱল পৰম প্ৰভুৰ কৃপা আৰু তাকেই ভাগ্য বুলি কয় যদিও নিজ কৰ্মক ফাকি মাৰি এলেহুৱাৰ দৰে কাৰোবাৰ আশাত বহি বহি সময় নষ্ট কৰাসকলৰ দৰে নিজ কৰ্তব্য আৰু দায়িত্বক ফাকি মাৰি ফুৰোতাসকলৰ দৰে নহয়। তেওঁলোকে নিজ কৰ্মত অতি ব্যস্ততাৰ ক্ষণ অতিবাহিত কৰি থকাৰ উপৰি নিজ আদৰ্শৰে আৰু দহোজনক তেওঁলোকৰ কৰ্মত প্ৰেৰণাৰ যোগান ধৰে।



দেখা যায় নিৰাশাবাদী আৰু নিজ কৰ্তব্যৰ প্ৰতি অকণো ধ্যান আৰু শ্ৰদ্ধা নথকা কেইজনেহে নিজৰ সকলো ব্যৰ্থতা আৰু বেদনাৰ কাৰণক ভাগ্যৰ লিখন বুলি ধাৰণা কৰি ফুৰে। তেওঁলোকৰ প্ৰকাশত পদে পদে তেওঁলোকৰ সকলো দুৰ্গতিৰ কাৰণ যেন তেওঁলোকৰ স্ৰষ্টা আৰু প্ৰতিপালকজনহে। নিজকে সকলো দোষৰ পৰা মুক্ত বুলি দাবী কৰোতা এইসকল যে পৰম প্ৰভুৰ পৰা অভিশাপপ্ৰাপ্ত সকলহে সেই কথা তেওঁলোকে নুবুজেও আৰু বিশ্বাসো নকৰে। তেওঁলোকৰ প্ৰতিটো ব্যৰ্থতা আৰু বেদনাৰ কাৰণ যে পৰম-প্ৰভুৰ একো একোটি অভিশাপহে সেয়াও তেওঁলোক জ্ঞাত নোহোৱাত সেই ব্যৰ্থতা বা বেদনাৰ কাৰণবোৰকেই নিজৰ ভাগ্যৰ লিখন বুলি ধাৰণা কৰি থাকে।

প্ৰকৃততে ভাগ্য বোলা কিবা আছে নে নাই? সকলো ফালৰ পৰা চালি-জাৰি চালে দেখা যায় মনুষ্যৰ দেহাটোতে হওক বা দেহাৰ বাহিৰৰ জগতখনতেই হওক, ভাগ্য বোলা কোনো অস্তিত্ব বা পদ একো নাই। মনুষ্য মনে ধাৰণা কৰি লোৱা এক অনুভূতি বাচক মনোৱস্থা বা বৰ্ণনা কৰিব নোৱাৰা এক সংজ্ঞাহে। এই সংজ্ঞাৰে ভিন্ন বিচাৰ-বিবেচনাৰ লোকে নিজ নিজ যুক্তিৰে স্বয়ং নিজৰেই হওক আৰু অন্য কোনোবা জনাৰ অৱস্থা এটিৰ প্ৰকৃত কাৰণৰ উদ্ধৃতিত এই সংজ্ঞাটিৰ ব্যৱহাৰৰে আলোচনা বা ব্যাখ্যাৰ সমাপ্তি কৰাৰ প্ৰয়াস কৰে। মানসিকভাৱে দুৰ্বল বা এলেহুৱাজন তথা মনোবল আৰু বিবেচনাত সবল আৰু দৃঢ় দুয়োজনেই এই সংজ্ঞাক নিজস্ব অৱস্থাৰ ব্যাখ্যাত ব্যৱহাৰ কৰে যদিও দুয়োজনাৰে যুক্তি ভিন্ন ভিন্ন হয়। ভাগ্য সংজ্ঞাটো যেন মনোজগতৰ বাবে এক আশ্ৰয়ৰহে স্থল যি আশ্ৰয়ৰ অৱস্থান ব্যক্তিয়ে হয় নিজৰ অকৰ্মণ্যতা বা ব্যৰ্থতাক ঢাকিব খোজে অথবা অন্য সবলমনা আৰু সাফল্য প্ৰাপ্তিৰ তুংগত থকা জনে গৰ্ব বা অহংকাৰৰ কবলত নপৰাৰ এক সুচিন্তাৰ অৱস্থানৰ অভিব্যক্তিহে হয়। যিহেতু ভাগ্য সংজ্ঞাটোক যোগাত্মক আৰু বিয়োগাত্মক দুয়োটা সন্দৰ্ভতে আৰু দুয়ো বিপৰীত মনোবৃত্তিৰ গোটে ব্যক্তিগত ভাবনা আৰু যুক্তিৰ ব্যাখ্যাত ব্যৱহাৰ কৰে, সেয়ে সু-অৱস্থাটো বুজাবৰ বাবে 'সৌভাগ্য' আৰু দুখ-দুৰ্দশাময় অৱস্থাটোক অৰ্থ কৰিবৰ বাবে 'দুৰ্ভাগ্য' শব্দটো ব্যৱহাৰ কৰা হয়। এই দিশেৰে দৃষ্টিগোচৰ হয় যে মনুষ্য জীৱন যাত্ৰাৰ প্ৰতিটো পদক্ষেপ বা পৰ্যায়ৰ পূৰ্ণতাৰ ফলাফল তথা পূৰ্ণতা বা সিদ্ধিৰ অন্তত প্ৰাপ্ত হোৱা ফল বা পৰিণতিৰ অনুভৱ কি তাকেই যি এক সংজ্ঞাৰে ব্যক্ত কৰা হয় সেয়াই হ'ল ভাগ্য। সু-চিন্তা আৰু সু-কৰ্মৰ ফলে দিয়ে সৌভাগ্য আৰু অসৎ চিন্তা আৰু অপকৰ্মই প্ৰদান কৰে দুৰ্ভাগ্য। হেজাৰ দাবী কৰিলেও নিজৰ দুৰ্ভাগ্যক লৈ দিনে-নিশাই কক্-বকাই থকা ব্যক্তিয়ে নিজ অৱস্থাৰ বাবে স্বয়ং নিজেই দায়বদ্ধ তথা নিজ দুৰ্ভাগ্যৰ বাবে নিজেই দায়ী যদিও এওঁলোকে নিজৰ দোষ ঢাকিবৰ বাবে আনকহে দোষী বা দায়বদ্ধ বুলি চিঞৰে। আনহাতে, শুভ-চিন্তা আৰু সৎকৰ্ম সম্পাদনকাৰীজনে নিজ সৌভাগ্য পৰম-প্ৰভুৰ কৃপা বুলিহে ব্যক্ত কৰে।

*ফোন ঃ ৯৮৬৪০২০৯৬৮*

---

# ধৰ্মৰ মূল সত্তা কি আধ্যাত্মিকতা নে মানৱীয়তা ?

**কল্পনা দত্ত**



**মানৱ** সভ্যতাৰ আদিমতম কালৰে পৰা মানুহক পৰিচালিত কৰা আটাইতকৈ শক্তিশালী উপাদানসমূহৰ ভিতৰত ধৰ্ম অন্যতম। ধৰ্মই কেৱল সমাজ ব্যৱস্থাক শৃংখলিত কৰাই নহয়, মানুহৰ অন্তৰ্নিহিত সত্তাকো জাগ্ৰত কৰে; কিন্তু সাম্প্ৰতিক সময়ত এটা গভীৰ প্ৰশ্ন সততে উত্থাপিত হয়- ধৰ্মৰ প্ৰকৃত সাৰবস্তু বা মূল ভেটিটো কি? ইয়াত আধ্যাত্মিকতাৰ প্ৰভাৱ বেছি নে মানৱীয়তাৰ স্থান ওপৰত?

গভীৰভাৱে বিশ্লেষণ কৰিলে দেখা যায় যে ধৰ্ম কোনো একক ধাৰণা নহয়; ই আচলতে আধ্যাত্মিকতা আৰু মানৱীয়তাৰ এক অপূৰ্ব আৰু অবিচ্ছেদ্য সমন্বয়।

**আধ্যাত্মিকতা ঃ** ধৰ্মৰ অন্তৰ্নিহিত আত্মাধৰ্মৰ প্ৰথম আৰু প্ৰাথমিক খোজটোৱেই হ'ল আধ্যাত্মিকতা।

আধ্যাত্মিকতা হ'ল জীৱনৰ গভীৰ সত্যৰ সন্ধান, পৰমাত্মা বা এক অলৌকিক শক্তিৰ স'তে নিজৰ আত্মাক সংযোগ কৰাৰ এক নিৰন্তৰ প্ৰয়াস।

**ঈশ্বৰ বিশ্বাস আৰু সংযোগ ঃ** প্ৰতিটো ধৰ্মৰে এটা আধ্যাত্মিক দিশ থাকে, যিয়ে (মানুহক) এক পৰম শক্তিৰ ওচৰত আত্মসমৰ্পণ কৰিবলৈ শিকায়। প্ৰাৰ্থনা, ধ্যান, নাম-কীৰ্তন বা উপাসনাৰ জৰিয়তে মানুহে মানসিক শান্তি আৰু আত্মশুদ্ধি লাভ কৰে।

**নৈতিকতাৰ জন্ম ঃ** আধ্যাত্মিকতাই মানুহক পাপ-পুণ্য, ন্যায়-অন্যায়ৰ জ্ঞান দিয়ে। যেতিয়াই এজন মানুহে অনুভৱ কৰে যে তেওঁৰ কৰ্মৰ ওপৰত কোনোবা অলৌকিক শক্তিৰ দৃষ্টি আছে, তেতিয়াই তেওঁ অন্তৰৰ পৰা শুদ্ধ হ'বলৈ চেষ্টা কৰে। গতিকে, আধ্যাত্মিকতা নহ'লে ধৰ্ম কেৱল এটা সামাজিক নিয়মৰ কংকাল হৈ পৰিব, যাৰ কোনো আত্মা নাথাকিব।

**মানৱীয়তা ঃ** ধৰ্মৰ ব্যৱহাৰিক আৰু দৃশ্যমান ৰূপ যদি আধ্যাত্মিকতা ধৰ্মৰ অন্তৰ্নিহিত আত্মা, তেন্তে মানৱীয়তা হ'ল তাৰ দৃশ্যমান শৰীৰ। ঈশ্বৰক দেখা পোৱা নাযায়, কিন্তু ঈশ্বৰৰ সৃষ্টি মানুহক দেখা পোৱা যায়। সেয়েহে প্ৰতিটো ধৰ্মৰে চৰম লক্ষ্য হ'ল মানৱ কল্যাণ।

জীৱৰ সেৱাই ভগৱান সেৱা। সনাতন ধৰ্মৰ 'জীৱই শিৱ', খ্ৰীষ্টধৰ্মৰ প্ৰেম আৰু ক্ষমা, ইছলাম ধৰ্মৰ দান আৰু ভ্ৰাতৃত্ববোধ বা বৌদ্ধধৰ্মৰ কৰুণা— সকলোতে মানৱীয়তাকেই ধৰ্মৰ সৰ্বোচ্চ স্থান দিয়া হৈছে।

শ্ৰীমন্ত শংকৰদেৱেও কৈছিল, 'কুকুৰ শৃগাল গদৰ্ভৰো আত্মা ৰাম
জানিয়া সবাকো পৰি কৰিবা প্ৰণাম।'

অৰ্থাৎ প্ৰতিটো জীৱৰ মাজতে ভগৱানৰ স্থিতি উপলব্ধি কৰি মানুহক সন্মান কৰাই আচল ধৰ্ম।

**সামাজিক দায়বদ্ধতা ঃ** ধৰ্মই কেৱল মন্দিৰ, মছজিদ বা গিৰ্জাত আৱদ্ধ থাকিবলৈ নিশিকায়।

ই মানুহক শিকায় ভোকাতুৰক অন্ন দিবলৈ, আৰ্তজনক সেৱা কৰিবলৈ। মানৱীয়তাহীন ধৰ্ম কেৱল অন্ধবিশ্বাস আৰু ভণ্ডামিৰ বাহিৰে একো নহয়।

**আধ্যাত্মিকতা আৰু মানৱীয়তা ঃ**

আধ্যাত্মিকতা আৰু মানৱীয়তা এটি মুদ্ৰাৰ ইপিঠি-সিপিঠি। প্ৰকৃততে ধৰ্মত আধ্যাত্মিকতা নে মানৱীয়তা বেছি থাকে— এই প্ৰশ্নটো 'সূৰ্যত পোহৰ বেছি নে উত্তাপ বেছি' বুলি সোধাৰ দৰেই। দুয়োটা এটা আনটোৰ পৰিপূৰক। যেনে ধৰক—

**১) আধ্যাত্মিকতা অবিহনে মানৱীয়তা ঃ** আধ্যাত্মিক ভিত্তি নথকা মানৱীয়তা কেতিয়াবা স্বাৰ্থপৰ বা ক্ষণস্থায়ী হ'ব পাৰে। আধ্যাত্মিকতাই মানৱীয়তাক এক চিৰন্তন আৰু নিঃস্বাৰ্থ ৰূপ দিয়ে।

**২) মানৱীয়তা অবিহনে আধ্যাত্মিকতা ঃ**

দিনটো ভগৱানৰ নাম লৈ যদি সমাজত মানুহক ঘৃণা কৰা হয়, কাৰোবাৰ দুখত সমভাগী হ'ব নোৱাৰি, তেন্তে সেই আধ্যাত্মিকতা সম্পূৰ্ণ ব্যৰ্থ। তেনে ধৰ্মই সমাজত কেৱল বিভাজন ধৰ্মিতাৰহে সৃষ্টি কৰে।

সেয়েহে ক'ব বিচাৰো ধৰ্মত কি থাকে বুলি ক'লে আমি ক'ব লাগিব— ধৰ্মত আধ্যাত্মিকতাৰ ভেটিত মানৱীয়তাৰ প্ৰাসাদ নিৰ্মাণ কৰা হয়। আধ্যাত্মিকতাই মানুহক ভিতৰৰ পৰা পৱিত্ৰ কৰে আৰু সেই পৱিত্ৰতাৰে যেতিয়া মানুহে সমাজৰ কুসংস্কাৰ আঁতৰাই আনৰ কল্যাণ কৰে, সেয়াই মানৱীয়তা হৈ পৰে। ধৰ্মৰ প্ৰকৃত স্বৰূপটো হ'ল— 'আধ্যাত্মিকতাৰে অন্তৰ পোহৰোৱা আৰু মানৱীয়তাৰে পৃথিৱী পোহৰোৱা।' এই দুয়োৰে মিলনতেই ধৰ্মৰ প্ৰকৃত মহত্ত্ব জিলিকি উঠে।

*ফোন ঃ ৯৩৬৫৪৩৪৮০০*

---

**জীৱনৰ মধ্যাহ্নত উপনীত হোৱাৰ পাছত মানুহৰ হাত দুখনে নতুন এক পৰিচয় লাভ কৰে। শৈশৱৰ নিৰ্ভৰশীলতা আৰু যৌৱনৰ অদম্য উৎসাহৰ পাছত, হাতবোৰ দায়িত্বৰ গধুৰ বোজা বহন কৰিবলৈ সক্ষম হৈ পৰে। এই পৰ্যায়ত হাতৰ কামবোৰ কেৱল আবেগৰ আদান-প্ৰদানতে সীমাবদ্ধ নাথাকে, ই এক সৃষ্টিশীল প্ৰক্ৰিয়ালৈ ৰূপান্তৰিত হয**

# হাতৰ স্পৰ্শ জীৱনৰ নীৰৱ ভাষা

**প্ৰেম বৈষ্ণৱ**

**মানৱ** জীৱনৰ অৱস্থান, ক্ৰমবিকাশ আৰু প্ৰকাশভংগীৰ স'তে হাতৰ সম্পৰ্ক অতিশয় গভীৰ। সৃষ্টিৰ প্ৰাৰম্ভিক ক্ষণৰ পৰা মানুহে নিজৰ অস্তিত্ব প্ৰমাণ কৰিবলৈ হাতক সৰ্বোত্তম মাধ্যম হিচাপে গ্ৰহণ কৰিছে। হাত শৰীৰৰ এটা সাধাৰণ অংগ হৈ থকাৰ উপৰিও, হাত হ'ল মানুহৰ অন্তৰৰ নিৰ্ভেজাল ভাষাৰ অনন্য বাহক। মানুহৰ আৱেগ, অনুভৱ আৰু চিন্তাৰ প্ৰকাশভংগী প্ৰায়ে হাতৰ অংগী-ভংগীৰ মাজেদি প্ৰতিফলিত হয়। সমাজ, সংস্কৃতি আৰু মানৱীয় সম্পৰ্কৰ বুনিয়াদ গঢ়ি তোলাত হাতৰ অৱদান অপৰিসীম। প্ৰতিটো স্পৰ্শৰ মাজত এক অদৃশ্য বিশ্বাসৰ সেঁতু অৱস্থিত। এই বিশ্বাসেই মানুহক বিপৰ্যয়ৰ পৰা ৰক্ষা কৰে আৰু সাহসৰ সঞ্চাৰ কৰে। মানুহৰ হাতৰ ৰেখাবোৰ যেন জীৱনৰ একোটা নিৰ্দিষ্ট মানচিত্ৰ। হাতৰ তালুত খোদিত প্ৰতিটো ৰেখাই মানুহৰ অতীত, বৰ্তমান আৰু ভৱিষ্যতৰ সংগ্ৰামক প্ৰতিনিধিত্ব কৰে। শৈশৱৰ সেই নিৰ্মল দিনবোৰত শিশুৱে মাকৰ কোমল হাতৰ আশ্ৰয়ত যি নিৰাপত্তা অনুভৱ কৰে, সেই স্মৃতি চিৰকাল মানসপটত অংকিত হৈ ৰয়। পৰৱৰ্তী সময়ত দেউতাকৰ খহটা হাতৰ স্পৰ্শই জীৱনৰ কঠিন বাস্তৱৰ স'তে পৰিচয় কৰাই দিয়ে। এই খহটা হাতৰ মাজত লুকাই থাকে পৰিয়ালৰ প্ৰতি থকা অসীম দায়িত্ববোধ আৰু নিৰ্ভৰযোগ্যতা। হাতৰ এই অৱলম্বন অবিহনে জীৱনৰ যাত্ৰা যেন এক অসম্পূৰ্ণ যাত্ৰা। শৰীৰৰ গঠনশৈলীৰ মাজত হাতৰ ভূমিকা অনন্য, কাৰণ মানুহে হাতৰ সহায়ত বস্তু স্পৰ্শ কৰা, প্ৰতিটো অনুভূতি হৃদয়ৰ স্পন্দনৰ স'তে একাকাৰ কৰি হৈ থাকে। সংস্কৃতিৰ প্ৰসাৰ আৰু বিকাশৰ ক্ষেত্ৰত হাতৰ ভাষাৰ মহত্ত্ব অসীম। ধৰ্মীয় আচাৰ-অনুষ্ঠানৰ পৰা আৰম্ভ কৰি কলা-সংস্কৃতিৰ অনুশীলনলৈকে প্ৰতিটো ক্ষেত্ৰতে হাতৰ ভংগিমাৰ এক সুকীয়া অৰ্থ আছে। ভাৰতীয় নৃত্যকলাৰ মুদ্ৰাসমূহে হাতৰ মাজেদি কাহিনী বৰ্ণনা কৰাৰ যি ব্যৱস্থা প্ৰৱৰ্তন কৰিছে, সেয়া বিশ্বৰ বাবে এক বিস্ময়। হাতৰ আঙুলিৰ সূক্ষ্ম সঞ্চালনে মৌনতাৰ মাজতো সহস্ৰ শব্দৰ প্ৰকাশ ঘটাব পাৰে। সমাজৰ উচ্চ-নীচ, ধনী-দুখীয়া ভেদাভেদ পাহৰি যেতিয়া দুখন হাত লগ লাগে, তেতিয়া এক নতুন বান্ধোন সৃষ্টি হয়। এই বান্ধোন কেৱল মাংসপেশীৰ মিলন নহয়, আত্মাৰ এক নিবিড় সংযোগ। যি হাতেৰে আমি প্ৰাৰ্থনা কৰো, যি হাতেৰে আমি আনক সহায় কৰো, সেই হাতেই হৈছে আমাৰ মনুষ্যত্বৰ প্ৰতীক।


মানৱ মনৰ গভীৰতাত থকা ভয়, শংকা আৰু আনন্দৰ প্ৰকাশো হাতৰ মাজেৰেই সম্ভৱ। ভয়াতুৰ মুহূৰ্তত কাৰোবাৰ হাতখন টানকৈ ধৰি ৰখাটো যেন এক মহা সুৰক্ষাৰ কৱচ। ইয়াৰ বিপৰীতে, আনন্দৰ আতিশয্যত হাত চাপৰিয়ে পৰিৱেশটোত এক অনন্য উন্মাদনাৰ সৃষ্টি কৰে। মানুহৰ প্ৰতিটো কাৰ্যই হাতৰ অবিহনে অচল। সভ্যতাৰ উন্নতিৰ ঘাই চাবিকাঠি মানুহৰ দুই হাতৰ কৰ্মকুশলতা। আদিম যুগৰ পৰা আধুনিক যুগলৈ মানুহে যিমানবোৰ আৱিষ্কাৰ কৰিছে, তাৰ অন্তৰালত আছে হাতৰ নিপুণতা। সপোনবোৰক বাস্তৱ ৰূপ দিয়াত হাতৰ ভূমিকাক কোনেও অস্বীকাৰ কৰিব নোৱাৰে। এই হাতেই হৈছে আমাৰ সপোনৰ আচল কাৰিকৰ। প্ৰকৃতিৰ স'তে মানুহৰ সম্পৰ্ক স্থাপনতো হাতৰ ভূমিকা অতুলনীয়। মাটিত বীজ ৰোপণ কৰাৰ পৰা ধৰি শস্য চপোৱালৈকে প্ৰতিটো প্ৰক্ৰিয়াত হাতৰ নীৰৱ সেৱা বিদ্যমান। কৃষকৰ খহটা হাতৰ ঘাম আৰু স্পৰ্শৰ পৰশতে সোণালী ধানৰ সপোন জাগি উঠে। এই হাতেই অন্নদাতাৰ পৰিচয় বহন কৰে। হাতৰ এই পৰশবোৰক লৈ যিমানবোৰ দৰ্শন আছে, সেয়া পৃথিৱীৰ কোনো পুথিতে সম্পূৰ্ণৰূপে বৰ্ণনা কৰা অসম্ভৱ। জীৱনৰ এই প্ৰাৰম্ভিক পৰ্যায়ত হাতক অৱলম্বন কৰি আগুৱাই যোৱাৰ যি প্ৰৱণতা, সেয়া মানুহৰ জন্মগত স্বভাৱ। ইয়াৰ মাজতেই নিহিত হৈ আছে জীৱনৰ প্ৰথম পাঠ-সহযোগিতা আৰু সহমৰ্মিতা। হাতৰ জৰিয়তে আমি পৃথিৱীখনক অনুভৱ কৰো। কোনোবাই যেতিয়া কাৰোবাৰ হাতৰ পৰশ পায়, তেতিয়া তেওঁৰ মনৰ মণিকোঠাত এক ধৰণৰ শান্তিৰ বৰষুণ হয়। এই স্পৰ্শ কেৱল এটা ভৌতিক ঘটনা নহয়, এয়া হৈছে এটা আৱেগিক অনুভৱ। আমাৰ হাতৰ আঙুলিবোৰৰ ভাঁজে ভাঁজে আছে জীৱনৰ হেজাৰটা অৰ্থ। আমি লিখো, আমি আঁকো, আমি গঢ়ো- সকলো কামতেই হাতৰ অৱদান। জ্ঞানৰ প্ৰসাৰত কলমৰ সহায়ত যি হাতখনে কিমান যে তথ্য আৰু তত্ত্ব লিখি থৈ গৈছে, সেয়া এক ইতিহাস।

হাতৰ ভাষা বুজিবলৈ কোনো শব্দৰ দৰকাৰ নহয়। কেৱল এটা চাৱনি আৰু হাতৰ অলপ লৰচৰেই যথেষ্ট। আৱেগিক সম্পৰ্কৰ ক্ষেত্ৰত হাতৰ স্পৰ্শ এক শক্তিশালী মাধ্যম। আমি যেতিয়া কাৰোবাক সান্ত্বনা দিবলৈ যাওঁ, তেতিয়া হাতৰ স্পৰ্শই হেজাৰটা শব্দৰ কাম কৰে। এই স্পৰ্শই মানুহক জীয়াই থকাৰ বাবে এক নতুন প্ৰেৰণা যোগায়। আমি প্ৰত্যেকেই আমাৰ হাত দুখনক লৈ গৌৰৱ কৰা উচিত। এই হাত দুখনে আমাক কেতিয়াও প্ৰতাৰণা নকৰে। বিপদে-আপদে এই হাত দুখনেই আমাৰ আটাইতকৈ বিশ্বাসযোগ্য সংগী। আমাৰ অস্তিত্বৰ এই মূল আধাৰটোক আমি সদায় সন্মান জনোৱা উচিত। হাতৰ এই নীৰৱ ভাষাই আমাক শিকায় কেনেকৈ আমি পৃথিৱীৰ স'তে একাত্ম হ'ব পাৰো। অনাগত দিনবোৰতো এই হাতেই আমাৰ পথপ্ৰদৰ্শক হৈ ৰ'ব।

জীৱনৰ মধ্যাহ্নত উপনীত হোৱাৰ পাছত মানুহৰ হাত দুখনে নতুন এক পৰিচয় লাভ কৰে। শৈশৱৰ নিৰ্ভৰশীলতা আৰু যৌৱনৰ অদম্য উৎসাহৰ পাছত, হাতবোৰ দায়িত্বৰ গধুৰ বোজা বহন কৰিবলৈ সক্ষম হৈ পৰে। এই পৰ্যায়ত হাতৰ কামবোৰ কেৱল আবেগৰ আদান-প্ৰদানতে সীমাবদ্ধ নাথাকে, ই এক সৃষ্টিশীল প্ৰক্ৰিয়ালৈ ৰূপান্তৰিত হয়। এজন শিল্পীৰ হাতত তুলিকা যেতিয়া সৰৱ হৈ পৰে, তেতিয়া তেওঁৰ অন্তৰৰ আৱেগবোৰ ৰঙৰ মাজেদি নিগৰি আহে। ঠিক তেনেকৈ, এজন কাৰিকৰৰ হাতত সঁজুলিৰ স্পৰ্শই জড় বস্তুকো জীৱন্ত কৰি তোলে। কৰ্মৰ এই পৰিধিত হাতখনে মানুহৰ ব্যক্তিত্বক প্ৰতিফলিত কৰে। সমাজৰ প্ৰতিটো নিৰ্মাণ কাৰ্যত হাতৰ অৱদান স্বীকাৰ্য। এইবোৰ হাতৰ পৰশতে সমাজৰ ভেটি মজবুত হয় আৰু সভ্যতাৰ চকা ঘূৰি থাকে। পৰিপক্কতাৰ অৰ্থ হৈছে নিজৰ ওপৰত বিশ্বাস স্থাপন কৰা। যেতিয়া মানুহে আনৰ হাতৰ আশ্ৰয় বিচাৰি ফুৰিবলৈ এৰি দিয়ে, তেতিয়াই হাত দুখনে স্বাৱলম্বী হ'বলৈ শিকায়। বিচ্ছেদৰ যন্ত্ৰণাই প্ৰায়েই মানুহৰ হাতক নিসংগ কৰি তোলে। প্ৰিয়জনৰ বিচ্ছেদত হাতৰ মুঠি যেতিয়া ঢিলা হৈ আহে, তেতিয়া এক গভীৰ শূন্যতাৰ সৃষ্টি হয়। কিন্তু এই শূন্যতাই নতুনকৈ জীয়াই থকাৰ পথ প্ৰশস্ত কৰে। বিচ্ছেদৰ পাছত হাতখনে যি শিক্ষা লাভ কৰে, সেয়া আটাইতকৈ মূল্যৱান। হাতৰ আঙুলিৰ ভাঁজত যেন এটি সুৰ লুকাই থাকে। এই সুৰটোৱেই মানুহক একাকীত্বৰ পৰা আঁতৰাই প্ৰকৃত জীৱনৰ ছন্দৰ স'তে পৰিচয় কৰাই দিয়ে। যি হাতে এদিন আনক ধৰি ৰাখিবলৈ চেষ্টা কৰিছিল, সেই হাতেই এতিয়া নিজৰ অস্তিত্বৰ যুঁজত অৱতীৰ্ণ হয়। এই আত্মবিশ্বাসেই মানুহৰ আচল পৰিচয়। জীৱনৰ বিভিন্ন অৱস্থাত হাতৰ অৱদান বিবিধ। ঘৰুৱা দায়িত্বৰ পৰা আৰম্ভ কৰি সামাজিক কৰ্মলৈকে হাতৰ পৰশ অবিহনে কোনো কাম সম্ভৱ নহয়। আমি হাতৰ আঙুলিবোৰৰ লৰচৰৰ মাজেদি আমাৰ খং, অভিমান, মৰম আৰু প্ৰতিবাদ প্ৰকাশ কৰো। কোনোবাই খঙত মুঠি মাৰিলে যেনেকৈ তাৰ ৰূপ উগ্ৰ হৈ পৰে, আকৌ সেই হাতেই চকুলো মচি দিলে মমতাৰ আধাৰ হৈ পৰে। হাতৰ এই বৈপৰীত্য মানুহৰ চৰিত্ৰৰ প্ৰতিচ্ছবি। জীৱনৰ অৱসাদৰ মুহূৰ্তত নিজৰ হাতৰ তালুখনলৈ চালে মানুহে অনুভৱ কৰে যে তাৰ মাজত কিমান কাহিনী লুকাই আছে। কিমান ঘাম, কিমান তেজ আৰু কিমান কান্দোন এই হাতৰ মাজেদি পাৰ হৈ গ'ল, এইবোৰ উপলব্ধি কৰাটোৱেই প্ৰকৃত জীৱনৰ শিক্ষা।

জীৱনৰ অৱসৰৰ দিশে গতি কৰা অৱস্থাত, হাত দুখনে পূৰ্বৰ সেই খৰতকীয়া গতি হেৰুৱাই পেলায়। আঙুলিবোৰৰ মসৃণতা হ্ৰাস পায়, হাড়ৰ গঠন আৰু ছালৰ ভাঁজত সময়ৰ পৰিছয় স্পষ্ট হৈ উঠে। অৱশ্যে এই অৱস্থাতো হাতৰ উপযোগিতা বিন্দুমাত্ৰও ক্ৰমশঃ হ্ৰাস নাপায়, বৰঞ্চ ইয়াৰ অৰ্থপূৰ্ণতা গভীৰ হৈ পৰে। এতিয়া এই হাত দুখনে কোনো কাৰোবাৰ বাবে বৈ নাথাকে, কোনো দুৰন্ত লক্ষ্যৰ পিছে পিছে দৌৰিবলৈও ই আগ্ৰহী নহয়। বাৰ্ধক্যৰ এই বেলাত হাত দুখনে এক ধৰণৰ প্ৰশান্তি বহন কৰে, যি প্ৰশান্তি কেৱল অভিজ্ঞতাই প্ৰদান কৰিব পাৰে। হাতৰ এই পৰশবোৰ এতিয়া অন্তৰৰ গভীৰতাত নিমজ্জিত একোটা মৌন ধ্যানেই হৈ পৰে। কিমান যে অভিজ্ঞতা এই আঙুলিবোৰৰ মাজেদি অতিক্ৰম কৰি আহিল, তাৰ হিচাপ কেৱল নিজৰ হাতৰ তালুতেই লিখা আছে। হাতৰ ৰেখাবোৰক যদি জীৱনৰ একোখন মানচিত্ৰ বুলি ধৰা হয়, তেন্তে বৃদ্ধ বয়সত সেই মানচিত্ৰৰ পথবোৰ পৰিস্কাৰ হৈ পৰে। মানুহে এতিয়া বুজি পায় যে জীৱনৰ আচল লক্ষ্য হাতৰ মুঠিত থকা ক্ষমতাৰ প্ৰদৰ্শন আৰু হাতখন কিমান কোমলতাৰে সমাজৰ বাবে ব্যৱহাৰ কৰিব পাৰি, তাতেই নিহিত হৈ আছে মানুহৰ মানৱতা। আগতে যি হাতেৰে আমি কেৱল গ্ৰহণ কৰিবলৈ শিকিছিলো, এতিয়া সেই হাতেই অকাতৰে বিলোৱাৰ বাবে সাজু হয়। হাতৰ এই পৰিৱৰ্তন কোনো ভৌতিক ঘটনা নহয়, এইয়া এক আধ্যাত্মিক উত্তৰণ। কোনোবাই যেতিয়া কাৰোবাৰ মূৰত হাত বুলাই আশীৰ্বাদ দিয়ে, তেতিয়া সেই স্পৰ্শৰ মাজত কোনো স্বাৰ্থ নাথাকে। তাত থাকে কেৱল মৰম, যি মৰমৰ কোনো বৈজ্ঞানিক ব্যাখ্যাৰ প্ৰয়োজন নহয়। বিচ্ছেদৰ যন্ত্ৰণা বা কোনো হেৰুৱা প্ৰিয়জনৰ স্মৃতিয়ে এতিয়া আৰু চকুলো নুটোকে, সেই স্মৃতিবোৰক হাতৰ স্পৰ্শৰ মাজেদি অনুভৱ কৰিবলৈ শিকাটোৱেই জীৱনৰ এক ডাঙৰ সাফল্য। যি হাতে এদিন চকু পানী মচিছিল, সেই হাতেই আজি অকলশৰে বহি নিজৰ স্মৃতিবোৰক নতুনকৈ সজাই তোলে। জীৱনৰ শেষ প্ৰান্তত উপনীত হৈ মানুহে অনুভৱ কৰে যে পৃথিৱীৰ সকলো হাত এদিন আঁতৰি যাবই। কাৰো হাত চিৰকাল ধৰি ৰখাৰ উপায় বা সুবিধা কাৰো নাই। এই সত্যটোক গ্ৰহণ কৰিব পৰাটোৱেই আচল পৰিপক্কতা। যেতিয়া নিজৰ হাতৰ ওপৰত অটল বিশ্বাস গঢ়ি উঠে, তেতিয়া আনৰ অনুপস্থিতিৰ শূন্যতা বৰকৈ অনুভৱ নহয়। নিজৰ হাতৰ শক্তিৰ ওপৰত থকা এই আস্থাখিনিয়েই মানুহক অৱশেষত এক নিৰ্ভীক পৰিচয় প্ৰদান কৰে। হাতৰ এই যাত্ৰা কেৱল এজন ব্যক্তিৰ নহয়, এয়া সমগ্ৰ মানৱ জাতিৰ যাত্ৰা। শৈশৱৰ পৰা বাৰ্ধক্যলৈ প্ৰতিটো পৰ্যায়ত হাতেই আমাৰ আচল বন্ধুৰ ভূমিকা পালন কৰে। আমি কি কৰিলো বা কি পালো-নাপালো সেই প্ৰশ্নবোৰৰ উত্তৰ বিচাৰিবলৈ আনৰ ওচৰলৈ যোৱাৰ প্ৰয়োজন নাই। নিজৰ হাতৰ কৰ্মকুশলতাৰ প্ৰতি দৃষ্টি দিলে সকলোবোৰ স্পষ্ট হৈ পৰে। যিসকলে হাতৰ পৰশৰ ভাষা বুজিব পাৰে, তেওঁলোকে কেতিয়াও নিজক অকলশৰীয়া বুলি অনুভৱ নকৰে। প্ৰতিটো স্পৰ্শৰ মাজত লুকাই থকা জীৱনৰ বাৰ্তাবোৰ পঢ়িবলৈ শিকিলেই জীৱন এখন মুকলি কিতাপৰ দৰে হৈ পৰে। হাতৰ এই ভাষাৰ কোনো সীমা নাই, কোনো ভাষাৰ বাধ্যবাধকতা নাই।

সামৰণিত এই কথা নিশ্চিতভাৱে ক'ব পাৰি যে হাত হৈছে মানুহৰ সৰ্বশ্ৰেষ্ঠ সৃষ্টিশীল আহিলা। আমাৰ প্ৰতিটো ভাল কামৰ পিছত থকা প্ৰধান শক্তিক আমি সদায় সন্মান জনাৰ প্ৰয়োজন আছে। নিজৰ হাতৰ কৰ্মৰ মাজেদি আমি অনাগত প্ৰজন্মৰ বাবে এক উদাহৰণ হৈ ৰ'ব পাৰোঁ। হাতৰ স্পৰ্শ কেৱল চৰ্মৰ মিলন নহয়, ই হৃদয়ৰ উত্তাপ। সেই উত্তাপক অক্ষত ৰাখি আমি যদি আগুৱাই যাওঁ, তেন্তে জীৱনৰ যাত্ৰা অৰ্থপূৰ্ণ হ'ব। কোনো হাত ধৰি যোৱাটো যদি আৱেগ, তেন্তে নিজৰ হাতৰ শক্তিৰে স্বাৱলম্বী হোৱাটো হৈছে জীৱনৰ সাৰ্থকতা। হাতৰ পৰশৰ লগত জড়িত এই অসীম শক্তিৰ ওপৰত ভৰসা কৰিয়েই আমি আমাৰ অনন্ত যাত্ৰাৰ প্ৰতিটো পদক্ষেপ আগুৱাব পাৰো। নিজৰ হাতৰ ওপৰত ৰখা অটল বিশ্বাস আৰু কৰ্মত দেখুওৱা নিষ্ঠাই মানুহক মৃত্যুৰ পাছতো অমৰ কৰি ৰাখে। সেয়ে হাত হৈছে আমাৰ জীৱনৰ আচল সাৰথি, যি আমাক ক'তো এৰি নাযায় আৰু শেষলৈকে আমাৰ বাবে এক নিৰ্ভৰযোগ্য ঠিকনা হৈ ৰ'ব। জীৱনৰ শেষৰ ফালে হাতৰ ৰেখাবোৰৰ ফালে চাই আমি অৱশেষত তৃপ্তিৰ হাঁহি মাৰিব পাৰিম, কাৰণ আমি হাতৰ স্পৰ্শৰ মাজেদি জীৱনক যিমানবোৰ আৱেগ, মৰম আৰু অৰ্থ প্ৰদান কৰিছিলো, সেয়াই আমাৰ আচল উত্তৰাধিকাৰ।



ফোন ঃ ৯৮৫৪৪৫০৫৮২

## ঠেলামৰাত অধিবক্তা দম্পতীৰ ঘৰত চোৰৰ

*তিনি পৃষ্ঠাৰ পৰা* লণ্ডভণ্ড কৰি ভিতৰত থকা মূল্যৱান গহনা আৰু নগদ ধন লৈ যায়। আবেলি অধিবক্তা দম্পতী আদালতৰ পৰা ঘৰলৈ ঘূৰি অহাত ঘটনাটো পোহৰলৈ আহে।। ঘৰৰ দৰ্জা ভঙা আৰু সকলো সামগ্ৰী লণ্ডভণ্ড হৈ থকা দেখি তেওঁলোকে লগে লগে ঠেলামৰা আৰক্ষীক খবৰ দিয়ে। ঘটনাৰ খবৰ পাই ঠেলামৰা আৰক্ষীৰ এটা দল ততালিকে ঘটনাস্থলীত উপস্থিত হৈ প্ৰাথমিক তদন্ত আৰম্ভ কৰে। দিন দুপৰতে সংঘটিত এই ঘটনাটোৱে ওঁৱাৰী গাঁৰৰ সমগ্ৰ অঞ্চলটোতে তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। আৰক্ষীয়ে চোৰৰ সন্ধানত অভিযান অব্যাহত ৰাখিছে।

## বৰভাগ মহাবিদ্যালয়ত বিত্তীয় কেলেংকাৰি!

*তিনি পৃষ্ঠাৰ পৰা* নামত ৫৩ লাখ টকাৰ লেনদেনৰ তথ্য লাভ কৰে। ইফালে, আঁচনিখন চোৰা-চিতাৰ বাবে পৰিচালনা সমিতিৰ অনুমোদন অবিহনেই বিৰিঞ্চি চৌধুৰীয়ে এজন অধ্যাপকক কৰ্মচাৰীৰূপে নিয়োগ কৰাৰ অভিযোগ উঠিছিল। কেৱল মাত্ৰ পিএমকেভি ৱাইয়েই নহয় পূৰ্বৰ অধ্যক্ষ গৰাকীয়ে চলিত বৰ্ষৰ চাৰি মে'ত নীতি-বহিৰ্ভূতভাৱে জনৈক বৰ্মন উপাধিৰ এজন ব্যক্তিৰ নামত ৭০৭৪৯২ নম্বৰৰ এখন চেক ইছ্যু কৰি তিনি লাখ সত্তৰ হেজাৰ টকা ভ্ৰমণ বানচ আদায় কৰাৰ ফন্দি ৰচনা কৰাৰো অভিযোগ উত্থাপন হৈছিল। আনহাতে, অঞ্চলটোৰ দুখীয়া ছাত্ৰ-ছাত্ৰীৰ বাবে বৰভাগ মহাবিদ্যালয়ত বি এড পাঠ্যক্ৰম প্ৰৱৰ্তনৰ বাবে ফিক্সড ডেপ'জিট কৰি থোৱা বাৰ লাখ টকা কৰ্তৃপক্ষৰ অনুমতি অবিহনে বিৰিঞ্চি চৌধুৰীয়ে উলিয়াই আনি ক'ত খৰছ কৰিলে তাৰো কোনো হিচাপ নাই বুলি সংবাদ মাধ্যমৰ আগত অভিযোগ উত্থাপন কৰিছিল মহাবিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি প্ৰফুল্ল ডেকাই। স্মৰ্তব্য যে চলিত বৰ্ষৰ পাঁচ মে'ত বৰভাগ মহাবিদ্যালয়ৰ পৰা বৰপেটাৰ অন্য এখন মহাবিদ্যালয়ত যোগদান কৰা বিৰিঞ্চি চৌধুৰীয়ে পৰিচালনা সমিতিৰ প্ৰস্তাৱনা বহীতো জালিয়াতি সংঘটিত কৰাৰ গুৰুতৰ অভিযোগ উত্থাপন হৈছিল। লগতে পৰিচালনা সমিতিৰ সভাপতি আৰু ভাৰপ্ৰাপ্ত অধ্যক্ষ অজিত কুমাৰ শৰ্মাৰ অভিযোগৰ বাতৰি ৰাজ্যৰ সংবাদ মাধ্যমত সবিস্তাৰে প্ৰকাশ হোৱাৰ পাছত বিগত ৩০ জুনত কাহিলীপাৰাস্থ উচ্চ শিক্ষা সঞ্চালকালয়ৰ দুগৰাকী উচ্চপদস্থ বিষয়া অভিযোগৰ তদন্তৰ বাবে বৰভাগ মহাবিদ্যালয়ত উপস্থিত হৈ তথ্যপাতি সংগ্ৰহ কৰি লৈ যায়। কিন্তু ইয়াৰ দুমাহ পাৰ হৈ যোৱাৰ পাছতো উচ্চ শিক্ষা সঞ্চালকালয়ৰ তৰফৰ পৰা এই পৰ্যন্ত কোনো স্পষ্টতা প্ৰকাশ কৰা নাই। আনহাতে, বিভাগটোৱে মহাবিদ্যালয়খনৰ পৰা সংগ্ৰহ কৰা তথ্য আজি পৰ্যন্ত ওভতাই নিদিয়াৰ ফলস্বৰূপে মহাবিদ্যালয় কৰ্তৃপক্ষই তথ্য জনাৰ অধিকাৰ আইনৰ অধীনত তথ্য বিচাৰি আবেদন কৰা আবেদনকাৰী সকলক তথ্য প্ৰদানৰ ক্ষেত্ৰত সমস্যাৰ সন্মুখীন হ'ব লগা হৈছে। তথ্যপাতি ওভতাই বিচাৰি মহাবিদ্যালয় কৰ্তৃপক্ষই উচ্চ শিক্ষা সঞ্চালকালয়লৈ মেইল বাৰ্তা প্ৰেৰণ কৰাৰ পাছতো কোনো সদুত্তৰ লাভ কৰা নাই বুলি মহাবিদ্যালয় কৰ্তৃপক্ষই সদৰী কৰিছে। ইপিনে, অঞ্চলটোৰ সচেতন মহলে উত্থাপিত অভিযোগ সন্দৰ্ভত উচ্চ শিক্ষা সঞ্চালকালয়ক অতিশীঘ্ৰে স্থিতি স্পষ্ট কৰাৰ লগতে তদন্তৰ ফলাফল প্ৰকাশ কৰিবলৈ দাবী জনাইছে। লক্ষ্যণীয় যে ড° বিৰিঞ্চি চৌধুৰীৰ কাৰ্যকালত সংঘটিত বিত্তীয় খেলিমেলিৰ অনুসন্ধান কৰি প্ৰতিবেদন দাখিল কৰিবলৈ বিগত দুই জুনত বৰভাগ মহাবিদ্যালয় পৰিচালনা সমিতিয়ে ড° ধনেশ্বৰ বৈশ্য, ড° সুশান্ত কুমাৰ কাশ্যপ, ড° বিপ্লৱ ডেকা, ড° অনুপম দত্ত, ড° চন্দন কলিতা, ভৰেশ শৰ্মা আৰু পংকজ মজুমদাৰক লৈ এখন বিত্তীয় শৃংখলা পৰামৰ্শদাতা সমিতি গঠন কৰি প্ৰতিবেদন দাখিলৰ নিৰ্দেশ দিছিল। এই সমিতিখনে ২৫ জুনত মহাবিদ্যালয় পৰিচালনা সমিতি আৰু বিত্তীয় শৃংখলা পৰামৰ্শদাতা সমিতিৰ যুটীয়া বৈঠকত দাখিল কৰা প্ৰতিবেদনত উন্মোচিত হৈছিল মহাবিদ্যালয়ৰ বিত্তীয় খেলিমেলিৰ ঘটনা।

## বহিৰাগত বাগিচা পৰিচালকৰ হাতত

*তিনি পৃষ্ঠাৰ পৰা* অৱস্থা বৰ্তমানে সুস্থিৰ হোৱা নাই। প্ৰলংয়কৰী বানৰ কৱলত পৰা শিৱসাগৰ জিলাৰ নাজিৰা সমজিলাৰ বিভিন্ন প্ৰান্তত বানবিধ্বস্ত পৰিয়ালসমূহক সকাহ দিবলৈ অসমৰ লগতে দেশৰ বিভিন্ন প্ৰান্তৰ স্বেচ্ছাসেৱী সংগঠন, মানৱদৰদী ব্যক্তিয়ে সামৰ্থ অনুযায়ী খাদ্য সামগ্ৰীৰ লগতে নিত্য ব্যৱহাৰ্য সামগ্ৰী যোগান ধৰি নিজৰ মহানুভৱতাৰ পৰিচয় দিছে। সমান্তৰালকৈ বহু লোকে শ্ৰমদান কৰি, বানে সৰ্বস্বান্ত কৰা পৰিয়ালৰ ঘৰ সজা, পৰিষ্কাৰ কৰা আদি কামত নিজকে উছৰ্গা কৰিছে। সিসকল ব্যক্তিয়ে নাজিৰাৰ লগতে বানে গৰকা শিৱসাগৰ, চৰাইদেউ আৰু যোৰহাট জিলাত নিজে সৰ্বোচ্চ উজাৰি বানবিধ্বস্ত ৰাইজৰ কাষত ঠিয় দিছে সেইসকলৰ ভিতৰত অন্যতম চিনাকি নাম সময় গগৈ। জনপ্ৰিয় ইউটিউবাৰ সময় গগৈয়ে ইতিপূৰ্বে বহু দৰিদ্ৰ পৰিয়ালক সহায় কৰাৰ উপৰি শেহতীয়াকৈ পূব অসমত সৃষ্টি হোৱা প্ৰলয়ংকৰী বানৰ পাছত দিনে-নিশাই নিজকে উছৰ্গা কৰি সকলোৰে দৃষ্টি আকৰ্ষণ কৰিছে। তেনে এজন মানৱদৰদী যুৱকে শেহতীয়াকৈ নাজিৰা সমজিলাৰ অন্তৰ্গত বিহুবৰ চাহ বাগিচাৰ কমলচাপৰিত বানবিধ্বস্ত লোকৰ ঘৰ সাজিবলৈ আহি বুধবাৰে বিহুবৰ চাহ বাগিচাৰ এজন বহিৰাগত পৰিচালকৰ হাতত অপমানিত হ'ব লগা হয়। বনবিধ্বস্ত কমলচাপৰিত ঘৰ সাজিবলৈ প্ৰয়োজনীয় বাঁহ সুদুৰ নাহৰকটীয়াৰ পৰা লৈ নিশা প্ৰায় ১০ বজাত নাজিৰাৰ বিহুবৰ চাহ বাগিচা পোৱাৰ সময়তে গগৈৰ এটা টীমে অনা বাঁহৰ গাড়ী প্ৰৱেশ কৰাত বাধা দিয়ে সেই সময়ত বাগিচাত কৰ্মৰত চকীদাৰে। চকীদাৰজনক দলটোৰ সদস্যসকলে বিনম্ৰভাৱে ইয়াৰ কাৰণ সোধাত ভিতৰত এটা পুল ভাঙি আছে বুলি জানিবলৈ দি ৰাতি গাড়ী প্ৰৱেশ কৰাৰ ক্ষেত্ৰত বাধা দিবলৈ বাগিচা পৰিচালকে নিৰ্দেশ দিয়া বুলি জনায়। যিহেতু পিছদিনা পুৱা পাঁচ বজাতে নগালেণ্ডৰ পৰা অহা এটা দলে ঘৰ নিৰ্মাণ কৰাৰ কথা আছিল আৰু সেই বাবে দলটোৱে বিহুবৰ চাহ বাগিচা পৰিচালকৰ লগতে অন্যান্য বিষয়ববীয়াক বানত বিধ্বস্ত পৰিয়ালৰ ঘৰ বনাবলৈ অনা বাঁহ কঢ়িওৱা গাড়ী ভিতৰত প্ৰৱেশ কৰিবলৈ দিবলৈ অনুৰোধ জনায়ো কোনো সঁহাৰি লাভ কৰিবলৈ সক্ষম নোহোৱাত নাজিৰাৰ এজন সংবাদসেৱীক সমগ্ৰ বিষয়টো অৱগত কৰে। সংবাদকৰ্মীজনে বাগিচাৰ পৰিচালকৰ লগতে আন কে'বাজনো বিষয়ববীয়াৰ ম'বাইলত ফোন কৰি যোগাযোগ কৰাৰ চেষ্টা যদিও তেওঁলোকে ম'বাইল ৰিচিভ কৰাৰ পৰা বিৰত থাকে। আনকি সংবাদকৰ্মীজনে নাজিৰা আদৰ্শ আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়াকো সকলো কথা অৱগত কৰাৰ পাছতো আৰক্ষীয়ে পুৱাহে গাড়ীখন যাবলৈ দিব পৰা যাব বুলি জানিবলৈ দিয়ে। সময় গগৈয়ে নিশাৰ ভাগত নাজিৰাৰ অন্য কোনো ঠাইত বানবিধ্বস্ত পৰিয়ালক সহায় কৰাৰ বাবে বিভিন্ন কামত ব্যস্ত থকাৰ পাছতো নিশা প্ৰায় প্ৰায় ১১-৪৫ বজাত ঘটনাস্থলীত উপস্থিত হয়। বাগিচা কৰ্তৃপক্ষৰ পৰা কোনো ধৰণৰ সদুত্তৰ নোপোৱাত উপায়হীন হৈ সময়ৰ লগতে আন আন সদস্যসকলে ভোকে-লঘোণে থকাৰ পাছতো গাড়ীত কঢ়িয়াই অনা দুশ ডালতকৈও বেছি বাঁহ ঘৰ বনোৱা স্থানলৈ নিবলগীয়া হয়। ইফালে, পাছদিনা পুৱা পাঁচ বজাত সময়ৰ লগতে দলটোৱে গাড়ীখন যাবলৈ দিবলৈ অনুৰোধ জনোৱাৰ পাছতো ছবজাতহে গেট খোলা হ'ব বুলি জনায় চকীদাৰজনে। বাগিচা কৰ্তৃপক্ষই সমগ্ৰ বিষয়টো জনাৰ পাছতো দলটোৰ স'তে কোনো ধৰণৰ সৌজন্যতা প্ৰকাশ নকৰিলে। পৰৱৰ্তী সময়ত পুৱা প্ৰায় আঠ বজাৰ পাছতহে বাগিচাখনৰ পৰিচালক দিৰেশ শৰ্মা ঘটনাস্থলীত উপস্থিত হয়। ইফালে, সমগ্ৰ ঘটনা জানিব পাৰি উক্ত ঠাইত দল-সংগঠনৰ কৰ্মীসকলো উপস্থিত হয়। চকীদাৰে পুল ভঙা আছে বুলি মিথ্যাচাৰৰ আশ্ৰয় লোৱা বুলি জানিব পাৰি সকলো বাগিচা কৰ্তৃপক্ষৰ ওপৰত খৰ্গহস্ত হৈ পৰে। বাগিছা পৰিচালকজনে বাগিছা কৰ্তৃপক্ষৰ হৈ উকালতি কৰি বিভিন্ন মিথ্যাচাৰৰ আশ্ৰয় লোৱাত বিভিন্ন দল-সংগঠনৰ লগতে উপস্থিত ৰাইজে বাগিচা কৰ্তৃপক্ষক বিভিন্ন প্ৰশ্নৰে থকা-সৰকা কৰে। বানপানীৰ দৰে দুৰ্যোগৰ সময়তো বহিঃৰাজ্যৰ এজন বাগিচা পৰিচালকৰ নিৰ্দেশত এনেদৰে বানবিধ্বস্ত লোকৰ ঘৰ বনাবলৈ অহা সময়ৰ দৰে মানৱদৰদী যুৱক অপমানিত হ'বলগীয়া হয়। উল্লেখ্য যে বহিঃৰাজ্যৰ পৰা আহি বিগত ১৫ বছৰতকৈও অধিক কাল বাগিচাখনত পৰিচালকৰূপে কাৰ্যনিৰ্বাহ কৰা দিৰেশ শৰ্মা নামৰ বহিৰাগত লোকজনে আহোমৰ ঐতিহাসিক সম্পদ বেদখল কৰাৰ উপৰি অবৈধ শিল খননতো জড়িত থকাৰ গুৰুতৰ অভিযোগ উত্থাপিত হৈছে এই বহিঃৰাজ্যৰ বাগিচা পৰিচালক শৰ্মাৰ বিৰুদ্ধে। বাগিচা পৰিচালকজনৰ এনে কাণ্ডৰ নিন্দা কৰিছে নাজিৰাৰ সচেতন মহলে।

## ভোটাৰৰ বিন্যাসে চিন্তাত পেলাইছে

*তিনি পৃষ্ঠাৰ পৰা* শইকীয়া, ১৯৯৯,২০০৪,২০০৯ আৰু ২০১৪ৰ নিৰ্বাচনত ধাৰাবাহিকভাৱে বিজেপি দলৰ প্ৰাৰ্থী ৰাজেন গোহাঁয়ে, ২০১৯ আৰু ২০২৪ৰ লোকসভা নিৰ্বাচনত কংগ্ৰেছৰ প্ৰাৰ্থী প্ৰদ্যুৎ বৰদলৈ বিজয়ী হয়।

এই পৰ্যন্ত নগাঁও লোকসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ বাবে দিন ঘোষণা কৰা হোৱা নাই যদিও বিভিন্ন ৰাজনৈতিক দলৰ মাজত প্ৰাৰ্থিত্বক লৈ চৰ্চা অব্যাহত আছে। বিজেপিৰ প্ৰাৰ্থিত্ব প্ৰত্যাশীৰূপে চৰ্চিত হৈছে ৰাজ্যিক বিজেপিৰ নেতা অভিজিত নাথ, অৱসৰপ্ৰাপ্ত শীৰ্ষ আৰক্ষী বিষয়া শ্যামল শইকীয়া, বিজেপি নেতা সুৰেশ বৰা, প্ৰাক্তন বিধায়ক আঙুৰলতা আৰু ভাৰতীয় প্ৰশাসনিক সেৱাৰ বিষয়া তথা নগাঁও জিলাৰ আয়ুক্ত দেৱাশীষ শৰ্মাৰ নাম।

আনহাতে, কংগ্ৰেছৰ প্ৰাৰ্থিত্ব প্ৰত্যাশীৰূপে চৰ্চিত হৈ আছে জ্যেষ্ঠ কংগ্ৰেছ নেতা দেৱব্ৰত শইকীয়া, প্ৰাক্তন বিধায়ক শিৰামণি বৰা, ডাঃ দুৰ্লভ চমুৱা আৰু কংগ্ৰেছ নেতা উৎপল বণিয়াৰ নাম।

ইপিনে, এআইইউডিএফৰ প্ৰাৰ্থীৰূপে ৰেজাউল কৰিম সৰকাৰ, আব্দুৰ ৰহিম, ডাঃ আদিত্য লাংথাচাৰ নাম চৰ্চাত থকা বুলি কালি দলটোৰ মুৰব্বী বদৰুদ্দিন আজমলে হোজাইত এক সংবাদমেলত প্ৰকাশ কৰিছে। বিজেপিৰ সম্ভাব্য প্ৰাৰ্থীৰূপে কে'বাগৰাকীও লোকৰ নাম চৰ্চা হৈ আছে যদিও ইয়াৰ ভিতৰত অভিজিত নাথ, আঙুৰলতা ডেকা আৰু সুৰেশ বৰাই বিশেষ আগ্ৰহ প্ৰকাশ কৰা পৰিলক্ষিত হোৱা নাই। সমষ্টিটোৰ ভোটাৰ বিন্যাসেই তেওঁলোকক এশবাৰ ভাবিবলৈ বাধ্য কৰাইছে। শেহতীয়াকৈ চৰ্চালৈ অহা দেৱাশীষ শৰ্মাই নিজকে নগাঁও আৰু মৰিগাঁও জিলাৰ মুছলমান ৰাইজৰ মাজত জনপ্ৰিয় বুলি বিশ্বাস কৰে। দুয়োখন জিলাতেই আয়ুক্তৰূপে সুদীৰ্ঘ কাল কাৰ্যনিৰ্বাহ কৰা হেতুকে তেওঁ মুছলমান ৰাইজৰ মাজত নিজৰ প্ৰভাৱ বিস্তাৰ কৰিবলৈ সক্ষম হোৱা বুলি গেৰুৱা দলটোৱে ধাৰণা কৰিছে। দেৱাশীষ শৰ্মাই এই পৰ্যন্ত চৰকাৰী পদৰ পৰা স্বেচ্ছামূলক অৱসৰ গ্ৰহণ কৰা নাই। কিন্তু সাংবাদিকৰ আগত তেওঁ সংসদীয় নিৰ্বাচনত অংশগ্ৰহণৰ বাবে যে আগ্ৰহী সেই কথা আওপকীয়াকৈ প্ৰকাশ কৰিছে। আনহাতে, কংগ্ৰেছৰ প্ৰাৰ্থিত্বৰ বাবে প্ৰাক্তন বিধায়ক ডাঃ দুৰ্লভ চমুৱা, শিৰামণি বৰাই নিজৰ তৎপৰতা অব্যাহত ৰাখিছে যদিও এইবাৰ সমষ্টিটোত কংগ্ৰেছে এজন মুছলমান লোকক প্ৰাৰ্থিত্ব প্ৰদান কৰিব লাগে বুলিও একাংশ মুছলমান ৰাইজৰ মাজত দাবী উঠিছে।

উল্লেখ্য যে ২০২৪ৰ লোকসভা নিৰ্বাচনত নগাঁও লোকসভা সমষ্টিত কংগ্ৰেছৰ প্ৰাৰ্থী প্ৰদ্যুৎ বৰদলৈয়ে ভাৰতীয় জনতা পাৰ্টিৰ প্ৰাৰ্থী সুৰেশ বৰাক ২,১৬,৬৮টা ভোটৰ ব্যৱধানত পৰাস্ত পৰি সংসদীয় সমষ্টিটোৰ পৰা দ্বিতীয়বাৰলৈ সাংসদৰূপে নিৰ্বাচিত হৈছিল। কংগ্ৰেছৰ প্ৰাৰ্থী প্ৰদ্যুৎ বৰদলৈয়ে ৭,৮৫,১৮৮টা ভোট লাভ কৰাৰ বিপৰীতে তেওঁৰ নিকটতম প্ৰতিদ্বন্দ্বী বিজেপিৰ সুৰেশ বৰাই ৫,৬৮,৯০০ টা ভোটহে লাভ কৰিবলৈ সক্ষম হৈছিল। আনহাতে, সমষ্টিটোৰ পৰা এআইইউডিএফ দলৰ প্ৰাৰ্থী হিচাপে প্ৰতিদ্বন্দ্বিতা কৰা আমিনুল ইছলামে মাত্ৰ ১,৩৬,৭৮৩ টা ভোট লাভেৰে তৃতীয় স্থানতে সন্তুষ্ট থাকিবলগীয়া হয়। ইপিনে, মুঠ ১৩ গৰাকী প্ৰাৰ্থীয়ে নিৰ্বাচনী যুঁজত অৱতীৰ্ণ হোৱা নগাঁও সমষ্টিত জয়প্ৰকাশ জনতা দলৰ অনুপম বৰুৱাই ৪,২৭৫ টা,অসম জন মৰ্চাৰ ছাইফুল ইছলাম চৌধুৰীয়ে ১,৮১৭ টা, ৰাষ্ট্ৰীয় উলেমা কাউঞ্চিলৰ ৰাব্বুল হক ২,৫৩৬ টা ,ভাৰতীয় গণ পৰিষদৰ শান্তনু মুখাৰ্জীয় ১,৯৮৪ টা, নিৰ্দলীয়ৰ ইউচুফ মহম্মদ ৰাইহান চৌধুৰীয়ে ২,০১৫টা, আবু শ্বামায়ে ২,২১১টা , নিখিল ডেকাৰজাই ৩,৫৮৬ টা, চামচুল আলমে ৫,০৩৩ টা, বিপদ ভঞ্জন সৰকাৰে ৪,৮৬৩ টা আৰু শিখা শৰ্মা ৬,৫৪৭ টা ভোট লাভ কৰিছিল। উল্লেখ্য যে সমষ্টি পুনৰ্গঠনৰ পাছত নগাঁও লোকসভা সমষ্টিৰ ভোটৰ বিন্যাস ব্যাপকভাৱে সলনি হৈ পৰে। সংসদীয় সমষ্টিটোত মুছলমান ভোট অধিক হৈ পৰাত ২০২৪ৰ নিৰ্বাচনটোত মুছলমান ভোটাৰ সকলেই নিৰ্ণায়ক ভোটাৰ হৈ পৰে। তৎসত্বেও বিজেপি দলৰ প্ৰাৰ্থী সুৰেশ বৰাক বিজয়ী কৰিবলৈ সমষ্টিটোত মুখ্যমন্ত্ৰী ড° হিমন্তবিশ্ব শৰ্মা, মন্ত্ৰী পীযুষ হাজৰিকাই সৰ্বশক্তি প্ৰয়োগ কৰে যদিও মুছলমান ভোট আশা কৰা ধৰণে লাভ নকৰাত সুৰেশ বৰাৰ গতি স্তব্ধ হৈ পৰে। মুছলিম ভোটাৰ প্ৰধান সমষ্টিসমূহ ক্ৰমে চামগুৰি, ৰূপহীহাট, ধিং আৰু লাহৰীঘাটত বিজেপিৰ প্ৰাৰ্থী সুৰেশ বৰাই নিচেই নগণ্য সংখ্যক ভোট লাভ কৰাত জাগীৰোড, মৰিগাঁৱৰ ভোটে ৰক্ষা কৰিব নোৱাৰিলে বিজেপিৰ প্ৰাৰ্থীজনক। উল্লেখ্য যে ২০২৪ৰ লোকসভা নিৰ্বাচনত নগাঁও জিলাৰ ৰহা বিধানসভা সমষ্টিত কংগ্ৰেছৰ প্ৰাৰ্থী প্ৰদ্যুৎ বৰদলৈয়ে ৯৯,৮৫৫ টা ভোট, কংগ্ৰেছ দলৰ প্ৰাৰ্থী ৬০,৩৩২ টা ভোট, এআইইউডিএফৰ প্ৰাৰ্থী আমিনুল ইছলামে ১৬,৭৭১ টা ভোট , ধিং সমষ্টিত কংগ্ৰেছ দলৰ প্ৰাৰ্থী প্ৰদ্যুৎ বৰদলৈয়ে ১,২৮,৩৩৭ টা, বিজেপি দলৰ প্ৰাৰ্থী সুৰেশ বৰাই ২৮,২৫৩ টা, এআইইউডিএফৰ প্ৰাৰ্থী আমিনুল ইছলামে ৩২,১৭০ টা ভোট লাভ কৰে। ইপিনে, ৰূপহীহাট সমষ্টিত কংগ্ৰেছ দলৰ প্ৰাৰ্থী প্ৰদ্যুৎ বৰদলৈয়ে ১,৩০,৩৪৪ টা ভোট, বিজেপি দলৰ প্ৰাৰ্থী সুৰেশ বৰাই ২৪,৩৫৭ টা ভোট, এআইইউডিএফৰ প্ৰাৰ্থী আমিনুল ইছলামে ২৮,৩৫৭ টা ভোট, চামগুৰি সমষ্টিত কংগ্ৰেছ দলৰ প্ৰাৰ্থী প্ৰদ্যুৎ বৰদলৈয়ে ১,২৮,৫৮০ টা ভোট, বিজেপি দলৰ প্ৰাৰ্থী সুৰেশ বৰাই ৪২,০১৭ টা ভোট, এআইইউডিএফৰ প্ৰাৰ্থী আমিনুল ইছলামে ১৪,৫৪৪ টা ভোট, নগাঁও-বটদ্ৰৱা সমষ্টিত কংগ্ৰেছ দলৰ প্ৰাৰ্থী প্ৰদ্যুৎ বৰদলৈয়ে ৫৭,৫৪০ টা ভোট,বিজেপি দলৰ প্ৰাৰ্থী সুৰেশ বৰাই ৯০,৭৩০ টা ভোট, এআইইউডিএফৰ প্ৰাৰ্থী আমিনুল ইছলামে ২,০২৬ টা ভোট লাভ কৰে। আনহাতে, নগাঁও সংসদীয় সমষ্টিৰ অন্তৰ্গত মৰিগাঁও জিলাৰ তিনিটা বিধানসভা সমষ্টি ক্ৰমে লাহৰীঘাট বিধানসভা সমষ্টিত কংগ্ৰেছ দলৰ প্ৰাৰ্থী প্ৰদ্যুৎ বৰদলৈয়ে ১,৭২,৩৪০টা ভোট, বিজেপি দলৰ প্ৰাৰ্থী সুৰেশ বৰাই ৪০,৮০৩টা ভোট আৰু এআইইউডিএফৰ প্ৰাৰ্থী আমিনুল ইছলামে ৩৬,১৮৬টা ভোট লাভ কৰে। আনহাতে, মৰিগাঁও সমষ্টিত কংগ্ৰেছ দলৰ প্ৰাৰ্থী প্ৰদ্যুৎ বৰদলৈয়ে ৪৮,৬৪২ টা ভোট, বিজেপি দলৰ প্ৰাৰ্থী সুৰেশ বৰাই ১,০৭,৯৮৪টা ভোট আৰু এআইইউডিএফৰ আমিনুল ইছলামে মাত্ৰ ২,১১০টা ভোট লাভ কৰে। ইপিনে, জাগীৰোড বিধানসভা সমষ্টিত কংগ্ৰেছ দলৰ প্ৰাৰ্থী প্ৰদ্যুৎ বৰদলৈয়ে ৫৭,৮৬৫টা ভোট, বিজেপি দলৰ প্ৰাৰ্থী সুৰেশ বৰাই ১,৩৪,৬৬৫টা ভোট আৰু এআইইউডিএফৰ প্ৰাৰ্থী আমিনুল ইছলামে ৪,০৩৫ টা ভোট লাভ কৰিছিল। স্মৰ্তব্য যে নগাঁও লোকসভা সমষ্টিৰ প্ৰতিটো নিৰ্বাচনত উন্নয়নৰ কথা বতৰা গৌণ হৈ পৰে, ধৰ্মীয় মেৰুকৰণৰ ৰাজনীতিৰে নিৰ্বাচনী বৈতৰণী পাৰ হোৱাৰ চেষ্টাত ব্ৰতী হয় ৰাজনৈতিক দলসমূহ। এইবাৰ লোকসভা সমষ্টিটোৰ উপ-নিৰ্বাচনত বিজেপি দলে কাক প্ৰাৰ্থিত্ব প্ৰদান কৰে, তেওঁৰ সংখ্যালঘু সম্প্ৰদায়ৰ ৰাইজৰ মাজত গ্ৰহণযোগ্যতা কিমান, কংগ্ৰেছৰ প্ৰাৰ্থীগৰাকী কিমান শক্তিশালী হ'ব, এআইইউডিএফৰ প্ৰাৰ্থীগৰাকীয়ে কংগ্ৰেছৰ কিমান ভোট খহাব পাৰিব তাৰ ওপৰতেই সকলো কথা নিৰ্ভৰ কৰিব।

## তেজপুৰ বিশ্ববিদ্যালয়ৰ

*তিনি পৃষ্ঠাৰ পৰা* তেওঁৰ বাটতে মৃত্যু হয়। উল্লেখ্য যে বিশ্ববিদ্যালয় চৌহদত এটা অট্টালিকা নিৰ্মাণ কৰি আছে 'গৌতম কনষ্ট্ৰাকচন' নামৰ প্ৰতিষ্ঠানটোৱে। শ্ৰমিকসকলে অভিযোগ কৰে যে অট্টালিকাটোত কাম কৰি থকা শ্ৰমিকসকলক কোনো ধৰণৰ সুৰক্ষামূলক সামগ্ৰী যোগান ধৰা নাই প্ৰতিষ্ঠানটোৱে। শ্ৰমিক তিনিটা গোটে কাম কৰি থকাৰ বিপৰীতে আজি দুৰ্ঘটনাটোত নিহত হোৱা শ্ৰমিকজনৰ গোটটোৱে এজন শ্ৰমিককো অট্টালিকাৰ ওপৰত কাম কৰাৰ সময়ত ব্যৱহাৰ কৰিবলগীয়া হুক তথা বেল্ট দিয়া হোৱা নাছিল। উল্লেখ্য যে নিহত আব্বাছ হোজাই জিলাৰ যমুনামুখৰ শ'লমাৰি অঞ্চলৰ আব্দুল জলিলৰ পুত্ৰ আৰু আব্বাছৰ ভায়েকেও একেটা অট্টালিকাত দুৰ্ঘটনাৰ সময়ত কৰ্মৰত আছিল। ইপিনে, পাছত নিহত শ্ৰমিকজনৰ মৃতদেহ ময়নাতদন্তৰ পৰীক্ষাৰ বাবে তেজপুৰ চৰকাৰী আসামৰিক চিকিৎসালয়লৈ প্ৰেৰণ কৰে। ঘটনা সন্দৰ্ভত আৰক্ষীক জনোৱা হৈছে আৰু ঘটনাস্থলীত উপস্থিত হৈ তদন্ত আৰম্ভ কৰিছে।

## অভয়াপুৰীত ঘণ্টাৰ পাছত

*তিনি পৃষ্ঠাৰ পৰা* গৈ পাঠগ্ৰহণ কৰাটো স্বাভাৱিকতে কষ্টদায়ক হৈ পৰে। তাৰ পাছতো সেইখিনি বিদ্যুৎ সেৱা আগবঢ়োৱাত সক্ষম নহয় এপিডিচিএলে। তাৰ পাছতে যোৱা ১৮ আগষ্টৰ নিশা বিদ্যুৎ সৰবৰাহ বন্ধ হৈ পৰিছিলকৈ উপভোক্তা বাইজে বিদ্যুৎ সেৱা লাভ নকৰাত স্বাভাৱিকতে বাইজ ক্ষুব্ধ হৈ পৰে। বিদ্যুৎ সৰবৰাহ বন্ধ হৈ থকা সন্দৰ্ভত বা আন জৰুৰী বিষয়ত অৱগত কৰাবলৈ কাৰ্যালয়ত ফোন কৰিলেও কোনেও ফোন ৰিচিভ নকৰাৰো অভিযোগ উঠিছে আৰু যোৱা নিশা পাঁচ শতাধিক ক্ষুব্ধ জনতাই এপিডিচিএলৰ অভয়াপুৰীস্থিত কাৰ্যালয় ঘেৰাও কৰি শক্তি বিভাগৰ বিৰুদ্ধে শ্লোগান দি পৰিবেশ উত্তাল কৰি তোলে। তাৰ পাছত ক্ষুব্ধ ৰাইজে অভয়াপুৰীস্থিত কাৰ্যালয়ত মমবাতি প্ৰজ্বলন কৰি গেটত তলা ওলোমাই দিয়াৰ লগতে পথ অৱৰোধ কৰে। তাৰ পাছত কাৰ্যবাহী দণ্ডাধীশ উপস্থিত হৈ প্ৰতিবাদকাৰীৰ স'তে আলোচনাত মিলিত হয় যদিও এপিডিচিএলৰ বিষয়াৰ স'তে আলোচনা হোৱাতহে দাবী কৰে প্ৰতিবাদকাৰীয়ে। ইয়াৰ পাছতে অভয়াপুৰী সমজিলা আয়ুক্ত, সমজিলা আৰক্ষী অধীক্ষকৰ উপস্থিতিত এপিডিচিএলৰ বিষয়াই অতি শীঘ্ৰে বিদ্যুৎ সেৱা যোগানৰ প্ৰতিশ্ৰুতি দিয়াৰ পাছতে পুনৰাই বিদ্যুৎ সেৱা আৰম্ভ হয়।

## শ্ৰীৰামপুৰত বৃহৎ পৰিমাণৰ

*তিনি পৃষ্ঠাৰ পৰা* জেৰা কৰাত চালকে বাঁহৰ তলত বিদেশী চিগাৰেট আছে বুলি স্বীকাৰ কৰাত কণ্টেইনাৰখনৰ পৰা বাঁহ নমাই লুকুৱাই অনা ৩৭ টা কাৰ্টুনত থকা ১৮,৫০০ পেকেট বিদেশী চিগাৰেট উদ্ধাৰ কৰে। অবৈধ সামগ্ৰী কঢ়িয়াই অনা কণ্টেইনাৰখন জব্দ কৰাৰ লগতে চালকৰ লগতে আন দুজন লোকক আটক কৰে। গাড়ীখন খটখটীৰ পৰা বাঁহ ভৰ্তি কৰি দিল্লীলৈ গৈ আছিল বুলি চালক উমেশ ঠাকুৰে আৰক্ষীৰ আগত প্ৰকাশ কৰে। চালকজন মূলত বিহাৰৰ বৈশালী জিলাৰ বাসিন্দা যদিও ২০০৬ ৰ পৰা খটখটীত বসবাস কৰে। আটকাধীন আন দুজন ক্ৰমে আশীষাহা আৰু চিপকৰো দুজন হৈছে মণিপুৰৰ সেনাপতি জিলাৰ বাসিন্দা। এইয়ে এই অভিযানৰ নেতৃত্ব দিয়া শিমুলটাপু আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত বিষয়া সঞ্জীৱ সন্দিকৈয়ে কয়, ৰাষ্ট্ৰীয় ঘাইপথৰ শ্ৰীৰামপুৰৰ পৰা নিশাই সন্দেহ হৈ থকা আৰক্ষীৰ তালাচীত আজি অবৈধ চাইনিজ চিগাৰেট সহ ট্ৰাকখন আটক কৰিবলৈ সক্ষম হয়।

## মৰাণত নৱম শ্ৰেণীৰ ছাত্ৰীক

*তিনি পৃষ্ঠাৰ পৰা* এজাহাৰৰ পাছতে অভিযুক্তৰ সন্ধানত অভিযান আৰম্ভ কৰে মৰাণ আৰক্ষীয়ে। মৰাণ থানাৰ 140(4)/70(2)/123BNS, RW sec 6 of POCSO আইনৰ অধীনত কেচ ৰুজু কৰি ঘটনাৰ লগত জড়িত থকাৰ অভিযোগত মুঠ তিনিজনক গ্ৰেপ্তাৰ কৰি আজি জেললৈ প্ৰেৰণ কৰিছে। ধৃত লম্পট তিনিটা হৈছে মৰাণ ফটিকাছোৱা ইকৰাণীৰ সমীৰণ কোচ, জয়দ্বীপ কোচ আৰু ৰৱৰুৱা চাংমাই গাঁৱৰ ৰৌনকজ্যোতি চাংমাই। উল্লেখ্য, মঙলবাৰে নিশা প্ৰায় ৭-৩০ বজাত নৱম শ্ৰেণীৰ ছাত্ৰীগৰাকীক পদুলি মুখৰ পৰা দুটা লম্পটে অপহৰণ কৰি নি পথাৰৰ মাজৰ এটা পুখুৰীৰ পাৰত ধৰ্ষণ কৰিছিল। প্ৰথম অৱস্থাত বাধা প্ৰদান কৰা ছাত্ৰীগৰাকীৰ দেহত চেতনা নাশক ইঞ্জেকচন দি ধৰ্ষণ কৰা বুলি অভিযোগ উত্থাপন কৰিছিল পৰিয়ালৰ লোকে। পৰিয়ালৰ এজাহাৰৰ ভিত্তিত মৰাণ আৰক্ষীয়ে অভিযান চলাই মৰাণৰ এটা ভাৰাঘৰৰ পৰা ধৰ্ষণ কাণ্ডৰ মূল অভিযুক্ত সমীৰণ কোচ, সমীৰণৰ জ্যেষ্ঠ ভাতৃ জয়দ্বীপ কোঁচ আৰু ৰৌনকজ্যোতি চাংমাইক গ্ৰেপ্তাৰ কৰে। জানিব পৰা মতে ঘটনা সংঘটিত কৰি জয়দ্বীপ কোঁচৰ নামত থকা ভাৰাঘৰটোত আশ্ৰয় লৈছিল কনিষ্ঠ ভ্ৰাতৃ সমীৰণ কোচ আৰু ৰৌনকজ্যোতি চাংমাইয়ে । আৰক্ষীয়ে অভিযানৰ সময়ত ভাৰাঘৰটোৰ পৰা বহু আপত্তিজনক সামগ্ৰী উদ্ধাৰ কৰে। ইফালে, ঘটনাক তীব্ৰ ভাষাৰে গৰিহণা দি দোষীক কঠোৰ শাস্তি প্ৰদান কৰিবলৈ দাবী জনাইছে মৰাণ আঞ্চলিক ছাত্ৰ সন্থাই।

## তেজপুৰৰ ঐতিহাসিক পকী

*তিনি পৃষ্ঠাৰ পৰা* চৰকাৰক অৰ্পণ কৰাৰ আগন্তুক বৰ্ষত ৫০ বৰ্ষত ভৰি দিয়া উপলক্ষে অসম চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগে সোণালী জয়ন্তীৰ এক বিশেষ অনুষ্ঠান আয়োজনৰ পৰিকল্পনা কৰিছে বুলি আজি জ্যোতি ভাৰতী অৰ্থাৎ পকীত উপস্থিত হোৱা অসম চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ সঞ্চালক ৰাহুল চন্দ্ৰ দাসে সাংবাদিকৰ আগত প্ৰকাশ কৰে। জিলাখনৰ চতিয়া দিৱসৰ কাৰ্যসূচীত অংশগ্ৰহণ কৰি জ্যোতি ভাৰতীত উপস্থিত হৈ শোণিতপুৰ জিলাৰ সাংস্কৃতিক বিভাগৰ দায়িত্বত থকা অতিৰিক্ত জিলা আয়ুক্ত জেমছ আইন্দ আৰু জিলা সাংস্কৃতিক উন্নয়ন বিষয়া অনচুমৈ বসুমতাৰীক লগত লৈ সাংস্কৃতিক সঞ্চালকজনে পকী অৰ্থাৎ জ্যোতি ভাৰতীত সংৰক্ষণ হৈ থকা ৰূপকোঁৱৰ, কলাগুৰু আৰু নটসূৰ্য ফণী শৰ্মা ব্যৱহৃত সকলো আপুৰুগীয়া সামগ্ৰীৰ লগতে ৰূপকোঁৱৰৰ পৰিয়ালে ব্যৱহাৰ কৰা সম্পদসমূহ পৰ্যবেক্ষণ কৰে। সঞ্চালক দাসে সাংবাদিকৰ আগত আগন্তুক বৰ্ষত ঐতিহাসিক পকী অসম চৰকাৰক হস্তান্তৰ কৰা যিহেতু ৫০ বছৰ হ'ব সেয়েহে অসমীয়া ভাষা-সাহিত্য আৰু সংস্কৃতিৰ পীঠস্থান এই পৱিত্ৰ পকীক উদ্ভাসিত কৰি তুলিব পৰাকৈ কেনে ধৰণৰ কাৰ্যসূচী গ্ৰহণ কৰিব পৰা হ'ব তাৰ পৰ্যবেক্ষণ কৰা হয় বুলি মন্তব্য কৰে। আনহাতে, ৰূপকোঁৱৰ, কলাগুৰুৰ ব্যৱহৃত সাজসজ্জাসমূহ নষ্ট হৈ যাব নোৱাৰাকৈ কেনেকৈ বিজ্ঞানসন্মতভাৱে সংৰক্ষণ কৰিব পৰা যাব তাৰ ব্যৱস্থা গ্ৰহণ কৰাৰ লগতে বিভিন্ন আপুৰুগীয়া আলোকচিত্ৰসমূহো বিজ্ঞানসন্মতভাৱে সংৰক্ষণ কৰাৰ উপৰি সাতামপুৰুষীয়া ঐতিহাসিক গৃহটিৰ কিছু অংশ নষ্ট হোৱা দূৰ কৰিবলৈও অচিৰেই ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি জানিবলৈ দিয়ে।

## সৰুপেটাত ভূমিকেন্দ্ৰিক সংঘাতত

*তিনি পৃষ্ঠাৰ পৰা* আৰু আৰক্ষী-প্ৰশাসনৰ এটা দলে ঘটনাস্থলীত উপস্থিত হৈ উত্তপ্ত পৰিস্থিতি নিয়ন্ত্ৰণ কৰিবলগীয়া হয়। ঘটনাটো সংঘটিত হয় দুপৰীয়াৰ ভাগত। সৰুপেটাৰ ৰতন কুমাৰ সাহা নামৰ এজন লোকে তেওঁৰ সৰুপেটা বজাৰত থকা দুই কঠা ম্যাদী পট্টাৰ মাটিৰ কাষতে বসবাস কৰা চিকিৎসক মানস দাস আৰু তেওঁৰ ভ্ৰাতৃ শিক্ষা বিষয়া ৰাতুল কুমাৰ দাসে বলপূৰ্বকভাৱে বেদখল কৰি থকাৰ অভিযোগ উত্থাপন কৰি ভূমি ডোখৰ উদ্ধাৰ অভিযানত নামি যায়। ৰতন কুমাৰ সাহাই এখন এক্সকেভেটৰ আৰু কে'বাজনো শ্ৰমিকক নিয়োগ কৰি তেওঁৰ ম্যাদী পট্টাৰ মাটি বেদখল কৰাৰ অভিযোগ উত্থাপন কৰি মাটিখিনি তেওঁৰ বুলি দাবী কৰি মাটি উদ্ধাৰ অভিযানত নামি যায় আৰু ভূমি ডোখৰৰ চৌহদত নিৰ্মাণ কৰা পকী বেৰ এক্সকেভেটৰৰে ভাঙি উচ্ছেদ কৰে। লগে লগে ৰাতুল দাস আৰু মানস দাসৰ মাতৃয়ে ঘটনাস্থলীত উপস্থিত হোৱাত তীব্ৰ বাক-বিতণ্ডাৰে এক উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হয়। উচ্ছেদ অভিযান চলি থকা সময়ছোৱাতেই সৰুপেটা ৰাজহ চক্ৰ বিষয়া আৰু সৰুপেটা আৰক্ষী চকীৰ আৰক্ষীৰ এটা দলে ঘটনাস্থলীত উপস্থিত হৈ উত্তেজনাপূৰ্ণ পৰিস্থিতি নিয়ন্ত্ৰণ কৰে। লগতে ৰতন কুমাৰ সাহাৰ উচ্ছেদ অভিযান বন্ধ কৰে। সৰুপেটা ৰাজহ চক্ৰ বিষয়াই বিবাদ নিষ্পত্তি নোহোৱা পৰ্যন্ত পৰৱৰ্তী সময়ত কোনো এটা পক্ষই বিবাদ চলি থকা ভূমিডোখৰত কোনো ধৰণৰ কাম-কাজ কৰিব নোৱাৰিব বুলিও ঘোষণা কৰে। উল্লেখ্য যে সৰুপেটাৰ ৰতন কুমাৰ সাহাই ঘটনাস্থলীত সংবাদ মাধ্যমৰ আগত বজালী জিলা আয়ুক্তৰ কাৰ্যালয় আৰু সৰুপেটা ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয়ত বহু আবেদন-নিবেদন কৰিও সুফল পোৱা নাই বুলিও ক্ষোভ প্ৰকাশ কৰে। যাৰ বাবে তেওঁ মাটি ডোখৰ নিজৰ বুলি দাবী কৰি আজি নিজাববীয়াকৈ উচ্ছেদ কৰে। তদুপৰি ৰতন কুমাৰ সাহাই সংবাদম মাধ্যমৰ আগত বজালী জিলা আয়ুক্তৰ ব্যক্তিগত সহায়ক অবিনাশ গোস্বামীয়ে ঊৰ্ধ্বতন কৰ্তৃপক্ষৰ পৰা জিলা আয়ুক্তৰ কাৰ্যালয়লৈ প্ৰেৰণ কৰা কেতবোৰ তথ্য হৰলুকি কৰাৰো গুৰুতৰ অভিযোগ উত্থাপন কৰে। অবিনাশ গোস্বামীৰ বিৰুদ্ধে ঊৰ্ধ্বতন কৰ্তৃপক্ষৰ জৰিয়তে তদন্ত কৰি উচিত শাস্তি প্ৰদানৰ দাবীত সৰৱ হৈ পৰে ৰতন কুমাৰ সাহাই। এই বিষয়ক লৈ আজি সৰুপেটা বজাৰত হোৱা উত্তপ্ত পৰিস্থিতি স্থানীয় প্ৰশাসনৰ দ্বাৰা নিয়ন্ত্ৰণাধীন হৈ আছে। আনহাতে, সৰুপেটা ৰাজহ চক্ৰ বিষয়াজনে সংবাদ মাধ্যমক জানিবলৈ দিয়ে যে তেওঁ নতুনকৈ সৰুপেটা ৰাজহ চক্ৰ বিষয়াৰূপে নিযুক্ত হোৱা হেতুকে ভূমি বিবাদৰ বিষয়ে বিশেষ জ্ঞাত নাছিল যদিও পৰৱৰ্তী সময়ত বিবাদ নিষ্পত্তিৰ বাবে পদক্ষেপ গ্ৰহণ কৰিব বুলিও সংবাদ মাধ্যমক অৱগত কৰে।

## গুৱাহাটীৰ মাজমজিয়াতে ৰাজপথত যুৱকক হত্যাৰ চেষ্টা

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ২০ আগষ্ট ঃ** গুৱাহাটীৰ মাজমজিয়াত আজি নিশা এজন যুৱকক দুৰ্বৃত্তই ৰাজপথতে ঘপিয়াই হত্যাৰ চেষ্টা চলোৱা ঘটনাই চাঞ্চল্যৰ সৃষ্টি কৰিছে। দিছপুৰ আৰক্ষী থানাৰ অধীনৰ কছাৰী বস্তিত এই ঘটনা সংঘটিত হয়। অভিজিত বড়ো নামৰ এজন যুৱকক দুৰ্বৃত্তৰ এটা দলে দাৰে ঘপিয়াই হত্যাৰ চেষ্টা চলায়। কিন্তু কৌশলেৰে যুৱকজনে দৌৰ মাৰে আৰু আন্ধাৰৰ সুযোগ লৈ পলাবলৈ সক্ষম হয়। কছাৰীবস্তিৰ এখন ব্যক্তিগত চিকিৎসালয়ৰ সমীপত সংঘটিত এই ঘটনাৰ পাছতে আৰক্ষীয়ে দুৰ্বৃত্ত আৰু আক্ৰমণৰ সন্মুখীন হোৱা যুৱকজনৰ সন্ধানত অভিযান আৰম্ভ কৰিছে।

## লংকা ৰাজহ চক্ৰৰ বিষয়াৰ কাৰ্যালয়ত

*তিনি পৃষ্ঠাৰ পৰা* অভিযোগ উঠিছে। এই কাৰ্যত জাকিৰ হুছেইন আৰু কম্পিউটাৰ দোকানী ছাইফুৰ ৰহমান নামৰ দুজন লোক জড়িত থকাৰ অভিযোগ উত্থাপিত হৈছে। ভুক্তভোগীৰ দাবী সংশ্লিষ্ট ৰাজহ কৰ্মচাৰীৰ সহযোগিতা অবিহনে এনে ধৰণৰ জালিয়াতি সংঘটিত হোৱাটো সম্ভৱ নহয়। বিশেষকৈ তদানীন্তন লাট মণ্ডল মুকুন্দ হাজৰিকাৰ ভূমিকাক লৈও গুৰুতৰ অভিযোগ উত্থাপন কৰিছে অভিযোগকাৰীয়ে। ইফালে, মফিজুদ্দিনে কৰা অভিযোগ অনুসৰি, লাট মণ্ডল হাজৰিকাই ভূমিখণ্ডৰ প্ৰকৃত অৱস্থান পৰীক্ষা নকৰাকৈ তথা ক্ষেত্ৰ পৰ্যায়ত কোনো ধৰণৰ জৰীপ নকৰাকৈ দালালৰ স'তে মিলি বৃহৎ অংকৰ ধনৰ বিনিময়ত নামজাৰি প্ৰক্ৰিয়া সম্পন্ন কৰিছিল। তেওঁৰ দাবী চৰকাৰী নিয়ম অনুসৰি চৰজমিন তদন্ত আৰু প্ৰয়োজনীয় নথিপত্ৰ পৰীক্ষা কৰাৰ পাছতহে নামজাৰি অনুমোদন দিব লাগে। কিন্তু সেই সকলো নিয়ম উপেক্ষা কৰি নামজাৰি কৰা হৈছে বুলি তেওঁ অভিযোগ কৰে। ভুক্তভোগী পৰিয়ালটোৱে এই সমগ্ৰ ঘটনাৰ নিৰপেক্ষ তদন্ত দাবী কৰিছে।

## লোকপিয়লৰ কামত শিক্ষক নিয়োগ

*তিনি পৃষ্ঠাৰ পৰা* সম্পূৰ্ণৰূপে বন্ধ হৈ থকা প্ৰত্যক্ষ হৈছে গোসাঁইগাঁও প্ৰাথমিক শিক্ষাখণ্ডত। উক্ত শিক্ষা খণ্ড তথা কেৰাপপুৰ মণ্ডল সমল কেন্দ্ৰৰ অধীনস্থ পলাশগুৰী ৰাভাঘুটু প্ৰাথমিক বিদ্যালয়ৰ দুজন শিক্ষককেই লোকপিয়লৰ কামত নিযুক্ত কৰাৰ ফলত স্কুলখনত তলা ওলোমাই থকা প্ৰত্যক্ষ হৈছে। একে দৃশ্য পৰিলক্ষিত হৈছে একেখন শিক্ষা খণ্ডৰ অধীনস্থ দুই নম্বৰ মাজাৰডাবৰি প্ৰাথমিক বিদ্যালয়ত। এইখন স্কুলৰ দুজন শিক্ষককেই লোকপিয়লৰ কামত নিযুক্ত কৰাৰ ফলত ছাত্ৰ-ছাত্ৰীৰ পাঠগ্ৰহণ প্ৰক্ৰিয়া সম্পূৰ্ণৰূপে বন্ধ হৈ পৰিছে। সম্প্ৰতি পুৱা ৭-৩০ বজাৰ পৰা শ্ৰেণীকাৰ্য আৰম্ভ কৰাৰ নিৰ্দেশ দিয়াত দুই নম্বৰ মাজাৰডাবৰি প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষকগৰাকীয়ে বিদ্যালয়ত আহি ছাত্ৰ-ছাত্ৰীৰ উপস্থিতিৰ বুজ লৈ তেওঁলোকক মধ্যাহ্ন ভোজনৰ খাদ্য হিচাপে বিস্কুট দি পুৱা ন বজাত স্কুলত তলা ওলোমাই লোকপিয়লৰ কামত গুচি যায়। সহকাৰী শিক্ষকজনে এই সুযোগত স্কুললৈ অহাৰ প্ৰয়োজনবোধ নকৰে। যাৰ ফলত আদিবাসী অধ্যুষিত অঞ্চলৰ উল্লিখিত স্কুল দুখনৰ ছাত্ৰ-ছাত্ৰীসকল লোকপিয়লৰ কাম চলি থকালৈকে পাঠ্যগ্ৰহণৰ পৰা বঞ্চিত হ'ব। লোকপিয়লৰ কামত নিয়োগ কৰাৰ সময়ত সংশ্লিষ্ট কৰ্তৃপক্ষই ছাত্ৰ-ছাত্ৰীৰ শৈক্ষিক দিশটোৰ কথা চিন্তা নকৰি কি যুক্তিত এখন বিদ্যালয়সমূহ শিক্ষকক লোকপিয়লৰ কামত নিয়োজিত কৰিলে তাকে লৈ প্ৰশ্ন উত্থাপিত হৈছে।

## ৰাজ্যৰ বিভিন্ন প্ৰান্তত ৰাষ্ট্ৰীয় বিজ্ঞান

*তিনি পৃষ্ঠাৰ পৰা* ইলোৱা বিজ্ঞান মঞ্চৰ সহযোগত এই দিৱস পালন কৰা হয়। ইলোৱা বিজ্ঞান মঞ্চৰ মহানগৰ জিলাৰ চাৰিটা শাখাৰ সমন্বয়ৰক্ষী সমিতিৰ উদ্যোগত আৰু অসম বিজ্ঞান সমিতিৰ উত্তৰ গুৱাহাটী শাখা তথা উত্তৰ গুৱাহাটী মহাবিদ্যালয় বিজ্ঞান মঞ্চৰ সহযোগত মহাবিদ্যালয়খনত ৰাষ্ট্ৰীয় বৈজ্ঞানিক মানসিকতা দিৱস শীৰ্ষক বক্তৃতানুষ্ঠানৰো আয়োজন কৰা হয়। মহাবিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰী, শিক্ষককে ধৰি শতাধিক লোকে অংশগ্ৰহণ কৰা বক্তৃতানুষ্ঠানত সভাপতিত্ব কৰে মঞ্চৰ কেন্দ্ৰীয় উপ-সভাপতি কমলেশ গুপ্তাই। প্ৰাক্তন অধ্যাপিকা ড° জিলি বৰদলৈয়ে উদ্দেশ্য ব্যাখ্যা কৰা আৰু অধ্যক্ষ ভাস্কৰজ্যোতি হাজৰিকাই আদৰণি ভাষণ আগবঢ়োৱা বক্তৃতা অনুষ্ঠানত মূল বক্তাৰূপে অংশগ্ৰহণ কৰে তেজপুৰ কেন্দ্ৰীয় বিশ্ববিদ্যালয়ৰ প্ৰাক্তন জ্যোতিৰ্বিজ্ঞানী ড° কিশোৰ বৰুৱাই। 'মানৱ সমাজৰ বিকাশত জ্যোতিৰ্বিজ্ঞানৰ প্ৰভাৱ' সম্পৰ্কে আলোচনা আগবঢ়াই তেওঁ মহাকাশৰ গ্ৰহ-নক্ষত্ৰ বিভিন্ন কথা ৰসালভাৱে উপস্থাপন কৰি গ্ৰহ-নক্ষত্ৰক লৈ থকা নানা অন্ধবিশ্বাস অতিক্ৰম কৰি বৈজ্ঞানিক মানসিকতাৰে আগবাঢ়ি যাবলৈ তেওঁ সকলোকে আহ্বান জনায়। বিশিষ্ট বিজ্ঞানী তথা লেখক তপন কুমাৰ শৰ্মাই বৈজ্ঞানিক মানসিকতাক জীৱনৰ অংগ কৰি লোৱাৰ প্ৰয়োজনীয়তাৰ বিষয়ে কয়।

গুৱাহাটীৰ উপৰি বিভিন্ন জিলাত বিদ্যালয়-মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ মাজত কুইজ, চিত্ৰাংকন প্ৰতিযোগিতা, আলোচনা সভা, বৃক্ষৰোপণৰ আয়োজন কৰা হয়। নলবাৰী শাখাৰ উদ্যোগত ধমধমা মহাবিদ্যালয়ত অনুষ্ঠিত অনুষ্ঠানত ইলোৱা বিজ্ঞান মঞ্চৰ সভাপতি ড° মনোৰঞ্জন শৰ্মাৰ লগতে অৱসৰপ্ৰাপ্ত শৈক্ষিক পঞ্জীয়ক ড° দিবাকৰ গোস্বামী আৰু ভাৰতীয় ৰিজাৰ্ভ বেংকৰ অৱসৰপ্ৰাপ্ত বিষয়া প্ৰমোদ কলিতাই বক্তব্য ৰাখে। আনহাতে, তেজপুৰত শাখা সভাপতি ৰাণা মুকুট কেওটে শিক্ষাৰ্থীৰ স'তে অন্তৰংগ আলাপৰ মাজেৰে নানা ৰোগৰ কাৰক, অন্ধবিশ্বাস আৰু কুসংস্কাৰৰ ভেটি আদি আলোচনাৰ মাজেৰে অনুষ্ঠান ৰসাল কৰি তোলে। তদুপৰি পশ্চিম কলিয়াবৰৰ লগতে ধেমাজি, ডুমডুমা, বিজনী, গোৱালপাৰা, বিশ্বনাথ চাৰিআলি আদি ঠাইতো ৰাষ্ট্ৰীয় বিজ্ঞান মনস্কতা দিৱস পালন কৰা হয়।

## ডিব্ৰুগড়ত আৰক্ষীৰ জালত কোটিটকীয়া

*তিনি পৃষ্ঠাৰ পৰা* ধৰি অব্যাহত ৰখা অভিযানৰ অন্তত বাধ্য হৈ দণ্ডাধীশৰ উপস্থিতিত গৃহৰ দুৱাৰ ভাঙি ভিতৰত প্ৰৱেশ কৰে। ইমানৰ পাছতো আৰক্ষীক বিভ্ৰান্ত কৰিবলৈ চেষ্টা কৰা প্ৰৱঞ্চকজনক অৱশেষত এটা কোঠাৰ বিছনাৰ তলত লুকাই থকা অৱস্থাত আৰক্ষীয়ে ধৰা পেলায় আৰু কৰায়ত্ত কৰে। অৱশ্যে গ্ৰেপ্তাৰ হোৱাৰ পাছত ইমতিয়াজে সংবাদ মাধ্যমৰ আগত অজুহাত দি কয় যে তেওঁ ক'তো লুকুৱা নাছিল, ঘৰৰ ভিতৰতে আছিল আৰু আৰক্ষীয়ে তেওঁক কিয় ধৰি লৈ গৈছে সেয়া তেওঁ নিজেই নাজানে। আৰক্ষীয়ে এই অভিযানতে ইমতিয়াজৰ পত্নীকো আটক কৰিছে। অভিযান কালত আৰক্ষীয়ে প্ৰৱঞ্চকজনৰ বাসগৃহৰ গেৰেজৰ পৰা কে'বাখনো বিলাসী বাহন জব্দ কৰিবলৈ সক্ষম হয়। জব্দ কৰা বাহনসমূহৰ ভিতৰত আছে মাৰ্চিডিজ বেঞ্চ (এ এছ-০১ টি চি-২৭৯২, ইনভা ক্ৰেষ্টা (এ এছ-০১ ই এল-১১৮৩) আৰু এটা আই-১০ গাড়ী (এ এছ-০৬ টি-৭২৮৬)। প্ৰৱঞ্চক ইমতিয়াজ হুছেইনে দীৰ্ঘদিন ধৰি বিভিন্ন জালিয়াতি আৰু প্ৰৱঞ্চনামূলক কাৰ্যকলাপ চলাই আহিছিল। কেতিয়াবা নিবনুৱাক চাকৰি দিয়াৰ নামত, কেতিয়াবা একাংশ লোকক দোকান দি তাৰ নামত কোটি কোটি টকা সংগ্ৰহ কৰি বিনা দ্বিধাই ঘূৰি ফুৰিছিল প্ৰৱঞ্চক ইমতিয়াজ। ইয়াৰ উপৰি তেওঁৰ বিৰুদ্ধে কেতিয়াবা নিজকে ডাক্তৰ, কেতিয়াবা অধিবক্তা আদি ভুৱা পৰিচয় দিয়াৰো গুৰুতৰ অভিযোগ আছে। উল্লেখ্য যে ২০০৯ৰ লোকসভা নিৰ্বাচনত ইমতিয়াজ হুছেইনে ডিব্ৰুগড় লোকসভা সমষ্টিৰ পৰা নিৰ্দলীয় প্ৰাৰ্থীৰূপেও প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছিল। ডিব্ৰুগড় সদৰ থানাত ইমতিয়াজৰ বিৰুদ্ধে একাধিক পঞ্জীয়নভুক্ত গোচৰ বৰ্তমানো চলি আছে। ইয়াৰ ভিতৰত ১৭১ চি/১৫ আৰু ৮/১৫ নম্বৰৰ গোচৰৰ লগতে নেগেটেবল ইন্সট্ৰুমেণ্ট এক্ট ১৩৮ ধাৰাৰ অধীনত চেক বাউন্সৰ গোচৰো পঞ্জীয়ন হৈ আছে। বিত্তীয় লেনদেন আৰু বাণিজ্যিক চুক্তিৰ নামত সাধাৰণ মানুহক ঠগি অহা এইজন মহাপ্ৰৱঞ্চকৰ গ্ৰেপ্তাৰৰ খবৰে এতিয়া সমগ্ৰ ডিব্ৰুগড়ত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে।

## মোৰ সকলো শক্তিৰে বানাক্ৰান্ত ৰাইজক

*তিনি পৃষ্ঠাৰ পৰা* বানপানীত ক্ষতিগ্ৰস্ত বিদ্যালয়সমূহৰ বাবে অহা আঢ়ৈ লাখ টকাৰ অনুদান কোনো লোকে যাতে আত্মসাৎ কৰিব নোৱাৰে, তাৰ বাবে সতৰ্ক দৃষ্টি ৰাখিব বুলি উল্লেখ কৰে অখিলে। আয়ুক্তসকলকো এই ধনৰ ওপৰত দৃষ্টি ৰাখিবলৈ আহ্বান জনায় তেওঁ। বিদ্যালয়ৰ অনুদানৰ ধনত বিজেপিৰ যুৱ মৰ্চাৰ কোনো লোকেও চকু দিছে বুলি জানিব পৰা গৈছে বুলি অভিযোগ কৰে অখিল গগৈয়ে। বিদ্যালয়ৰ বাবে অহা ধন কোনোবাই আত্মসাৎ কৰিলে কঠোৰ ব্যৱস্থা লোৱা হ'ব বুলিও সকীয়াই দিয়ে বিধায়কজনে। ইফালে, শিৱসাগৰ সমষ্টিৰ ২১৯খন বিদ্যালয়ে বানপানীত হোৱা ক্ষয়-ক্ষতিৰ বাবে ক্ষতিপূৰণ লাভ কৰিছে বুলিও সদৰী কৰে অখিলে। কোনো ব্যক্তি বা কোনো বেচৰকাৰী সংস্থাই যদি শিৱসাগৰৰ বানবিধ্বস্ত গাঁও তুলি ল'ব বিচাৰে তেন্তে ২৫ হেজাৰকৈ ২০ ঘৰৰ দায়িত্ব ল'ব পাৰিব। দিচাং ৰিজ'ৰ্টৰ স্বত্বাধিকাৰী দিলীপ গগৈ নামৰ ব্যক্তিজনে দিচাং ফাউণ্ডেছনৰ দ্বাৰা অখিল গগৈৰ মিছন আশ্ৰয়ৰ জৰিয়তে পাঁচ লাখ টকা প্ৰদান কৰে। শিৱসাগৰ জিলাৰ বানবিধ্বস্ত লোকসকলক সহায়ৰ বাবে অখিল গগৈয়ে মিছন আশ্ৰয় নামৰ এক এপ আৰম্ভ কৰিছিল। ইয়াৰ প্ৰতি সঁহাৰি জনাই আজিৰে পৰা দিচাং ৰিজ'ৰ্টৰ স্বত্বাধিকাৰী তথা তেওঁৰ পৰিয়ালে গাঁওসমূহ পুনৰ নিৰ্মাণৰ বাবে পাঁচ লাখ টকাৰ চেক গগৈৰ হাতত প্ৰদান কৰে। কল ইণ্ডিয়া লিমিটেডে ৱৰ্কাৰ্চ আৰু অফিচাৰছ ইউনিয়নে বেতবাৰী দৰিকাপাৰ হাতীমূৰীয়া গাঁৱৰ বানপীড়িত ২৫টা পৰিয়ালৰ বাবে পাঁচ লাখ টকাৰ আৰ্থিক সাহায্য আগবঢ়ায়। তেওঁ কয়, 'মোৰ সকলো শক্তিৰে শিৱসাগৰ সমষ্টিৰ বানাক্ৰান্ত ৰাইজক সহায় কৰিবলৈ চেষ্টা কৰিম।' শিৱসাগৰ সমষ্টিৰ বানপীড়িত লোকসকলৰ সহায়ৰ বাবে এক বিশেষ উদ্যোগ গ্ৰহণ কৰাৰ কথা উল্লেখ কৰাৰ লগতে উদ্যোগৰ অংশৰূপে সোণাপুৰস্থিত দিচাং ৰিজ'ৰ্ট অথবা দিচাং ফাউণ্ডেছনৰ স্বত্বাধিকাৰ জানমণি গগৈ আৰু তেওঁৰ কন্যা চুইটী গগৈয়ে 'মিছন আশ্ৰয়'লৈ পাঁচ লাখ টকা অনুদান আগবঢ়ায়। তেওঁলোকে পাঁচ লাখ টকাৰ চেকখন বিধায়ক গগৈৰ হাতত অৰ্পণ কৰে। এই অনুদানৰ জৰিয়তে বানপীড়িত লোকসকলৰ মাজত সহায়-সহযোগিতা আগবঢ়োৱা হয় বুলি সংবাদমেলত সদৰী কৰে বিধায়কজনে। তেওঁ সংবাদমেলত মিছন আশ্ৰয় প্ৰজেক্টৰ সন্দৰ্ভত বিস্তৃত ব্যাখ্যা আগবঢ়ায়। ইফালে, আজি উত্তৰ-পূব কয়লা ক্ষেত্ৰ ৱৰ্কাৰ্চ ইউনিয়ন আৰু অফিচাৰ্ছ ইউনিয়নৰ ফালৰ পৰাও 'মিছন আশ্ৰয়'লৈ সহায়ৰ হাত আগবঢ়োৱা হয়। তেওঁলোকে ২৫ হেজাৰ টকাকৈ মুঠ ২০টা পৰিয়ালক আৰ্থিক সাহায্য প্ৰদান কৰে। দুয়োটা অনুষ্ঠানৰ কে'বাগৰাকী বিষয়ববীয়াই বিধায়কৰ হাতত পাচ লাখ টকাৰ চেক প্ৰদান কৰি কয় যে আমাৰ অনুষ্ঠানে কিঞ্চিত সহায় কৰিবলৈ পাই সন্তোষ প্ৰকাশ কৰিছো। অনাগত দিনত মেডিকেল ফেচিলিটিৰ বাবে কাম কৰাৰ আশ্বাস প্ৰদান কৰে। সংবাদমেলত বিধায়ক অখিল গগৈয়ে অহা ১৫ দিনৰ ভিতৰত মিছন আশ্ৰয়ৰ কাম আৰম্ভ কৰা হ'ব বুলি উল্লেখ কৰে। বানপীড়িত ৰাইজৰ কাষত থিয় দি বিভিন্ন ব্যক্তি আৰু প্ৰতিষ্ঠানে আগবঢ়োৱা এই সহায়- সহযোগিতাই দুৰ্যোগৰ সময়ত মানৱীয়তাৰ এক সুন্দৰ নিদৰ্শন দাঙি ধৰিছে।

## আবকাৰী বিভাগৰ পৃষ্ঠপোষকতাত


*তিনি পৃষ্ঠাৰ পৰা* বঙালমৰা ৰঙাজান অঞ্চলত থকা প্ৰতিখন অবৈধ চুলাই মদৰ দোকানে দোকানে চুলাই মদ বিক্ৰী নকৰিবলৈ লিখিতভাৱে জাননী প্ৰেৰণ কৰিছিল। তদুপৰি চুলাই মদ বিক্ৰী কৰা অঞ্চলটোৰ ৩০ খন দোকানৰ এখন তালিকা প্ৰস্তুত কৰি তিতাবৰ সমজিলাৰ আবকাৰী বিভাগ আৰু তিতাবৰ আৰক্ষী থানাত ব্যৱস্থা গ্ৰহণৰ বাবে দাবী জনাইছিল। প্ৰয়োজনত গাঁওৰক্ষী বাহিনীৰ কৰ্মকৰ্তাসকলেও আবকাৰী আৰু আৰক্ষী প্ৰশাসনক অভিযানৰ সময়ত সহায় কৰাৰ প্ৰতিশ্ৰুতি দিছিল। দুৰ্ভাগ্যজনক কথা হ'ল গাঁওৰক্ষী বাহিনীয়ে আবকাৰী বিভাগক তালিকা দাখিল কৰাৰ পাছত অবৈধ মদৰ দোকানীসকলৰ উৎসাহ দুগুণে বৃদ্ধিহে পালে। অঞ্চলটোৰ যিকেইজন মদৰ দোকানীয়ে আবকাৰী বিভাগৰ চকুত ধূলি দি নিৰ্বিবাদে ব্যৱসায়টো চলাই আছিল, সেইসকলক বিভাগটোৱে এদিন মানুহক দেখুৱাই ধৰি আনি ৰাতিটোৰ ভিতৰতে মুকলি কৰি দিয়ে। পাছৰ দিনাৰ পৰা সেইজন মদৰ বেপাৰীয়ে এখন অঘোষিত লাইচেঞ্চ পাই কোনো গুৰু-গোসাঁই নমনাকৈ অবাধ ৰাজত্ব চলায়। বঙালমৰা ৰঙাজানত চুলাই মদৰ প্ৰচলন অতি সুলভ আৰু সহজ হৈ পৰাৰ পৰিণতিত অঞ্চলটোত এতিয়া সন্ধিয়া নামি আহিলেই সাধাৰণ মানুহৰ বাবে উশাহ-নিশাহ ল'ব নোৱাৰা পৰিৱেশৰ সৃষ্টি হয়। গাঁওৰক্ষী বাহিনীয়ে দাবী কৰামতে নিশাৰ আন্ধাৰ নামিলেই অঞ্চলটোত মদাহীৰ বেপৰোৱা আচাৰ-ব্যৱহাৰ, অবাইচ আৰু অশ্লীল মাত কথাই সভ্যতাৰ সকলো আচৰণক ভৰিৰে মোহাৰি পেলায়। চুলাই মদ সেৱনৰ ফলতেই একো একোখন উঠি অহা ঘৰ ধ্বংস হোৱাৰ লগতে ফুলকুমলীয়া বোৱাৰীয়েও অকালতে কপালৰ সেন্দূৰ মচি বৈধব্যৰ সাজ পৰিধান কৰিবলগীয়া হৈছে। আবকাৰী বিভাগৰ মদতপুষ্ট এইসকল অসাধু ব্যৱসায়ীক মদ বিক্ৰীত বাধা দিবলৈ চেষ্টা কৰিলেও ওলোটাই তেওঁলোকেহে দা-লাঠি লৈ প্ৰহাৰ কৰিবলৈ মাৰবান্ধি ওলাই আহে। তেওঁলোকৰ অভব্য আচৰণৰ বিষয়ে বিভাগীয় বিষয়াক অৱগত কৰিলেও কোনো কাণসাৰ নিদিয়ে। ফলত মদৰ দোকানীৰ দৌৰাত্ম্যই অঞ্চলটোৰ শান্তি-শৃংখলা বিঘ্নিত কৰি অপৰাধীৰ আড্ডাথলীলৈ পৰিণত কৰিছে। মদ ব্যৱসায়ীৰ অসভ্যালিত অতিষ্ঠ হৈ গাঁওৰক্ষী বাহিনীৰ কৰ্মকৰ্তাসকলে কেতিয়াবা নিজেই চুলাই মদ জব্দ কৰি আৰক্ষী প্ৰশাসনক গতাই দিয়ে যদিও আৰক্ষী প্ৰশাসনেও তেওঁলোকক নিৰাপত্তা দিয়াৰ আশ্বাস প্ৰদান কৰিব নোৱাৰে। ফলত দিনকদিনে অঞ্চলটোত বেপৰোৱা আৰু অশিষ্টাচাৰ লোকৰ টিঘিলঘিলনি বৃদ্ধি পাইছে। তিতাবৰ সমজিলাৰ আবকাৰী বিভাগৰ চৰম দায়িত্বজ্ঞানহীনতা, অকৰ্মণ্যতা আৰু তিতাবৰ আৰক্ষী প্ৰশাসনৰ নিৰ্লিপ্ততাৰ বিৰুদ্ধে বঙালমৰা ৰঙাজানৰ গাঁওৰক্ষী বাহিনীৰ সহযোগত স্থানীয় শান্তিপ্ৰিয় লোকসকলে তিতাবৰৰ সমজিলা আয়ুক্ত প্ৰীতম কুমাৰ দাসক এখন ৰাজহুৱা অভিযোগ পত্ৰ দাখিল কৰে। অভিযোগ পত্ৰখনত ৰঙাজানত তৎকালীনভাৱে অবৈধ চুলাই মদৰ ব্যৱসায় বন্ধ কৰিবলৈ তেওঁলোকে দাবী উত্থাপন কৰিছে। তদুপৰি তিতাবৰ সমজিলাৰ আবকাৰী বিভাগৰ সন্দেহজনক কৰ্ম পদ্ধতিৰ প্ৰতিও চোকা নজৰ দিবলৈ আয়ুক্তজনক দাবী জনায়। অভিযোগ পত্ৰ দিয়াৰ সময়ত তিতাবৰ সমষ্টিৰ বিধায়ক ধীৰাজ গোৱালাও ৰাইজৰ লগত সমজিলা আয়ুক্তজনৰ কাষত উপস্থিত থাকে।

## কেৱল এটিএম নহয়, ডিজিটেল লেনদেনৰো সীমা বান্ধিলে এছবিআয়ে



**নিউজ ব্যুৰ', নতুন দিল্লী, ২০ আগষ্ট** ঃ ভাৰতীয় ষ্টেট বেংক (এছবিআই)-এ বেছিক ছেভিংছ একাউণ্টৰ গ্ৰাহকৰ লেনদেনৰ নিয়মৰ বৃহৎ সালসলনি কৰিলে। এইবাৰ ডিজিটেল লেনদেনৰ ক্ষেত্ৰতো মাহেকীয়া সীমা বান্ধি দিলে দেশৰ বৃহত্তম ৰাষ্ট্ৰীয়কৃত বেংকটোৱে। এই সিদ্ধান্ত কাৰ্যকৰী হ'লে এছবিআইৰ কোটি কোটি গ্ৰাহক সমস্যাৰ সন্মুখীন হ'ব পাৰে। এছবিআইৰ সূত্ৰই সদৰী কৰা অনুসৰি, এক অক্টোবৰত ২০২৬ৰ পৰা বিএছবিডি একাউণ্টত পূৰ্বৰ দৰে মাহেকত চাৰিবাৰকৈ অধিক ধন উলিয়ালে মাচুল কৰ্তন কৰা হ'ব। পূৰ্বৰ দৰে বেংকৰ শাখালৈ গৈ বা এটিএমৰ মাধ্যমেৰে ধন উলিয়ালে মাচুল কৰ্তন কৰাৰ লগতে কোনোবাই যদি কাৰ্ড অবিহনে ডিজিটেল লেনদেনৰ জৰিয়তে ধন উলিয়ায় তেন্তে চাৰিবাৰলৈকে মাচুল অবিহনে উলিয়াব পাৰিব। দৰাচলতে এছবিআইৰ গ্ৰাহকে ইউনু এপৰ মাধ্যমেৰে ডিজিটেল কাৰ্ড অবিহনে ধন উলিয়াব পাৰে। এই লেনদেন এতিয়াৰে পৰা এছবিআয়ে মাহেকীয়া সীমাৰ অধীনলৈ আনিব এছবিআয়ে সদৰী কৰা অনুসৰি মাহেকত চাৰিবাৰতকৈ অধিক ডিজিটেল লেনদেন কৰিলে প্ৰতিবাৰত ১৫ টকাকৈ মাচুল কটা হ'ব। তদুপৰি ইয়াৰ স'তে সংযুক্ত হ'ব সামগ্ৰী আৰু সেৱাকৰ (জিএছটি)। ইমানদিনে চাৰিবাৰৰ বিনামূলীয়া লেনদেনত ডিজিটেল লেনদেনক ধৰা হোৱা নাছিল। কিন্তু এক অক্টোবৰৰ পৰা এছবিআইৰ গ্ৰাহকে ডিজিটেল লেনদেনৰ ক্ষেত্ৰত চাৰিবাৰতকৈ অধিক ধন উলিয়ালে মাচুল আদায় দিব লাগিব।

## এদিনতে ৯২৬০ টকা মূল্যবৃদ্ধি ৰূপৰ, সোণৰ বাঢ়িল ৩৫১৯ টকা




**নিউজ ব্যুৰ', নতুন দিল্লী, ২০ আগষ্ট** ঃ আজি দেশৰ বজাৰত আকৌ এবাৰ যথেষ্ট ঊৰ্ধ্বমুখী হ'ল সোণ আৰু ৰূপৰ মূল্য। ইণ্ডিয়া বুলিয়ন এণ্ড জুৱেলাৰ্ছ এছ'চিয়েচন (আইবিজেএ)ৰ তথ্য অনুসৰি বৃহস্পতিবাৰে দেশৰ বজাৰত প্ৰতি কিলো ৰূপৰ মূল্য ৯,২৬০ টকা বৃদ্ধিৰ ফলত ২.৩৮ লাখ টকা হ'ল। আনহাতে আজি ১০ গ্ৰামৰ ২৪ কেৰেটৰ বিশুদ্ধ সোণৰ মূল্য ৩,৫১৬ টকা বৃদ্ধিৰে ১.৫৭ লাখ টকা হ'ল। আগষ্টত বিগত ২০ দিনত সোণৰ মূল্য ১৫ হেজাৰ টকা আৰু ৰূপৰ মূল্য ২০ হেজাৰ টকা বৃদ্ধি পালে। আনহাতে চলিত বৰ্ষত বৰ্তমানলৈকে সোণৰ মূল্য ২৪ হেজাৰ টকা বৃদ্ধি পালে।

### ইৰানৰ বাহিৰত কেলিফ'ৰ্ণিয়াত সৰ্বাধিক সংখ্যক ইৰানমূলৰ লোকে বসবাস কৰি আহিছে

# হৰমুজৰ প্ৰত্যুত্তৰ কেলিফ'ৰ্ণিয়া ঃ মাৰ্কিন ভূখণ্ড দাবী ইৰানৰ, মানচিত্ৰ যুদ্ধত আমেৰিকা-ইৰান

**নিউজ ব্যুৰ' তেহৰান, ২০ আগষ্ট** ঃ সম্প্ৰতি বিশ্বৰ তৈল ধমনী হিচাপে পৰিচিত হৰমুজ প্ৰণালীক নিজৰ ভূখণ্ড বুলি দাবী কৰিছিল আমেৰিকাৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে। এইবাৰ ট্ৰাম্পৰ এই দাবীৰ প্ৰত্যুত্তৰ দিলে ইৰানে। ইৰানে আমেৰিকাৰ কেলিফ'ৰ্ণিয়াক নিজ দেশৰ ভূখণ্ড বুলি দাবী কৰিলে। সম্প্ৰতি ভাৰতস্থ ইৰানৰ দূতাবাসে 'এক্স'ত আমেৰিকাৰ এখন মানচিত্ৰ প্ৰকাশ কৰিলে। উক্ত মানচিত্ৰত কেলিফ'ৰ্ণিয়াক নীলা ৰঙৰে চিহ্নিত কৰা হৈছে আৰু উল্লেখ কৰা হৈছে কেলিফ'ৰ্ণিয়া আমেৰিকাৰ অংশ নহয়, এই ভূখণ্ড ইৰানৰ।

ইৰানৰ এই দাবীৰ পাছত দুই দেশৰ মানচিত্ৰ যুদ্ধই চৰম সীমাত উপনীত হ'ল। অৱশ্যে




এয়া কোনো নতুন ঘটনা নহয়, পূৰ্বেও একাধিকবাৰ মানচিত্ৰ যুদ্ধত অৱতীৰ্ণ হৈছিল এই দুই দেশ। কিন্তু কিয় কেৱল কেলিফ'ৰ্ণিয়াক নিজৰ ভূখণ্ড বুলি দাবী কৰিলে তেহৰানে? দৰাচলতে ইৰানৰ বাহিৰত বিশ্বৰ ভিতৰতে কেলিফ'ৰ্ণিয়াত সৰ্বাধিক সংখ্যক ইৰানমূলৰ লোকে বসবাস কৰি আহিছে। এইসকল ইৰানমূলৰ লোকৰ বসবাসৰ মূল কেন্দ্ৰ হৈছে লছ এঞ্জেলছ। এই চহৰত এক লাখ ৪১ হেজাৰ ইৰানী-আমেৰিকান নাগৰিকে বসবাস কৰে। এই কাৰণতে ইৰানে কৌশলগতভাৱে ট্ৰাম্পক হৰমুজ দখলৰ দাবীৰ প্ৰত্যুত্তৰ দিবলৈ কেলিফ'ৰ্ণিয়া ইৰানৰ বুলি দাবী কৰি মানচিত্ৰ প্ৰচাৰ কৰিলে।



## ব্ৰিটেইনলৈ উভতিব প্ৰিন্স হেৰী-মেগন, ৰাজপৰিয়ালৰে নাৰাখে সম্পৰ্ক

**নিউজ ব্যুৰ', লণ্ডন, ২০ আগষ্ট** ঃ ব্ৰিটেইনৰ ৰাজপৰিয়ালৰ পৰা পৃথক হৈ আমেৰিকাত বসবাস কৰি অহা প্ৰিন্স হেৰী আৰু মেগনে সন্তানসহ পুনৰ ব্ৰিটেইনলৈ উভতি অহাৰ সিদ্ধান্ত ল'লে। অৱশ্যে প্ৰকাশিত বাতৰি অনুসৰি, ব্ৰিটেইনলৈ প্ৰত্যাৱৰ্তন কৰিলেও ব্ৰিটিছ ৰাজপৰিয়ালৰ সদস্য হিচাপে নিজৰ আনুষ্ঠানিক দায়িত্ব হেৰী আৰু মেগনে পালন নকৰে। ৰাজপৰিয়ালৰ পৰা আঁতৰি থাকি ব্ৰিটেইনত হেৰী আৰু মেগনে নতুনকৈ জীৱন আৰম্ভ কৰিব। ব্ৰিটেইনৰ সংবাদ মাধ্যমত প্ৰকাশিত বাতৰি অনুসৰি, হেৰী আৰু মেগনৰ দুই সন্তানৰ ব্ৰিটেইনৰ বিদ্যালয়ত ইতিমধ্যে নামভৰ্তি কৰা হ'ল। প্ৰিন্স আৰ্চি আৰু প্ৰিন্সেছ লিলিবেটে ছেপ্টেম্বৰৰ পৰা ব্ৰিটেইনতে অধ্যয়ন আৰম্ভ কৰিব। লণ্ডনৰ বাহিৰত এক ব্যক্তিগত আবাসত হেৰী আৰু মেগনে সন্তানসহ বসবাস কৰিব বুলিও বাতৰিত উল্লেখ কৰিছে। উল্লেখ্য যে ব্ৰিটেইন ত্যাগ কৰি বিগত কে'বাবছৰ ধৰি হেৰী আৰু মেগনে আমেৰিকাত বসবাস কৰিছিল।



## কেনিয়াত হেলিকপ্টাৰ দুৰ্ঘটনাত নিহত সাত

**নিউজ ব্যুৰ' নাইৰ'বি, ২০ আগষ্ট** ঃ আজি পুৱাতে এখন পৰ্যটকবাহী হেলিকপ্টাৰ কেনিয়াৰ নাইৰ'বিৰ উত্তৰৰ চামবুৰু অৰণ্যৰ পাহাৰ অঞ্চলত দুৰ্ঘটনাগ্ৰস্ত হৈ ভাঙি পৰিছিল। ভয়াৱহ এই হেলিকপ্টাৰ দুৰ্ঘটনাত মৃত্যু হ'ল ইকুৱেডৰৰ চোৰাংচোৱাৰ মুৰব্বীসহ সাতজনৰ। নিহতৰ মাজত পাঁচজন মাৰ্কিন পৰ্যটক আছিল। কি কাৰণত এই দুৰ্ঘটনা ঘটিল সেয়া স্পষ্ট হোৱা নাই। বুধবাৰে পুৱা পৰ্যটকবাহী হেলিকপ্টাৰখনে ল'ইছাবা বন্যপ্ৰাণী সংৰক্ষণ কেন্দ্ৰৰ পৰা ৰাওনা হোৱাৰ কিছু সময়ৰ পাছতে দুৰ্ঘটনাত ভূপতিত হৈছিল।


## পঞ্জাৱত সংখ্যালঘু হোৱাৰ পথত শিখ, অধিক সন্তান জন্ম দিবলৈ আহ্বান অকাল তখতৰ

**নিউজ ব্যুৰ', চণ্ডীগড়, ২০ আগষ্ট** ঃ পঞ্জাৱৰ ভোটদাতাৰ বৃহত্তম সংখ্যা শিখ সম্প্ৰদায়ৰ। শিখ ভোট কোন দলে লাভ কৰিব, এই কথা নিৰ্ভৰ কৰে ৰাজ্যখনৰ নিৰ্বাচনৰ ফলাফল। কিন্তু উন্নত জীৱন আৰু জীৱিকাৰ সন্ধানত বৃহৎ সংখ্যক শিখ জনতাই দেশৰ বিভিন্ন ৰাজ্য আৰু বিদেশলৈ গমন কৰি আহিছে। ইয়াৰ ফলত পঞ্জাৱত ক্ৰমশঃ সংখ্যালঘুত পৰিণত হৈছে শিখসকল। একে সময়তে সলনি হৈছে ৰাজ্যখনৰ জনবিন্যাস। শিখৰ সংখ্যা হ্ৰাসৰ প্ৰতি লক্ষ্য ৰাখি শিখসকলক অধিক সন্তান জন্ম দিবলৈ আহ্বান জনালে অকাল তখতে। ধৰ্মীয় সংস্থাটোৱে অধিক সন্তান জন্ম দিয়াৰ লগতে শিখসকলক প্ৰজননক্ষম বয়সত বিবাহপাশত আবদ্ধ হ'বলৈকো পৰামৰ্শ দিলে।



২০২১ৰ নৱেম্বৰৰ ৰাষ্ট্ৰীয় পৰিয়াল স্বাস্থ্য সমীক্ষাৰ প্ৰতিবেদনৰ তথ্য অনুসৰি পঞ্জাৱৰ প্ৰজনন হাৰ হ্ৰাস পাই ১.৬ শতাংশ হ'ল। ২০১১ৰ লোকপিয়লৰ তথ্য অনুসৰি ভাৰতৰ সামগ্ৰিক জনসংখ্যা বৃদ্ধিৰ হাৰ ১৭.৭ শতাংশ হ'লেও পূৰ্ববৰ্তী দশকত শিখ সম্প্ৰদায়ৰ জনসংখ্যা বৃদ্ধিৰ হাৰ আছিল মাত্ৰ ৮.৪ শতাংশ।

## শিখ বিৰোধী সংঘৰ্ষত দোষী সাব্যস্ত হোৱা কংগ্ৰেছৰ প্ৰাক্তন সাংসদ সজ্জন কুমাৰ প্ৰয়াত



**নিউজ ব্যুৰ', নতুন দিল্লী, ২০ আগষ্ট** ঃ ১৯৮৪ৰ শিখ বিৰোধী সাম্প্ৰদায়িক সংঘৰ্ষৰ ঘটনাত দোষী সাব্যস্ত হৈছিল কংগ্ৰেছৰ প্ৰাক্তন সাংসদ সজ্জন কুমাৰ। তিহাৰ কাৰাগাৰত যাৱজ্জীৱন কাৰাদণ্ড অতিবাহিত কৰা কুমাৰৰ কাৰাগাৰতে ৮০ বছৰ বয়সত মৃত্যু হ'ল। প্ৰাথমিকভাৱে প্ৰকাশিত তথ্য অনুসৰি, বাৰ্ধক্যজনিত ৰোগত আক্ৰান্ত হৈছিল বৰ্ষীয়ান কংগ্ৰেছ নেতাজন আৰু দিল্লীৰ ছফদৰজং চিকিৎসালয়ত চিকিৎসাধীন অৱস্থাত আজি তেওঁ শেষনিশ্বাস ত্যাগ কৰিলে। ১৯৮৪ৰ ৩১ অক্টোবৰত ইন্দিৰা গান্ধীক হত্যা কৰিছিল তেওঁৰে শিখ দেহৰক্ষীয়ে। ইয়াৰ পাছতে দেশজুৰি শিখ সম্প্ৰদায়ৰ বিৰুদ্ধে আক্ৰমণৰ ঘটনা সংঘটিত হৈছিল। প্ৰভাৱশালী জাঠ নেতা সজ্জন কুমাৰ, জগদীশ টাইটলাৰসহ একাধিক কংগ্ৰেছ নেতাই শিখ বিৰোধী আক্ৰমণৰ নেতৃত্ব দিয়াৰ অভিযোগ উঠিছিল। এনে গোচৰতে ২০১৮ৰ ১৮ ডিচেম্বৰত কুমাৰক দিল্লী উচ্চ ন্যায়ালয়ে দোষী সাব্যস্ত কৰি যাৱজ্জীৱন কাৰাদণ্ডৰ ৰায় দিছিল। তিহাৰ কাৰাগাৰত দিন অতিবাহিত কৰা কুমাৰ শেহতীয়াভাৱে অসুস্থ হৈছিল আৰু আজি চিকিৎসালয়ত তেওঁৰ মৃত্যু হ'ল।




## হিছাৰ আদালতত উপস্থিত হোৱা গেংষ্টাৰ বিনোদ পানুক গুলীয়াই হত্যা

**নিউজ ব্যুৰ' হিছাৰ, ২০ আগষ্ট** ঃ হিছাৰ আদালতত এক গোচৰত উপস্থিত হোৱা গেংষ্টাৰ বিনোদ পানু ওৰফে কানাক আদালতৰ প্ৰৱেশদ্বাৰৰ সন্মুখতে গুলীয়াই হত্যা কৰিলে বন্দুকধাৰীয়ে। প্ৰকাশিত বাতৰি অনুসৰি বাইকৰে অহা বন্দুকধাৰীয়ে বিনোদলৈ ১৪ ৰাউণ্ড গুলিবৰ্ষণ কৰিছিল। ঘটনা সংঘটিত কৰিয়ে আক্ৰমণকাৰীয়ে পলায়ন কৰে। হঠাতে আদালতৰ চৌহদত গুলীয়াগুলিৰ এই ঘটনাত ব্যাপক চাঞ্চল্যৰ সৃষ্টি হৈছিল। দুৰ্বৃত্তৰ আক্ৰমণত বিনোদৰ ঘটনাস্থলীতে মৃত্যু হোৱাৰ লগতে আন এজন ব্যক্তি গুলিবিদ্ধ হয়। ঘটনা সন্দৰ্ভত তদন্ত চলাই আৰক্ষীয়ে এজন লোকক গ্ৰেপ্তাৰ কৰিলে। উল্লেখ্য যে গেংষ্টাৰ বিনোদৰ বিৰুদ্ধে ৩১ টা অপৰাধৰ গোচৰ আছে।

## স্বাধীনতা সংগ্ৰামীক অপমান ঃ বন্দে মাতৰমত কেঁচি চলোৱা কংগ্ৰেছক কটাক্ষ গৃহমন্ত্ৰী শ্বাহৰ


**নিউজ ব্যুৰ', নতুন দিল্লী, ২০ আগষ্ট** ঃ 'বন্দে মাতৰম'ৰ মাত্ৰ দুটি স্তৱকহে পৰিবেশন কৰিব কংগ্ৰেছে। 'বন্দে মাতৰম' সন্দৰ্ভত নিজৰ অৱস্থান এইদৰে কংগ্ৰেছ দলে স্পষ্ট কৰাৰ পাছত কংগ্ৰেছক তীব্ৰ কটাক্ষ কৰিলে কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে। শ্বাহৰ মতে কংগ্ৰেছৰ এই সিদ্ধান্ত দৰাচলতে স্বাধীনতা সংগ্ৰামীৰ প্ৰতি অপমান। দিনৰ পাছত দিন ধৰি কংগ্ৰেছে তোষণৰ ৰাজনীতি কৰি আহিছে আৰু এই কাৰণতে 'বন্দে মাতৰম'ক কংগ্ৰেছে বিভক্ত কৰা বুলি অভিযোগ কৰিলে কেন্দ্ৰীয় গৃহমন্ত্ৰীয়ে। ১৯৩৭ত কংগ্ৰেছৰ অধিবেশনত সিদ্ধান্ত লোৱা হৈছিল যে বন্দে মাতৰমৰ প্ৰথম দুটি স্তৱক লোৱা হ'ব আৰু এই সিদ্ধান্ততে বৰ্তমানেও অটল আছে কংগ্ৰেছ। কংগ্ৰেছৰ এই মানসিকতাক সমালোচনা কৰি শ্বাহে ক'লে, 'সমগ্ৰ




দেশক মনত পেলাই দিব বিচাৰো যে ১৯৩৭ত মুছলমান তোষণৰ কাৰণত বন্দে মাতৰমক ভাগ কৰা হৈছিল। উক্ত পদক্ষেপ আছিল দেশ বিভাজনৰ ভিত্তি, জন্ম দিছিল দ্বিজাতি তত্ত্বৰ। তেতিয়াৰে পৰা শেষ পৰ্যন্ত দেশ বিভাজন হৈছিল আৰু জন্ম হৈছিল পাকিস্তানৰ। কংগ্ৰেছে যে শোষণৰ ৰাজনীতি কৰিছে সেয়া এই সিদ্ধান্তই প্ৰমাণ। ভোট বেংকৰ বাবে তেওঁলোকে বংকিমবাবুৰ অমৰ সৃষ্টিক অপমান কৰিলে। বন্দে মাতৰম ধ্বনি দি যি অসংখ্য স্বাধীনতা সংগ্ৰামীয়ে যুঁজ দিছিল, কাৰাগাৰলৈ গৈছিল, তেওঁলোকক অপমান কৰিলে কংগ্ৰেছে। বন্দে মাতৰমক দুভাগ কৰাৰ ফল দেশে ভুগিছে। ১৯৩৭ৰ সিদ্ধান্ত পুনৰ প্ৰৱৰ্তন কৰি কংগ্ৰেছে তোষণ আৰম্ভ কৰিলে। কিন্তু মানুহে এই সিদ্ধান্তৰ বিৰুদ্ধে থিয় দিব।'

## পৰ্তুগালত নিষিদ্ধ বোৰ্খা, তছলিমাই ক'লে ঃ সমগ্ৰ বিশ্বতে নিষিদ্ধ হওক

**নিউজ ব্যুৰ', নতুন দিল্লী, ২০ আগষ্ট** ঃ সম্প্ৰতি পৰ্তুগালত নিষিদ্ধ কৰা হ'ল বোৰ্খা। অলপতে দেশখনত বোৰ্খা নিষিদ্ধকৰণ বিধেয়ক গৃহীত হৈছিল আৰু এই বিধেয়ক অনুসৰি পৰ্তুগালত এতিয়াৰে পৰা কোনো মহিলাই প্ৰকাশ্য বোৰ্খা পৰিধান কৰিব নোৱাৰিব। পৰ্তুগাল চৰকাৰৰ এই সিদ্ধান্তক স্বাগতম জনালে বাংলাদেশৰ স্বনিৰ্বাসিত জনপ্ৰিয় লেখিকা তছলিমা নাছৰিনে। সামাজিক মাধ্যমৰ এক প'ষ্টত পৰ্তুগাল চৰকাৰৰ বোৰ্খা নিষিদ্ধকৰণৰ সিদ্ধান্তক স্বাগতম জনাই তছলিমাই এইদৰে লিখিলে, 'পৰ্তুগালৰ সংসদে বোৰ্খা, নিকাবসহ জনসমক্ষত মুখ ঢাকি ৰখা পোছাক নিষিদ্ধ কৰিলে। এই সিদ্ধান্তক স্বাগতম জনাইছে। মই বিচাৰো, 'পৃথিৱীৰ সৰ্বত্ৰ বোৰ্খা আৰু নিকাব নিষিদ্ধ হওক। বোৰ্খা মোৰ বাবে ধৰ্মীয় স্বাধীনতাৰ প্ৰতীক নহয়। এয়া নাৰীৰ ওপৰত জাপি দিয়া পুৰুষতান্ত্ৰিক নিয়ন্ত্ৰণৰ প্ৰতীক। নাৰীক অদৃশ্য কৰাৰ অপসংস্কৃতি বন্ধ হওক। বোৰ্খা-নিকাবে পৃথিৱীৰ পৰা বিদায় লওক।'



## কীমক লগ কৰিব বিচাৰে ট্ৰাম্পে, কিন্তু কিয়?



**নিউজ ব্যুৰ', ৱাশ্বিংটন, ২০ আগষ্ট** ঃ আমেৰিকাৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে আজি কয় যে তেওঁ উত্তৰ কোৰিয়াৰ শাসক কীম জং উনক চলিত বৰ্ষৰ অন্তিম ভাগত সাক্ষাৎ কৰিব। ট্ৰাম্পৰ ৰাষ্ট্ৰপতিৰ দ্বিতীয়টো কাৰ্যকালত কীমৰ স'তে এয়া হ'ব প্ৰথম সাক্ষাৎ। ট্ৰাম্পে লগতে কয় যে উত্তৰ কোৰিয়াৰ স'তে ৫৭ টা অতি শক্তিশালী পাৰমাণৱিক অস্ত্ৰ আছে। মাৰ্কিন ৰাষ্ট্ৰপতিয়ে চলিত বৰ্ষতে কীমক সাক্ষাৎ কৰিব বুলি কৰা ঘোষণাৰ সন্দৰ্ভত অজ্ঞতা প্ৰকাশ কৰিলে কীমৰ ভগ্নী কীম য়' জংগে। উত্তৰ কোৰিয়াৰ চৰকাৰী সংবাদ সংস্থা কেচিএনএৰ বাতৰিত কীম ভগ্নীয়ে এইদৰে ক'লে, 'ৱাশ্বিংটনৰ পৰা উত্তৰ কোৰিয়া আৰু আমেৰিকাৰ নেতাৰ মাজত আলোচনা সন্দৰ্ভত যি বাতৰি শেহতীয়াভাৱে প্ৰচাৰিত হৈছে, সেই বিষয়ত মই জ্ঞাত নহয়। হয়তো আমাৰ শীৰ্ষ নেতৃত্বৰ বিদেশ নীতিৰ স'তে জড়িত এইটোৱে একমাত্ৰ ঘটনা, যি বিষয়ত মোৰ হাতত তথ্য নাই।' ট্ৰাম্পে হঠাতে কিয় কীমক সাক্ষাৎ কৰিবলৈ বিচাৰিছে তাক লৈয়ো প্ৰশ্ন উঠিছে। দৰাচলতে শেহতীয়াভাৱে কীমে আমেৰিকা আৰু দক্ষিণ কোৰিয়াৰ যৌথ সামৰিক অনুশীলন সন্দৰ্ভত আপত্তি দৰ্শাই বিৰোধিতা কৰিছিল আৰু ইয়াৰ পাছতে ট্ৰাম্পে উত্তৰ কোৰিয়াৰ প্ৰতি নৰম স্থিতি লোৱা প্ৰত্যক্ষ হৈছে।

## আইএছআই সন্ত্ৰাসবাদী ছাহজাদৰ চিজেপিলৈ মুক্ত সমৰ্থন, শ্বাহৰ বিৰুদ্ধে উচটনি



**নিউজ ব্যুৰ', ইছলামাবাদ, ২০ আগষ্ট** ঃ পাকিস্তানৰ চোৰাংচোৱা সংস্থা আইএছআইৰ সমৰ্থনপ্ৰাপ্ত সন্ত্ৰাসবাদী ছাহজাদ ভাট্টিৰ শেহতীয়া এক ভিডিঅ' ভাইৰেল হৈছে। এই ভিডিঅ'ত ভাট্টিয়ে ভাৰতীয় নিৰাপত্তা সংস্থাই গ্ৰহণ কৰা পদক্ষেপ আৰু গ্ৰেপ্তাৰক লৈ প্ৰশ্ন উত্থাপন কৰিলে। এই ভিডিঅ'ত পাকিস্তানী সন্ত্ৰাসবাদী ভাট্টিয়ে ককৰোচ জনতা পাৰ্টি (চিজেপি)ৰ সমৰ্থনতো মন্তব্য কৰিলে। ভিডিঅ'ত ভাট্টিয়ে চিজেপিলৈ মুক্ত সমৰ্থন আগবঢ়োৱাৰ লগতে ভাৰতৰ কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহৰ বিৰুদ্ধে বিদ্ৰোহ কৰিবলৈ আহ্বান জনালে। পাকিস্তানী সন্ত্ৰাসবাদীজনৰ এই ভিডিঅ' সম্প্ৰতি পাকিস্তানৰ লগতে ভাৰততো যথেষ্ট চৰ্চিত হৈছে।

## 'জেন-জি'ৰ নামত কাশ্মীৰত জোৱানক ধমক যুৱতীৰ ঃ কি ক'লে জম্মু-কাশ্মীৰৰ মুখ্যমন্ত্ৰীয়ে?

**নিউজ ব্যুৰ', শ্ৰীনগৰ, ২০ আগষ্ট** ঃ 'জেন-জি' বিক্ষোভ সাফল্যৰ পাছত দেশজুৰি এফালে তৰুণ প্ৰজন্মৰ মাজত প্ৰতিবাদী সত্ত্বা জাগি উঠিছে আৰু একে সময়তে প্ৰতিবাদৰ নামত উচ্ছৃংখলতাৰো অভিযোগ উঠিছে। এইবাৰ এনে এক তথাকথিত 'জেন-জি' যুৱতীৰ উচ্ছৃংখলতাৰ সন্দৰ্ভত ক্ষোভ প্ৰকাশ কৰিলে জম্মু-কাশ্মীৰৰ মুখ্যমন্ত্ৰী ওমৰ আব্দুল্লাই। সামাজিক মাধ্যমত উক্ত যুৱতীৰ ভিডিঅ' প'ষ্ট কৰি মুখ্যমন্ত্ৰীজনে প্ৰশ্ন কৰিলে, এইদৰে 'জেন-জি'ৰ নাম অপব্যৱহাৰ কিয়? সম্প্ৰতি সামাজিক মাধ্যমত ভাইৰেল হোৱা এক ভিডিঅ' এগৰাকী যুৱতীয়ে আৰক্ষীৰ তালাচী চকীৰ সন্মুখত সেনা জোৱানক ধমক দি এইদৰে কোৱা দৃশ্য আবদ্ধ হৈছিল, 'আমি জেন-জি এই অসভ্যালি সহ্য নকৰো। এতিয়াই বিক্ষোভ প্ৰদৰ্শন কৰিম।' 'জেন-জি' বুলি পৰিচয় দি সেনাক ভাবুকি দিয়া যুৱতীৰ ভিডিঅ' প্ৰসংগত মুখ্যমন্ত্ৰী আব্দুল্লাই 'এক্স'ত এইদৰে লিখিলে, 'আগতে কাৰোবাক ভাবুকি দিবলৈ কোৱা হৈছিল, মোৰ পিতৃ কোন জানেনে? এতিয়া যেন এয়া সলনি হৈ 'আমি জেন-জি' শব্দটো ব্যৱহাৰ কৰা হৈছে। এইদৰে এটা প্ৰজন্মৰ সুনাম সোনকালে নষ্ট হৈ যাব। ক'ৰবাত সামান্য কিবা হ'লেই 'জেন-জি' শব্দটোক অস্ত্ৰ হিচাপে ব্যৱহাৰ কৰিলে এয়া হ'ব অপব্যৱহাৰ।'



## ইৰানক যুদ্ধত সহায় কৰা বন্ধু দেশক সকীয়নি ট্ৰাম্পৰ


**নিউজ ব্যুৰ' ৱাশ্বিংটন, ২০ আগষ্ট** ঃ যুদ্ধত ইৰানক সহায় কৰা দেশৰ বিৰুদ্ধে এইবাৰ হুংকাৰ দিলে আমেৰিকাৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে। মাৰ্কিন ৰাষ্ট্ৰপতিয়ে স্পষ্টভাৱে কয় যে যদি তেহৰানৰ বন্ধুদেশে ইৰানক সাহায্য আগবঢ়োৱা বন্ধ নকৰে তেন্তে আগন্তুক দিনত এনে দেশ অৰ্থনৈতিক নিষেধাজ্ঞাৰ সন্মুখীন হ'ব। অৱশ্যে ট্ৰাম্পে তেহৰানৰ ঘনিষ্ঠ দেশক এই ভাবুকি দিলেও কোনো দেশৰ নাম উল্লেখ কৰা নাই। সম্প্ৰতি সামাজিক মাধ্যম ট্ৰুথ ছ'চিয়েলত ট্ৰাম্পে এইদৰে লিখিলে, 'ইৰানক চুক্তিৰ বাবে আমি সৰ্বাধিক সুযোগ দিলো। দুৰ্ভাগ্যবশতঃ তেওঁলোকে সেই সুযোগ গ্ৰহণ কৰিব নোৱাৰিলে। আমি ঘোষণা কৰিলো, ইৰানৰ বিৰুদ্ধে এইবাৰ সৰ্বকালৰ বৃহৎ আৰু কঠোৰ অৰ্থনীতি পদক্ষেপ গ্ৰহণ কৰা হ'ব, যি হ'ব নজিৰবিহীন। যদি কোনো দেশ বা প্ৰতিষ্ঠানে ইৰানক কোনো ধৰণৰ সহায় কৰে, তেন্তে সেই দেশে ভয়াৱহ পৰিণতিৰ সন্মুখীন হ'ব।'

## এতিয়াৰে পৰা উবৰতে কাটিব পাৰিব ৰেলৰ টিকট, এপত নতুন অপচন




**নিউজ ব্যুৰ', নতুন দিল্লী, ২০ আগষ্ট** ঃ কেৱল ৰেলৰ টিকট কটাৰ বাবে ম'বাইল ফোনত পৃথক এপ ডাউনলোড কৰাৰ প্ৰয়োজন নহ'ব। এই সমস্যাৰ সমাধান আগবঢ়ালে উবৰে। এতিয়াৰে পৰা অনলাইন কেব বুকিঙৰ লগতে ৰেলৰ টিকটো উবৰত বুকিং কৰিব পাৰিব। ৰেলৰ পিএনআৰ চেক কৰাৰ পৰা আৰম্ভ কৰি অন্যান্য সুবিধাও উবৰ এপত উপলব্ধ হ'ব। ইমানদিনে কেব বা বাইক বুক কৰাৰ বাবে উবৰ ব্যৱহাৰ কৰা হৈছিল। কিন্তু উবৰৰ নতুন ভাৰ্চনত ভাৰতীয় ৰেলৰ টিকট বুকিং সুবিধা উপলব্ধ হ'ব। এটা এপৰ জৰিয়তে সকলো ধৰণৰ যান-বাহন বুকিং কৰাৰ সুবিধা উবৰত থাকিব। কেৱল ৰেলে নহয়, দূৰণিবটীয়া বাছৰ টিকটো উবৰৰ নতুন ভাৰ্চনত বুক কৰিব পাৰিব। বৰ্তমানে দৈনিক গড়ে ১৪ লাখ টিকট বিক্ৰী কৰা হয় আইআৰচিটিচিৰ ৱেবছাইটত। যাত্ৰীসকলৰ বহুতে এপৰ জৰিয়তেও ৰেলৰ টিকট ক্ৰয় কৰে। যোৱা বিত্তীয় বৰ্ষত ভাৰতত ৭৪১ কোটি যাত্ৰীয়ে ৰেলযাত্ৰা কৰিছিল। তেওঁলোকৰ সৰহ সংখ্যকে টিকট ক্ৰয় কৰিছিল অনলাইনত। এই দিশৰ প্ৰতি লক্ষ্য ৰাখি উবৰে এপত ৰেলৰ টিকট ক্ৰয়ৰ অপচন সংযোজনৰ সিদ্ধান্ত ল'লে।

## এশ কোটিৰ ক্লাবত 'আৱাৰাপন-২' ঃ চুম্বন অবিহনে বক্স অফিচত চাঞ্চল্য ইমৰানৰ



**নিউজ ব্যুৰ', মুম্বাই, ২০ আগষ্ট** ঃ এসময়ত বলিউড অভিনেতা ইমৰান হাছমিৰ ছবি মানেই আছিল চুম্বনৰে ভৰপূৰ ছবি। এনে ছবিত অভিনয় কৰি ইমৰান 'ছিৰিয়েল কিছাৰ' হিচাপে বলিউডত পৰিচিত হৈছিল। কিন্তু প্ৰথমবাৰলৈ বক্স অফিচত ইমৰানে কোনো চুম্বন অবিহনে এখন ছবিত অভিনয় কৰি চাঞ্চল্যৰ সৃষ্টি কৰিলে। এই ছবিখন হৈছে 'আৱাৰাপন-২'। সদ্য মুক্তিপ্ৰাপ্ত ইমৰানৰ এইখন ছবিয়ে ইতিমধ্যে সন্মানীয় এশ কোটি টকাৰ ক্লাবত স্থান লাভ কৰিলে। মুক্তিৰ পঞ্চম দিনত প্ৰৱেশ কৰি এশ কোটি টকাৰ অধিক ব্যৱসায়ৰ অভিলেখ গঢ়িলে 'আৱাৰাপন-২'-এ। বিশ্বজুৰি এইখন ছবিয়ে ইতিমধ্যে ১৫০ কোটি টকাৰ ব্যৱসায় কৰিলে। চলচ্চিত্ৰ বাণিজ্যিক বিশ্লেষক তৰণ আদৰ্শৰ তথ্য অনুসৰি মুক্তিৰ দিনা ইমৰানৰ ছবিখনে ২৩.৪০ কোটি টকা উপাৰ্জন কৰিছিল। আনহাতে শুকুৰবাৰে পুনৰ ২৩.৪০ কোটি টকা, শনিবাৰে ৩৪.০৯ কোটি টকা, দেওবাৰে ২৬.৮২ কোটি টকা, সোমবাৰে ১০.০৬ কোটি টকা, মঙলবাৰে ১০.২৬ কোটি টকা আৰু বুধবাৰে সাত কোটি টকা উপাৰ্জন কৰি 'আৱাৰাপন-২'-এ দেশৰ বক্স অফিচত মুঠ ১১১.৬৩ কোটি টকা সংগ্ৰহ কৰে। উল্লেখ্য যে 'আৱাৰাপন-২' হৈছে ইমৰান অভিনীত ২০০৭ত মুক্তি লাভ কৰা 'আৱাৰাপন'ৰ ছিকুৱেল ছবি। ২৩ বছৰীয়া অভিনয়ৰ কেৰিয়াৰত ইমৰান অভিনীত প্ৰথমখন ছবিয়ে এশ কোটি টকাৰ ব্যৱসায় কৰিলে।





# বানাক্ৰান্তৰ সাহায্যৰ বাবে দিল্লীত বাহৰ

*এক পৃষ্ঠাৰ পৰা* পুনৰ সংস্থাপনৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰলৈ পূৰ্ণ সহযোগিতা আগবঢ়াব বুলি দোহাৰে। আজি মুখ্যমন্ত্ৰীয়ে ৰাজ্যৰ জলসম্পদৰ বহনক্ষম ব্যৱস্থাপনা আৰু জলসুৰক্ষা সম্পৰ্কীয় বিষয়ত কেন্দ্ৰীয় জলশক্তি মন্ত্ৰী চি আৰ পেটেলকো সাক্ষাৎ কৰি আলোচনাত মিলিত হয়। পাছত তেওঁ কয়, 'অসমৰ বান দুৰ্যোগৰ সময়ছোৱাত প্ৰধানমন্ত্ৰীয়ে সূক্ষ্মভাৱে পৰিস্থিতি নিৰীক্ষণ কৰি আছিল আৰু সম্ভৱপৰ প্ৰতিটো সহযোগিতা আগবঢ়ায়।' একেদৰে বান দুৰ্গতসকলৰ পুনৰ সংস্থাপন, ক্ষতিগ্ৰস্ত অঞ্চলসমূহৰ পুনৰ নিৰ্মাণ, জীৱন-জীৱিকা পুনৰুদ্ধাৰৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰে প্ৰস্তুত কৰা ৰূপৰেখা প্ৰধানমন্ত্ৰী মোদীক কৰ্ণগোচৰ কৰা হয় বুলিও মুখ্যমন্ত্ৰীয়ে সদৰী কৰে। এই সমূহ সমাধানৰ প্ৰধানমন্ত্ৰীয়ে পুনৰ আশ্বাস দিয়ে বুলি তেওঁ জনায়। আনহাতে, জলশক্তি মন্ত্ৰী পাটিলৰ স'তে গুৱাহাটীৰ শিলসাঁকো বিলৰ পুনৰ উজ্জীৱিতকৰণৰ বাবে চলি থকা কামক লৈ আলোচনা কৰে বুলি মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰিছে। তেওঁ লগতে জানিবলৈ দিয়া মতে, বিলখনৰ জলধাৰণ ক্ষমতা পূৰ্বৰ অৱস্থালৈ নিয়াৰ বাবে ২৩৭ কোটিটকীয়া প্ৰকল্পৰ মূল্যবান অংশীদাৰ কেন্দ্ৰীয় জলশক্তি মন্ত্ৰণালয়। এই প্ৰকল্পৰ কাম অহা বছৰৰ ভিতৰত সম্পূৰ্ণ কৰাৰ লক্ষ্য লোৱা বুলি মুখ্যমন্ত্ৰী ড° শৰ্মাই প্ৰকাশ কৰে।

# উচ্চ ক্ষমতা সম্পন্ন পাঁচজনীয়া তদন্ত

*এক পৃষ্ঠাৰ পৰা* বৰ্বৰতাৰ তদন্তৰ বাবে অৱশেষত উচ্চতম ন্যায়ালয়ে এখন উচ্চ ক্ষমতা সম্পন্ন সমিতি গঠন কৰিলে। আজি দেশৰ মুখ্য ন্যায়াধীশ সূৰ্য কান্ত, ন্যায়াধীশ জয়মাল্য বাগচি আৰু ভি মোহনাৰ এখন তিনিজনীয়া বিচাৰপীঠে এই তদন্ত সমিতি গঠন কৰে। উচ্চতম ন্যায়ালয়ৰ অৱসৰপ্ৰাপ্ত ন্যায়াধীশ আৰ সুভাষ ৰেড্ডীৰ নেতৃত্বত গঠন কৰা এই সমিতিত সদস্যৰূপে পঞ্জাৱ আৰু হাৰিয়ানা উচ্চ ন্যায়ালয়ৰ প্ৰাক্তন মুখ্য ন্যায়াধীশ ৰবিশংকৰ ঝা, দিল্লী উচ্চ ন্যায়ালয়ৰ প্ৰাক্তন ন্যায়াধীশ শালিন্দৰ কৌৰ, চিবিআইৰ প্ৰাক্তন সঞ্চালকপ্ৰধান ঋষিকুমাৰ শুক্লা আৰু মেঘালয়ৰ প্ৰাক্তন আৰক্ষী সঞ্চালকপ্ৰধান ড° এল আৰ বিষ্ণয়ক ৰখা হৈছে। এই তদন্ত সমিতিয়ে অগ্ৰাধিকাৰ প্ৰদান কৰিবলগীয়া দিশো ন্যায়ালয়ে বান্ধি দিছে। তিনিজনীয়া বিচাৰপীঠে জাৰি কৰা নিৰ্দেশ অনুসৰি উক্ত দিনাৰ 'সংসদ চলো' যাত্ৰাত অংশ লোৱা মহিলাসকলক আতিশায্য আৰু শ্লীলতাহানিৰ অভিযোগৰ তদন্তক এই উচ্চ ক্ষমতা সম্পন্ন সমিতিয়ে অগ্ৰাধিকাৰ প্ৰদান কৰিব লাগিব। তদুপৰি আৰক্ষীৰ প্ৰহাৰত প্ৰতিবাদকাৰী গুৰুতৰভাৱে আহত হোৱা অভিযোগক সমিতিয়ে অগ্ৰাধিকাৰ ৰূপে ল'ব লাগিব। উল্লেখ্য যে এই প্ৰতিবাদত অংশগ্ৰহণকাৰী নিৰস্ত্ৰ ছাত্ৰ-ছাত্ৰীক গজাল লগোৱা লাঠিৰে নিৰাপত্তা বাহিনীয়ে প্ৰহাৰ কৰাৰ লগতে পেলেট গানৰে গুলিবৰ্ষণ কৰাৰ অভিযোগক লৈ সংসদৰ বাহিৰে-ভিতৰে বিৰোধী সৰৱ হৈ আহিছে। এই ক্ষেত্ৰত সবাতোকৈ অধিক সৰৱ ভূমিকা পালন কৰিছে কংগ্ৰেছ নেতা তথা লোকসভাৰ বিৰোধী দলপতি ৰাহুল গান্ধীয়ে। আনকি বিষয়টোক লৈ বিৰোধীৰ প্ৰতিবাদৰ বাবে সংসদৰ এইবাৰৰ বৰ্ষাকালীন অধিবেশন একপ্ৰকাৰ অচল হৈ পৰে। এনে অৱস্থাতে ন্যায়ালয়ে নিৰাপত্তা বাহিনীৰ এই বৰ্বৰতাৰ তদন্তৰ বাবে সমিতি গঠন কৰাটোৱে তাৎপৰ্যপূৰ্ণ বিবেচিত হৈছে। কাৰণ চৰকাৰী পক্ষই আৰক্ষীৰ বৰ্বৰতাৰ কথা বাৰম্বাৰ অস্বীকাৰ কৰি আহিছে। তদন্তৰ স্বাৰ্থত আজি ন্যায়ালয়ে যোৱা ২০ জুলাইৰ দিল্লীৰ ককৰোচৰ প্ৰতিবাদৰ চিচি টিভিৰ ফুটেজ, ড্ৰ'নৰ ৰেকৰ্ডিং, বডি-কেমেৰা ফুটেজ আৰু পিচিআৰ কল ৰেকৰ্ড সংৰক্ষণ ৰাখিবলৈও নিৰ্দেশ দিয়ে। এই পাঁচজনীয়া উচ্চ ক্ষমতা সম্পন্ন তদন্ত সমিতি গঠন কৰি বিচাৰপীঠে কয়, 'আমি দৃঢ় বিশ্বাসী যে এই সমিতিয়ে আগবঢ়াবলগীয়া পৰামৰ্শসমূহ ন্যায়ালয়ৰ বাবে অমূল্য সাহায্যত পৰিণত হ'ব। বিষয়ৰ গুৰুত্ব অনুসৰি সমিতিয়ে তদন্ত কৰি ব্যাপক মূল্যায়ন কৰিব।'

# প্ৰধানমন্ত্ৰী তাৰেকৰ হাত শক্তিশালী কৰি

*এক পৃষ্ঠাৰ পৰা* পাছত আজি দুপৰীয়া দুই বজাৰ পৰা পাঁচ বজালৈ ৰাষ্ট্ৰীয় সংসদত ৰাষ্ট্ৰপতি নিৰ্বাচনৰ ভোটগ্ৰহণ অনুষ্ঠিত হয়। নিৰ্বাচনত ৩৪৯ সাংসদে ভোটদান কৰে। ইয়াৰ অন্যতম কাৰণ হ'ল বিএনপিৰ অন্যতম সাংসদ আছলাম চৌধুৰীৰ সদস্যপদ এক ঋণ অপৰিশোধৰ গোচৰত অলপতে আদালতে খাৰিজ কৰে। গতিকে শাসক দলৰ সাংসদৰ সংখ্যা ২৪৮লৈ হ্ৰাস পায়। তদুপৰি সাংসদ মৌলানা মাহমুদুল হুছেইন আলি উল্লাই ভোটদানৰ পৰা বিৰত থাকে। ইপিনে, সংসদ সদস্য নোহোৱাৰ পৰিপ্ৰেক্ষিতত বিৰোধী প্ৰাৰ্থী অলিয়ে ভোটদান কৰিব নোৱাৰিলে।

উল্লেখ্য যে পূৰ্বৰ প্ৰধানমন্ত্ৰী শ্বেখ হাছিনাৰ শাসনত বিনা প্ৰতিদ্বন্দ্বিতাৰে ৰাষ্ট্ৰপতি নিৰ্বাচিত মহম্মদ চাহাবুদ্দিনে যোৱা ২৪ জুলাইত পদত্যাগ কৰে। ফলত দেশখনৰ ৰাষ্ট্ৰপতি নিৰ্বাচন অৱধাৰিত হৈ পৰে। বাংলাদেশ সংবিধান অনুসৰি ৰাষ্ট্ৰপতিয়ে পদত্যাগ কৰিলে ৰাষ্ট্ৰপতিৰ দায়িত্ব সাময়িকভাৱে পালন কৰে সংসদৰ অধ্যক্ষই। আনহাতে, ৰাষ্ট্ৰপতিৰ মৃত্যু হ'লে বা পদত্যাগ কৰিলে ৯০ দিনৰ ভিতৰত নতুন ৰাষ্ট্ৰপতি নিৰ্বাচন কৰিব লাগে। অৱশ্যে ভাৰতৰ দৰে বাংলাদেশৰ ৰাষ্ট্ৰপতিৰো ক্ষমতা সীমিত। ৰাষ্ট্ৰপতিৰ প্ৰকৃত ক্ষমতা প্ৰয়োগ কৰে প্ৰধানমন্ত্ৰী নেতৃত্বাধীন চৰকাৰ বা সংসদেহে। চৰকাৰৰ পৰামৰ্শ মতে ৰাষ্ট্ৰপতিয়ে দায়িত্ব সম্পাদন কৰিব লাগে। গতিকে আলমগীৰ ৰাষ্ট্ৰপতি নিৰ্বাচিত হ'লেও দেশখনৰ শাসন ব্যৱস্থাত ইয়াৰ তাৎপৰ্য বিশেষ নাই বুলি ৰাজনৈতিক বিশ্লেষকসকলে মন্তব্য কৰিছে।

উল্লেখ্য যে চলিত বছৰৰ আৰম্ভণিতে অনুষ্ঠিত বাংলাদেশৰ নিৰ্বাচনৰ জৰিয়তে তাৰিক হুছেইন নেতৃত্বাধীন বিএনপি ক্ষমতালৈ অহাৰ পাছত সদ্যনিৰ্বাচিত ৰাষ্ট্ৰপতি আলমগীৰে গ্ৰামোন্নয়ন আৰু সমবায়কে ধৰি কে'বাটাও মন্ত্ৰণালয়ৰ মন্ত্ৰিত্ব লাভ কৰে। আনহাতে তেওঁৰ প্ৰতিদ্বন্দ্বী প্ৰাৰ্থী অৱসৰপ্ৰাপ্ত কৰ্ণেল আহমেদ ১৯৭১ বাংলাদেশৰ স্বাধীনতা যুদ্ধৰ যুঁজাৰু আছিল। সম্প্ৰতি তেওঁ লিবাৰেল ডেম'ক্ৰেটিক পাৰ্টিৰ সভাপতিৰূপে কাৰ্যনিৰ্বাহ কৰি আছে। পূৰ্বে তেওঁ ছবাৰ সাংসদৰূপেও কাৰ্যনিৰ্বাহ কৰিছিল। একালত আহমেদ প্ৰাক্তন ৰাষ্ট্ৰপতি তথা বৰ্তমানৰ প্ৰধানমন্ত্ৰী তাৰিক ৰহমানৰ পিতৃ জিয়াউৰ ৰহমানৰ ঘনিষ্ঠ আছিল। সেনাৰ পৰা অৱসৰ গ্ৰহণৰ পাছত সেই সূত্ৰে ১৯৮০ত তেওঁ বিএনপিত যোগদান কৰিছিল। পৰৱৰ্তী সময়ত তেওঁ প্ৰাক্তন প্ৰধানমন্ত্ৰী খালেদা জিয়াৰ চৰকাৰৰ দিনত যোগাযোগ মন্ত্ৰীৰূপে কাৰ্যনিৰ্বাহ কৰিছিল। পাছত ২০০৬ত তেওঁ লিবাৰেল ডেম'ক্ৰেটিক পাৰ্টি প্ৰতিষ্ঠা কৰে।

# শ্বিলঙত খাচিৰ আক্ৰমণৰ উত্তাপ অসমতো

*এক পৃষ্ঠাৰ পৰা* অগ্নিসংযোগৰ ঘটনাও সংঘটিত হয়। এই তাণ্ডৱলীলা পুৱতি নিশালৈকে অব্যাহত থাকে। আনকি আৰক্ষীৰ চকুৰ আগতে এই ঘটনা সংঘটিত হোৱাৰো অভিযোগ উঠিছে। এই আক্ৰমণৰ প্ৰতিক্ৰিয়া আজি প্ৰতিফলিত হয় অসমত। অসম-মেঘালয়ৰ সীমান্তৰ যোৱাবাটত অসমৰ সীমাৰ ভিতৰত পুৱাৰে পৰা বৃহৎ প্ৰতিবাদ সাব্যস্ত কৰে অসমৰ কে'বা শতাধিক চালকে। অসম ৰাজ্যিক চালক সন্থাৰ উদ্যোগত ৰূপায়িত প্ৰতিবাদ নিশা এই প্ৰতিবেদন যুগুতোৱাৰ সময়লৈকে অব্যাহত আছে। প্ৰতিবাদৰ অংশ হিচাপে একমাত্ৰ এম্বুলেন্সৰ বাদে মেঘালয়ৰ পঞ্জীয়নভুক্ত সকলো বাহনৰ গুৱাহাটী তথা অসমত প্ৰৱেশ বন্ধ কৰি দিয়া হয়। আনকি মেঘালয় অভিমুখী অসমৰ পঞ্জীয়নভুক্ত বাহনৰ চলাচলো আজি চালকসকলে বন্ধ ৰাখে। কেৱল মাত্ৰ জৰুৰী কাৰণত বাহনহে মেঘালয় অভিমুখে যাত্ৰা কৰিবলৈ সক্ষম হয়। [illegible] আনকি বৰাক আৰু উত্তৰ-পূৰ্বাঞ্চলৰ আন ৰাজ্যলৈ যাত্ৰা কৰা নৈশ বাছৰ চলাচলত বাধা প্ৰদান কৰে। ফলত বহু বাহন [illegible] বাধ্য হয়।

উল্লেখ্য যে পৰ্যটকক ধৰি আন যাত্ৰী লৈ অসমৰ পৰা দৈনিক কে'বাশ চাৰিচকীয়া ব্যক্তিগত আৰু বাণিজ্যিক বাহন মেঘালয়লৈ যায়। একেদৰে মেঘালয়ৰ পৰাও শ শ বাহন অসমলৈ আহে। [illegible] যাতায়াত কৰা অধিকাংশ বাহন অসমৰ পঞ্জীয়নভুক্ত। [illegible] সৰ্বাধিক। [illegible] শিলঙত হোৱা আক্ৰমণৰ ঘটনাটোৰ লগত পৰ্যটক কঢ়িওৱা বাহনৰ প্ৰত্যক্ষ সম্পৰ্ক নাছিল। কাৰণ উন্মত্ত প্ৰতিবাদকাৰীয়ে [illegible] কিন্তু এই আক্ৰমণত সহজ লক্ষ্য হিচাপে লোৱা হয় অসমৰ পঞ্জীয়নভুক্ত বাহনবোৰক। [illegible] মেঘালয় আৰক্ষীৰ তথ্য অনুসৰি এই আক্ৰমণত ৩১ খন বাহন ক্ষতিগ্ৰস্ত হয়। এই ঘটনাৰ প্ৰতিক্ৰিয়াই আজি প্ৰবল ৰূপ ধাৰণ কৰে যোৱাবাটত। [illegible]

আজি শিলঙত অনুষ্ঠিত হয় দেশৰ আগশাৰীৰ ফুটবল টুৰ্ণামেণ্ট ডুৰাণ্ড কাপৰ ছেমিফাইনেল। [illegible] প্ৰতিবাদকাৰী চালকসকলে দিয়া 'অসমৰ চালকৰ সুৰক্ষা নিশ্চিত কৰক, মেঘালয়ত আক্ৰমণ নচলিব, মেঘালয়ৰ মুখ্যমন্ত্ৰী অসমবাসীৰ ওচৰত ক্ষমা খোজক' [illegible]

মেঘালয়ত চলা আক্ৰমণ লৈ তীব্ৰ ক্ষোভ প্ৰকাশ কৰে যোৱাবাটত প্ৰতিবাদ সাব্যস্ত কৰা ছেভেন ষ্টেট টুৰিষ্ট কেব অপাৰেটৰ্ছ ইউনিয়নৰ সভাপতি [illegible]। [illegible] ইপিনে, অসম ৰাজ্যিক চালক সন্থাৰ সভাপতিয়ে চাৰিটা দাবীৰে তেওঁলোকৰ এই প্ৰতিবাদ সাব্যস্ত কৰা বুলি জনায়। [illegible]

**ক্ষতিপূৰণ-দোষীক শাস্তি বিহিবলৈ এজাহাৰ**

কালি শিলঙত আক্ৰমণৰ বলি হোৱা লোকে কে'বাখনো এজাহাৰ দাখিল কৰিছে। [illegible] এএছ-০১ [illegible]-৯৭৮৫ নম্বৰৰ চাৰিচকীয়া বাহনখনৰ [illegible]

# নিলম্বিত বিষয়া-কৰ্মচাৰীয়ে এদিনৰ

*এক পৃষ্ঠাৰ পৰা* চৰকাৰৰ বিধিক অৱজ্ঞা দেখুৱাই আহিছে। ইয়াৰ দ্বাৰা নিলম্বনৰ নিৰ্দেশনাৰ [illegible] অভিযোগ উঠিছে। ইয়াৰ পৰিপ্ৰেক্ষিতত চৰকাৰৰ কৰ্মচাৰী প্ৰশাসন বিভাগে আজি এক নিৰ্দেশযোগে নিলম্বিত বিষয়া-কৰ্মচাৰীসকলে [illegible] কৰ্মস্থলীৰ মুখ্য কাৰ্যালয়ত উপস্থিতি নিশ্চিত কৰিব লাগিব। কোনো কাৰণত কৰ্মস্থলীৰ বাহিৰলৈ যাবলগীয়া হ'লে [illegible] আগতীয়া অনুমতিও [illegible] উল্লেখ কৰা হৈছে যে নিলম্বিত একাংশই [illegible] অনুমতিৰ [illegible] আঁতৰি থাকে। [illegible] তাৰে [illegible] ঊৰ্ধ্বতন [illegible] যাব পাৰিব। [illegible] দায়িত্বশীল [illegible] উল্লেখ কৰা হৈছে। [illegible] অসম সেৱা বিধি [illegible]

# মণিপুৰত বাধাৰ বাবে পিছুৱালে

*এক পৃষ্ঠাৰ পৰা* কেম্পেইন ফৰ জাষ্ট এণ্ড ফেয়াৰ ডিলিমিটেছন (সঠিক আৰু যুক্তিসংগত সমষ্টি পুনৰ নিৰ্ধাৰণৰ বাবে প্ৰচাৰ) শীৰ্ষক এটা সংগঠনে অসমৰ দৰে ৰাজ্যখনতো ৰাষ্ট্ৰীয় নাগৰিকপঞ্জী (এনআৰচি) উন্নীতকৰণৰ দাবীত প্ৰতিবাদৰে অচলাৱস্থা সৃষ্টি কৰাত লোকপিয়লৰ কাম-কাজ পিছুৱাই দিয়া হৈছে। উক্ত সংগঠনে লোকপিয়লৰ পূৰ্বে এনআৰচি উন্নীতকৰণৰ দাবীত ৰাজ্যখনৰ ভৈয়াম অঞ্চলসমূহত তীব্ৰ প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰিছে। ফলত লোকপিয়ল পৰিচালনা সঞ্চালকালয়ৰ মুখ্য প্ৰধান লোকপিয়ল বিষয়াই ৰাজ্যখনত পিয়লৰ বাবে কৰ্মচাৰীৰ প্ৰশিক্ষণো স্থগিত ৰাখিছে। এই প্ৰশিক্ষণ অহা ২৮ আগষ্টৰ পৰা আৰম্ভ হ'বলগীয়া আছিল। এই কথা সদৰী কৰি এজন উচ্চ পদস্থ চৰকাৰী বিষয়াই কয়, 'অহা ২৮ আগষ্টৰ পৰা আৰম্ভ হ'বলগীয়া পিয়লৰ কৰ্মচাৰীসকলৰ প্ৰশিক্ষণ আইন-শৃংখলাজনিত কাৰণৰ বাবে স্থগিত ৰখা হৈছে।' আনহাতে, মণিপুৰৰ প্ৰাক্তন মুখ্যমন্ত্ৰী এন বীৰেন সিঙে প্ৰকাশ কৰা অনুসৰি তেওঁ ৰাজ্যখনৰ এনআৰচি উন্নীতকৰণৰ যি দাবী উত্থাপন হৈছে সেই বিষয়ে কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহৰ কৰ্ণগোচৰ কৰিছে। অলপতে তেওঁ গৃহমন্ত্ৰী শ্বাহৰ স'তে এক আলোচনাত মিলিত হয় বুলি সদৰী কৰি জানিবলৈ দিয়া মতে এই আলোচনাতে তেওঁ এনআৰচিৰ বিষয়টো উত্থাপন কৰে। আনহাতে, কালি এনআৰচি উন্নীতকৰণৰ দাবীত অগণন প্ৰতিবাদকাৰীয়ে ৰাজ্যখনৰ বিভিন্ন স্থানত ৰাজনৈতিক নেতাসকলৰ পুত্তলিকা দাহ কৰি সমদল উলিয়ায়। যোৱা ১৮ আগষ্টৰ পৰা দুদিন ধৰি ৰাজ্যখনত এনআৰচিৰ দাবীত ধৰ্মঘট পালন কৰা হয়। অৱশ্যে মণিপুৰত এনআৰচি উন্নীতকৰণ হ'ব নে নাই সেই বিষয়ে বৰ্তমানলৈকে কোনো মন্তব্য কৰা নাই কেন্দ্ৰই।

# প্ৰবল প্ৰতিৰোধৰ মাজেৰে

*এক পৃষ্ঠাৰ পৰা* নকৰাৰ অভিযোগ উঠিছে। তাৰে প্ৰতিবাদত কালি সংগঠনটোৱে ৰাজ্যখনত ক'লা দিৱস নামেৰে প্ৰতিবাদ সাব্যস্ত কৰে। এই প্ৰতিবাদ ৰূপায়ণৰ সময়তে সংঘটিত হয় ব্যাপক হিংসাত্মক ঘটনা। অৱশেষত আজি পুৱতি নিশা মেঘালয় আৰক্ষীয়ে ছাত্ৰ সংগঠনটোৰ সভাপতি-উপ-সভাপতিকে ধৰি তিনিজন শীৰ্ষ নেতাক গ্ৰেপ্তাৰ কৰে। কিন্তু তাৰ পাছতো উত্তেজনাময় পৰিস্থিতিৰ শাম কটা নাই। সেয়েহে পৰিস্থিতি নিয়ন্ত্ৰণৰ বাবে ৰাজ্যখনৰ স্পৰ্শকাতৰ অঞ্চলবোৰত ব্যাপক নিৰাপত্তা ব্যৱস্থা গ্ৰহণ কৰা হৈছে। পৰিস্থিতি নিয়ন্ত্ৰণৰ বাবে যোৱা নিশাই কেন্দ্ৰীয় সংৰক্ষিত আৰক্ষী বাহিনী (চিআৰপিএফ)ৰ পাঁচটা কোম্পানীৰ লগতে ৰেপিড একচন ফ'ৰ্চৰ এটা কোম্পানীও নিয়োগ কৰা হয়। অহা ২৫ আগষ্টলৈ এই কোম্পানীকেইটাক নিয়োগ কৰা হৈছে। তেওঁলোকে মেঘালয় আৰক্ষীক আইন-শৃংখলা নিয়ন্ত্ৰণত সহযোগিতা কৰিব।

উল্লেখ্য যে খাচি ছাত্ৰ সন্থাই পাঁচটা দাবীৰে ৰাজ্য চৰকাৰৰ ওচৰত যোৱা চাৰি আগষ্টত এখন দাবীচনদ দাখিল কৰিছিল। ইয়াক ৰূপায়ণৰ বাবে ১৫ দিন সময়সীমা ধাৰ্য কৰি দিয়া হৈছিল। দাবীবোৰৰ ভিতৰত আছে মেঘালয়ৰ প্ৰকৃত বাসিন্দাৰ সুৰক্ষা আৰু নিৰাপত্তা আইনখন কাৰ্যকৰী কৰা, প্ৰব্ৰজিত শ্ৰমিকক নিয়ন্ত্ৰণৰ বাবে মাইগ্ৰেণ্ট ৱৰ্কমেন আইনখন সংশোধন কৰা, মেঘালায় অসামৰিক সেৱা আয়োগৰ নিয়োগ প্ৰক্ৰিয়াৰ সংশোধনী অনা। প্ৰণিধানযোগ্য যে মেঘালয়ৰ প্ৰকৃত বাসিন্দাৰ সুৰক্ষা আৰু নিৰাপত্তা সম্পৰ্কীয় আইনখনৰ অধীনত ৰাজ্যখনত ইনাৰলাইন পাৰ্মিট ব্যৱস্থা প্ৰৱৰ্তনৰ উল্লেখ কৰা হৈছে। পূব জয়ন্তীয়া পাহাৰৰ লুম ছাইৰমেনত শ্ৰীচিমেণ্ট নামৰ এটা প্ৰতিষ্ঠানত চূণশিল খনন প্ৰকল্পৰ দায়িত্ব বিধি অনুসৰি হস্তান্তৰ নকৰাৰ অভিযোগো ছাত্ৰ সন্থাটোৱে উত্থাপন কৰিছে। এই অনিয়মত জড়িত বিষয়াৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণৰ দাবীও ছাত্ৰ সন্থাটোৱে দাবীচনদত উল্লেখ কৰিছে।

চৰকাৰে দাবীবোৰক গুৰুত্ব নিদিয়াৰ অভিযোগ কৰি যোৱা ১৭ আৰু ১৮ আগষ্টত সংগঠনটোৱে বৃহত্তৰ শ্বিলঙৰ কে'বাটাও স্থানত ৰাজহুৱা সভা অনুষ্ঠিত কৰে। এই সভাতে ক'লা দিৱস পালন কৰি এক প্ৰতিবাদী সমদল উলিওৱাৰ সিদ্ধান্ত লোৱা হয়। সেই অনুসৰি কালি বিয়লি চাৰি বজাত সংগঠনটোৰ বৃহৎসংখ্যক সদস্যই ক'লা পোছাক পৰিধান কৰি, ক'লা পতাকা উৰুৱাই আৰু মুখত ক'লা কাপোৰ বান্ধি দুচকীয়া বাহনৰে এই সমদল উলিয়ায়। বিয়লি চাৰি বজাত জোৱাইৰ পৰা উলিওৱা এই সমদলটোৱে বিভিন্ন পথ অতিক্ৰম কৰি শ্বিলঙত উপস্থিত হোৱাৰ সময়তে একাংশ সমদলকাৰীয়ে পথত চলাচল কৰি থকা, ৰখাই থোৱা বাহনৰ ওপৰত আক্ৰমণ চলায়। শ্বিলঙৰ পল', বাৰিক আৰু মাওলাই অঞ্চলত এই কাণ্ড সংঘটিত কৰা হয়। আনকি মেঘালয় চৰকাৰৰ একাধিক বাহনৰো ক্ষতিসাধন কৰে উন্মত্ত ৰূপ ধাৰণ কৰা একাংশ প্ৰতিবাদকাৰীয়ে। সেইসকলৰ হাতৰ পৰা ৰক্ষা নপৰিল স্বামী বিবেকানন্দ আৰু নেতাজী সুভাষ চন্দ্ৰ বসুৰ আৱক্ষ মূৰ্তিও। ৰিলিফ আৰু ৰিহেবিলিটেচন কল'নীত এই ঘটনা সংঘটিত হয়। উল্লেখ্য যে এই কল'নীটো ১৯৬০ত পূব পাকিস্তানৰ পৰা প্ৰব্ৰজন কৰা লোকৰ বাবে গঢ়ি তোলা হৈছিল। তাতে এই আৱক্ষ মূৰ্তি দুটাও আছিল। উক্ত স্থানত কে'বাজনো সাধাৰণ নাগৰিকো আক্ৰমণকাৰীৰ লক্ষ্য হোৱা বুলি অভিযোগ উঠিছে।

এই হিংসাত্মক ঘটনাক লৈ সমদলৰ সামৰণিৰ পাছতে খাচি ছাত্ৰ সন্থাৰ শীৰ্ষ নেতৃত্বৰ শ্বিলঙৰ এখন হোটেলত জৰুৰী বৈঠক অনুষ্ঠিত হয় আৰু হিংসাত্মক ঘটনাত তেওঁলোকৰ সংগঠনৰ কোনো লোক জড়িত নহয় বুলি দাবী কৰে। তেওঁলোকৰ শান্তিপূৰ্ণ প্ৰতিবাদক অপযশ জাপি দিবলৈ বাহিৰা শক্তিয়ে এনে কাণ্ড সংঘটিত কৰা বুলিও নেতৃবৃন্দই দাবী কৰে।

ইপিনে, হিংসাত্মক ঘটনা প্ৰতিবাদী সমদলৰ সময়তে অন্ত নপৰিল। তাৰ বিপৰীতে শ্বিলঙৰ কে'বাটাও স্থানত নিশালৈকে কে'বাটাও বিক্ষিপ্ত ঘটনা সংঘটিত হয়। আনকি বাহনত অগ্নিসংযোগৰ ঘটনাও ঘটে। মেঘালয় আৰক্ষীয়ে প্ৰতিবাদকাৰীৰ বিৰুদ্ধে তাৎক্ষণিকভাৱে কঠোৰ অভিযান আৰম্ভ কৰে। আৰক্ষীৰ অভিযানৰ মাজতো হিংসাত্মক ঘটনা পুৱতি নিশালৈকে অব্যাহত থাকে। ইয়াৰ মাজতে পুৱতি নিশা প্ৰায় তিনি বজাত মেঘালয় আৰক্ষীয়ে খাচি ছাত্ৰ সন্থাৰ সভাপতি ৰেমন খাৰজানা, উপ-সভাপতি পিংকমেনলাং ছানমিয়েটক' আৰু সাধাৰণ সম্পাদক ৰুবেন নাজিয়াৰক গ্ৰেপ্তাৰ কৰে। এই গ্ৰেপ্তাৰৰ বাবে চলোৱা অভিযানৰ সময়তো আৰক্ষী প্ৰবল বাধাৰ সন্মুখীন হয়। অভিযোগ অনুসৰি খাচি ছাত্ৰ সন্থাৰ একাংশ সদস্যই আৰক্ষীৰ ওপৰত আক্ৰমণ চলায়। আৰক্ষীয়ে কন্দুৱা গেছো প্ৰয়োগ কৰিবলৈ বাধ্য হয়। আজি আৰক্ষীয়ে ছাত্ৰ নেতাকেইজনক আদালতত হাজিৰ কৰায়। আদালতে তিনিওজনক ১৪ দিনৰ ন্যায়িক জিম্মালৈ প্ৰেৰণ কৰে। মেঘালয় আৰক্ষীয়ে সদৰী কৰা অনুসৰি, উন্মত্ত প্ৰতিবাদকাৰীৰ আক্ৰমণত প্ৰায় ১৬ জন লোক কম-বেছি পৰিমাণে আহত হয়। প্ৰায় ৩১ খন বাহনৰ বিস্তৰ ক্ষতিসাধন হয়। তদুপৰি আন কে'বাখনো বাহন সাধাৰণভাৱে ক্ষতিগ্ৰস্ত হয়।

**সংকটত পৰ্যটক**

বছৰৰ প্ৰতিটো দিনতে পৰ্যটকৰ ভিৰ থাকে মেঘালয়ত। পৰ্যটনেই হ'ল মেঘালয়ৰ ৰাজহ আহৰণৰ মূল উৎস। গতিকে কালিও শ্বিলঙক কেন্দ্ৰ কৰি মেঘালয়ৰ বিভিন্ন পৰ্যটনস্থলীত অসমৰ উপৰি ভাৰতৰ বিভিন্ন ৰাজ্যৰ পৰ্যটকে ভৰি আছিল। হিংসাত্মক প্ৰতিবাদৰ ফলত চৰম আতংকিত হৈ পৰে পৰ্যটকসকল। নিৰাপত্তাহীনতাই তেওঁলোকক ঘেৰি ধৰে। পৰ্যটকৰ সুৰক্ষাৰ বাবে মেঘালয় চৰকাৰে আজি জৰুৰীভাৱে এটা হেল্পলাইন নম্বৰ মুকলি কৰে।

আজি শ্বিলঙৰ জৱাহৰলাল নেহৰু ষ্টেডিয়ামত ডুৰাণ্ড কাপ ফুটবলৰ ছেমিফাইনেল আছিল। এই খেল উপভোগ কৰিবলৈ শ্বিলঙত ইতিমধ্যে বহু ফুটবলপ্ৰেমীৰ আগমন হৈছিল। বিশেষকৈ মোহনবাগান দলৰ খেল থকাত পশ্চিমবংগৰ পৰা দলটোৰ বহু অনুৰাগী কালিয়েই শ্বিলঙত উপস্থিত হৈছিল। আজি খেলখন অনুষ্ঠিত হয় যদিও দৰ্শকৰ উপস্থিতি সেৰেঙা হৈ ৰয়। খেল উপভোগ কৰিবলৈ শ্বিলঙত উপস্থিত হোৱা বহু লোক নিৰাপত্তাজনিত কাৰণত হোটেলতে সোমাই থাকে। আনহাতে, বহু লোক অসমৰ যোৱাবাটত আবদ্ধ হৈ ৰয়। কাৰণ শ্বিলঙত কৰা আক্ৰমণৰ প্ৰতিবাদত আজি অসম ৰাজ্যিক চালক সন্থাই যোৱাবাটত তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰে। সম্প্ৰতি মেঘালয়ৰ পৰিস্থিতি নিয়ন্ত্ৰণাধীন যদিও ঠায়ে ঠায়ে উত্তেজনা অব্যাহত আছে। আৰক্ষীয়ে প্ৰতিবাদৰ সময়ত তাণ্ডৱ চলোৱা দুৰ্বৃত্তৰ সন্ধানত অভিযান তীব্ৰতৰ কৰিছে।

কালিৰ ঘটনাটোৰ প্ৰতিক্ৰিয়া স্বৰূপে শ্বিলঙৰ পৰ্যটন খণ্ডটোত আজি বৃহৎ মাধমাৰ পৰে। শ্বিলঙৰ লগতে মেঘালয়ৰ মুখ্য পৰ্যটনস্থলীসমূহত অৱস্থিত হোটেল আৰু হোমষ্টেবোৰত কৰা আগতীয়া বুকিং গ্ৰাহকে বাতিল কৰে। ইয়াকে লৈ পুনৰ উদ্বিগ্ন হৈ পৰিছে মেঘালয়ৰ পৰ্যটন খণ্ডৰ লগত জড়িতসকল।

# উত্তেজনা নাশ কৰি শান্তি ঘূৰাই অনাৰ

*এক পৃষ্ঠাৰ পৰা* আৰু মেঘালয়ৰ দুই মুখ্যমন্ত্ৰীয়ে। এই ঘটনাক কেন্দ্ৰ কৰি দুয়োখন ৰাজ্যৰ মাজত পৰিস্থিতি ক্ৰমে জটিল হৈ উঠাৰ সময়তে বিষয়টোক লৈ দুই মুখ্যমন্ত্ৰী আলোচনাত মিলিত হয়। পাছত এই কথা সদৰী কৰি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যমত কয়, 'অসম আৰু মেঘালয় হৈছে ভগ্নী ৰাজ্য আৰু দুয়োখন ৰাজ্যৰ মাজত এক গভীৰ ঐতিহাসিক, সাংস্কৃতিক আৰু একতাৰ সম্পৰ্ক আছে। পাৰস্পৰিক সন্মান, সংযম আৰু সংবেদনশীলতাই সকলো সময়তে আমাক পথ প্ৰদৰ্শন কৰিব লাগিব। আমাৰ মাজৰ সম্পৰ্কৰ সাকাৰ ৰূপ দিয়া সম্প্ৰীতি, বন্ধুত্ব আৰু সদিচ্ছা অটুট ৰখাৰ বাবে আমি আমাৰ সামৰ্থ্যৰ ভিতৰত সকলোখিনি কৰিব লাগিব।' অসমত পঞ্জীয়নকৃত যানবাহনৰ ক্ষতিসাধনৰ বিষয়টো মুখ্যমন্ত্ৰী কনৰাড চাংমাক অৱগত কৰা বুলি ড° শৰ্মাই সদৰী কৰে। একেদৰে মুখ্যমন্ত্ৰী চাংমাই কয়, 'আমি দুয়ো মুখ্যমন্ত্ৰীয়ে পৰিস্থিতি স্বাভাৱিক কৰাৰ বাবে একেলগে কাম কৰিবলৈ সন্মতি প্ৰকাশ কৰিলো। এই উদ্দেশ্যে নিয়োজিত অসম আৰু মেঘালয়ৰ মন্ত্ৰীসকলে শান্তি, আস্থা আৰু স্বাভাৱিক অৱস্থা ঘূৰাই অনাৰ বাবে আলোচনা কৰিব।' লগতে তেওঁ শান্তি, সম্প্ৰীতি আৰু সংযম বৰ্তাই ৰাখিবলৈ দুয়োখন ৰাজ্যৰ জনতাৰ প্ৰতি আহ্বান জনাই কয়, 'অসম আৰু মেঘালয়ৰ মাজত গভীৰ বান্ধোন আছে আৰু এই বান্ধোন ৰক্ষা কৰিবলৈ আমি একেলগে কাম কৰিব লাগিবই।'

# অসমসহ বাংলাদেশ-পাক সীমান্তৰ

*এক পৃষ্ঠাৰ পৰা* নাগৰিকত্ব প্ৰদানৰ ব্যৱস্থা কৰা হৈছে। কেন্দ্ৰীয় গৃহ মন্ত্ৰণালয়ৰ এই নিৰ্দেশনা অসম, গুজৰাট, ৰাজস্থান, পঞ্জাৱ, পশ্চিমবংগ, ত্ৰিপুৰা, জম্মু-কাশ্মীৰ আৰু লাডাখত প্ৰযোজ্য হ'ব। অৱশ্যে অসম আৰু ত্ৰিপুৰাৰ জনজাতি অধ্যুষিত অঞ্চলসমূহত এই নিৰ্দেশনা বলৱৎ নহ'ব। এই অঞ্চলসমূহক বাদ দি সমগ্ৰ অসমৰ লগতে উক্ত ৰাজ্যসমূহত সংশ্লিষ্ট জিলা আয়ুক্তসকলে চুবুৰীয়া এই তিনি দেশৰ পৰা অহা ধৰ্মীয় সংখ্যালঘুক ভাৰতীয় নাগৰিকত্ব প্ৰদান কৰিব পাৰিব। ইয়াৰ পূৰ্বে এই ক্ষমতা জিলা পৰ্যায়ৰ সমিতি আৰু ক্ষমতাসম্পন্ন সমিতিসমূহৰ হাতত আছিল। সেই অনুসৰি বৰ্তমানেও এই সমিতিসমূহৰ হাতত নাগৰিকত্বৰ বাবে জনোৱা আবেদন পৰি আছে। পৰি থকা আবেদনো সংশ্লিষ্ট জিলা আয়ুক্তসকললৈ হস্তান্তৰৰ নিৰ্দেশনা দিছে কেন্দ্ৰীয় গৃহ মন্ত্ৰণালয়ে। এই নিৰ্দেশনা জাৰিৰ লগে লগে 'কা' সম্পৰ্কীয় কেন্দ্ৰীয় গৃহ মন্ত্ৰণালয়ৰ যোৱা ফেব্ৰুৱাৰী আৰু মাৰ্চৰ নিৰ্দেশনা বাতিল হৈছে।

**কি প্ৰক্ৰিয়াৰে জিলা আয়ুক্তসকলে প্ৰদান কৰিব নাগৰিকত্ব**

'কা'ৰ অধীনত নাগৰিকত্ব লাভৰ বাবে পূৰ্বে জিলা পৰ্যায়ৰ আৰু ক্ষমতাসম্পন্ন সমিতিক আবেদন দাখিল কৰিবলগীয়া হৈছিল। এই সমিতিসমূহে আবেদনপত্ৰ গ্ৰহণ, পৰীক্ষণ আৰু নিষ্পত্তি কৰিছিল। কালি গৃহ মন্ত্ৰণালয়ে জাৰি কৰা নিৰ্দেশনা অনুসৰি এতিয়াৰে পৰা জিলা আয়ুক্তসকলে নাগৰিকত্ব আইনৰ ৬(বি) ধাৰাৰ অধীনত আবেদন গ্ৰহণ, পৰীক্ষণ আৰু নিষ্পত্তি কৰিব। প্ৰয়োজনত জিলা আয়ুক্তই আবেদনকাৰীৰ সম্পৰ্কত কোনো তদন্ত কৰিব পাৰিব। তদুপৰি জিলা আয়ুক্তই আবেদনকাৰীক আনুগত্যৰ শপতগ্ৰহণ কৰাব আৰু আবেদনকাৰীজনক নাগৰিকত্বৰ বাবে অৰ্হতা আছে নে নাই সেয়া পৰীক্ষণ কৰিব। এই সমূহ প্ৰক্ৰিয়াত সন্তুষ্ট হ'লে জিলা আয়ুক্তই সংশ্লিষ্ট আবেদনকাৰীক ভাৰতীয় নাগৰিকত্ব প্ৰদান কৰিব। অৱশ্যে আবেদনকাৰীজন সোঁশৰীৰে আবেদন দাখিলৰ বাবে উপস্থিত থাকিব নোৱাৰিলে আৰু শপতগ্ৰহণ কৰিব নোৱাৰিলে তেওঁৰ আবেদন জিলা আয়ুক্তই খাৰিজ কৰিব পাৰিব। উল্লেখ্য যে পূৰ্বে ক্ষমতাসম্পন্ন সমিতি আৰু জিলা পৰ্যায়ৰ সমিতিত কেন্দ্ৰীয় চৰকাৰৰ বিভিন্ন মন্ত্ৰণালয় তথা বিভাগৰ বিষয়াও আছিল। এই বিষয়াবৰ্গৰ মাজত লোকপিয়ল, চোৰাংচোৱা সংস্থা আইবি আৰু ডাক বিভাগৰ বিষয়া আছিল। গতিকে সম্প্ৰতি কেন্দ্ৰীয় গৃহ মন্ত্ৰণালয়ে দেশৰ নাগৰিকত্ব প্ৰদানৰ দৰে প্ৰক্ৰিয়াটোও তেনেই সৰল কৰাটো প্ৰতিপন্ন হৈছে। লক্ষ্যণীয়ভাৱে 'কা'ৰ হিতাধিকাৰীৰ তথ্য প্ৰকাশ কৰিবলৈ অস্বীকাৰ কৰি আহিছে কেন্দ্ৰীয় গৃহ মন্ত্ৰণালয়ে। উল্লেখ্য যে মোদী চৰকাৰে অনা 'কা' আইনৰ প্ৰধান লক্ষ্য পশ্চিমবংগ আছিল বুলি চৰ্চা হৈ আহিছে। গতিকে পশ্চিমবংগৰ ক্ষমতা বিজেপিৰ হাতলৈ অহাত মোদী চৰকাৰে এই আইনৰ অধীনত অমুছলমান শৰণাৰ্থীক নাগৰিকত্ব প্ৰদানৰ প্ৰক্ৰিয়া সৰল কৰি তোলাটো লক্ষ্যণীয় হৈছে। পশ্চিমবংগত ঘাইকৈ মাতুৱা সম্প্ৰদায়ৰ বাংলাদেশী মূলৰ বহু হিন্দু লোক নাগৰিকত্ববিহীনভাৱে আছে। সম্প্ৰতি বিজেপি চৰকাৰে এইসকলক নাগৰিকত্ব প্ৰদানৰ প্ৰক্ৰিয়াটো সৰল কৰা বুলি ব্যাপক চৰ্চা হৈছে।

**নাগৰিকত্ব বিষয়ৰ স'তে জড়িত হ'ব আঠ ৰাজ্যৰ চৰকাৰো**

দেশৰ নাগৰিকত্ব বিষয়টো হৈছে ভাৰতীয় সংবিধানৰ কেন্দ্ৰীয় তালিকাত অন্তৰ্ভুক্ত এটা বিষয়। সম্প্ৰতি এই নাগৰিকত্ব বিষয়ৰ স'তে ৰাজ্যসমূহো জড়িত হ'ব। কাৰণ জিলা আয়ুক্ত কাৰ্যালয়সমূহত নাগৰিকত্ব আবেদনৰ পৰীক্ষণৰ বাবে স্থানৰ ব্যৱস্থা কৰিব লাগিব ৰাজ্য চৰকাৰসমূহে। একেদৰে আৰক্ষীৰ পৰীক্ষণো ৰাজ্য চৰকাৰসমূহৰ দ্বাৰাই হ'ব।

# মৰুভূমি সৃষ্টিৰ সময়

*এক পৃষ্ঠাৰ পৰা* ধনী হোৱাসকল মৰুভূমিৰ মাজত পানী বিচাৰি ঘূৰি ফুৰিব।

ক'লৈ যাব অসমৰ ধনী মানুহবিলাক? কি কৰিব বনধ্বংস কৰি সদাগৰ হোৱা নেতা- বিষয়াসকল?

সম্প্ৰতি অসমৰ মিডিয়াত কাজিৰঙাৰ সংকোচন আৰু কয়লা খনিবোৰত চলি থকা অবৈধ খননৰ বিতৰ্ক চলি আছে। এই বিতৰ্কৰ স'তে হৈ যোৱা অভূতপূৰ্ব বান পৰিস্থিতিৰ ওতঃপ্ৰোত সম্পৰ্ক আছে। বন আৰু বন্যপ্ৰাণী ধ্বংসৰ পৰিণাম অত্যন্ত ভয়ানক হ'ব পাৰে এই কথা আন্তৰ্জাতিক পৰ্যায়ত প্ৰমাণিত হৈ আছে। এই কাৰ্য কেৱল প্ৰকৃতিৰেই ক্ষতি নকৰে, বৰঞ্চ মানৱ সভ্যতাৰ অস্তিত্বলৈকো সংকট কঢ়িয়াই আনে। ২০২৬ৰ জুলাই আৰু আগষ্টত উজনি অসমত (বিশেষকৈ শিৱসাগৰ, চৰাইদেউ, যোৰহাট আৰু গোলাঘাটত) হোৱা অভূতপূৰ্ব আৰু ভয়ংকৰ বানপানীৰ মূল কাৰণ কেৱল বৰষুণেই নাছিল। গোলকীয় গৱেষণা সংস্থা World Weather Attribution (WWA) আৰু ভাৰতৰ আগশাৰীৰ নদী বিশেষজ্ঞসকলৰ মতে, নগালেণ্ড আৰু অৰুণাচল প্ৰদেশৰ পাহাৰীয়া অঞ্চলত হোৱা ব্যাপক বনধ্বংস আৰু অনিয়ন্ত্ৰিত খনন কাৰ্যই এই বানৰ তীব্ৰতা বহুগুণে বৃদ্ধি কৰিলে। পাহাৰৰ বনধ্বংসই কেনেকৈ উজনি অসমত এই ধ্বংসলীলা চলালে সেই কথা সহজে বুজিব পাৰি। নগালেণ্ড (যেনেঃ মন জিলা) আৰু অৰুণাচলৰ পাহাৰীয়া ঢালবোৰৰ পৰা গছ কাটি চাফা কৰাৰ ফলত মাটিৰ পানী ধৰি ৰখাৰ ক্ষমতা (Water holding capacity) নষ্ট হৈ পৰে। যেতিয়া ১৮ ৰ পৰা ২০ জুলাইৰ ভিতৰত নগালেণ্ডৰ পাহাৰত প্ৰায় ২৩৯ মিলিমিটাৰ পৰ্যন্ত প্ৰচণ্ড বৰষুণ হৈছিল, গছ নথকা উদং পাহাৰৰ বাবে সেই পানী শুহি ল'ব নোৱাৰিলে। ফলত পানী তীব্ৰ বেগেৰে তললৈ নামি আহে। গছৰ শিপাই মাটি খামোচ মাৰি ৰাখে। কিন্তু বনধ্বংস আৰু কয়লা তথা শিলৰ অবৈধ খননৰ বাবে পাহাৰৰ মাটি ঢিলা হৈ পৰে। তীব্ৰ পানীৰ সোঁতে পাহাৰৰ পৰা বিপুল পৰিমাণৰ বোকামাটি, গছ-গছনি আৰু পলস উটুৱাই লৈ আহে। এই পলসে উজনি অসমৰ দিখৌ, দিচাং, জাঁজী আৰু ধনশিৰিৰ দৰে উপনদীসমূহৰ বুকু বাম কৰি পেলায়, যাৰ ফলত নদীকেইখনে অতিৰিক্ত পানী ধৰি ৰাখিব নোৱাৰি পাৰ বাগৰি পৰে।

কৃত্ৰিম মথাউৰি আৰু গাঁথনিগত বিফলতা বানপানীৰ আন এক কাৰণ। ক্ৰমাগতভাৱে নদীৰ তলি ওপৰলৈ উঠি অহাৰ বাবে অসমৰ পুৰণি মথাউৰিবোৰে পানীৰ চাপ সহ্য কৰিব নোৱৰা হৈছে। বহু ঠাইত মথাউৰি ভাঙি বা মথাউৰিৰ ওপৰেৰে পানী বাগৰি আহি সাধাৰণতে বানপানী নোহোৱা অঞ্চলসমূহকো মুহূৰ্তৰ ভিতৰতে বুৰাই পেলালে। আন্তঃৰাষ্ট্ৰীয় নদী বিশেষজ্ঞ আৰু আইআইটি ৰুৰকীৰ প্ৰাক্তন অধ্যাপক নয়ন শৰ্মাই নিজৰ প্ৰতিবেদনত স্পষ্টকৈ উল্লেখ কৰিছে যে, প্ৰাকৃতিক জল নিষ্কাসন ব্যৱস্থাটো ধ্বংস হোৱাৰ মূল কাৰণেই হ'ল উজনিৰ ৰাজ্যকেইখনত হোৱা পৰিৱেশৰ অৱক্ষয়। ভৌগোলিক অৱস্থানৰ বাবে বৰষুণ পাহাৰত হৈছে যদিও তাৰ সৰ্বনাশী পৰিণাম ভোগ কৰিবলগীয়া হৈছে অসমৰ ভৈয়ামৰ ৰাইজ আৰু কৃষিখণ্ডই, বন আৰু বন্যপ্ৰাণী ধ্বংসৰ পৰিণাম অত্যন্ত ভয়ানক হ'ব পাৰে। ই কেৱল প্ৰকৃতিৰেই ক্ষতি নকৰে, বৰঞ্চ মানৱ সভ্যতাৰ অস্তিত্বলৈকো সংকট কঢ়িয়াই আনে। পৃথিৱীৰ বিভিন্ন প্ৰান্তত বন আৰু বন্যপ্ৰাণী ধ্বংসৰ কিছুমান ভয়াবহ উদাহৰণ আছে। ব্ৰাজিলৰ আমাজান বৰ্ষাৰণ্যক পৃথিৱীৰ হাঁওফাঁও বুলি জনা যায়। পৃথিৱীৰ বায়ুমণ্ডললৈ আমাজান বৰ্ষাৰণ্যই অক্সিজেন যোগান ধৰে আৰু কাৰ্বন ডাই অক্সাইড শোষণ কৰে। বিভিন্ন কাৰণত আমাজানৰ বৃহৎ অংশ ধ্বংস কৰাৰ ফলত এতিয়া কাৰ্বন গেছ শুহি লোৱাৰ পৰিৱৰ্তে অধিক কাৰ্বন নিৰ্গমন কৰিবলৈ আৰম্ভ কৰিছে। ইয়াৰ ফলত গোলকীয় উষ্ণতা দ্ৰুতগতিত বৃদ্ধি পাইছে।

আফ্ৰিকাৰ চাহেল অঞ্চল ধ্বংস আন এক ভয়ংকৰ উদাহৰণ। এই অঞ্চলত ব্যাপক হাৰত গছ-গছনি কটাৰ ফলত ছাহাৰা মৰুভূমিৰ পৰিসৰ বাঢ়ি গৈছে। মাটিৰ উৰ্বৰতা সম্পূৰ্ণ হেৰাই যোৱাৰ বাবে লাখ লাখ মানুহ খাদ্য আৰু পানীৰ চৰম সংকটত ভুগিছে। চাহেল অঞ্চলৰ পৰিৱেশ ধ্বংসৰ ফলাফল অতি ভয়াবহ। আফ্ৰিকাৰ চাহেল অঞ্চলত পৰিৱেশ ধ্বংস আৰু মৰুভূমিকৰণৰ ফলত মাটিৰ উৰ্বৰতা হ্ৰাস পাইছে, খাদ্য সংকট আৰু তীব্ৰ খৰাং দেখা দিছে। ইয়াৰ ফলত জীৱনৰ নিৰাপত্তাহীনতা, দৰিদ্ৰতা আৰু জলবায়ু অনুপযোগী পৰিস্থিতিত মানুহৰ প্ৰব্ৰজন বৃদ্ধি পাইছে। মাটি ক্ষয় আৰু মৰুভূমিকৰণ বিভিন্ন ঠাইত বৃদ্ধি হৈছে। গছ-গছনি কটা আৰু অত্যধিক পশুধন পোহাৰ ফলতো উৰ্বৰ মাটি খহি মৰুভূমি সম্প্ৰসাৰিত হৈছে। বনধ্বংসৰ ফলত খাদ্যৰ নাটনি আৰু জল সংকটৰ সৃষ্টি হৈছে। কৃষি উৎপাদন হ্ৰাস পোৱাৰ বাবে তীব্ৰ খাদ্যৰ অভাৱ, ক্ষুধা আৰু খোৱাপানীৰ নাটনি ঘটিছে।

প্ৰকৃততে বনধ্বংসই এক ভয়াবহ আৰ্থ-সামাজিক সংকট সৃষ্টি কৰে। বিভিন্ন ঠাইত বনধ্বংসৰ ফলত কৃষক আৰু পশুপালকসকলৰ আয় হ্ৰাস পাইছে, যিয়ে দৰিদ্ৰতা আৰু নিবনুৱা সমস্যা বঢ়াইছে। বনধ্বংসৰ স'তে জড়িত হৈ আছে বিভিন্ন ধৰণৰ সামাজিক সংঘাত আৰু প্ৰব্ৰজন। সীমিত পানী আৰু ঘাঁহনি পথাৰৰ বাবে বিভিন্ন সম্প্ৰদায়ৰ মাজত সংঘাত বাঢ়িছে আৰু মানুহ বাধ্য হৈ স্থানচ্যুত হৈছে। আটাইতকৈ ডাঙৰ কথাটো হ'ল প্ৰাকৃতিক পৰিৱেশ ধ্বংসৰ ফলত নতুন মহামাৰীৰ সৃষ্টি। আফ্ৰিকাৰ কংগো অববাহিকা আৰু দক্ষিণ-পূব এছিয়াৰ বিভিন্ন ঠাইত ভয়ংকৰভাৱে বনাঞ্চল ধ্বংস হৈছে। ইয়াৰ ফলত বাদুলী, নিগনি বা অন্যান্য বন্যপ্ৰাণী মানুহৰ সংস্পৰ্শলৈ আহিছে। ফলত ইবোলা, ক'ভিড-১৯ আৰু জিকাৰ দৰে মাৰাত্মক ভাইৰাছ মানুহৰ দেহলৈ বিয়পি পৰিছে। অসম আৰু বাংলাদেশৰ বান আৰু খহনীয়া বিশ্ববিখ্যাত। হিমালয়ৰ পাদদেশ আৰু পাহাৰীয়া অঞ্চলসমূহত গছ কটাৰ ফলত বাৰিষা কালত নদীসমূহে পলস কঢ়িয়াই আনি এই অঞ্চলৰ নদীৰ তলি বাম কৰি পেলাইছে। ইয়াৰ ফলত প্ৰতি বছৰে নামনি অঞ্চলত ভয়াবহ বানপানী আৰু খহনীয়াৰ সৃষ্টি হয়। প্ৰাকৃতিক ভাৰসাম্যহীনতা আৰু প্ৰজাতি বিলুপ্তি বনধ্বংসৰ আন এক ভয়াবহ কুফল। প্ৰাকৃতিক পৰিৱেশৰ অৱনতিৰ ফলত কোনো কোনো ঠাইত ভয়ংকৰ বনজুইৰ সৃষ্টি হয়। অষ্ট্ৰেলিয়াৰ বনজুই বিশ্ববিখ্যাত। বতৰ সলনিৰ বাবে সৃষ্টি হোৱা ভয়াবহ বনজুইত অষ্ট্ৰেলিয়াৰ কোটি কোটি বন্যপ্ৰাণী (যেনে কোৱালা, কেংগাৰু) জীৱন্তে অগ্নিদগ্ধ হৈ মৰিছে। বহুতো আপুৰুগীয়া প্ৰজাতি পৃথিৱীৰ বুকুৰ পৰা চিৰদিনৰ বাবে হেৰাই গ'ল। মাজতে অসমত পাম তেলৰ খেতি আৰম্ভ কৰাৰ প্ৰতিবাদ সৃষ্টি হৈছিল। পাম ফাৰ্মিঙে পৰিৱেশৰ ওপৰত এক ভয়াবহ প্ৰভাৱ পেলায়। বৰ্নিঅ' দ্বীপ (ইণ্ডোনেছিয়া)ত পাম তেলৰ খেতিৰ বাবে ইয়াৰ বনাঞ্চল ধ্বংস কৰাৰ ফলত কেৱল ওৰাংওটাঙৰ বাসস্থান নষ্ট হোৱাই নহয়, বৰঞ্চ বনাঞ্চলৰ ওপৰত নিৰ্ভৰ কৰা থলুৱা আদিবাসীসকল নিজৰ ভেটিৰ পৰা উচ্ছেদ হ'বলগীয়া হৈছে। চমুকৈ ক'বলৈ গ'লে, বন ধ্বংসৰ অৰ্থ হৈছে আমাৰ নিজৰ ভৱিষ্যতক অন্ধকাৰলৈ ঠেলি দিয়া।

আমাজান অঞ্চলৰ বনধ্বংসই যোৱা পাঁচটা দশকত পৃথিৱীৰ আটাইতকৈ চহকী জৈৱ বৈচিত্ৰ্যক এক ভয়াবহ বিলুপ্তিৰ সংকটলৈ ঠেলি দিছে। ১৯৭০ৰ পৰা বৰ্তমানলৈকে কেৱল ব্ৰাজিলৰ অংশতে ফ্ৰান্স দেশতকৈও ডাঙৰ বনাঞ্চল ধ্বংস কৰা হৈছে। ইয়াৰ ফলত হেজাৰ হেজাৰ বিৰল প্ৰজাতিৰ বন্যপ্ৰাণী চিৰদিনৰ বাবে পৃথিৱীৰ বুকুৰ পৰা হেৰাই গৈছে বা বিলুপ্তিৰ পথত গতি কৰিছে। বনধ্বংস আৰু বন্যপ্ৰাণী বিলুপ্তিৰ ঐতিহাসিক ক্ৰমবিকাশ ১৯৭০-১৯৮০ দশক (আৰম্ভণি পৰ্যায়) ব্ৰাজিল চৰকাৰে আমাজানৰ মাজেৰে 'ট্ৰান্স-আমাজানিয়ান হাইৱে' নিৰ্মাণ কৰাৰ ফলত বনাঞ্চল টুকুৰা-টুকুৰ হ'বলৈ আৰম্ভ কৰে। ইয়াৰ ফলত প্ৰথমবাৰৰ বাবে বন্যপ্ৰাণীৰ প্ৰাকৃতিক বাসস্থান ধ্বংস হয়। ১৯৯০ দশক (ঔদ্যোগিক সম্প্ৰসাৰণ)ঃ এই সময়ছোৱাত গৰু চৰোৱা আৰু চয়াৰ খেতিৰ বাবে ব্যাপক হাৰত হাবি জুই লগাই চাফা কৰা হয়। ইয়াৰ ফলত মাটিৰ তলত থকা কীট-পতংগৰ পৰা আৰম্ভ কৰি ডাঙৰ স্তন্যপায়ী প্ৰাণীলৈকে সকলোৱে বাসস্থান হেৰুৱায়। ২০০০-২০১০ দশকত তীব্ৰ ধ্বংসলীলা চলোৱা হয়। ২০০৩ত ইতিহাসৰ ভিতৰত আটাইতকৈ বেছি (প্ৰায় পাঁচ মিলিয়ন হেক্টৰ) বনাঞ্চল ধ্বংস কৰা হয়। বিজ্ঞানীসকলৰ মতে, এই সময়ছোৱাত বহুতো এনে প্ৰজাতি বিলুপ্ত হৈছিল যিবোৰৰ বিষয়ে বিজ্ঞানে অধ্যয়ন কৰিবলৈকে সুযোগ পোৱা নাছিল। ২০১৯-২০২১ত ব্ৰাজিলৰ তদানীন্তন চৰকাৰৰ পৰিৱেশ নীতিৰ শিথিলতাৰ বাবে আমাজানত অভিলেখ সংখ্যক বনজুই লাগে। কেৱল ২০১৯ তে লগা জুইৰ ফলত আমাজানৰ প্ৰায় ৯৫ শতাংশ প্ৰজাতি কোনো নহয় কোনো ধৰণে প্ৰভাৱিত হৈছিল।

আমাজানৰ প্ৰায় ২০ শতাংশ অৰণ্য ইতিমধ্যে সম্পূৰ্ণৰূপে ধ্বংস হৈছে, যাৰ ফলত জীৱ-জন্তুৰ খাদ্য আৰু আশ্ৰয়স্থল নাইকিয়া হৈছে। পথ আৰু বান্ধ নিৰ্মাণৰ বাবে অৰণ্যসমূহ সৰু সৰু ভাগত বিভক্ত হৈ পৰিছে, যাৰ ফলত প্ৰাণীসমূহে বংশবৃদ্ধিৰ বাবে এঠাইৰ পৰা আন ঠাইলৈ যাব নোৱাৰে। বনাঞ্চল মুকলি হোৱাৰ লগে লগে চোৰাং চিকাৰী আৰু বন্যপ্ৰাণীৰ অবৈধ ব্যৱসায়ীসকলৰ বাবে দুৰ্গম অঞ্চলসমূহলৈ যোৱাটো সহজ হৈ পৰিছে। পৰিৱেশ ধ্বংসৰ বাবে পৃথিৱীৰ অৰণ্যৰ পৰা বিভিন্ন সময়ত বিভিন্ন ঠাইত বিভিন্ন বন্যপ্ৰাণী বিলুপ্ত হৈছে।

জাগুৱাৰ বাসস্থান ধ্বংস আৰু চিকাৰৰ বাবে ইহঁতৰ সংখ্যা দ্ৰুতগতিত হ্ৰাস পাইছে। গোলপীয়া নদীৰ ডলফিন নদীৰ প্ৰদূষণ আৰু জলবিদ্যুৎ প্ৰকল্পৰ বান্ধৰ বাবে বিলুপ্তিৰ গৰাহত। স্পাইডাৰ মাংকী ওখ গছবোৰ কাটি পেলোৱাৰ বাবে বাসস্থান হেৰুৱাই বিপদাপন্ন হৈ পৰিছে। হাইলেণ্ড মেকাও গছৰ টোং বা বাসস্থান ধ্বংস হোৱাৰ বাবে এই ধুনীয়া চৰাইবিধৰ অস্তিত্ব সংকটাপন্ন।

এনেকৈয়ে যদি এদিন অসমৰ এটা খৰ্গৰ গঁড়টোও চিৰদিনৰ বাবে নাইকিয়া হৈ যায়। যদি নাইকিয়া হৈ যায় কাজিৰঙাৰ বিভিন্ন আপুৰুগীয়া বন্যপ্ৰাণীসমূহ। যদি উপৰ্যুপৰি বানত নিচিহ্ন হৈ যায় অসমৰ গাঁওসমূহ বিলুপ্ত হৈ যায় অসমীয়া জাতিৰ সভ্যতা? তেতিয়া কাঠ বেচি ধনী হোৱা, কয়লা বেচি ধনী হোৱাসকল মৰুভূমিৰ মাজত পানী বিচাৰি ঘূৰি ফুৰিব।

*ফোন ঃ ৯৮৬৪০-২০১১২*

# কামপুৰত নিশাৰী নৈৰ ব্যাপক খহনীয়া ঃ ৰাইজৰ হাহাকাৰ



**অগ্ৰদূত বাৰ্তা**
**কচুৰা, ২০ আগষ্ট ঃ** ৰাজ্যৰ বিভিন্ন ঠাইত বান আৰু খহনীয়াই ভয়াৱহ ৰূপ ধাৰণ কৰিছে । ইতিমধ্যেয়ে খহনীয়াৰ কবলত পৰি বহুতে ভেঁটি-মাটি হেৰুৱাইছে । বহু ঠাইত শিক্ষানুষ্ঠান আদি নদীৰ বুকুত জাহ গৈছে । নগাঁও জিলাৰ কামপুৰ ৰাজহ চক্ৰৰ অন্তৰ্গত তেতেলীসৰাতো নিশাৰী নৈয়ে ব্যাপক খহনীয়া সৃষ্টি কৰাত নৈপৰীয়া কে'বাটাও পৰিয়াললৈ অশনি সংকেত কঢ়িয়াই আনিছে। নিশাৰী দলঙৰ কাষতে নৈৰ পূব দিশত হোৱা ব্যাপক খহনীয়াৰ ফলত গছ-বাঁহ আদি নৈৰ বুকুত জাহ গৈছে । বিগত বহু বছৰ ধৰি খহনীয়া অব্যাহত থকাৰ পাছত শেহতীয়াভাৱে যোৱা এটা বছৰত খহনীয়াই ব্যাপক ৰূপ ধাৰণ কৰিছে। সেইবাবে এই পৰিয়ালকেইটা চিন্তান্বিত হৈ পৰিছে । স্থানীয় ৰাইজে নিশাৰী নৈৰ দুয়োপাৰে মথাউৰি নিৰ্মাণৰ বাবে দাবী জনাই আহিছে। নৈখনৰ পশ্চিম পাৰে মথাউৰি হ'ল যদিও পূব পাৰে মথাউৰি নিৰ্মাণ নকৰা বাবেই এই খহনীয়াই ব্যাপক ৰূপ ধাৰণ কৰিছে । স্থানীয় ৰাইজে বহুবাৰ বঢ়মপুৰ সমষ্টিৰ বিধায়ক জিতু গোস্বামীক এই খহনীয়া সম্পৰ্কত আবেদন নিবেদন কৰিছে যদিও আজিলৈকে কোনো সুফল লাভ কৰা নাই । এই সম্পৰ্কত তেতেলীসৰাৰ এজন স্থানীয় ব্যক্তি সঞ্জীৱ বৰাই সংবাদ মাধ্যমৰ আগত কয়, এইটো বঢ়মপুৰ সমষ্টিৰ তেতেলীসৰা পঞ্চায়তৰ পাঁচ নম্বৰ ৱাৰ্ড । আমি ইয়াৰ স্থায়ী বাসিন্দা । বছৰি বছৰি এই গৰাটো খহি আছে। আমি যোৱা বছৰেই বিধায়কক অৱগত কৰি আহিছো। নদীৰ সিপাৰে যিটো খহনীয়া আছিল এখন খেলপথাৰক সুৰক্ষা দিবলৈ গৈ বান্ধ নিৰ্মাণ কৰিলে । ফলত পানী এই পাৰলৈ আহিল। সেইবাবে এই গছ খহি ঘৰৰ পিৰালি পালেহি । এয়া আমাৰ ম্যাদীপট্টাৰ মাটি। আমি সৰুৰে পৰা দেখিছো ইয়াত এখন ডাঙৰ ঠাই আছিলে । বছৰে বছৰে খহিয়েই আছে । এইখিনিৰ পৰা আগলৈ প্ৰায় এশ মিটাৰ ওপৰত হ'ব । আমি বিমোৰত পৰিছো। ভৱিষ্যতে আমি ইয়াৰ পৰা যাব লগা হ'ব পাৰে । তেওঁ আৰু কয়, 'এই খহনীয়া যোৱা বছৰৰ পৰা বেছি হৈছে। যোৱা বছৰ আমি বিধায়কক অৱগত কৰিছিলো আৰু তেওঁ আশ্বাসো দিছিলে; কিন্তু বিভাগীয় কৰ্তৃপক্ষই কি হৈছে কি নাই হোৱা অজিলৈকে চাবলৈয়ে নাহিলে । এতিয়া গছ-বাঁহগছ খহি গৈছে । যোৱা বছৰো গছ খহি এফাল গুচি গ'ল, তিনি-চাৰিদিনৰ আগত এইখিনি খহিছে । আজিও লাহে লাহে খহি গৈ আছে, ২০-৩০ ফুট আছে পিৰালিৰ কাষ পাবলৈ ।'

# বন্যাৰ্তৰ কাষত শিৱসাগৰৰ একালৰ ছাত্ৰই প্ৰদান কৰিলে সামগ্ৰী



**বিশেষ সংবাদদাতা**
**শিৱসাগৰ, ২০ আগষ্ট ঃ** আজিৰে পৰা ১৩টা বছৰৰ পূৰ্বে অৰ্থাৎ ২০১৩ত শিৱসাগৰত অসমৰ ভিতৰতে পোন প্ৰথম বাৰলৈ আৰম্ভ হৈছিল সমবায় বিশ্ববিদ্যালয়ৰ পাঠ্যক্ৰম। অসমৰ বহু জিলাৰ লগতে বৰাক উপত্যকাৰ কৰিমগঞ্জৰ দুজন ছাত্ৰই প্ৰথম বৰ্ষত নামভৰ্তি কৰিছিল। এ টি ৰোডৰ কাষৰ এটি ভাড়াঘৰত পাঠদান আৰম্ভ হোৱা ৰাজীৱ গান্ধী সমবায় বিশ্ববিদ্যালয়ৰ ছাত্ৰ দুজনে পঢ়াৰ লগতে শিৱসাগৰবাসীৰ মৰমত আপ্লুত হৈছিল। শিৱদৌল ৰংঘৰ-কাৰেংঘৰ নেদেখা ছাত্ৰ দুজনে আহোমৰ স্থাপত্য দেখি অভিভূত হৈছিল। গঢ় লৈছিল শিৱসাগৰৰ প্ৰতি অকৃত্ৰিম ভালপোৱা। তাহানিৰ সেই ছাত্ৰ দুজন আছিল ক্ৰমে কৰিমগঞ্জৰ দিলোৱাৰ হুছেইন আৰু শ্বাহনাৱাজ হুছেইন। পঢ়ি থাকোতেই দিলোৱাৰ ছাত্ৰ একতা সভাৰ সম্পাদকো হৈছিল। বছৰ ধৰি শিৱসাগৰত থকা ছাত্ৰ দুজনে যেতিয়া শিৱসাগৰ জিলাৰ প্ৰলয়ংকৰী বানৰ খবৰ শুনিলে সেই সময়ত তেওঁলোকে অধ্যয়ন কৰা ঠাই ডোখৰৰ মানুহখিনিৰ আৰ্তনাদ শুনি, সৰ্বস্বান্ত দেখি চকুলো ওলাইছিল। ছাত্ৰ দুজনে আন কেইবাজনো বন্ধুক লগত লৈ তেওঁলোকৰ সামাজিক আৰু স্বেচ্ছাসেৱী অনুষ্ঠান - (আমৰা কৰিমগঞ্জীৱ) যোগেদি আৰ্তজনক সহায়ৰ হাত আগবঢ়াবলৈ ঢাপলি মেলিলে শিৱসাগৰৰ বন্যাৰ্তৰ কাষলৈ। লগত খোৱা বস্তু-ঔষধ, ফিনাইল, ব্লিচিং পাউডাৰ, চাবোন-পানী-ছাতি-টৰ্চ আৰু স্কুলীয়া ছাত্ৰ ছাত্ৰীৰ বাবে স্কুল বেগ, পেঞ্চিল বক্স লৈ কাষ চাপিল চন্টক- বিহুবৰ (নেপালীখুঁটি), খাতপথাৰ, চিন্তামণিগড় আৰু জয়সাগৰ। তিনি দিন ৰাতিয়ে-দিনে আপোন ঠাইখনৰ বন্যাক্ৰান্তৰ কাষত থাকি সহমৰ্মিতা প্ৰকাশ কৰিলে। লগতে জয়সাগৰ বিশ্ববিদ্যালয়ৰ কাষৰ ৰাস্তাত বৰ্তমানেও শিবিৰত থকা প্ৰায় ৮টা পৰিয়ালক দি গল আৰ্থিক সাহায্য। তেওঁলোকৰ স্বেচ্ছাসেৱী অনুষ্ঠান (আমৰা কৰিমগঞ্জীৱ) হৈ শ্বাহনাৱাজ, দিলোৱাৰৰ লগতে যুৱ অধিবক্তা জুনেইদ চৌধুৰী, ব্যৱসায়ী তথা যুৱ সমাজকৰ্মী স্বাৱৰাৱ আহমেদ, মাহমুদ চৌধুৰী, জাভেদ আহমেদ আৰু আব্দুল মালিকে বন্যাৰ্তৰ কাষত থিয় দি সেৱা আগবঢ়ালে। ইফালে, এই অনুষ্ঠানৰ আটাইকেইজন যুৱক জড়িত ৰাজনৈতিক পথাৰখনত। শ্বাহনাৱাজ কংগ্ৰেছ দলৰ, দিলবাৰ 'জিলা পৰিষদ, কৰিমগঞ্জ', এজন অধিবক্তা, এজন বিজেপি দলৰ কাৰ্যনিৰ্বাহক আৰু এজন অগপৰ কেন্দ্ৰীয় নেতা। কিন্তু শিৱসাগৰৰ এই দুৰ্যোগৰ সময়ত তেওঁলোকে সেই ৰাজনৈতিক পৰিচয় বাদ দি একগোট হৈ আগবাঢ়িল মানৱ সেৱাৰ বাবে। 'কি বিজেপি', কি এজিপি 'কি কংগ্ৰেছ' 'আমৰা কৰিমগঞ্জীয়ে' দেখুৱাই দিলে বিপদত সকলো এক হৈ মানুহে মানুহৰ বাবে কৰিবই লাগিব আৰু মানৱ ধৰ্মই শ্ৰেষ্ঠ ধৰ্ম।

# মৰাণৰ ডোমৰদলঙত নৰম শ্ৰেণীৰ ছাত্ৰীক অপহৰণ কৰি ধৰ্ষণৰ অভিযোগ

## ছাত্ৰীগৰাকীৰ দেহত ইনজেকছনৰ জৰিয়তে চেতনানাশক প্ৰয়োগ কৰি অপহৰণ

**অগ্ৰদূত বাৰ্তা**
**খোৱাং, ২০ আগষ্ট ঃ** ৰাজ্যৰ বিভিন্ন প্ৰান্তৰত প্ৰতিদিনে সংঘটিত হৈছে মহিলা- যুৱতী নিৰ্যাতনৰ দৰে ঘটনা। অসম আৰক্ষীয়ে মহিলাৰ লগত সংঘটিত হোৱা সমাজক লজ্জিত কৰা ঘটনা সমূহ ৰোধ কৰিবলৈ চেষ্টা অব্যাহত ৰাখিছে যদিও বিশেষ সফল হ'ব পৰা নাই। ইয়াৰ মাজতে মৰাণত নৰম শ্ৰেণীৰ ছাত্ৰীৰ স'তে সংঘটিত হ'ল ভয়ংকৰ ঘটনা। মঙলবাৰে নিশা ঘৰৰ সন্মুখৰ পৰাই ছাত্ৰীগৰাকীক অপহৰণ কৰি নি ধৰ্ষণ কৰাৰ অভিযোগ উঠিছে। অভিযোগ অনুসৰি ছাত্ৰীগৰাকীৰ দেহত ইনজেকছনৰ জৰিয়তে চেতনানাশক প্ৰয়োগ কৰি অপহৰণ কৰে ধৰ্ষণকাৰীয়ে। ঘটনা পোহৰলৈ অহা পাছতেই ভুক্তভোগী ছাত্ৰীগৰাকীৰ পৰিয়ালে মৰাণ আৰক্ষী থানাত ইতিমধ্যে এজাহাৰ দাখিল কৰিছে। পৰিয়ালৰ এজাহাৰৰ পাছতে অভিযুক্তৰ সন্ধানত অভিযান আৰম্ভ কৰে মৰাণ আৰক্ষীয়ে । মৰাণৰ আৰক্ষীয়ে তৎপৰতাৰে যোৱা ১৯ আগষ্টত অভিযান চলাই ধৰ্ষণকাণ্ডৰ মুল অভিযুক্ত সমীৰণ কোচ (১৯) ৰ লগতে তিনিজনক আটক কৰিছে। বৰ্তমান আৰক্ষীয়ে ধৃত তিনি যুৱকক সোধপোছ অব্যাহত ৰাখিছে। পৰিয়ালৰ লোকে জানিবলৈ দিয়া অনুসৰি চেতনানাশক প্ৰয়োগ কৰা বাবে অচেতন হৈ পৰা ছাত্ৰীগৰাকী অসুস্থ হোৱাত নিশাই বান্ধৱী এগৰাকীৰ ঘৰত উপস্থিত হৈছিল। তেতিয়াহে সমগ্ৰ ঘটনা সম্পৰ্কে অৱগত হয় পৰিয়ালে। বৰ্তমান ছাত্ৰীগৰাকী অসুস্থ হৈ পৰা বুলি জানিবলৈ দিছে পৰিয়ালে। ঘটনাক লৈ চৰাইদেউ জিলা ছাত্ৰ সন্থাৰ উপ-সভাপতি ভাস্কৰ বৰুৱাই মৰাণ আৰক্ষী থানাত উপস্থিত হৈ কয়, আমালৈ খবৰ আহিছিল যোৱা ১৮ আগষ্টত সন্ধিয়া মৰাণৰ এক নম্বৰ ডোমৰদলঙৰ এগৰাকী ছাত্ৰীক ঘৰৰ সন্মুখৰ পৰাই দুজন যুৱকে অপহৰণ কৰি নি গাঁৱৰে এটা পুখুৰীৰ পাৰত ধৰ্ষণ কৰিলে। ছাত্ৰগৰাকীৰ লগতে পৰিয়ালে এই কথা অৱগত কৰিছে । এই ঘটনাক মৰাণ আঞ্চলিক ছাত্ৰ সন্থাই তীব্ৰ ভাষাৰে গৰিহণা দিছে। এই ঘটনা উচিত তদন্ত কৰি এই কাণ্ড কৰা পাষণ্ড কেইটাক কঠোৰ শাস্তি প্ৰদান কৰিবলৈ দাবী জনাইছে।

# নগাঁৱত বিশ্ব আলোকচিত্ৰ দিৱসত প্ৰদৰ্শনী মুকলি

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**নগাঁও, ২০ আগষ্ট ঃ** 'কথাতে কয় যে, ছবিয়ে কেতিয়াও মিছা নকয়। আলোকচিত্ৰই সত্যক যথাৰ্থ ৰূপত তুলি ধৰে। আজি 'বিশ্ব আলোকচিত্ৰ দিৱস' উপলক্ষে নগাঁৱৰ প্ৰণব বৰুৱা কলাক্ষেত্ৰত অনুষ্ঠিত আলোকচিত্ৰ প্ৰদৰ্শনী এখন উদ্বোধন কৰি দিয়া ভাষণত জিলা আয়ুক্ত দেৱাশীষ শৰ্মাই এইদৰে কয়। তেওঁ আৰু কয় যে, আধুনিক কলা হিচাপেও আলোকচিত্ৰৰ গুৰুত্বপূৰ্ণ ভূমিকা আছে। ই আমাক সমাজৰ হকে, মানৱতাৰ হকে ভাবিবলৈ শিকাই, চিন্তাৰ খোৰাক যোগায়। ভিউফাইণ্ডাৰ ফটোগ্ৰাফী প্ৰতিষ্ঠান আৰু কেনন প্ৰতিষ্ঠানৰ যৌথ উদ্যোগত অনুষ্ঠিত এই আলোকচিত্ৰৰ প্ৰদৰ্শনী তথা কৰ্মশালাখন মুকলি কৰি দিয়া ভাষণত জিলা আয়ুক্তগৰাকীয়ে আলোকচিত্ৰ কলাৰ গুৰুত্ব আৰু সমাজত ইয়াৰ প্ৰভাৱৰ বিষয়ে আলোকপাত কৰে। অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকি নগাঁও পৌৰসভাৰ উপ-সভাপতি সীমান্ত বৰায়ো দুআষাৰ কয়। উল্লেখ্য যে, আজি আৰু কাইলৈ, অৰ্থাৎ ১৯ আৰু ২০ আগষ্টত দুদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত এই আলোকচিত্ৰ প্ৰদৰ্শনীখনি প্ৰতিদিনে পুৱা ১১ বজাৰ পৰা নিশা আঠ বজালৈ দৰ্শকসকলৰ বাবে মুকলি থাকিব। আয়োজক সকলে জানিবলৈ দিয়া মতে, এই প্ৰদৰ্শনীত দৃষ্টি আকৰ্ষণকাৰী আলোকচিত্ৰসমূহৰ উপৰি কেমেৰাৰ লাইভ ডেমক্স, কাৰিকৰী কৰ্মশালা, ফটো ৰিভিউ, প্ৰশ্নোত্তৰ খণ্ড আৰু বিভিন্ন ধৰণৰ আমোদজনক কাৰ্যসূচী অন্তৰ্ভুক্ত কৰা হৈছে। উদ্বোধনী অনুষ্ঠানত ভিউফাইণ্ডাৰৰ পৰিচালন সঞ্চালক নৃপেন শইকীয়াৰ লগতে ব্যৱস্থাপনা সমিতিৰ সদস্যসকল আৰু প্ৰদৰ্শনীত অংশগ্ৰহণ কৰা আলোকচিত্ৰশিল্পীসকল উপস্থিত থাকে।

# অধ্যয়ন আৰু গৱেষণা প্ৰতিষ্ঠানৰ প্ৰশংসনীয় পদক্ষেপ

## বানপীড়িত অঞ্চলৰ প্ৰাচীন পুথি সংৰক্ষণৰ বিশেষ ব্যৱস্থা

**অগ্ৰদূত বাৰ্তা**
**খোৱাং, ২০ আগষ্ট ঃ** মৰানস্থ টাই অধ্যয়ন আৰু গৱেষণা প্ৰতিষ্ঠানে বিগত কেইবাবছৰৰ পৰা ধাৰাবাহিকভাৱে হাতে লিখা ২০ হেজাৰো অধিক ঐতিহাসিক প্ৰাচীন পুথিসমূহৰ তালিকা প্ৰস্তুতকৰণকে ধৰি এইবিলাকৰ অৱস্থিতি নিৰ্ণয় কৰি বিজ্ঞানসন্মত পদ্ধতিৰে ডিজিটেল ৰূপত সংৰক্ষণ কৰি আহিছে। এই আপাহতে চৰাইদেউ, শিৱসাগৰ আৰু যোৰহাট জিলাৰ শেহতীয়া বানপানীৰ কবলত নষ্ট হোৱা ঐতিহাসিক সাঁচিপতীয়া আপুৰুগীয়া পুথিসমূহৰ মেৰামতি কৰি বৈজ্ঞানিক পদ্ধতিৰে সংৰক্ষণ কৰিবলৈ এই প্ৰতিষ্ঠানে বিশেষ পদক্ষেপ গ্ৰহণ কৰিছে। পূৰ্বপুৰুষে সাঁচি থৈ যোৱা অসমৰ প্ৰাচীন জ্ঞান-সংস্কৃতি আৰু ইতিহাস বিজড়িত সম্পদসমূহ কোনো কাৰণতে যাতে বিলুপ্তি নঘটে তাৰ বাবেই এই পদক্ষেপ হাতত লৈছে প্ৰতিষ্ঠানটোৱে। গতিকে বানপীড়িত অঞ্চলৰ পুথিৰ গৰাকীসকলৰ হাতত থকা সাঁচিপতীয়া পুথিসমূহ যদি নষ্ট হৈছে, তেন্তে প্ৰতিষ্ঠানৰ লগত যোগাযোগ কৰি সংৰক্ষণৰ সুবিধা গ্ৰহণ কৰিবলৈ অনুৰোধ জনাইছে প্ৰতিষ্ঠানৰ সঞ্চালক ড° গিৰিন ফুকনে। আনহাতে, প্ৰতিষ্ঠানটোৱে সংশ্লিষ্ট বানপীড়িত অঞ্চললৈ বিশেষভাৱে প্ৰশিক্ষণপ্ৰাপ্ত দল প্ৰেৰণ কৰি পুথিসমূহৰ উদ্ধাৰ কৰাৰ উপৰি ডিজিটেল পদ্ধতিৰে সংৰক্ষণৰ ব্যৱস্থা কৰিব। তদুপৰি আৱশ্যক অনুযায়ী পুথিসমূহ সযত্নে ৰাখিব বাবে একোটি ষ্টীলৰ বাকচৰ যোগান ধৰিবলৈ সিদ্ধান্ত লৈছে।

# প্ৰীতিৰেখা বৰুৱাৰ মৃত্যু



**বিশেষ সংবাদদাতা**
**শিৱসাগৰ, ২০ আগষ্ট ঃ** শিৱসাগৰ ফুকন নগৰৰ নিবাসী,ধৰ্মপ্ৰাণা মহিলা প্ৰীতিৰেখা বৰুৱা (৮৭)ৰ কালি ডিব্ৰুগড়ৰ এখন ব্যক্তিগত চিকিৎসালয়ত মৃত্যু হয়। তেওঁৰ মৃত্যুত অঞ্চলটোত শোকৰ ছাঁ পৰিছে। সৰবৰহী মহিলাগৰাকী শিৱসাগৰ জুনিয়ৰ টেকনিকেল স্কুলত চাকৰি কৰি অৱসৰ গ্ৰহণ কৰা তেওঁ জোনাকী চ'ৰা, ফুকন নগৰ নামঘৰ সমাজৰ লগতে জিলাখনৰ বিভিন্ন অনুষ্ঠানৰ স'তে জড়িত আছিল। মৃত্যুৰ সময়ত দুজন পুত্ৰসহ এটি বৃহৎ পৰিয়ালক ইহসংসাৰত এৰি যায়।

# গৰৈমাৰীত পথ মেৰামতিৰ দাবীত দুই সহস্ৰাধিক ছাত্ৰ-ছাত্ৰীৰ প্ৰতিবাদ

**অগ্ৰদূত বাৰ্তা**
**সোণতলী, ২০ আগষ্ট ঃ** কামৰূপ জিলাৰ গৰৈমাৰীত কালি জৰাজীৰ্ণ পথ মেৰামতিৰ দাবীত দুই সহস্ৰাধিক ছাত্ৰ-ছাত্ৰীয়ে সাব্যস্ত কৰিলে উত্তাল প্ৰতিবাদ। গৰৈমাৰীস্থিত ফখৰুদ্দিন আলী আহমেদ মহাবিদ্যালয় আৰু কে'বাখনো বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী একত্ৰিত হৈ উলিয়াই এক বিশাল প্ৰতিবাদী সমদল। প্ৰতিবাদকাৰীসকলে 'লোক নিৰ্মাণ বিভাগ হায় হায়', 'গড়কাপ্তানী বিভাগৰ মন্ত্ৰী হায় হায়', 'বিধায়ক ৰেকিবুদ্দিন আহমেদ হায় হায়' আদি শ্ল'গানৰে গৰৈমাৰীৰ আকাশ-বতাহ কঁপাই তোলে। ইয়াৰ পাছতে প্ৰতিবাদী ছাত্ৰ-ছাত্ৰীসকলে গৰৈমাৰী কলেজ চাৰিআলি চ'কৰ ৰাজপথত বহি চৰকাৰৰ বিৰুদ্ধে বিভিন্ন শ্ল'গান দিয়ে। প্ৰায় এঘণ্টা ধৰি পথ অৱৰোধ কৰি ৰখাৰ ফলত পথটোৱে যাতায়াত ব্যৱস্থা ব্যাহত হৈ পৰে। প্ৰতিবাদকাৰীসকলৰ মূল দাবী হৈছে গৰৈমাৰী কলেজ চাৰিআলিৰ পৰা গৰৈমাৰী বাছ আস্থানলৈ যোৱা জৰাজীৰ্ণ পথটো শীঘ্ৰে মেৰামতি কৰা। প্ৰতিবাদী ছাত্ৰ-ছাত্ৰীসকলে সকীয়াই দিয়ে যে অহা ২৪ ঘণ্টাৰ ভিতৰত পথটো মেৰামতিৰ কাম আৰম্ভ নকৰিলে ইয়াতকৈও অধিক তীব্ৰ আন্দোলন গঢ়ি তোলা হ'ব। উল্লেখ্য ছাত্ৰ-ছাত্ৰীৰ এই প্ৰতিবাদৰ পাছত গড়কাপ্তানী বিভাগ তথা সংশ্লিষ্ট কৰ্তৃপক্ষই কেতিয়া পথ মেৰামতিৰ পদক্ষেপ গ্ৰহণ কৰিব সেয়াহে হ'ব লক্ষ্যণীয়।

# পুঠিমাৰী নৈত নিখোঁজ হোৱা কৰুণা কেওটৰ তিনি দিন পাছত মৃতদেহ উদ্ধাৰ

**অগ্ৰদূত বাৰ্তা**
**বাইহাটা চাৰিআলি, ২০ আগষ্ট ঃ** কামৰূপ জিলাৰ কমলপুৰ আৰক্ষী থানাৰ অন্তৰ্গত পুঠিমাৰী নৈত তিনি দিন পূৰ্বে নিখোঁজ হৈ থকা কৰুণা কেওটৰ মৃতদেহ আজি নৈৰ বুকুতে উদ্ধাৰ হয়। কমলপুৰ থানাৰ অন্তৰ্গত লেচাকোনা গাঁৱৰ কৰুণা কেওট নামৰ লোক এজনে যোৱা ১৭ আগষ্টত পুঠিমাৰী নৈৰ পাৰত কাম কৰিবলৈ গৈছিল। কাম কৰি থকা অৱস্থাতে অসাৱধানবশতঃ পিছলি নৈত পৰি যায়। লগে লগে স্থানীয় ৰাইজে উদ্ধাৰ কৰিবলৈ চেষ্টা কৰে যদিও সফল নোহোৱাত কমলপুৰ আৰক্ষীক খবৰ দিয়ে। আৰক্ষীয়ে ঘটনাস্থলীত উপস্থিত হৈ এনডিআৰএফ আৰু এছডিআৰএফৰ সহায়ত উদ্ধাৰ অভিযান অব্যাহত ৰাখিছিল। এই অভিযান কালতে পুঠিমাৰী নৈৰ বুকুত কালি ৭৫ বছৰীয়া কৰুণা কেওটৰ মৃতদেহ উদ্ধাৰ কৰা হয়। মৃতদেহ উদ্ধাৰ হোৱাৰ পাছতে অঞ্চলটোত শোকৰ ছাঁ পৰে।

# তামাৰহাটত সদৌ দেশী জনগোষ্ঠীয় মঞ্চৰ সংবাদমেল

# খিলঞ্জীয়াৰ ভূমি সংৰক্ষণৰ ক্ষেত্ৰত মুখ্যমন্ত্ৰীৰ ঘোষণাক আদৰণি

**অগ্ৰদূত বাৰ্তা**
**তামাৰহাট, ২০ আগষ্ট ঃ** অসমৰ খিলঞ্জীয়া জনগোষ্ঠীসকলৰ সুৰক্ষাৰ উদ্দেশ্যে নামনি অসমৰ ধুবুৰী, গোৱালপাৰা আৰু বৰপেটা জিলাৰ খিলঞ্জীয়া জনগোষ্ঠীসকলৰ ভূমি ক্ৰয়-বিক্ৰয় কৰাৰ ক্ষেত্ৰত অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ঘোষণা কৰা গুৰুত্বপূৰ্ণ সিদ্ধান্তক সদৌ দেশী জনগোষ্ঠীয় মঞ্চই আদৰণি জনাইছে। উল্লেখ্য যে গোৱালপাৰা, বৰপেটা আৰু ধুবুৰী জিলাৰ খিলঞ্জীয়া লোকসকলৰ ভূমি কেৱল খিলঞ্জীয়া লোকসকলৰ মাজতহে ক্ৰয়-বিক্ৰয় হ'ব, খিলঞ্জীয়াসকলৰ ভূমি অখিলঞ্জীয়া লোকে কোটি কোটি টকা খৰচ কৰিও ক্ৰয় কৰিব নোৱাৰিব বুলি মুখ্যমন্ত্ৰীজনে ঘোষণা কৰিছিল। ধুবুৰী জিলাৰ তামাৰহাট থানাৰ অন্তৰ্গত তামাৰহাট প্ৰেছ ক্লাবত বুধবাৰে এক সংবাদমেল সম্বোধন কৰি সদৌ দেশী জনগোষ্ঠীয় মঞ্চৰ কেন্দ্ৰীয় সমিতিৰ সাধাৰণ সম্পাদক আব্দুল্লাহ খন্দাকাৰে মুখ্যমন্ত্ৰীজনৰ ঘোষণাক বিশেষভাৱে আদৰণি জনায়। সংবাদমেলত দেশী জনগোষ্ঠীয় মঞ্চৰ সাধাৰণ সম্পাদকজনে কয় যে পশ্চিম অসমত বসবাস কৰা অন্যতম থলুৱা জনগোষ্ঠী দেশীসকলৰ মাজত ভূমি



বিক্ৰী কৰাৰ প্ৰৱণতাই দেশী জনগোষ্ঠীটোৰ অস্তিত্বৰ প্ৰতি সংকট কঢ়িয়াই আনিছে। দেশী জনগোষ্ঠীৰ লোকসকলৰ ভূমি বিক্ৰীয়ে জনবিন্যাসৰ পৰিবৰ্তন ঘটাই দেশীসকল বিভিন্ন গাঁও তথা গাঁও পঞ্চায়তসমূহত সংখ্যালঘুত পৰিণত হৈ স্থানীয় ৰাজনৈতিক ক্ষমতা দেশীসকলৰ হাতৰ পৰা গুচি গৈ আছে বুলি দেশী জনগোষ্ঠীয় মঞ্চৰ শীৰ্ষ নেতাজনে কয়, লগতে ভূমি বিক্ৰী প্ৰৱণতাই দেশী সকলৰ সাংস্কৃতিক আৰু আৰ্থিক সংকটো কঢ়িয়াই আনিছে বুলি উল্লেখ কৰে। এনে পৰিপ্ৰেক্ষিতত সদৌ দেশী জনগোষ্ঠীয় মঞ্চই বিভিন্ন সময়ত অসমৰ মুখ্যমন্ত্ৰীজনক দেশী তথা খিলঞ্জীয়া জাতি-জনগোষ্ঠীৰ ভূমি বিক্ৰী কৰাৰ ওপৰত প্ৰতিবন্ধকতা আনিবলৈ একাধিক বাৰ স্মাৰকপত্ৰ প্ৰদান কৰাৰ কথা সংবাদমেলত সদৰী কৰি কয় যে সেই কাৰণে মুখ্যমন্ত্ৰীৰ উক্ত ঘোষণাত দেশীসকল আনন্দিত হৈ পৰিছে। অতি শীঘ্ৰে আনিবলগীয়া উক্ত আইনখনৰ অধীনত খিলঞ্জীয়াৰ সংজ্ঞাত দেশী সকলকো অন্তৰ্ভূৰ্ক্ত কৰিবলৈ দেশী জনগোষ্ঠীয় মঞ্চৰ সাধাৰণ সম্পাদকজনে সংবাদমেল যোগে অসমৰ মুখ্যমন্ত্ৰীজনক আহ্বান জনায়। আজিৰ সংবাদমেলত মঞ্চৰ কেন্দ্ৰীয় সমিতিৰ সহকাৰী সম্পাদক নুৰ হুছেইন, ধুবুৰী জিলা সমিতিৰ সভাপতি সহিদুৰ ৰহমান, সদৌ দেশী যুৱ-ছাত্ৰ মঞ্চৰ ধুবুৰী জিলা সমিতিৰ সাধাৰণ সম্পাদক আব্দুছ ছবুৰ আলীৰ লগতে জিলা সমিতি আৰু আঞ্চলিক সমিতিসমূহৰ নেতৃবৃন্দ উপস্থিত থাকে।

## মিচিং স্বায়ত্তশাসিত পৰিষদৰ নিৰ্বাচন সমাগত

# যোৰহাট আৰু জাঁজী সমষ্টিৰ খচৰা ভোটাৰ তালিকা প্ৰকাশ

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**যোৰহাট, ২০ আগষ্ট ঃ** আগন্তুক মিচিং স্বায়ত্তশাসিত পৰিষদ নিৰ্বাচনক লৈ যোৰহাট জিলাৰ ৩৩ নম্বৰ যোৰহাট আৰু ৩৮ নম্বৰ জাঁজী সমষ্টিৰ খচৰা ভোটাৰ তালিকা কালি প্ৰকাশ কৰা হয়। মিচিং স্বায়ত্তশাসিত পৰিষদ (নিৰ্বাচন) বিধি, ২০০৫ৰ অধীনত নিৰ্বাচন আয়োগৰ নিৰ্দেশ অনুসৰি এই খচৰা ভোটাৰ তালিকা প্ৰকাশ কৰা হৈছে। প্ৰকাশিত তালিকা অনুসৰি, ৩৩ নম্বৰ যোৰহাট সমষ্টিত মুঠ ভোটাৰৰ সংখ্যা ১৫,০৬২ জন। ইয়াৰে পুৰুষ ভোটাৰ ৭,৪৫৪ জন আৰু মহিলা ভোটাৰ ৭,৬০৮ গৰাকী। সমষ্টিটোত মুঠ ২১খন গাঁও আৰু ২৭ টা ভোটগ্ৰহণ কেন্দ্ৰ আছে। আনহাতে, ৩৮ নম্বৰ জাঁজী সমষ্টিত মুঠ ভোটাৰৰ সংখ্যা ৯,১৬৪ জন। ইয়াৰে পুৰুষ ভোটাৰ ৪,১৫৮ জন আৰু মহিলা ভোটাৰ ৫,০০৬ জন। সমষ্টিটোত মুঠ ৩০খন গাঁও আৰু ২৮টা ভোটগ্ৰহণ কেন্দ্ৰ নিৰ্ধাৰণ কৰা হৈছে। দুয়োটা সমষ্টি মিলি মুঠ ভোটাৰৰ সংখ্যা ২৪,২২৬ জন। নিৰ্বাচনী সূচী অনুসৰি ১৯ আগষ্টত খচৰা ভোটাৰ তালিকা প্ৰকাশ, তিনি ছেপ্টেম্বৰলৈ দাবী আৰু আপত্তি দাখিলৰ অন্তিম সময়, ১০ ছেপ্টেম্বৰলৈ দাবী-আপত্তি নিষ্পত্তি আৰু ১১ ছেপ্টেম্বৰত চূড়ান্ত ভোটাৰ তালিকা প্ৰকাশ কৰা হ'ব। খচৰা ভোটাৰ তালিকাত নাম পৰীক্ষা কৰাৰ বাবে জাঁজী সমষ্টিৰ নিৰ্বাচনী পঞ্জীয়ন বিষয়াৰ কাৰ্যালয় আৰু যোৰহাট সমষ্টিৰ সংশ্লিষ্ট কাৰ্যালয়ত তালিকা উপলব্ধ কৰা হৈছে। ভোটাৰসকলে ermsssec.assam.gov.in/mac/ ৱেবছাইটতো নিজৰ নাম পৰীক্ষা কৰিব পাৰিব। খচৰা ভোটাৰ তালিকাক লৈ কোনো দাবী বা আপত্তি থাকিলে নিৰ্ধাৰিত প্ৰ-পত্ৰত তিনি ছেপ্টেম্বৰ বা তাৰ পূৰ্বে দাখিল কৰিব পাৰিব বুলি জিলা প্ৰশাসনে জানিবলৈ দিছে।

# তেজপুৰ বিশ্ববিদ্যালয়ৰ নিলম্বিত অধ্যাপিকাই দুই গৱেষক ছাত্ৰীক জাপি দিছিল ঘৰুৱা কামৰ বোজা

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**তেজপুৰ, ২০ আগষ্ট ঃ** তেজপুৰৰ বিশ্ববিদ্যালয়ৰ দুগৰাকী গৱেষিকা ছাত্ৰীয়ে বিশ্ববিদ্যালয়খনৰ শিক্ষা বিভাগৰ সহকাৰী অধ্যাপিকা ড° অন্তৰা দে'ৰ বিৰুদ্ধে কে'বল বিএড পৰীক্ষাৰ প্ৰশ্নকাকত প্ৰস্তুত কৰিবলৈ দিয়া তথা পাছত এই প্ৰশ্নকাকত হোৱাটছ্এপ যোগে আদান প্ৰদান কৰাৰ অভিযোগেই দাখিল কৰা নাই, বৰঞ্চ ক্ষোভিত দুইগৰাকী গৱেষিকা ছাত্ৰীয়ে তেওঁলোকক এই সময়ছোৱাত অধ্যাপিকাগৰাকীয়ে কেনে ব্যৱহাৰ কৰিছিল সেই বিষয়েও উদঙাই দিছে। সম্প্ৰতি এই ঘটনা পোহৰলৈ অহাৰ পাছতে এই সন্দৰ্ভত বিশ্ববিদ্যালয়খনত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। উল্লেখ্য যে দুমাহ পূৰ্বে সংঘটিত প্ৰশ্নকাকতৰ বেমেজালিৰ বিষয়ে গৱেষিকা ছাত্ৰী দুগৰাকীয়ে উত্থাপন কৰা অভিযোগৰ লগতে সহকাৰী অধ্যাপিকা ড° দে'ই তেওঁলোকক কৰা ব্যৱহাৰৰ বিষয়েও আলোকচিত্ৰসহ দাখিল কৰে। উল্লেখ্য যে ড° দে'ই ২০২৩ৰ ডিচেম্বৰত তেজপুৰ বিশ্ববিদ্যালয়ৰ পৰা পিএইছডি অৰ্জন কৰাৰ পাছতে বিশ্ববিদ্যালয়খনত সহকাৰী অধ্যাপিকাৰূপে যোগদান কৰে। এইগৰাকী অধ্যাপিকাৰ তত্বাৱধানতে দুগৰাকী গৱেষিকা ছাত্ৰীয়ে গৱেষণা আগবঢ়াই নিয়াৰ সময়ত দুয়োগৰাকী ছাত্ৰীক ব্যক্তিগত সকলো কামতে ব্যৱহাৰ কৰিবলৈ লয় ড° দে'ই। আনকি ৰন্ধা-বঢ়াকে ধৰি কাপোৰ ধোৱা, বাচন-বৰ্তন ধোৱা, বজাৰ কৰা, ঔষধ ক্ৰয় কৰি অনা, সৰা-মচা আদি সকলো কামতে এই দুগৰাকী ছাত্ৰীক ব্যৱহাৰ কৰিছিল ড° দে'ই। ড° দে'ৰ অধীনত গৱেষণা কৰিবলগীয়া হোৱাৰ বাবেই দুয়োগৰাকী ছাত্ৰীক ঘৰুৱা বনকৰা লোকৰ দৰে ব্যৱহাৰ কৰা অধ্যাপিকাগৰাকীৰ এনে ব্যৱহাৰৰ বিষয়ে তেওঁলোকে বিশ্ববিদ্যালয় কৰ্তৃপক্ষক আলোকচিত্ৰসহ অভিযোগ দাখিল কৰিছে। উল্লেখ্য যে যোৱা ন জুনত প্ৰশ্নকাকতৰ অনিয়ম সন্দৰ্ভত তেজপুৰ সদৰ আৰক্ষী থানাত ড° দে'ৰ বিৰুদ্ধে ৩২০/২৬ নম্বৰ গোচৰ পঞ্জীভুক্ত হয় আৰু নিলম্বন কৰা হয়। অৱশ্যে অধ্যাপিকা ড° দে'ৰ বিৰুদ্ধে বিশ্ববিদ্যালয় কৰ্তৃপক্ষই ইউজিচিৰ পৰা এই সন্দৰ্ভত লাভ কৰা কৈফিয়তৰ পাছতহে আৰক্ষীৰ ওচৰত এজাহাৰ দাখিল কৰে। আনহাতে, এই সমগ্ৰ ঘটনাৰ তদন্ত কৰাৰ বাবে তেজপুৰ বিশ্ববিদ্যালয় কৰ্তৃপক্ষই এগৰাকী অৱসৰপ্ৰাপ্ত ভাৰতীয় প্ৰশাসনিক বিষয়া ভাৰতভূষণ চৌধুৰীক তদন্তৰ দায়িত্ব অৰ্পণ কৰিছে। আৰক্ষীৰ তদন্ত আৰু বিশ্ববিদ্যালয়ৰ পৃথক তদন্তৰ ওপৰতে অভিযুক্ত সহকাৰী অধ্যাপিকা ড° দে'ৰ ভৱিষ্যৎ নিৰ্ভৰ কৰিছে।

# ৰাষ্ট্ৰীয় পথত দুৰ্ঘটনা আহত এজন

**অগ্ৰদূত বাৰ্তা**
**বৰমা, ২০ আগষ্ট ঃ** বৰমাৰ নিকটবৰ্তী বৰজাৰৰ ২৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথত কালি এক ভয়ানক পথ দুৰ্ঘটনা সংঘটিত হয়। দুৰ্ঘটনাত এজন লোক গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত হয়। প্ৰাপ্ত তথ্য অনুসৰি, বৰপেটাৰ পৰা গুৱাহাটী অভিমুখে তীব্ৰ গতিত গৈ থকা টিএন-৮৫ কিউ-৫৩২৩ নম্বৰৰ মালবাহী ট্ৰাকখনে হঠাৎ নিয়ন্ত্ৰণ হেৰুৱাই বাগৰি পৰে। যাৰ ফলত ৰাষ্ট্ৰীয় ঘাইপথত চাফাই কৰ্মত নিয়োজিত হৈ থকা কৰ্মী নিজাম আলী নামৰ লোকজন গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত হয়। আঘাতপ্ৰাপ্ত নিজাম আলীক ততাতৈয়াকৈ স্থানীয় লোকৰ সহায়ত নলবাৰীৰ চিকিৎসালয়লৈ প্ৰেৰণ কৰে । দুৰ্ঘটনাত আঘাতপ্ৰাপ্ত নিজাম আলীৰ ঘৰ নলবাৰীৰ সুৰাদীত বুলি জানিব পৰা গৈছে । ইপিনে, ঘটনাৰ খবৰ পাই ঘটনাস্থলীত নলবাৰী আৰক্ষী উপস্থিত হৈ চালকসহ ট্ৰাকখন জব্দ কৰে আটকাধীন ট্ৰাক চালকজন অত্যধিক সুৰাপান কৰি থকাৰ বাবে দুৰ্ঘটনাটো সংঘটিত হোৱা বুলি সন্দেহ কৰিছে স্থানীয় লোকে ।

# পঞ্চায়ত কৰ্মী কুমুদ মহন্তৰ আকস্মিক মৃত্যু

**অগ্ৰদূত বাৰ্তা**
**যমুনামুখ, ২০ আগষ্ট ঃ** যমুনামুখৰ বালিৰাম গাঁও পঞ্চায়তৰ টেক্স কালেক্টৰ কুমুদ মহন্তৰ আজি আকস্মিক ভাৱে মৃত্যু হোৱাত সমগ্ৰ অঞ্চলটোতে শোকৰ ছাঁ পৰিছে। যমুনামুখৰ নিকটৱৰ্তী গোসাঁই গাঁৱৰ বাসিন্দা মহন্তৰ আজি দুপৰীয়া ভাগত নিজ গৃহত হঠাতে অসুস্থ হৈ পৰাত পৰিয়ালৰ লোকে ততাতৈয়াকৈ হোজাইস্থিত হাম চিকিৎসালয়ত ভৰ্তি কৰে যদিও চিকিৎসাধীন অৱস্থাতে তেওঁৰ মৃত্যু হয়। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল প্ৰপ্ত বছৰ। দীৰ্ঘদিন ধৰি মধুমেহ ৰোগত আক্ৰান্ত হৈ থকা মহন্তই মৃত্যুৰ সময়ত জ্যেষ্ঠ ভ্ৰাতৃ আৰু পত্নী সহ অনেক আত্মীয় স্বজনক এৰি থৈ যায়। পূৰ্বে যমুনামুখ গাঁও পঞ্চায়তত কৰ্মৰত হৈ থকা অৱস্থাত মহন্তই বিভিন্ন সামাজিক কাম-কাজৰ স'তে জড়িত আছিল। বিশেষকৈ যমুনামুখ থানা ৰোডৰ দুৰ্গোৎসৱ সমিতিৰ সম্পাদকৰ দায়িত্ব দীৰ্ঘদিন ধৰি সু কলমে পালন কৰিছিল। তদুপৰি নাটক- ভাওনাৰ প্ৰতিও মহন্ত আছিল বিশেষ দুৰ্বলতা।

# ৰূপহীহাটৰ ভাটিয়াখালিত পথ ডকাইতি, আহত এক



**ষ্টাফ ৰিপ'ৰ্টাৰ**
**নগাঁও, ২০ আগষ্ট ঃ** ৰূপহীহাটৰ দুই নম্বৰ ভাটিয়াখালিত যোৱা ৰজ্জ্ব আগষ্টৰ নিশা সংঘটিত এক পথ ডকাইতিৰ ঘটনাই অঞ্চলজুৰি তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। নিশা চাৰিজনীয়া এটা ডকাইতৰ দলে পথ আগচি ধৰি এজন যুৱকক আক্ৰমণ কৰি প্ৰায় ৫০ হেজাৰ টকা লুটি নিয়াৰ অভিযোগ উত্থাপিত হৈছে। অভিযোগ অনুসৰি, আমবাগান ভকুমাৰীৰ শেকান্দৰ আলী নামৰ যুৱকজনে ভাটিয়াখালি বজাৰৰ পৰা নিশা ঘৰলৈ উভতি আহি থকা সময়তে দুই নম্বৰ ভাটিয়াখালি পথত চাৰিজনীয়া ডকাইতৰ দলটোৱে পথ আগচি ধৰে। ইয়াৰ পাছতে ডকাইতৰ দলটোৱে পিষ্টল দেখুৱাই যুৱকজনক আক্ৰমণ কৰাৰ লগতে তেওঁৰ পৰা নগদ প্ৰায় ৫০ হেজাৰ টকা লুটি লৈ যায়। ডকাইতৰ আক্ৰমণত গুৰুতৰভাৱে আহত শেকান্দৰ আলীক প্ৰথমে কাৰৈমাৰী এফআৰইউত ভৰ্তি কৰোৱা হয়। কিন্তু তেওঁৰ অৱস্থা সংকটজনক হোৱাত চিকিৎসকে উন্নত চিকিৎসাৰ বাবে নগাঁও মেডিকেল কলেজ হাস্পতাললৈ প্ৰেৰণ কৰে। ঘটনাৰ খবৰ লাভ কৰাৰ পাছতে নিশাই আমবাগান আৰু কাৰৈমাৰী আৰক্ষীৰ দল ঘটনাস্থলীত উপস্থিত হয় আৰু ঘটনাৰ তদন্ত আৰম্ভ কৰে। কিন্তু এই পৰ্যন্ত ডকাইতৰ দলটোৰ কোনো এজন সদস্যকে কৰায়ত্ত কৰিবলৈ সক্ষম হোৱা নাই।

# ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ড° ভূপেন হাজৰিকা পৰিৱেশ্য কলা অধ্যয়ন কেন্দ্ৰৰ প্ৰতিষ্ঠা দিৱস উদ্‌যাপন

**বিশেষ সংবাদদাতা**
**ডিব্ৰুগড়, ২০ আগষ্ট ঃ** ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ড° ভূপেন হাজৰিকা পৰিৱেশ্য কলা অধ্যয়ন কেন্দ্ৰৰ অষ্টাদশ বাৰ্ষিক প্ৰতিষ্ঠা দিৱসটো আজি শ্ৰীশ্ৰী অনিৰুদ্ধদেৱ ভৱনত বৰ্ণিল কাৰ্যসূচীৰে সম্পন্ন হৈ যায়। পুৱা ১১ বজাৰ পৰা আৰম্ভ হোৱা প্ৰতিষ্ঠা দিৱসত বন্তি প্ৰজ্জ্বলন কৰে ডিব্ৰুগড় বিশ্ববিদ্যালয় ড° ভূপেন হাজৰিকা পৰিৱেশ্য কলা অধ্যয়ন কেন্দ্ৰৰ প্ৰতিষ্ঠাকালৰ সঞ্চালক সাহিত্যচাৰ্য ড° কৰবী ডেকা হাজৰিকা, পৰিৱেশ্য কলা অধ্যয়ন কেন্দ্ৰৰ অধ্যক্ষ ড° পল্লৱী ডেকা বুজৰবৰুৱা, ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত প্ৰাধ্যাপকদ্বয় ক্ৰমে ড° গোপাল হাজৰিকা আৰু ড° প্ৰবীণ কুমাৰ গগৈয়ে। প্ৰতিষ্ঠা দিৱস উপলক্ষে আদৰণী ভাষণ প্ৰদান কৰে কেন্দ্ৰৰ অধ্যক্ষ ড° পল্লৱী ডেকা বুজৰবৰুৱাই। ভাষণত পৰিৱেশ্য কলা কেন্দ্ৰৰ অগ্ৰগতিৰো এটি খতিয়ান তেওঁ দাঙি ধৰে। অনুষ্ঠানত সন্মানীয় অতিথিৰূপে অংশগ্ৰহণ কৰি সাহিত্যাচাৰ্য ড° কৰবী ডেকা হাজৰিকাই কয় যে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ শৰীৰত পৰিৱেশ্য কলা কেন্দ্ৰটি এপাহি সুগন্ধি ফুলৰ দৰে। বিশ্ববিদ্যালয়ৰ সৌন্দৰ্য আৰু আকৰ্ষণ বৃদ্ধিত এই কেন্দ্ৰটোৰ অপৰিসীম গুৰুত্ব আছে বুলিও ভাষণ প্ৰসংগত ড° ডেকা হাজৰিকাই উল্লেখ কৰে। পৰিৱেশ্য কলাই জীৱন আৰু সমাজ উভয়কে সমৃদ্ধ কৰে বুলিও উল্লেখ কৰি শিক্ষাৰ্থীসকলক সাধনা অব্যাহত ৰাখিবলৈ আহ্বান জনায়। শাৰীৰিক অসুস্থতাৰ বাবে মুখ্য অতিথিৰূপে উপস্থিত থাকিব নোৱাৰি ভ্ৰাম্যভাষৰ যোগেদি অনুষ্ঠানত অংশগ্ৰহণ কৰি সমৱেত সকলোকে সম্বোধন কৰে আন্তঃৰাষ্ট্ৰীয় খ্যাতিসম্পন্ন অভিনেতা বিষ্ণু খাৰঘৰীয়াই। অনুষ্ঠানত বিশ্ববিদ্যালয়ৰ মানৱিকী আৰু আইন অনুষদৰ ডীন,অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপক তথা পৰিৱেশ্য কলা অধ্যয়ন কেন্দ্ৰৰ প্ৰাক্তন অধ্যক্ষ ড° জয়ন্ত কুমাৰ বৰা আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয় অৱসৰপ্ৰাপ্ত প্ৰাধ্যাপক ড° গোপাল হাজৰিকাই শুভেচ্ছমূলক বক্তৃতা প্ৰদান কৰে। ড° ভূপেন হাজৰিকা পৰিৱেশ্য কলা অধ্যয়ন কেন্দ্ৰৰ সহকাৰী অধ্যাপক ড° মৃণাল কুমাৰ বৰুৱাই আঁত ধৰা প্ৰতিষ্ঠা দিৱসত কেন্দ্ৰৰ শিক্ষাৰ্থীসকলে সাংস্কৃতিক কাৰ্যসূচীৰূপে এটি সত্ৰীয়া নৃত্য, সমৱেত কণ্ঠত ভূপেন হাজৰিকাৰ গীত, একক কণ্ঠত ভূপেন হাজৰিকাৰ গীত আৰু নাট্যাভিনয় প্ৰদৰ্শন কৰি অনুষ্ঠানটি সজীৱ কৰি তোলে। অনুষ্ঠানত পৰিৱেশ্য কলা কেন্দ্ৰৰ অধ্যাপকসকলৰ লগতে বিশ্ববিদ্যালয় বিভিন্ন বিভাগৰ অধ্যাপক, বিষয়া-কৰ্মচাৰী, গৱেষক ছাত্ৰ-ছাত্ৰী উপস্থিত থাকি অনুষ্ঠানটো সফল হোৱাত অৰিহণা যোগায়।

# নগাঁৱৰ জনজাতি জিৰণি চ'ৰাত ছাত্ৰক আক্ৰমণ ঃ দুজনক গ্ৰেপ্তাৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**নগাঁও, ২০ আগষ্ট ঃ** স্বাধীনতা দিৱসৰ নিশা নগাঁও চহৰৰ দক্ষিণ হয়বৰগাঁৱস্থ নগাঁও জিলা জনজাতি জিৰণি চ'ৰা ছাত্ৰাবাসৰ সন্মুখত এদল দুৰ্বৃত্তই ছাত্ৰাবাসটোৰ আৱাসী ছাত্ৰসকলক দলবদ্ধ আক্ৰমণ কৰা ঘটনা সন্দৰ্ভত আৰক্ষীয়ে দুজন অভিযুক্তক গ্ৰেপ্তাৰ কৰিছে। স্বাধীনতা দিৱসৰ দিনা নিশা প্ৰায় ১০.৩০ বজাত নগাঁও চহৰৰ দক্ষিণ হয়বৰগাঁও আৰু তেলীয়াপট্টীৰ ১০/১২ জনীয়া দুৰ্বৃত্তৰ দলে এই ঘটনা সংঘটিত কৰিছিল। এই ঘটনা সন্দৰ্ভত নগাঁও জিলা ট্ৰাইবেল সংঘই ১৬ আগষ্টত উক্ত আক্ৰমণৰ ঘটনাৰ লগত জড়িত দোষীসকলক ২৪ ঘণ্টাৰ ভিতৰত কৰায়ত্ত কৰি কঠোৰ শাস্তি বিহিবলৈ দাবী জনাই নগাঁও সদৰ আৰক্ষী থানাৰ অধীনস্থ হয়বৰগাঁও আৰক্ষী চকীত এজাহাৰ দাখিল কৰে। কালি এই সংগঠনসমূহে নগাঁও জিলা আয়ুক্ত আৰু নগাঁৱৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষকক সাক্ষাৎ কৰি উক্ত ঘটনা সন্দৰ্ভত স্মাৰকপত্ৰ প্ৰদান কৰি দোষীক কঠোৰ শাস্তি বিহিবলৈ দাবী জনাই স্মাৰকপত্ৰ প্ৰদান কৰে। উল্লেখ কৰা হৈছে যে নগাঁও চহৰৰ দক্ষিণ হয়বৰগাঁও আৰ আৰ বি পথত থকা নগাঁও জনজাতি জিৰণিচ'ৰাত নগাঁও চহৰৰ বিভিন্ন মহাবিদ্যালয় আৰু নগাঁও বিশ্ববিদ্যালয়ত অধ্যয়ন কৰা জনজাতি ছাত্ৰসকলৰ এটা ছাত্ৰাবাস আছে। এই জিৰণি চ'ৰাৰ চৌহদত ১৫ আগষ্টৰ নিশা প্ৰায় ১০-৩০ বজাত বিশেষ সম্প্ৰদায়ৰ ১০ জনীয়া দুৰ্বৃত্তৰ দলে অনধিকাৰ ভাৱে প্ৰৱেশ কৰি আৱাসী জনজাতি ছাত্ৰসকলক উদ্দেশ্যি 'ঐ ট্ৰাইবেল বিলাক ওলাই আহ, তহঁতক মাৰি শেষ কৰি দিম, আমি ইয়াৰ লোকেল হয়' বুলি বিভিন্ন অশ্লীল বাক্যবাণেৰে উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি কৰি ডিঙিত ধৰি চোঁচৰাই শৰীৰৰ বিভিন্ন অংগত চোকা অস্ত্ৰৰে আঘাত কৰাৰ কথা স্মাৰকপত্ৰত উল্লেখ কৰিছিল। এই সন্দৰ্ভত সদৌ অসম ট্ৰাইবেল সংঘৰ সম্পাদক প্ৰধান আদিত্য খাখলাৰীয়ে নিজৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰি কয় যে সুৰাসক্ত দুৰ্বৃত্তৰ দলে পৰিকল্পিতভাৱে জনজাতি ছাত্ৰসকলক অশ্লীল গালি-গালাজ পৰাৰ লগতে হাতে হাতে লাখুঁটি, লোহাৰ ৰড লৈ বলপূৰ্বক জনজাতি জিৰণি চ'ৰাত প্ৰৱেশ কৰি আক্ৰমণ কৰে। খাখলাৰীয়ে ১০/১২ জনীয়া ধৰ্মীয় সংখ্যালঘু সম্প্ৰদায়ৰ লোক এই দুৰ্ভাগ্যজনক ঘটনাৰ লগত জড়িত থকাৰ গুৰুতৰ অভিযোগ কৰে। নগাঁও চহৰৰ মাজমজিয়াত সুৰাসক্ত ধৰ্মীয় সংখ্যালঘু সম্প্ৰদায়ৰ দুৰ্বৃত্তই আক্ৰমণ কৰা এই ঘটনা সাধাৰণ ঘটনা নহয়। এই ঘটনাক আমি সহজ ভাবে লোৱা নাই। খিলঞ্জীয়া জনজাতিৰ ওপৰত হোৱা এনে আক্ৰমণ আমি প্ৰতিহত কৰিম। নিৰ্দিষ্ট সময়সীমাৰ ভিতৰত দোষীক কৰায়ত্ত কৰি কঠোৰ শাস্তি নিবিহিলে সমগ্ৰ অসম জুৰি আন্দোলন গঢ়ি তোলা হ'ব বুলি খাখলাৰীয়ে চৰকাৰক সতৰ্ক কৰি দিছিল। এই সন্দৰ্ভত নগাঁও সদৰ আৰক্ষী থানাত ভাৰতীয় ন্যায় সংহিতা আইনৰ ২৯৬/১১৮/২/৩২৪ (৪) ৩৫১ (২)/৩ (৫) ধাৰাৰ অধীনত ৬০৪/২৬ নম্বৰৰ এক গোচৰ ৰুজু কৰি ইতিমধ্যে দুজন অভিযুক্তক গ্ৰেপ্তাৰ কৰিছে। গ্ৰেপ্তাৰ কৰা অভিযুক্ত দুজন হ'ল দেৱ বাল্মিকী আৰু আবু হানিফ। আৰক্ষীয়ে তেওঁলোকক জেৰা অব্যাহত ৰাখিছে। আন অভিযুক্তসকল পলাতক অৱস্থাত আছে।

# বিলাসীপাৰাত কোচ ৰাজবংশী সাহিত্য সভাৰ সজাগতা সভা

### লোকপিয়লত মাতৃভাষা কোচ ৰাজবংশী লিখিবলৈ আহ্বান

**বিশেষ সংবাদদাতা**

**বিলাসীপাৰা, ২০ আগষ্ট ঃ** সদ্য ৰাজ্যত চলি থকা লোকপিয়লক কেন্দ্ৰ কৰি বিলাসীপাৰা সমজিলাৰ জোৰ দৌলপাৰাত বুধবাৰে বিয়লি কোচ ৰাজবংশী জনগোষ্ঠীৰ এখন সজাগতা সভা অনুষ্ঠিত হয়। কোচ ৰাজবংশী সাহিত্য সভা আৰু কোচ ৰাজবংশী লেখিকা সভাৰ উদ্যোগত আয়োজিত সভাত লোকপিয়ল সন্দৰ্ভত জনগোষ্ঠীটোৱে কে'বাটাও গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰে। সভাত মুখ্য অতিথিৰূপে কোচ ৰাজবংশী সাহিত্য সভাৰ সম্পাদক কমল কুমাৰ উপস্থিত থাকি চলিত লোকপিয়লত জনগোষ্ঠীটোৰ ভূমিকা সন্দৰ্ভত গুৰুত্বপূৰ্ণ মন্তব্য কৰে। এই সভাতে কোচ ৰাজবংশী জনগোষ্ঠীৰ লোকসকলক সদ্য চলি থকা লোকপিয়লত নিজৰ মাতৃভাষা কোচ ৰাজবংশী লিখিবলৈ আহ্বান জনায় স্বগোষ্ঠীটোক। লগতে নিজৰ ধৰ্ম জনজাতি হিন্দু বুলি লিপিবদ্ধ কৰিবলৈও এই সভাৰ জৰিয়তে আহ্বান জনায়। সভাত কেএচিৰ পাৰিষদ অমৰেন্দ্ৰ নাৰায়ণ বৰ্মন, মুকুল বৰুৱা প্ৰমুখ্যে কে'বাগৰাকী বিশিষ্ট সাহিত্যিক আৰু লেখক-লেখিকা, বুদ্ধিজীৱী উপস্থিত থাকে। এইখন সভাৰ জৰিয়তে ৰাজ্যত বসবাস কৰা সমূহ কোচ ৰাজবংশী জনগোষ্ঠীয় লোকসকলক সজাগ হ'বলৈ আহ্বান জনায় সাহিত্যিক কমল কুমাৰে। এই ক্ষেত্ৰত কোচ ৰাজবংশী জনগোষ্ঠীৰ সিদ্ধান্তক অসম ৰাজ্যিক লোকপিয়ল সঞ্চালক বিশ্বজিৎ পেগুৱে কিদৰে গ্ৰহণ কৰিব সেয়া হ'ব লক্ষ্যণীয়।

## শিৱসাগৰ জিলা আয়ুক্ত-চক্ৰ বিষয়া-লাট মণ্ডল-গাঁওবুঢ়া-ৱাৰ্ড মেম্বাৰসকলে দুৰ্নীতি-ৰাজনীতিকৰণৰ দাবীত প্ৰতিবাদ

# বানবিধ্বস্ত ৰাইজক ক্ষতিপূৰণৰ পৰা বঞ্চিত কৰিছে আয়ুক্তই

### ■ গুৰুতৰ অভিযোগ কৃষক মুক্তি সংগ্ৰাম সমিতিৰ

**অগ্ৰদূত বাৰ্তা**

**আমগুৰি, ২০ আগষ্ট ঃ** জলপ্ৰলয়ত আক্ৰান্ত নাজিৰা আৰু শিৱসাগৰ সমষ্টিৰ বহুতো পৰিয়াল আজিও অসম চৰকাৰৰ ঘোষিত তাৎক্ষণিক সকাহ ১৫ হেজাৰ টকাৰ পৰা বঞ্চিত। এই বঞ্চিতসকলৰ সপক্ষে তথা চৰকাৰী বৈষম্যৰ বিৰুদ্ধে আজি শিৱসাগৰ জিলাৰ আমগুৰি ৰাজহ চক্ৰ কাৰ্যালয়ৰ সন্মুখত কৃষক মুক্তি সংগ্ৰাম সমিতিৰ উদ্যোগত নাজিৰা সমষ্টিৰ দোপদৰ কুকুৰাছোৱাবাসী ৰাইজে উচিত ক্ষতিপূৰণ, ভুক্তভোগী পৰিয়ালক সাহায্যৰ পৰা বঞ্চিত কৰা, শিৱসাগৰ জিলা আয়ুক্ত, চক্ৰ বিষয়া, লাট মণ্ডল, গাঁওবুঢ়া, ৱাৰ্ড মেম্বাৰসকলে দুৰ্নীতি আৰু ৰাজনীতিকৰণ কৰাৰ দাবীত প্ৰতিবাদ সাব্যস্ত কৰে। প্ৰতিবাদকাৰীসকলে 'বানপীড়িত ৰাইজক লৈ ৰাজনীতিকৰণ বন্ধ কৰক, সকলো ভুক্তভোগী পৰিয়ালক উচিত ক্ষতিপূৰণ দিয়ক, বিসংগতিপূৰ্ণভাৱে কাম কৰা গাঁওবুঢ়া, লাটমণ্ডলসকলৰ ওপৰত ব্যৱস্থা গ্ৰহণ কৰক, চক্ৰ বিষয়াৰ কাম নাই, হিমন্ত বিশ্ব শৰ্মাৰ ৰাজনীতি বন্ধ কৰক' আদি শ্ল'গানেৰে পৰিৱেশ উত্তাল কৰি তোলে। প্ৰতিবাদস্থলীত কৃষক মুক্তি সংগ্ৰাম সমিতিৰ কেন্দ্ৰীয় মুখ্য সাংগঠনিক সম্পাদক ঋতুমণি হাজৰিকা উপস্থিত থাকি অভিযোগ কৰি কয় যে মুখ্যমন্ত্ৰীৰ নিৰ্দেশতে জিলা আয়ুক্ত, গাঁওবুঢ়া, লাটমণ্ডল, চক্ৰ বিষয়া, গাঁও পঞ্চায়তৰ প্ৰতিনিধি, ৱাৰ্ড সদস্য আদিয়ে ৰাজনীতিকৰণ কৰি প্ৰকৃত ভুক্তভোগীক বঞ্চিত কৰিছে। প্ৰকৃত ভুক্তভোগী পৰিয়ালে চৰকাৰী সাহায্যৰ পৰা বঞ্চিত হৈ আছে। বানৰ সময়ত ঘৰত বহি বহি গাঁওবুঢ়া, মণ্ডলে তালিকা প্ৰস্তুত কৰি দিয়াৰ বাবে চৰকাৰী ১৫ হেজাৰ সাহায্যৰ পৰা বহু ক্ষতিগ্ৰস্ত পৰিয়াল বঞ্চিত হ'ব লগা হৈছে। যাৰ বাবে আজি একাঁঠু পানীত হাঁহ নচৰা অৱস্থাৰ পৰিয়ালে বঞ্চিত হৈ থাকিব লগা হৈছে। বিসংগতিপূৰ্ণভাৱে কাম কৰা গাঁওবুঢ়া, মণ্ডলক নিলম্বন কৰাৰ দাবী জনায় ঋতুমণি হাজৰিকাই। জিলা আয়ুক্ত, চক্ৰ বিষয়া, খণ্ড উন্নয়ন বিষয়াই গাঁও পঞ্চায়তৰ সদস্য, লাটমণ্ডল, গাঁওবুঢ়াসকলক নাকী নলগালে পুনৰ আন্দোলন গঢ়ি তোলাৰ হুংকাৰ দিয়ে।

নাজিৰা সমষ্টিৰ দোপদৰ কুকুৰাছোৱাৰ বানত বিধ্বস্ত এটা পৰিয়ালো যদি চৰকাৰী সাহায্যৰ পৰা বঞ্চিত হ'বলগীয়া হয় তেনেহ'লে কোনো বাছি যাব নোৱাৰিব বুলি চক্ৰ বিষয়াক অৱগত কৰে। বৰ্তমান সময়ত বানপীড়িতৰ কামত নিয়োগ কৰা শিক্ষকসকলকো চিনাকি মানুহ চাই চাই প্ৰকৃত ভুক্তভোগীক বঞ্চিত নকৰিবলৈ অনুৰোধ জনায়। প্ৰতিবাদস্থলীত ছাত্ৰ মুক্তি সংগ্ৰাম সমিতিৰ কেন্দ্ৰীয় উপ-সভাপতি ৰবীন হাজৰিকা, শিৱসাগৰ জিলা সভাপতি পল্লব শইকীয়া, সম্পাদক ভাস্কৰ বৈৰাগী উপস্থিত থাকি প্ৰতিটো পৰিয়ালক উচিত ক্ষতিপূৰণৰ দাবী জনায় অহা ২৫ আগষ্টৰ ভিতৰত প্ৰতিটো পৰিয়ালক উচিত ক্ষতিপূৰণ আৰু বৰ্তমান চৰকাৰী ১৫০০০ হেজাৰ সাহায্য প্ৰদান কৰাৰ দাবী জনায়।







*বিভিন্ন দাবীৰ সমৰ্থনত কটন বিশ্ববিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ প্ৰতিবাদ, বৃহস্পতিবাৰে।*

# নগাঁৱত ট্ৰাকৰ খুন্দাত থিতাতে নিহত চাইকেল আৰোহী

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**নগাঁও, ২০ আগষ্ট ঃ** নগাঁও চহৰৰ খুটীকটীয়াৰ আকাশ হুণ্ডাইৰ সন্মুখত কালি বিয়লি ভাগত সংঘটিত হোৱা এক ভয়ংকৰ পথ দুৰ্ঘটনাত এগৰাকী ব্যক্তি থিতাতে নিহত হয়। জানিব পৰা মতে, আকাশ হুণ্ডাইৰ সমীপত চাইকেল লৈ নগাঁও চহৰৰ দিশে আহি থকা অৱস্থাত এখন দ্ৰুতবেগী ট্ৰাকে মহটিয়াই নিয়ে চাইকেল আৰোহী জনক। যাৰ ফলত থিতাতে নিহত হয় ব্যক্তিজন। নিহত ব্যক্তিজনৰ পৰিচয় বৰ্তমানলৈকে জানিব পৰা হোৱা নাই। দুৰ্ঘটনা সংঘটিত কৰা ট্ৰাকখনৰ নম্বৰ হৈছে এ এছ ০১ এইছ চি ৭২২৩। স্থানীয় ৰাইজৰ অভিযোগ সুৰামত্ত ট্ৰাক চালকজনৰ বাবে মৃত্যু হ'ল চাইকেল আৰোহীজন। পৰৱৰ্তী সময়ত ঘটনাস্থলীত আৰক্ষী উপস্থিত হৈ মৃতদেহটো উদ্ধাৰ কৰাৰ লগতে ট্ৰাক চালকজনক আটক কৰে।

### ■ কলংনৈ বিপদসীমাৰ ৮১ ছেণ্টিমিটাৰ তলত

# নগাঁৱৰ বান পৰিস্থিতিৰ কিছু উন্নতি আজিও ২৮ খন গাঁও বানৰ কৱলত

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**নগাঁও, ২০ আগষ্ট ঃ** নগাঁও জিলাৰ বান পৰিস্থিতি কিছু উন্নতি হৈছে। অৱশ্যে নগাঁও দুৰ্যোগ ব্যৱস্থাপনা বিভাগে জনোৱা তথ্য অনুসৰি, আজিৰ দিনটোতো জিলাখনৰ ২৮ খন গাঁও বানপানীৰ কবলত আছে। এই গাঁওসমূহ হ'ল চামগুৰি ৰাজহ চক্ৰৰ ২২ খন গাঁও ক্ৰমে চাপতকাৰা, মাজুলীগাঁও, তামুলীটুপ, বাজিগাঁও, লটানীচাপৰি, কৰৈগুৰি, ব্ৰহ্মচাৰী সত্ৰ, লাওগাঁও, গেৰুৱাআটি, পুঠিখাইটি, বাটমাৰী, টেকেলীপোতা, কাচখাইটি, গেৰেকী, বেলেউগুৰি কছাৰীগাঁও, নিজ খাটোৱাল, জৰাথনী, মাগুৰমাৰী, তেলিয়াচাপৰি জিউমাৰী আৰু ৰূপহী ৰাজহ চক্ৰৰ ছয়খন গাঁও ক্ৰমে তেলিয়াচাপৰিটুপ, ৰৌমাৰী, কোচগাঁও, ফাকলি, পুথিখাইটি, বৰপেটা।

কাৰ্বি পাহাৰত এইবাৰ হোৱা প্ৰৱল বৰষুণৰ বাবে ডিজু, নিশাৰী, মিছা নৈৰ জলপৃষ্ঠ অভাৱনীয় বৃদ্ধি পোৱাত এইবাৰ জিলাখনৰ কলিয়াবৰ, চামগুৰি, নগাঁও সদৰ, কামপুৰ, ৰূপহী ৰাজহ চক্ৰৰ শতাধিক গাঁও প্লাবিত হয়। শেহতীয়াকৈ জিলাখনৰ বান পৰিস্থিতি উন্নত হোৱাত কলিয়াবৰ, কামপুৰ, নগাঁও সদৰ ৰাজহ চক্ৰৰ বানাক্ৰান্ত অঞ্চল বান মুক্ত হৈছে। আজিৰ দিনটোত চামগুৰি আৰু ৰূপহী ৰাজহ চক্ৰত ৬,৩১৪ জন লোক বানত আক্ৰান্ত হৈ আছে। ২,৬৪২ হেক্টৰ কৃষিভূমি প্লাবিত হৈ আছে। বানাক্ৰান্তসকলক সাহায্য বিতৰণ কেন্দ্ৰৰ জৰিয়তে প্ৰয়োজনীয় সামগ্ৰী বিতৰণ কৰি থকা হৈছে বুলি জিলা প্ৰশাসনৰ সূত্ৰই প্ৰকাশ কৰিছে। জিলাখনৰ কাষেৰে বৈ থকা ব্ৰহ্মপুত্ৰৰ লগতে কলং, কপিলী, নিশাৰী আদি নৈৰ জলপৃষ্ঠ যথেষ্ট হ্ৰাস পাইছে। জলসম্পদ বিভাগে জনোৱা মতে, আজি বিয়লি চাৰি বজাৰ তথ্য অনুসৰি নগাঁও চহৰত কলং নৈ বিপদসীমাৰ ৮১ ছেণ্টিমিটাৰ তলেৰে বৈ আছে। আজিৰ পুৱাৰ ভাগত নগাঁও জলসম্পদ বিভাগৰ নগাঁও সংমণ্ডল চৌহদ অঞ্চলত ৩.৬০ মিলিমিটাৰ আৰু শিলঘাট কাৰ্যালয় চৌহদ অঞ্চলত ৩.৪০ মিলিমিটাৰ বৰষুণ হৈছে।

# বানবিধ্বস্ত শিৱসাগৰত এআইডিএছঅ'ৰ সাহায্য-শ্ৰমদান

### চৰকাৰক সঠিক পৰিকল্পনাৰে ব্যৱস্থা গ্ৰহণৰ দাবী

**অগ্ৰদূত বাৰ্তা**

**নলবাৰী, ২০ আগষ্ট ঃ** উজনি অসমৰ প্ৰলয়ংকৰী বানত ক্ষতিগ্ৰস্ত ৰাইজৰ সাহায্যাৰ্থে শিৱসাগৰ জিলাৰ চন্তক অঞ্চলত এআইডিএছঅ'ৰ অসম ৰাজ্যিক কাউন্সিলৰ উদ্যোগত সাহায্য আৰু শ্ৰমদান কাৰ্যসূচী অব্যাহত আছে। এআইডিএছঅ'ৰ অসম ৰাজ্যিক কমিটীৰ ৰাজ্যিক সম্পাদক হেমন্ত পেগুৱে এক বিবৃতিত জনোৱা মতে, সংগঠনটোৱে যোৱা ১৬ আগষ্টৰ পৰা আজিলৈকে পাঁচদিন ধৰি শ্ৰমদান কাৰ্যসূচী অব্যাহত ৰাখিছে। বিবৃতিত উল্লেখ কৰা অনুসৰি, সম্প্ৰতি উজনি অসমৰ প্ৰলয়ংকৰী বানপানীৰ ফলত শিৱসাগৰ জিলা আৰু চৰাইদেউ জিলাত এক অভাৱনীয় পৰিস্থিতিৰ সৃষ্টি হৈছে। অন্যান্য দল-সংগঠনৰ দৰে ছাত্ৰ সংগঠন এছআইডিএছঅ'ৰ উদ্যোগত যোৱা ২৫ জুলাইত শিৱসাগৰ জিলাৰ কুজিবালি, ষ্টেছন চাৰিআলি, চেতিয়াগাঁও, চাউদাং গাঁও আৰু ২৯ জুলাইত নাজিৰা অঞ্চলৰ দুৰৰা গাঁও, হোলোং গাঁও আদি ঠাইত বান সাহায্য বিতৰণ কৰা হয়। এতিয়া পানী শুকাইছে যদিও ঘৰ-দুৱাৰ পলসত পোত খাই আছে। সাধাৰণ মানুহৰ থকা-মেলাৰ কোনো ব্যৱস্থা হোৱা নাই। ছাত্ৰ সংগঠন এছআইডিএছঅ'ৰ স্বেচ্ছাসেৱকসকলে যোৱা ১৬ আগষ্টৰ পৰা শিৱসাগৰ জিলাৰ চন্তক অঞ্চলত থাকি আজিলৈকে পাঁচদিন ধৰি বানপীড়িত ৰাইজৰ সাহায্যাৰ্থে শ্ৰমদান কৰি আছে। এআইডিএছঅ'ৰ অসম ৰাজ্যিক কমিটীয়ে লক্ষ্য কৰিছে যে বানপানীত সাধাৰণ ৰাইজৰ ঘৰ-দুৱাৰৰ যি ক্ষতিসাধন হৈছে। যিদৰে পলসে সকলোখিনি পুতি পেলাইছে সেয়া দূৰ কৰি নিজ ঠাইত ক্ষতিগ্ৰস্ত ৰাইজক পুনৰ সংস্থাপন কৰাৰ বাবে ৰাজ্য চৰকাৰে যুদ্ধকালীন তৎপৰতাৰে পদক্ষেপ গ্ৰহণ কৰিব লাগিব। এআইডিএছঅ'সহ অন্যান্য সংগঠনৰ স্বেচ্ছাসেৱকসকলে নিষ্ঠা সহকাৰে যিখিনি কাম আগবঢ়াইছে সেয়া মুঠেই যথেষ্ট নহয়। আমি ছাত্ৰ সংগঠন এছআইডিএছঅ'ৰ অসম ৰাজ্যিক কাউন্সিলে চৰকাৰক যুদ্ধকালীন তৎপৰতাৰে আৰু সঠিক পৰিকল্পনা কৰি সকলো মানুহক পুনৰ সংস্থাপনৰ ব্যৱস্থা সুনিশ্চিত কৰাৰ বাবে বিবৃতিটোৰ জৰিয়তে চৰকাৰৰ ওচৰত দাবী জনাইছে।

### ■ সভাপতি ডেভিড লেজাৰ, সাধাৰণ সম্পাদক আব্দুল মান্নান নিৰ্বাচিত

# বৰপেটা জিলা উকীল সন্থাৰ নিৰ্বাচন সম্পন্ন

**বিশেষ সংবাদদাতা**

**বৰপেটা, ২০ আগষ্ট ঃ** বৰপেটা জিলা উকীল সন্থাৰ কালি সাধাৰণ নিৰ্বাচন অনুষ্ঠিত হয়। নিৰ্বাচনৰ ফলাফল অনুসৰি, ডেভিড লেজাৰ সভাপতি হিচাপে নিৰ্বাচিত হয়। আনহাতে সাধাৰণ সম্পাদক পদত আব্দুল মান্নান বিজয়ী হয়। ফলাফল অনুসৰি, সহকাৰী সাধাৰণ সম্পাদক পদত শ্বফিকুল ইছলাম আৰু জেলেকা খাতুন, কোষাধ্যক্ষ হিচাপে কিৰণ শংকৰ দাস, লাইব্ৰেৰী সম্পাদকৰূপে মণ্টু বৰ্মন, হিচাপ পৰীক্ষক হিচাপে দীপক কুমাৰ পাঠক আৰু প্ৰদীপ কুমাৰ দাস নিৰ্বাচিত হয়। নিৰ্বাচিত বিষয়ববীয়াসকলৰ লগতে নিৰ্বাচিত ২০ গৰাকী কাৰ্যকৰী সদস্যৰে বৰপেটা জিলা উকীল সন্থাৰ নতুন সমিতিখন গঠন কৰা হয়।

# টাপাট্টাৰী জিলা পৰিষদ সমষ্টিত পথ নিৰ্মাণৰ নামত ব্যাপক লুণ্ঠন

### নিৰ্মাণৰ পাছতে পথত মেলিছে ফাট, ক্ষুব্ধ ৰাইজ

**অগ্ৰদূত বাৰ্তা**

**অভয়াপুৰী, ২০ আগষ্ট ঃ** পঞ্চায়তীৰাজ ব্যৱস্থাৰ জৰিয়তে গ্ৰাম্যাঞ্চলৰ বাট-পথ, ৰাজহুৱা অনুষ্ঠান-প্ৰতিষ্ঠানকে ধৰি বিভিন্ন ক্ষেত্ৰত বিকাশ সাধনৰ বাবে বিভিন্ন আঁচনি গ্ৰহণ কৰি কোটি-কোটি টকা ব্যয় কৰি আহিছে যদিও প্ৰতিনিধিৰ অবাধ লুণ্ঠনৰ বাবে সিংহভাগ আঁচনিয়ে ভেঁকোভাওনাত পৰিণত হোৱা পৰিলক্ষিত হৈছে। আন আন অঞ্চলৰ দৰে বঙাইগাঁও জিলাৰো বিভিন্ন অঞ্চলত প্ৰতিনিধিৰ লুণ্ঠনৰ বাবে অঞ্চলবোৰৰ বিকাশৰ ক্ষেত্ৰত বাধাৰ সৃষ্টি হোৱাৰো অভিযোগ উত্থাপিত হৈছে। বিশেষকৈ বঙাইগাঁও জিলা পৰিষদৰ ন নম্বৰ টাপাট্টাৰী জিলা পৰিষদ সমষ্টিত আঁচনি ৰূপায়ণৰ নামত জিলা পৰিষদ সদস্য কেৰামত আলীয়ে ব্যাপক দুৰ্নীতি সংঘটিত কৰা বুলি অভিযোগ উত্থাপিত হৈছে। জানিব পৰামতে, জিলা পৰিষদ সমষ্টিটোৰ অন্তৰ্গত ছয় নম্বৰ পিৰাধৰাৰ পিৰাধৰা প্ৰথম খণ্ডৰ মফিদুল ইছলামৰ ঘৰৰ পৰা মোকতাব ঘৰলৈ যোৱা চি চি ব্লকৰ পথ নিৰ্মাণৰ ২০২৪-২৫ বিত্তীয় বৰ্ষত পঞ্চদশ বিত্তীয় আঁচনিৰ প্ৰথম কিস্তিত (আনটাইড) ছয় লাখ ৩০ হেজাৰ টকা আৱণ্টন দিছিল। চলিত বৰ্ষৰ ১৮ ফেব্ৰুৱাৰীত আৰম্ভ কৰা প্ৰায় এশ মিটাৰ দৈৰ্ঘ্যৰ পথছোৱা ধন লুণ্ঠনৰ ফন্দিৰে ততাতৈয়াকৈ নিৰ্মাণ কৰাৰ পাছতে পথটোৰ বেছিভাগ অংশই বহি যোৱাৰ লগতে ফাট মেলিবলৈ লৈছে । নিয়মমতে, চি চি ব্লক বহুওৱাৰ আগতে পথছোৱাত শিল বালি পেলাই ৰ'লাৰেৰে পথছোৱা টান কৰি ল'ব লাগে যদিও ধন লুণ্ঠনৰ স্বাৰ্থতে কোনো ধৰণৰ ৰ'লাৰ ব্যৱহাৰ নকৰাৰ ফলতে নিৰ্মাণ কৰাৰ পাছতে পথছোৱা বিধ্বস্ত হ'বলৈ লৈছে। আনপিনে, নিৰ্মাণ কৰা পথত কোনো চাইড বাম নিদিয়াৰ ফলত দুৰ্ঘটনাৰো আশংকাই দেখা দিছে। এনে অৱস্থাত আঁচনিৰ নামত আৱণ্টিত ধনৰ কিছু অংশহে খৰচ কৰি বাকী সিংহভাগ ধনেই লুণ্ঠন কৰাৰো অভিযোগ উত্থাপিত হৈছে ।

# ধৰ্মধ্বজা উত্তোলনেৰে কলিয়াপানী আউনীআটী সত্ৰত ভাদমহীয়া নাম আৰম্ভ

**অগ্ৰদূত বাৰ্তা**

**চেলেংহাট, ২০ আগষ্ট ঃ** পৱিত্ৰ ভাদ মাহ উপলক্ষে টীয়কৰ কলিয়াপানীস্থিত আউনীআটী শাখা সত্ৰত আজি ধৰ্মধ্বজা উত্তোলনেৰে ভাদমহীয়া নামৰ বিস্তৃত কাৰ্যসূচীৰ আৰম্ভ কৰা হয়। সত্ৰাধিকাৰ পীতাম্বৰ দেৱ গোস্বামীয়ে ধৰ্মধ্বজা উত্তোলন কৰি এমাহজোৰা এই আধ্যাত্মিক অনুষ্ঠানৰ আৰম্ভ কৰে। বানপানীৰ প্ৰতিকূল পৰিৱেশৰ মাজতো ভক্তপ্ৰাণ ৰাইজৰ সহযোগত অনুষ্ঠানটো আয়োজন কৰা হৈছে। নাম পৰিচালনা সমিতিৰ মুখ্য সম্পাদক গজেন ভূঞাই আঁত ধৰা ধৰ্মধ্বজা উত্তোলন অনুষ্ঠানত আউনীআটী বিশ্ববিদ্যালয়ৰ উপাচাৰ্য প্ৰকাশজ্যোতি বৰঠাকুৰ, পঞ্জীয়ক মাধুৰ্যমণ্ডিত বৰুৱা, মৰিয়নি সমষ্টিৰ বিধায়ক ৰূপজ্যোতি কুৰ্মী, ভাদমহীয়া নাম পৰিচালনা সমিতিৰ উপ-সভাপতি ৰাতুল গগৈ, নামলগোৱা অনিল কলিতাকে ধৰি সত্ৰৰ বৈষ্ণৱ আৰু স্থানীয় ৰাইজ উপস্থিত থাকে। ধৰ্মধ্বজা উত্তোলন কৰি সত্ৰাধিকাৰ পীতাম্বৰ দেৱ গোস্বামীয়ে ভাদৰ আধ্যাত্মিক তাৎপৰ্য ব্যাখ্যা কৰি কয় যে ভাদ মাহ অসমীয়াৰ বাবে এক অতি পৱিত্ৰ মাহ। এই মাহতে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ আৰু মহাপুৰুষ মাধৱদেৱৰ তিৰোভাৱ তিথি, শ্ৰীকৃষ্ণৰ জন্মাষ্টমী, বিশ্বকৰ্মা পূজাকে ধৰি বিভিন্ন গুৰুত্বপূৰ্ণ ধৰ্মীয় অনুষ্ঠান পালন কৰা হয়। ইয়াৰ লগতে কলিযুগৰ আৰম্ভণিৰ সময়তে ভাগৱত পাঠৰ পৰম্পৰাও ভাদৰ স'তে সম্পৰ্কিত বুলি তেওঁ উল্লেখ কৰে।

# নগৰবেৰাৰ মন্দিৰা এন চিত মাটিৰ পট্টা দিয়াৰ নামত দুষ্ট চক্ৰৰ ধন সংগ্ৰহৰ অভিযোগ

**নগৰবেৰা, ২০ আগষ্ট ঃ** কামৰূপ জিলাৰ নগৰবেৰা ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয়ৰ অন্তৰ্গত মন্দিৰা এন চি গাঁৱৰ শ শ লোকে মাটিৰ পট্টা বিচাৰি অনলাইনযোগে আবেদন কৰাৰ পাছত এটা দুষ্ট চক্ৰই মাটিৰ পট্টা দিয়াৰ নামত ব্যাপক হাৰত ধন সংগ্ৰহ কৰাৰ অভিযোগ উত্থাপিত হৈছে। জানিব পৰা মতে মন্দিৰা এনচি গাঁৱত ইতিমধ্যে মাটিৰ পট্টাৰ বাবে অনলাইনযোগে আবেদন কৰা একাংশ আবেদনকাৰীক ৮১৩৪৮১০৭১০ নম্বৰৰ পৰা ফোন কৰি মাটিৰ পট্টাৰ কাম কৰি দিয়াৰ নামত ধন সংগ্ৰহ কৰাৰ অভিযোগ উত্থাপন হৈছে। একাংশ আবেদনকাৰীয়ে জনোৱা মতে, অতুল বৰা নামৰ এজন লোকে উল্লিখিত ফোন নম্বৰযোগে নিজকে নগৰবেৰা ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয়ৰ লাট মণ্ডল বুলি ভুৱা পৰিচয় দি মাটিৰ পট্টা দিয়াৰ নামত বহু লোকৰ পৰা হেজাৰ হেজাৰ টকা সংগ্ৰহ কৰিছে। দুষ্ট চক্ৰটোৱে মাটিৰ পট্টা বিচাৰি আবেদন কৰা লোকৰ আবেদনৰ সবিশেষ সংগ্ৰহ কৰি তেওলোকৰ মাটি পট্টা কৰি দিয়াৰ প্ৰলোভনেৰে জিয়াউৰ ৰহমানসহ কে'বাজন অচিনাকি লোকৰ ফোন পে যোগে হেজাৰ হেজাৰ টকা সংগ্ৰহ কৰা ঘটনাটোৱে সম্প্ৰতি তীব্ৰ প্ৰতিক্ৰিয়া হৈছে। ইতিমধ্যে বিষয়টো সন্দৰ্ভত দুষ্ট চক্ৰৰ প্ৰলোভনৰ চিকাৰ হোৱা মন্দিৰা এন চিৰ গাঁৱৰ আক্ৰাম হুছেইন নামৰ এজন ভূক্তভোগীয়ে মাটিৰ পট্টা প্ৰদানৰ নামত ধন সংগ্ৰহ কৰা চক্ৰটোৰ বিৰুদ্ধে বিহিত ব্যৱস্থা গ্ৰহণ কৰিবলৈ নগৰবেৰা ৰাজহ চক্ৰ বিষয়াৰ ওচৰত এক আবেদন পত্ৰ দাখিল কৰিছে।

# মাছখোৱা উন্নয়ন খণ্ডত এনৰেগা আঁচনি ৰপায়ণৰ নামত অনিয়ম

**অগ্ৰদূত বাৰ্তা**

**ধেমাজি, ২০ আগষ্ট ঃ** ধেমাজিৰ মাছখোৱা উন্নয়ন খণ্ডৰ এমজি এনৰেগা আঁচনি ৰূপায়ণৰ নামত খণ্ড উন্নয়ন বিষয়া, সচিব, অভিযন্তাই মিলি ভুৱা বিলেৰে লাখ লাখ টকা লুণ্ঠনৰ অভিযোগ কৰিছে ধেমাজি জিলা কৃষক মুক্তি সংগ্ৰাম সমিতিয়ে। এই সন্দৰ্ভত আজি ধেমাজি জিলা কৃষক মুক্তিৰ সাধাৰণ সম্পাদক দুৰ্গা বৰাই অসমৰ পঞ্চায়ত আৰু গ্ৰামোন্নয়ন মন্ত্ৰী অতুল বৰালৈ এখন স্মাৰকপত্ৰ প্ৰেৰণ কৰে। স্মাৰকপত্ৰত সংগঠনটোৱে কয় যে মাছখোৱা উন্নয়ন খণ্ডত এমজি এনৰেগা আঁচনিৰ নামত খণ্ড উন্নয়ন বিষয়া আৰু কনিষ্ঠ অভিযন্তাই মিলি কেইটামান নিৰ্বাচিত ভেণ্ডাৰৰ জৰিয়তে লাখ লাখ টকাৰ ভুৱা বিল আৰু ভুৱা জবকাৰ্ডৰ জৰিয়তে লুণ্ঠন চলোৱা বুলি অভিযোগ কৰিছে। উন্নয়ন খণ্ডটোৰ অন্তৰ্গত বৰদলনী গাঁও পঞ্চায়তত এনৰেগা আঁচনিত ২০২৫-২৬ত ১৫ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ পৰা মহন্ত চ'কলৈ পথ নিৰ্মাণ আৰু দুয়ো দিশত বান্ধ নিৰ্মাণৰ বাবে ৭.৬২ লাখ ধন আবণ্টন হয় বুলি উল্লেখ কৰি কৃষক মুক্তিয়ে কয় যে অতি ৰহস্যজনক এই আঁচনিত কোনো কাম নকৰাকৈ মাছখোৱাৰ খণ্ড উন্নয়ন বিষয়া, বৰদলনি পঞ্চায়তৰ কনিষ্ঠ অভিযন্তা জিমে দলে আৰু বৰদলনি পঞ্চায়তৰ সচিব জিতেন গোহাঁয়ে ভুৱা শ্ৰমিকৰ নামত ভুৱা বিল বনাই আবণ্টিত সমুদায় ধন আত্মসাৎ কৰিছে। সেয়েহে এই কেলেংকাৰিৰ উচিত তদন্ত কৰি দোষীক শাস্তি দিবলৈ সংগঠনটোৱে দাবী জনায়।

# গহপুৰত সদৌ বিশ্বনাথ জিলা ছাত্ৰ সন্থাৰ দ্বিতীয় বাৰ্ষিক অধিবেশনৰ প্ৰস্তুতি

**গহপুৰ, ২০ আগষ্ট ঃ** সদৌ অসম ছাত্ৰ সন্থাৰ অন্যতম সক্ৰিয় জিলা সমিতি হিচাপে সুপৰিচিত সদৌ বিশ্বনাথ জিলা ছাত্ৰ সন্থাৰ দ্বিতীয় বাৰ্ষিক অধিবেশনখন ছহিদ নগৰী গহপুৰত গহপুৰ মহকুমা ছাত্ৰ সন্থা, গহপুৰ আঞ্চলিক ছাত্ৰ সন্থাৰ আতিথ্যত তথা বৃহত্তৰ গহপুৰবাসী ৰাইজৰ অভিভাৱকত্বত অহা ২৭ আগষ্টৰ পৰা তিনিদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে গহপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰত অনুষ্ঠিত কৰাৰ ব্যাপক প্ৰস্তুতি চলোৱা হৈছে। উল্লেখ্য যে উক্ত অধিবেশনত সমগ্ৰ বিশ্বনাথ জিলাৰ পৰা সহযাধিক মাৰ প্ৰতিনিধি সমবেত হৈ বিশ্বনাথ শৈক্ষিক ভৱিষ্যত সম্পৰ্কে চিন্তন-মন্থন কৰিব। তাৰ সমান্তৰালভাৱে বৰ্ণিল সমন্বয় সাংস্কৃতিক শোভাযাত্ৰা, গ্ৰন্থমেলা, প্ৰদৰ্শনী, বিজ্ঞান মেলা, মুকলি সভা আৰু সাংস্কৃতিক অনুষ্ঠান আদিৰো আয়োজন কৰা হৈছে। এই উপলক্ষে ছয়দুৱাৰ মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ ড° অঞ্জন কুমাৰ ওজাক সভাপতি, এ-বজ্যোতি বৰাক সাধাৰণ সম্পাদক, প্ৰজ্ঞান ভূঞাক কাৰ্যকৰী সভাপতি আৰু বিক্ৰম বিকাশ বৰাক সম্পাদকৰূপে লৈ মূল আদৰণি সমিতিৰ লগতে ১৮ খন তিনিদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰ আয়োজন উপ-সমিতি গঠন কৰি অধিবেশনৰ যাৱতীয় প্ৰস্তুতি অব্যাহত ৰখা হৈছে। অধিবেশনৰ ঘোষিত কাৰ্যসূচী অনুসৰি ২৭ আগষ্টৰ পুৱা ড্ৰাগছ বিৰোধী সজাগতা মাৰাঘন, দুপৰীয়া প্ৰতিনিধি শিবিৰ মুকলি, বিয়লি গ্ৰন্থ মেলা আৰু বাণিজ্য মেলা মুকলি, প্ৰতিনিধিৰ নাম পঞ্জীয়ন, সদৌ বিশ্বনাথ জিলা ছাত্ৰ সন্থাৰ কাৰ্যনিৰ্বাহক সভা আৰু সন্ধিয়া ও বজাত প্ৰতিনিধি সভাৰ প্ৰাৰম্ভিক অনুষ্ঠান। ২৮ আগষ্টত সদৌ অসম ছাত্ৰ সন্থাৰ পতাকা উত্তোলন, ছহিদ তৰ্পণ, জিলা ভিত্তিত আন্তঃবিদ্যালয়-মহাবিদ্যালয় সাহিত্য প্ৰতিযোগিতা, বিয়লি ছহিদ কনকলতা ভৱনত প্ৰতিনিধি সভা, সন্ধিয়া ছয় বজাত বন্তি প্ৰজ্বলন আৰু সাংস্কৃতিক সমাৰোহ। অধিৱেশনৰ অন্তিম দিনাৰ কাৰ্যসূচী অনুসৰি, ২৯ আগষ্টত সমন্বয় সাংস্কৃতিক শোভাযাত্ৰা উদ্বোধন কৰিব গহপুৰৰ বিশিষ্ট সমাজকৰ্মী উদয় আদিত গোস্বামীয়ে আৰু মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰিব সদৌ অসম ছাত্ৰ সন্থাৰ সভাপতি উৎপল শৰ্মাই। লগতে জনপ্ৰিয় কণ্ঠশিল্পী দীপলীনা ডেকা আৰু জনপ্ৰিয় অভিনেত্ৰী যশশ্ৰী ভূঞাই সমন্বয় সাংস্কৃতিক শোভাযাত্ৰাত অংশগ্ৰহণ কৰিব।

# উদ্‌যাপন হ'ল চতিয়া দিৱস

### ■ স্বাধীনতা সংগ্ৰামত চতিয়াৰ ৰাইজৰ ত্যাগ আৰু বীৰত্ব আছিল দেশৰ ভিতৰতেই অনন্য ঃ মন্ত্ৰী বড়া ■ পাঠ্যপুথিত অন্তৰ্ভুক্ত কৰক চেতিয়া দিৱসৰ ঘটনা ঃ অদীপ ফুকন



**অগ্ৰদূত বাৰ্তা**

**নদুৱাৰ/চতিয়া, ২০ আগষ্ট ঃ** অসম চৰকাৰৰ সাংস্কৃতিক মন্ত্ৰণালয়ৰ উদ্যোগত আৰু চতিয়াৰ ৰাইজৰ সহযোগত আজি চতিয়াত উদ্‌যাপন কৰা হ'ল চতিয়া দিৱস। পুৱা পতাকা উত্তোলনেৰে কাৰ্যসূচীৰ আৰম্ভ হোৱাৰ পাছত স্থানীয় নীলিমা ভৱনত অনুষ্ঠিত হয় মুকলি সভা। ১৯১৩তে স্থাপিত হোৱা চতিয়া থানাত কিদৰে স্বাধীনতা সংগ্ৰামীয়ে ব্ৰিটিছৰ ইউনিয়ন জেক নমাই ভাৰতীয় ত্ৰিৰংগা পতাকা উত্তোলন কৰিছিল তাৰ ওপৰত যুগুত কৰা এখন আলেখ্য প্ৰদৰ্শন কৰা হয়। কাৰ্যসূচীত মুখ্য অতিথিৰূপে অংশগ্ৰহণ কৰি ডিৱাই ৩৬৫ৰ মুখ্য সম্পাদক অদীপ কুমাৰ ফুকনে ভাৰতৰ স্বাধীনতা সংগ্ৰামৰ ইতিহাসত চতিয়াৰ ইতিহাস সুকীয়াকৈ লিপিবদ্ধ হ'ব লাগে আৰু স্কুলীয়া পাঠ্যক্ৰমত এই ঘটনা অন্তৰ্ভুক্ত হ'ব লাগে বুলি মন্তব্য কৰে। জ্যেষ্ঠ সাংবাদিকজনে ভাৰতৰ স্বাধীনতা আন্দোলনৰ অভিকেন্দ্ৰ চতিয়া বুলিও উল্লেখ কৰে। মূল সভাত অংশগ্ৰহণ কৰি ৰাজ্য চৰকাৰৰ মন্ত্ৰী বিমল বড়াই ইংৰাজৰ বিৰুদ্ধে সমগ্ৰ দেশতে আৰম্ভ হোৱা স্বাধীনতা সংগ্ৰামত চতিয়া ৰাইজৰ অসীম ত্যাগ শ্ৰদ্ধাৰে সোঁৱৰণ কৰাৰ লগতে দেশৰ ভিতৰতে প্ৰথমবাৰৰ বাবে চতিয়া থানাত ব্ৰিটিছৰ পতাকা নমাই ভাৰতীয় ত্ৰিৰংগা পতাকা উত্তোলন কৰাটোৱে চতিয়াৰ ৰাইজৰ দেশপ্ৰেম আৰু বীৰত্ব কিমান আছিল সেই কথাকেই প্ৰমাণ কৰে বুলিও মন্তব্য কৰে। চতিয়া দিৱস কাৰ্যসূচীত নদুৱাৰ সমষ্টিৰ বিধায়ক পদ্ম হাজৰিকাই চতিয়া দিৱসৰ তাৎপৰ্য ব্যাখ্যা কৰি ভাষণ আগবঢ়ায়। উল্লেখ্য যে ১৯৪২ৰ ২০ আগষ্ট তথা আজিৰ দিনটোতে চতিয়া থানাত ব্ৰিটিছৰ ইউনিয়ন জেক নমাই হেজাৰ হেজাৰ স্বাধীনতা সংগ্ৰামীয়ে ভাৰতীয় ত্ৰিৰংগা পতাকা উত্তোলন কৰিছিল। ২০২৪ত চৰকাৰৰ ফালৰ পৰা চতিয়া দিৱসক স্বীকৃতি প্ৰদান কৰাত যোৱা বৰ্ষৰ পৰা ৰাজ্য চৰকাৰৰ পৃষ্ঠপোষকতাত এই দিৱস পালন কৰি অহা হৈছে।

# পুৰুষ হকী বিশ্বকাপত ছেমিৰ অংক কঠিন ভাৰতৰ

## পাকিস্তানক হৰুৱাই পৰৱৰ্তী ৰাউণ্ডত প্ৰৱেশ কৰিলেও বিদায়ৰ আশংকা প্ৰৱল ঃ দায়ী প্ৰতিযোগিতাৰ জটিল নিয়ম

**নিউজ ব্যুৰ'**
**আমষ্টেলভীন, ২০ আগষ্ট ঃ** পালি চিৰন্তন প্ৰতিদ্বন্দ্বী পাকিস্তানক অন্তিম গ্ৰুপ মেচত পৰাস্ত কৰি পুৰুষ হকী বিশ্বকাপৰ 'ছুপাৰ এইট'ত উপনীত হৈছে ভাৰত। তৎসত্ত্বেও ভাৰতীয় দলৰ বাবে প্ৰতিযোগিতাৰ ছেমি ফাইনেলত উঠাৰ সুযোগ বৰ কম। ইয়াৰ কাৰণ এই প্ৰতিযোগিতাৰ নিয়ম। সেই নিয়মৰ বাবেই 'ছুপাৰ এইট'ৰ পৰাই বিদায় ল'ব পাৰে হৰমনপ্ৰীত সিঙৰ দলে।

এইবাৰৰ বিশ্বকাপত প্ৰথম গ্ৰুপ পৰ্বৰ পাছত আছে আৰু এটা গ্ৰুপ পৰ্ব। আচলতে কোৱাৰ্টাৰ ফাইনেল হ'লেও অংকটো কিছু পৃথক। 'এ', 'বি', 'চি', 'ডি', এই চাৰিটা পুলৰ প্ৰথম দুই দলক আকৌ দুটা পুলত ভাগ কৰা হৈছে। ইয়াৰ নাম পুল 'ই' আৰু 'এফ'। পুল 'ডি'ৰ শীৰ্ষত থকা ইংলণ্ড আৰু দ্বিতীয় স্থানত থকা ভাৰতে পুল 'ই' স্থান পাইছে। লগতে আছে 'এ' গ্ৰুপৰ দুটা দল। 'এ' গ্ৰুপৰ শীৰ্ষত আছে নেদাৰলেণ্ড। দ্বিতীয় দলৰূপে 'ই' গ্ৰুপত স্থান পাব আৰ্জেণ্টিনা বা নিউ জিলেণ্ডে। এই পৰ্বত এটা পুলৰ দুটা দলে আনটো পুলৰ দুটা দলৰ বিপক্ষে খেলিব। অৰ্থাৎ ভাৰত আৰু ইংলণ্ডে খেলিব নেদাৰলেণ্ড আৰু আৰ্জেণ্টিনা বা নিউ জিলেণ্ডৰ বিপক্ষে। এই দুখন মেচৰ ওপৰতে নিৰ্ভৰ কৰিব কোন দুটা দলে ছেমি ফাইনেলত প্ৰৱেশ কৰিব। অৱশ্যে ইয়াত আৰু এটা বিষয় আছে। গ্ৰুপ পৰ্যায়ৰ পৰা যি দুটা দলে কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে, তেওঁলোকৰ নিজৰ মাজত হোৱা খেলৰ পইণ্ট আৰু গ'ল পাৰ্থক্যও পৰৱৰ্তী ৰাউণ্ডত হিচাপ কৰা হ'ব। অৰ্থাৎ ভাৰত বনাম ইংলণ্ড মেচৰ পইণ্ট আৰু গ'ল পাৰ্থক্যও পৰৱৰ্তী ৰাউণ্ডত হিচাপ কৰা হ'ব। পৰৱৰ্তী ৰাউণ্ডত ইংলণ্ডে আৰম্ভ কৰিব তিনি পইণ্ট আৰু +২ গ'লপাৰ্থক্য লৈ। ভাৰতে আৰম্ভ কৰিব শূন্য পইণ্ট আৰু -২ গ'ল পাৰ্থক্য লৈ। ইপিনে, গ্ৰুপত নেদাৰলেণ্ডে আৰ্জেণ্টিনা আৰু নিউ জিলেণ্ড উভয়কে পৰাস্ত কৰিছিল। আৰ্জেণ্টিনা কোৱাৰ্টাৰত উঠিলে নেদাৰলেণ্ডে আৰম্ভ কৰিব তিনি পইণ্ট আৰু +২ গ'ল পাৰ্থক্য লৈ। আৰ্জেণ্টিনাই আৰম্ভ কৰিব শূন্য পইণ্ট আৰু -২ গ'ল পাৰ্থক্যৰে। আনহাতে, নিউ জিলেণ্ড কোৱাৰ্টাৰত উঠিলে নেদাৰলেণ্ডে তিনি পইণ্ট আৰু +৪ গ'ল পাৰ্থক্যৰে আৰম্ভ কৰিব। নিউ জিলেণ্ডে আৰম্ভ কৰিব শূন্য পইণ্ট আৰু -৪ গ'ল পাৰ্থক্যৰে। এই পৰিস্থিতিৰ পৰা ছেমি ফাইনেলত প্ৰৱেশ কৰিবলৈ ভাৰতে নিজৰ দুয়োখন খেলত জয়ী হোৱাৰ লগতে গ'ল পাৰ্থক্যও বৃদ্ধি কৰিব লাগিব। কিয়নো দুখন মেচত জয়ী হ'লে ভাৰতৰ ছয় পইণ্ট হ'ব। আকৌ ইংলণ্ড আৰু নেদাৰলেণ্ডৰ বাবেও ছয় পইণ্টৰে শেষ কৰাৰ সুযোগ থাকিব। কাৰণ এখনকৈ মেচত জয়ী হ'লেই দল দুটাৰ ছয় পইণ্ট হ'ব। সেই ক্ষেত্ৰত গ'ল পাৰ্থক্যত উন্নত দল দুটাই ছেমি ফাইনেলত প্ৰৱেশ কৰিব। ইয়াৰ পৰাই স্পষ্ট যে এখন মেচ ড্ৰ হ'লেই ভাৰতে বিশ্বকাপৰ পৰা বিদায় ল'ব লাগিব।




# ডুৰাণ্ড কাপৰ ফাইনেলত মোহনবাগান

## টাইব্ৰেকাৰত পৰাস্ত নৰ্থইষ্ট ইউনাইটেড ঃ ব্যৰ্থ পাৰ্থিৱ



**নিউজ ব্যুৰ'**
**শ্বিলং, ২০ আগষ্ট ঃ** নৰ্থইষ্ট ইউনাইটেডক হৰুৱাই ঐতিহ্যমণ্ডিত ডুৰাণ্ড কাপ ফুটবলৰ ফাইনেলত প্ৰৱেশ কৰিলে ১৭ বাৰৰ চেম্পিয়ন মোহনবাগানে। আজি শ্বিলঙত অনুষ্ঠিত ছেমি ফাইনেলত মোহনবাগানে যোৱাবাৰৰ চেম্পিয়ন নৰ্থইষ্টক টাইব্ৰেকাৰত ৪-৩ গ'লত পৰাস্ত কৰে। দুটাকৈ গ'ল ৰক্ষা কৰি মোহনবাগানৰ জয়ৰ নায়ক হয় গ'লকীপাৰ বিশাল কাইথ। তিনি বছৰৰ পাছত পুনৰ ফাইনেলত প্ৰৱেশ কৰা কলকাতাৰ দলটোৱে অহা দেওবাৰৰ ফাইনেলত চিৰন্তন প্ৰতিদ্বন্দ্বী ইষ্টবেংগলৰ বিপক্ষে খিতাপৰ যুঁজত অৱতীৰ্ণ হ'ব।

আজিৰ খেলখন তীব্ৰ প্ৰতিদ্বন্দ্বিতাপূৰ্ণ হয় যদিও কোনো এটা দলেই নিৰ্ধাৰিত সময়ত গ'ল দিব নোৱাৰিলে। উভয় দলেই একাধিক গ'লৰ সুযোগ হেৰুৱায়। অধিকাংশ শ্বটেই লক্ষ্যভ্ৰষ্ট হয়। নিৰ্ধাৰিত ৯০ মিনিটৰ পাছত অতিৰিক্ত সময়তো খেলখন গ'ল শূন্যহীন হৈ ৰোৱাত ৰেফাৰীয়ে টাইব্ৰেকাৰৰ সহায় লয়। মোহনবাগানৰ হৈ গ'ল দিয়ে ৰাহুল ভেকে, শুভাশিস বসু, লিষ্টন আৰু জেমী মেকলাৰেনে। আনহাতে, নৰ্থইষ্টৰ নিনক'ভিচ আৰু আলাদিনে গ'ল দিয়ে যদিও ৰবিন যাদৱ আৰু অসমৰ তাৰকা পাৰ্থিৱ গগৈৰ শ্বট প্ৰতিহত কৰি বিশালে মোহনবাগানৰ জয় নিশ্চিত কৰে।

# ঢোলকুছি কোৱাৰ্টাৰত

**অগ্ৰদূত বাৰ্তা**
**ৰঙিয়া, ২০ আগষ্ট ঃ** পাতিদৰং স্প'ৰ্টছ ক্লাবৰ সৌজন্যত পাতিদৰং উচ্চতৰ মাধ্যমিক বিদ্যালয় খেলপথাৰত চলি থকা সমাজকৰ্মী বেহীৰাম কাকতি আৰু শিক্ষাবিদ প্ৰকাশ ৰঞ্জন ডেকা সোঁৱৰণী প্ৰাইজমানি ফুটবল প্ৰতিযোগিতাৰ আজি এখন প্ৰি- কোৱাৰ্টাৰ ফাইনেল অনুষ্ঠিত হয়। খেলখনত ঢোলকুছি সত্যকাম সংঘই ডেকপাৰ ফুটবল ক্লাবক ৬-০ গ'লত পৰাজিত কৰি কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰে। খেলখনৰ আৰম্ভণিৰে পৰা সত্যকাম সংঘই ডেকপাৰ ফুটবল দলক তীব্ৰ চাপত ৰাখিছিল। আজিৰ খেলখন পৰিচালনা কৰে ৰেফাৰী বাহৰুল ইছলাম, পহৰেদ আলী আহমেদ, নুৰুল হুছেইন আৰু সতীশ কুমাৰ ডেকাই।

# বিশ্বনাথত এনভিএছ ৰাষ্ট্ৰীয় মহিলা ফুটবল সমাৰোহ আৰম্ভ

**অগ্ৰদূত বাৰ্তা**
**বিশ্বনাথ চাৰিআলি, ২০ আগষ্ট ঃ** বিশ্বনাথৰ জৱাহৰ নবোদয় বিদ্যালয়ৰ আতিথ্যত আজিৰে পৰা তিনিদিনীয়াকৈ আৰম্ভ হৈছে ৩৪সংখ্যক এনভিএছ ৰাষ্ট্ৰীয় ছোৱালী ফুটবল সমাৰোহ। দেশৰ পাটনা, চণ্ডীগড়, ভুৱনেশ্বৰ, হায়দৰাবাদ আদিৰ পৰা অহা ১০খন আঞ্চলিক নৱোদয় বিদ্যালয়ৰ প্ৰায় তিনি শতাধিক ছাত্ৰীয়ে এই ৰাষ্ট্ৰীয় পৰ্যায়ৰ প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিছে। আজি অনুষ্ঠিত উদ্বোধনী অনুষ্ঠানত বিশ্বনাথৰ জিলা আয়ুক্ত কৰবী শইকীয়াই খেলুৱৈসকলৰ লগত মত বিনিময় কৰি প্ৰতিযোগিতাখন উদ্বোধন কৰে। উক্ত অনুষ্ঠানত ৰাজ্যৰ প্ৰাক্তন ফুটবলাৰ মলং আওৰ লগতে জিলা প্ৰশাসনৰ বিষয়ববীয়া, বিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰী আৰু বহু গণ্য-মান্য ব্যক্তি উপস্থিত থাকে। ২২ আগষ্টত অন্ত পৰিবলগীয়া উক্ত ৰাষ্ট্ৰীয় ফুটবল সমাৰোহখনে বিশ্বনাথৰ খেলপথাৰত নতুন উদ্দীপনা আৰু গৌৰৱ কঢ়িয়াই আনিব বুলি আয়োজক সমিতি তথা বিদ্যালয় কৰ্তৃপক্ষই আশা প্ৰকাশ কৰিছে।

# এঘণ্টাৰ ব্যৱধানত বিদায় ল'লে সিন্ধু-আয়ুষে

## ছিংগলছত প্ৰত্যাহ্বান সমাপ্ত ঃ বিশ্ব বেডমিণ্টনৰ কোৱাৰ্টাৰত তৃষা-গায়ত্ৰী

**নিউজ ব্যুৰ'**
**নতুন দিল্লী, ২০ আগষ্ট ঃ** মাত্ৰ এঘণ্টাৰ ব্যৱধানত বিশ্ব বেডমিণ্টনৰ ছিংগলছত ভাৰতৰ প্ৰত্যাহ্বানৰ ওৰ পৰিল। উপৰ্যুপৰি বিদায় ল'লে আয়ুষ ছেট্টী আৰু পিভি সিন্ধুৱে। ফলত নতুন দিল্লীত অনুষ্ঠিত প্ৰতিযোগিতাখনত ভাৰতে ছিংগলছত কোনো পদক নাপায়। কালি লক্ষ্য সেন পৰাস্ত হৈছিল। অৱশ্যে ভাৰতৰ বাবে পদকৰ সম্ভাৱনা সজীৱ কৰি ৰাখিছে মহিলা ডাবলছ যুটি তৃষা জলী আৰু গায়ত্ৰী গোপীচান্দে। তেওঁলোক কোৱাৰ্টাৰ ফাইনেলত উপনীত হৈছে।

আজি মহিলা ছিংগলছৰ প্ৰি-কোৱাৰ্টাৰ ফাইনেলত চীনৰ ৱাং ঝি ইয়ে সিন্ধুক ২১-১১, ১৫-২১, ২১-১৭ পইণ্টত পৰাস্ত কৰে। খেলখন তীব্ৰ উত্তেজনাপূৰ্ণ হৈছিল যদিও মূৰত ভাৰতীয় তাৰকাগৰাকীয়ে পৰাজয় স্বীকাৰ কৰে। ইপিনে, প্ৰতিযোগিতাৰ প্ৰথম মেচত শীৰ্ষ বাছনিপ্ৰাপ্ত চীনৰ শ্বি ইউ কিক পৰাস্ত কৰি চমক দেখুৱাইছিল আয়ুষে। যদিও আজিৰ প্ৰি-কোৱাৰ্টাৰ ফাইনেলত তেওঁ ইণ্ডোনেছিয়াৰ আলউই ফাৰহানৰ বিপক্ষে বিশেষ প্ৰতিদ্বন্দ্বিতাই আগবঢ়াব নোৱাৰিলে। খেলখনত ভাৰতীয় খেলুৱৈজন ১৯-২১, ১১-২১ পইণ্টত পৰাজিত হয়। ইয়াৰ ফলত প্ৰতিযোগিতাৰ ছিংগলছত ভাৰতৰ আৰু কোনো খেলুৱৈ বৰ্তি নাথাকিল। ইপিনে, দৰ্শনীয় প্ৰদৰ্শন অব্যাহত ৰাখি কোৱাৰ্টাৰ ফাইনেলত স্থান অধিকাৰ কৰিলে এইবাৰ অৰ্জুন বঁটাৰ বাবে নিৰ্বাচিত দুই খেলুৱৈ তৃষা আৰু গায়ত্ৰীয়ে। আজিৰ মেচত তেওঁলোকে বিশ্বৰ সাত নম্বৰ ৰেংকিঙৰ জাপানী যুটি ৰিন ইওৱানাগা আৰু কিয়ে নাকানিছিক ২১-১৬, ২১-১২ পইণ্টত পৰাজিত কৰে। ছেমি ফাইনেলত প্ৰৱেশ কৰিব পাৰিলেই তেওঁলোকে কমেও ব্ৰঞ্জৰ পদক লাভ কৰিব।



# ২৩ আগষ্টৰ পৰা ৬০ সংখ্যক ৰেজেক আলী সোঁৱৰণী ফুটবল

## নিশা ফ্লাড লাইটৰ পোহৰত অনুষ্ঠিত হ'ব ফাইনেল

**অগ্ৰদূত বাৰ্তা**
**ঘগ্ৰাপাৰ, ২০ আগষ্ট ঃ** নলবাৰীৰ ঘগ্ৰাপাৰ আঞ্চলিক ক্ৰীড়া সংঘৰ উদ্যোগত ৬০ সংখ্যক ৰেজেক আলী সোঁৱৰণী ফুটবল প্ৰতিযোগিতাৰ উদ্বোধনী খেলখন ঘগ্ৰাপাৰ পিএমশ্ৰী ঘগ্ৰাপাৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ মিনি ষ্টেডিয়ামৰ খেলপথাৰত ২৩ আগষ্টৰ বিয়লি তিনি বজাত অনুষ্ঠিত হ'ব। আজি ঘগ্ৰাপাৰ আঞ্চলিক ক্ৰীড়া সংস্থাৰ সভাপতি তফিকুৰ ৰহমান (ৰিন্টু), সম্পাদক বিজয় স্বৰ্গীয়াৰী, খেল সম্পাদক হেমন্ত বড়ো, উপদেষ্টা ভৱেন বড়ো আদিৰ উপস্থিতিত এক সংবাদমেলৰ জৰিয়তে এই কথা ঘোষণা কৰে। সংবাদমেলত সভাপতি ৰহমানে কয় যে উক্ত ষ্টেডিয়াম খেলপথাৰত




অনুষ্ঠিত হ'বলগীয়া উদ্বোধনী খেলখনত অংশগ্ৰহণ কৰিব ঘৰুৱা দল ঘগ্ৰাপাৰ আঞ্চলিক ক্ৰীড়া সংঘ আৰু ৰঙিয়া টাউন ক্লাবে। খেলখন উদ্বোধন কৰিব নলবাৰী ক্ৰীড়া সন্থাৰ উপ-সভাপতি মনোজ চৌধুৰীয়ে। অনুষ্ঠানত বিশিষ্ট অতিথিৰূপে উপস্থিত থাকিব প্ৰাক্তন ভলীবল খেলুৱৈ নৃপেন দাস, নলবাৰী ক্ৰীড়া সন্থাৰ সম্পাদক বুবুল তালুকদাৰ, বৃহত্তৰ নলবাৰী গণ সেৱা সংস্থাৰ সভাপতি নৱ কুমাৰ তালুকদাৰ আদি। উল্লেখ্য যে ডিচিডি (ৰঙাপানী), নৱজোতি ক্লাব (গুৱাহাটী), বাৰাদি এফচি (বৰপেটা), সুৰভি সংঘ (দদৰা), চিটিএফ (গুৱাহাটী), ৰঙিয়া টাউন ক্লাবকে ধৰি মুঠ আঠটা দলে প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিব। ৩১ আগষ্টৰ পৰা তিনি ছেপ্টেম্বৰত ছেমি ফাইনেল খেলৰ পাছত পাঁচ ছেপ্টেম্বৰত চূড়ান্ত খেলখন নৈশালোকত অনুষ্ঠিত কৰিব বুলি জানিবলৈ দিয়ে।

# অসম ৱাটাৰ পল' দলৰ প্ৰশিক্ষণ আৰম্ভ যোৰহাটত



**ষ্টাফ ৰিপ'ৰ্টাৰ**
**যোৰহাট, ২০ আগষ্ট ঃ** মধ্য প্ৰদেশৰ ইন্দোৰত অহা ৭-১২ ছেপ্টেম্বৰত অনুষ্ঠিত হ'ব ৫২ সংখ্যক জুনিয়ৰ ৰাষ্ট্ৰীয় ৱাটাৰ পল' প্ৰতিযোগিতা। এই প্ৰতিযোগিতাৰ বাবে নিৰ্বাচিত অসমৰ ল'ৰা আৰু ছোৱালীৰ দলৰ আজিৰে পৰা এসপ্তাহৰ বাবে যোৰহাট ছুইমিং ছ'চাইটিৰ জলক্ৰীড়া প্ৰকল্পত এটি প্ৰশিক্ষণ শিবিৰৰ আয়োজন কৰা হৈছে। এই প্ৰশিক্ষণ শিবিৰ পৰিচালনা কৰিছে যোৰহাট ছুইমিং ছ'চাইটিৰ সাঁতোৰ প্ৰশিক্ষক কল্যাণ কিশোৰ কাশ্যপে।

# ৯২২ সংখ্যক গ'ল মেছিৰ



**নিউজ ব্যুৰ'**
**মায়ামি, ২০ আগষ্ট ঃ** পিতৃৰ মৃত্যুশোক পাহৰি পুনৰ খেলপথাৰত অৱতীৰ্ণ হৈছে লিয়নেল মেছি। ইণ্টাৰ মায়ামিৰ হৈ আমেৰিকাৰ মেজৰ ছ'কাৰ লীগত খেলি তেওঁ গ'লো দিবলৈ সক্ষম হয়। ফিলাডেলফিয়া ইউনাইটেডৰ বিপক্ষে কালিৰ খেলত মেছিয়ে গ'ল দিয়ে। সেয়া হৈছে মেচৰ ছ'কাৰ লীগত তেওঁৰ ৭০সংখ্যক গ'ল। ইয়াৰ লগতে মেছিয়ে দেশ আৰু ক্লাবৰ হৈ মুঠ গ'লৰ সংখ্যা ৯২২টালৈ বৃদ্ধি কৰিলে। এই ক্ষেত্ৰত মেছিৰ সন্মুখত আছে একমাত্ৰ ক্ৰিষ্টিয়ানো ৰোণাল্ডো। তেওঁ দেশ আৰু ক্লাবৰ হৈ এই পৰ্যন্ত ৯৭৬টা গ'ল দিছে। ৰোণাল্ডোৱে ইতিমধ্যে ইংগিত দিছে যে এই ছিজনৰ পাছতে তেওঁ অৱসৰ ল'ব। হেজাৰ গ'লৰ সীমা চুবলৈ তেওঁক আৰু ২৪টা স্ক'ৰৰ প্ৰয়োজন। আনহাতে, ইণ্টাৰ মায়ামিৰ স'তে আৰু দুটা ছিজনলৈ চুক্তিবদ্ধ হৈ আছে মেছি। আৰ্জেণ্টিনা দলৰ পৰাও তেওঁ অৱসৰ লোৱা নাই। হেজাৰ গ'লৰ বাবে ৭৮টা স্ক'ৰৰ দূৰত থাকিলেও সম্প্ৰতি মেছি যি ফৰ্মত আছে, সেয়া তেওঁৰ বাবে অসম্ভৱো নহয়।

# দ্বিতীয় টেষ্টত তিনি গুৰুত্বপূৰ্ণ বেটাৰক নাপাব শ্ৰীলংকাই

**নিউজ ব্যুৰ'**
**নতুন দিল্লী, ২০ আগষ্ট ঃ** প্ৰথম টেষ্টত ভাৰতৰ বিপক্ষে ১৬৫ ৰাণত পৰাস্ত হৈছে শ্ৰীলংকা। গতিকে শৃংখলাত সমতা স্থাপন কৰিবলৈ দ্বিতীয় টেষ্টত জয়লাভ কৰিবই লাগিব। তেনে অৱস্থাত সমস্যাত পৰিছে শ্ৰীলংকা। কিয়নো দ্বিতীয় টেষ্টত দলে তিনিজনকৈ গুৰুত্বপূৰ্ণ তথা অভিজ্ঞ বেটাৰক নাপাব।

চলিত টেষ্টতে ফিল্ডিঙৰ পৰত ডিঙিত গুৰুতৰ আঘাত পায় দলৰ সবাতোকৈ অভিজ্ঞ ক্ৰিকেটাৰ দীনেশ চণ্ডিমলে। তেওঁ বাকী সময়ছোৱাত খেলিব নোৱাৰিলে। চণ্ডিমলে টেষ্টত শ্ৰীলংকাৰ হৈ গুৰুত্বপূৰ্ণ তিনি নম্বৰত বেটিং কৰে। আনহাতে, আঘাতৰ বাবে প্ৰথম টেষ্টত নেখেলা অপেনাৰ পাথুম নিছাংকা আৰু মধ্যক্ৰমৰ বেটাৰ কুশল মেণ্ডিজ এতিয়াও সম্পূৰ্ণ সুস্থ হোৱা নাই। তেওঁলোক তিনিজনেই দ্বিতীয় টেষ্টত খেলিব নোৱাৰিব বুলি শ্ৰীলংকা ক্ৰিকেট ব'ৰ্ডৰ সূত্ৰই জনাইছে। দলৰ অন্যতম নিৰ্ভৰযোগ্য বেটাৰ নিছাংকাই দ্বিতীয় টেষ্টত খেলিব পাৰিব বুলি আশা কৰা হৈছিল। যদিও তেওঁৰ মণিবন্ধৰ আঘাত এতিয়াও নিৰাময় হোৱা নাই। আনহাতে, হেমষ্ট্ৰিঙৰ আঘাতত ভুগি আছে মেণ্ডিজে।



## জয়ৰ পাছতো দ্বিতীয় টেষ্টত পৰিৱৰ্তনৰ সম্ভাৱনা ভাৰতীয় দলত

# ৩৩ বছৰত অভিষেক ঘটিব পাৰে সাৰাংশৰ

**নিউজ ব্যুৰ'**
**গল, ২০ আগষ্ট ঃ** প্ৰথম টেষ্টত শ্ৰীলংকাক ১৬৫ ৰাণত পৰাস্ত কৰিছে ভাৰতে। বেট-বল উভয়তে আধিপত্য বিস্তাৰ কৰিছিল ভাৰতীয় ক্ৰিকেটাৰসকলে। তৎসত্ত্বেও কলম্বোৰ দ্বিতীয় টেষ্টত ভাৰতীয় দলত পৰিৱৰ্তন হ'ব পাৰে। দলত স্থান হেৰুৱাব পাৰে স্পীনাৰ কুলদীপ যাদৱে। তেওঁৰ ঠাইত টেষ্ট অভিষেক ঘটিব পাৰে সাৰাংশ জৈনৰ।

গলৰ স্পীন সহায়ক উইকেটত চাপ ৰাখিব নোৱাৰিলে কুলদীপে। দুই ইনিংছ মিলাই মুঠ ২৫ অভাৰত তেওঁ মাত্ৰ এটা উইকেট লাভ কৰে। এই প্ৰদৰ্শনত স্বাভাৱিকতে অসন্তুষ্ট ভাৰতৰ দল পৰিচালনা সমিতি। সূত্ৰই জনোৱা মতে, কলম্বোত কুলদীপৰ স্থানত মধ্যপ্ৰদেশৰ ৩৩ বছৰীয়া অলৰাউণ্ডাৰ সাৰাংশে খেলাৰ সম্ভাৱনা প্ৰৱল। প্ৰথম টেষ্টত ভাৰতৰ তিনিজন বাঁওহতীয়া স্পীনাৰে খেলিছিল। সেই ক্ষেত্ৰত মানৱ সুথাৰ আৰু ৰবীন্দ্ৰ জাদেজাৰ লগত অফস্পীনাৰ সাৰাংশে সোঁহতীয়া স্পীনাৰৰূপে কাৰ্যকৰী ভূমিকা ল'ব পাৰে। কাৰণ শ্ৰীলংকা দলত কে'বাজনো বাঁওহতীয়া বেটাৰ আছে।

সাৰাংশে সোঁহাতেৰে অফস্পীন কৰিলেও বাঁওহাতেৰে বেট কৰে। নিম্ন মধ্যক্ৰমত উপযোগী ইনিংছ খেলাৰ সামৰ্থ আছে। প্ৰথম শ্ৰেণীৰ ক্ৰিকেটত তেওঁ যথেষ্ট সফল। চলিত মাহতে তেওঁ ভাৰত 'এ' দলৰ হৈ শ্ৰীলংকা ভ্ৰমণ কৰি দ্বিতীয় মেচত ৭০ ৰাণত অপৰাজিত হৈ থকাৰ সমান্তৰালকৈ ছটা উইকেট দখল কৰিছিল। কলম্বোত সাৰাংশে খেলিলে ১৯৯৮ত ৰবিন সিঙৰ পাছত ৩৩ বছৰ বয়সত টেষ্ট অভিষেক ঘটোৱা তেওঁৰ ভাৰতৰ প্ৰথম ক্ৰিকেটাৰ হ'ব।



# ৰাজ্যিক দবাত টীয়কৰ মেইলিন বৰুৱা ৰাণাৰ্ছআপ



**অগ্ৰদূত বাৰ্তা**
**জাঁজী, ২০ আগষ্ট ঃ** ৰঙিয়াত অনুষ্ঠিত ৰাজ্যিক পৰ্যায়ৰ দবা প্ৰতিযোগিতাত উজলি উঠিল যোৰহাট জিলাৰ টীয়কৰ মেইলিন বৰুৱা। যোৱা ১৪ আগষ্টৰ পৰা ১৬ আগষ্টলৈ ৰঙিয়াৰ হৰদত্ত-বীৰদত্ত ভৱনত অনুষ্ঠিত মহিলা আৰু অনূৰ্ধ্ব-১৩ বছৰ বয়সৰ ল'ৰা-ছোৱালীৰ ৰাজ্যিক দবা প্ৰতিযোগিতাত যোৰহাট জিলাক প্ৰতিনিধিত্ব কৰি মহিলা শাখাত ৰাণাৰ্ছআপৰ সন্মান অৰ্জন কৰে মেইলিনে। এই সাফল্যৰ জৰিয়তে মেইলিনে চলিত বৰ্ষৰ নৱেম্বৰত তেলেংগনাত অনুষ্ঠিত হ'বলগীয়া ৰাষ্ট্ৰীয় পৰ্যায়ৰ দবা প্ৰতিযোগিতাত অংশগ্ৰহণৰ যোগ্যতাও অৰ্জন কৰিছে। মেইলিনৰ এই কৃতিত্বত যোৰহাট জিলাৰ ক্ৰীড়া তথা দবা মহলত আনন্দৰ সৃষ্টি হৈছে। ৰঙিয়াৰ হৰদত্ত-বীৰদত্ত ভৱনত অনুষ্ঠিত বঁটা বিতৰণী অনুষ্ঠানত সদৌ অসম দবা সন্থাৰ সভাপতি মুকুতা ডেকা, মুখ্য আৰ্বিটাৰ এম অৰুণ সিং, প্ৰাক্তন সাংসদ ভুৱনেশ্বৰ কলিতা, মহৰ্ষি বিদ্যামন্দিৰৰ অধ্যক্ষ মনোজ বৰা আৰু যোৰহাট জিলা দবা সন্থাৰ সম্পাদক মাধুৰ্য ভৰালী আদি উপস্থিত থাকে।

# শ্ৰীলংকাৰ স্পীনাৰক সফলতাৰে চম্ভালি আত্মবিশ্বাসী হৈছে ৰাহুল

**নিউজ ব্যুৰ'**
**গল, ২০ আগষ্ট ঃ** ঘৰুৱা খেলপথাৰত নিউ জিলেণ্ড আৰু দক্ষিণ আফ্ৰিকাৰ স্পীনাৰক চম্ভালিব পৰা নাছিল ভাৰতীয় বেটাৰে। ফলত দুয়োটা শৃংখলাতে 'হোৱাইট ৱাশ্ব' হৈছিল। তাৰ পাছৰে পৰা ভাৰতীয় বেটাৰে স্পীন খেলিবলৈ পাহৰি যোৱা বুলিয়ে সমালোচনা হৈছিল। স্পীনাৰৰ স্বৰ্গভূমিৰূপে চিহ্নিত গলৰ উইকেটত প্ৰথম টেষ্টত জয়ী হৈ কিছু হ'লেও আত্মবিশ্বাস ঘূৰাই পাইছে ভাৰতীয় বেটাৰসকলে। এই কথা জনাইছে ভাৰতৰ সহঃ অধিনায়ক লোকেশ ৰাহুলে। কালিৰ জয়ৰ পাছত ৰাহুলে কয় যে যিদৰে তেওঁলোকে শৃংখলাৰ আৰম্ভণি কৰিলে, তাৰ পৰা তেওঁ আনন্দিত। তেওঁ কয়, 'মই নকওঁ যে স্বস্তি পাইছো; কিন্তু মই আনন্দিত। শ্ৰীলংকাত বহু বছৰৰ পাছত খেলিবলৈ আহিছো। দলৰ বহু



ক্ৰিকেটাৰে আগতে ইয়াত খেলা নাই। যদিও প্ৰথম টেষ্টৰ প্ৰতিটো বিভাগতে আমি আধিপত্য দেখুৱাইছো।' এই জয়ে দলৰ আত্মবিশ্বাস বহুখিনি বৃদ্ধি কৰিব বুলি মন্তব্য কৰি ৰাহুলে পুনৰ কয়, 'পাছৰ মেচত কলম্বোত নমাৰ পূৰ্বে আমি আগবাঢ়ি থাকিম। অষ্ট্ৰেলিয়াৰ বিপক্ষে আমাৰ ডাঙৰ শৃংখলা আছে। তাৰ প্ৰস্তুতি ইয়াত হৈছে।' উল্লেখ্য যে বিগত কিছু বছৰত স্পীনৰ বিপক্ষে ভাৰতৰ দুৰ্বলতা ধৰা পৰিছে। সেই অস্বস্তি বহুখিনি হ্ৰাস পালে বুলিও অভিজ্ঞ অপেনাৰজনে মন্তব্য কৰে। তেওঁ কয়, 'স্পীন সহায়ক উইকেটত স্পীন চম্ভালাটো অতি কঠিন যুঁজ। দেশৰ মাটিত আমাৰ সমস্যা হৈছিল ঠিকেই; কিন্তু ইয়াত ভাল খেলিছো। শ্ৰীলংকাৰ উইকেটত স্পীনাৰৰ বিপক্ষে ৰাণ কৰাটো কঠিন। সেয়া আমি কৰি দেখুৱাইছো। সিয়েই বেছি আনন্দ দিছে।'

CMYK







# যি স্থানতেই নাথাকক মাতৃৰ মন সদায় অনন্য

মাতৃৰ মন সদায় অনন্য। সন্তান যাৰেই নহওক কিয়, কণমানি শিশুৰ কান্দোন শুনিলে সকলো মাতৃৰে মন উতলা হৈ পৰে।আপোন-পৰ পাহৰি তেতিয়া সেই শিশুক চম্ভালাত ব্যস্ত হৈ পৰে তেওঁলোক। তেনে এক মমতাময়ী মাতৃৰ উদাহৰণ সীতা বাদি। এই মহিলাৰ পৰিচয়, তেওঁ এখন দেশৰ মন্ত্ৰী। অথচ এটি ক্ষুধাৰ্ত শিশুৰ ক্ৰন্দন শুনি নিজৰ পদ মৰ্যাদাক পাহৰি গ'ল তেওঁ।

## ক্ষুধাৰ্ত ১৭ দিনীয়া শিশুক স্তনপান কৰালে নেপালৰ মন্ত্ৰীয়ে

**নিউজ ব্যুৰ'**
**কাঠমাণ্ডু, ২০ আগষ্ট ঃ** মাতৃৰ মন সদায় অনন্য। সন্তান যাৰেই নহওক কিয়, কণমানি শিশুৰ কান্দোন শুনিলে সকলো মাতৃৰে মন উতলা হৈ পৰে।আপোন-পৰ পাহৰি তেতিয়া সেই শিশুক চম্ভালাত ব্যস্ত হৈ পৰে তেওঁলোক। তেনে এক মমতাময়ী মাতৃৰ উদাহৰণ সীতা বাদি। এই মহিলাৰ পৰিচয়, তেওঁ এখন দেশৰ মন্ত্ৰী। অথচ এটি ক্ষুধাৰ্ত শিশুৰ ক্ৰন্দন শুনি নিজৰ পদ মৰ্যাদাক পাহৰি গ'ল তেওঁ। আগুৱাই গৈ কোলাত লৈ স্তনপান কৰালে সেই মন্ত্ৰীগৰাকীয়ে। সম্প্ৰতি সেই ভিডিঅ' সামাজিক মাধ্যমত ভাইৰেল হৈ পৰিছে।

এই ঘটনা নেপালৰ এক শিশু গৃহত। বিভিন্ন অঞ্চলৰ পৰা অনাথ বা আশ্ৰয়হীন শিশুক উদ্ধাৰ কৰি সেই গৃহত ৰখা হয়। সেই শিশু গৃহটোৰেই পৰিদৰ্শন কৰিবলৈ গৈছিল নেপালৰ মহিলা, শিশু আৰু প্ৰবীণ নাগৰিক বিভাগৰ মন্ত্ৰী সীতা বাদিয়ে। কাঠমাণ্ডুৰ সেই শিশু গৃহত অত্যন্ত অস্বাস্থ্যকৰ পৰিৱেশৰ মাজত নৱজাতকসকলক ৰখাৰ অভিযোগ উঠিছিল। লেতেৰা বিছনা, মজিয়াত বৰষুণৰ পানী জমা হৈ থকা আদি ভয়াৱহ পৰিস্থিতিৰ মাজতে মন্ত্ৰীগৰাকীয়ে গৃহটো পৰিদৰ্শন কৰিবলৈ গৈছিল। প্ৰাপ্ত তথ্য অনুসৰি, গৃহটোত থকা অধিকাংশ শিশুৰেই অসুস্থ।

মন্ত্ৰীগৰাকীয়ে ভিতৰত প্ৰৱেশ কৰাৰ সময়তে এটি ১৭ দিন বয়সৰ শিশুৱে কান্দি উঠে। কণমানি শিশুটিয়ে ভোকতে কান্দিছিল; কিন্তু শিশু গৃহটোত তেতিয়া এটোপালো সংৰক্ষিত স্তনদুগ্ধ নাছিল। লগে লগে আগুৱাই গ'ল মন্ত্ৰীগৰাকী। কন্যা শিশুটিক কোলাত লৈ সেই গৃহৰে বিছনাত বহি তেওঁ গাখীৰ খুৱাবলৈ ধৰে। মন্ত্ৰীৰ মাজতে যেন মাতৃৰ স্নেহ অনুভৱ কৰিছিল সেই অবুজ শিশুটিয়ে। গাখীৰ খোৱাৰ পাছত শিশুটি সেই অচিন মহিলাগৰাকীৰ কোলাতেই পৰম স্বস্তিত নিদ্ৰাত ঢলি পৰে। মন্ত্ৰীগৰাকীয়ে কয়, 'শিশুটিক যেতিয়া কোলাত লৈছিলো, এনে লাগিছিল যে তাই মোৰ নিজৰেই সন্তান। এতিয়াৰ পৰা ময়েই তাইৰ মাতৃ।' সেই মুহূৰ্তৰ ভিডিঅ' লগে লগে সামাজিক মাধ্যমত ভাইৰেল হৈ পৰিছে।

উক্ত শিশু গৃহত ১৫ দিনৰ পৰা আৰম্ভ কৰি দুবছৰ পৰ্যন্ত বয়সৰ প্ৰায় ২০টি শিশু আছে। এই শিশুসকলক সঠিকভাৱে চোৱাচিতা কৰিবলৈ নিৰ্দেশ দিছে মন্ত্ৰীগৰাকীয়ে। তাৰ পাছতে শিশু গৃহটো ভালদৰে সজাই তোলাৰ কাম আৰম্ভ হৈছে। উল্লেখ্য যে মন্ত্ৰী বাদি নিজেও এনে এক শিশু গৃহৰ পৰাই মানুহ হৈছে। ১২ বছৰ বয়সৰ পৰা তেওঁ শিশু গৃহত থাকিয়েই পঢ়া-শুনা কৰি আজি নেপালৰ মন্ত্ৰীপদত অধিষ্ঠিত হৈছে।



দেশৰ সকলো চেলিব্ৰেটিক অসমৰ বানাক্ৰান্তৰ কাষলৈ আহিবলৈ আহ্বান ঃ কাইলৈ দুটা দিন বানাক্ৰান্ত ৰাইজক সাহায্য আগবঢ়াব

# বানাক্ৰান্তক সহায়ৰ বাবে মৰাণত উপস্থিত হ'ল ডব্লিউডব্লিউইৰ ছুপাৰষ্টাৰ দ্য গ্ৰেট খালি

**বিশেষ সম্বাদদাতা/অগ্ৰদূত বাৰ্তা**
**ডিব্ৰুগড়/শিৱসাগৰ/খোৱাং, ২০ আগষ্ট ঃ** পূব অসমৰ শেহতীয়া জলপ্ৰলয়ৰ পাছত সৰ্বস্বান্ত হোৱা ৰাইজক সহায় কৰিবলৈ আহিছে ভাৰতবৰ্ষৰ বিভিন্ন ক্ষেত্ৰৰ নামজ্বলা ব্যক্তি। এইবাৰ অসমৰ বানাক্ৰান্তক সহায়ৰ হাত আগবঢ়াবলৈ অসমত উপস্থিত হ'ল ডব্লিউডব্লিউইৰ ছুপাৰষ্টাৰ দ্য গ্ৰেট খালি। আজি ডিব্ৰুগড় বিমানবন্দৰত উপস্থিত হৈ মৰাণত জিৰণি লৈ শিৱসাগৰলৈ ৰাওনা হৈছে আন্তঃৰাষ্ট্ৰীয় খ্যাতিসম্পন্ন ডব্লিউডব্লিউইৰ খেলুৱৈ গ্ৰেট খালি। ইতিমধ্যে বানাক্ৰান্তৰ মাজত কাম কৰি থকা স্বেচ্ছাসেৱী সংস্থা ট্ৰু হ'প ফাউণ্ডেছন, আয়ান ফাউণ্ডেছন আৰু দিপলীনা ডেকা ফাউণ্ডেছনৰ সহযোগত আজি আৰু কাইলৈ দুটা দিন বানাক্ৰান্ত ৰাইজক সাহায্য আগবঢ়াব গ্ৰেট খালিয়ে। শিৱসাগৰলৈ ৰাওনা হোৱাৰ পূৰ্বে মৰাণত উপস্থিত হোৱা আন্তঃৰাষ্ট্ৰীয় খ্যাতিসম্পন্ন খেলুৱৈজনে অসমৰ বানপানীত ক্ষতিগ্ৰস্ত ৰাইজৰ বাবে আহিছো বুলি মন্তব্য কৰে। ভাৰতৰ আন আন চেলিব্ৰিটিসকলকো অসমৰ বানাক্ৰান্তৰ কাষলৈ আহিবলৈ আহ্বান জনাই গ্ৰেট খালিয়ে কয়, 'প্ৰথমে আমি মানুহ, তাৰ পাছতহে চেলিব্ৰিটি। উল্লেখ্য গ্ৰেট খালিয়ে শিৱসাগৰৰ দৰিকা অঞ্চলত চাৰি শতাধিক পৰিয়ালৰ মাজত বিছনা, মেট্ৰেছ, গাৰু, ফিল্টাৰ আদি বিতৰণ কৰিব। মৰাণত ছুপাৰষ্টাৰ দ্য গ্ৰেট খালিয়ে কয়, 'অসমত যি বান হৈ গ'ল বানত ক্ষতিগ্ৰস্ত ৰাইজক সহায় কৰিবলৈ আহিছো। ভাৰতৰ যিসকল চেলিব্ৰেটী আছে তেওঁলোকক ক'ব বিচাৰো সকলো চেলিব্ৰিটী আহক ইয়ালৈ। চেলিব্ৰেটী হোৱা আগতে আমি মানুহ। যদি মানুহৰ সহায় কৰিব নোৱাৰো চেলিব্ৰেটী হৈ কি লাভ। দুটা দিন বানাক্ৰান্তৰ ৰাইজৰ মাজত থাকিম।' লগতে তেওঁ কয়, 'অসমলৈ আহি খুবেই ভাল লাগিছে। মই নিজেও গাঁৱত জন্ম হৈছো সেয়েহে অসমৰ গাঁওসমূহ খুব ভাল লাগে।' আনহাতে, মৰাণৰ পেচিফিকা ইন হোটেলত ছুপাৰষ্টাৰ দ্য গ্ৰেট খালিক সাক্ষাৎ কৰিবলৈ উপস্থিত হোৱা জনপ্ৰিয় অভিনেত্ৰী, কণ্ঠশিল্পী দিপলীনা ডেকাই কয়, 'দুৰ্যোগৰ সময়ত ভাৰতবৰ্ষৰ লগতে পৃথিৱীৰ বিভিন্ন প্ৰান্তৰৰ পৰা লোক আহিছে সহায় কৰিবলৈ। আমাৰ ভাগ্যত যে ছুপাৰষ্টাৰ দ্য গ্ৰেট খালিৰ দৰে মহান ব্যক্তি আমাৰ মাজলৈ আহিছে। শিৱসাগৰৰ দৰিকাত আজি তেওঁৰ স'তে বান সাহায্য বিতৰণ কৰিবলৈ যাম। ৰাইজক যাতে সহায় কৰি যাব পাৰো তাৰ বাবে সকলোৰে পৰা আশীৰ্বাদ বিচাৰিছো।

# কিংবদন্তি নিৰ্মল পূৰ্জাৰ নামত হিমালয়ৰ উদ্ভিদৰ নামকৰণ

বিশ্বৰ জনপ্ৰিয়তম পৰ্বতাৰোহীসকলৰ ভিতৰত অন্যতম নিৰ্মল পূৰ্জা। ২০১৯ত মাত্ৰ ছমাহ ছয় দিনত পৃথিৱীৰ প্ৰতিটো (১৪টা) আঠ হেজাৰ মিটাৰৰ অধিক উচ্চতাৰ শৃংগ জয় কৰি বিশ্ব অভিলেখ গঢ়িছিল তেওঁ। সাধাৰণতে আঠ হেজাৰ মিটাৰৰ ওপৰৰ অঞ্চলক 'ডেথ জোন' বুলি কোৱা হয়, কাৰণ কৃত্ৰিম অক্সিজেন অবিহনে ইয়াত বাচি থকাটো প্ৰায় অসম্ভৱ।



## অকালতে প্ৰয়াত হৈছিল ছমাহতে ১৪টা শৃংগ জয় কৰা পৰ্বতাৰোহী

**নিউজ ব্যুৰ'**
**নতুন দিল্লী, ২০ আগষ্ট ঃ** বিশ্বৰ জনপ্ৰিয়তম পৰ্বতাৰোহীসকলৰ ভিতৰত অন্যতম নিৰ্মল পূৰ্জা। ২০১৯ত মাত্ৰ ছমাহ ছয় দিনত পৃথিৱীৰ প্ৰতিটো (১৪টা) আঠ হেজাৰ মিটাৰৰ অধিক উচ্চতাৰ শৃংগ জয় কৰি বিশ্ব অভিলেখ গঢ়িছিল তেওঁ। সাধাৰণতে আঠ হেজাৰ মিটাৰৰ ওপৰৰ অঞ্চলক 'ডেথ জোন' বুলি কোৱা হয়, কাৰণ কৃত্ৰিম অক্সিজেন অবিহনে ইয়াত বাচি থকাটো প্ৰায় অসম্ভৱ। অথচ পূৰ্জাই তেওঁৰ জীৱন কালত ২৯ বাৰ কোনো ধৰণৰ অতিৰিক্ত অক্সিজেন চিলিণ্ডাৰ অবিহনেই এনে উচ্চতাৰ শৃংগসমূহ জয় কৰিছিল। তেওঁৰ এই অবিশ্বাস্য পৰ্বত অভিযানৰ কাহিনীক লৈ নিৰ্মাণ হৈছিল তথ্যচিত্ৰ 'ফৰটিন পিকছ্ ঃ নাথিং ইজ ইম্প'ছিবল'। মুক্তিৰ পাছত এই তথ্যচিত্ৰখনে ব্যাপক জনপ্ৰিয়তা অৰ্জন কৰিছিল।

তদুপৰি ২০২১ত পূৰ্জা আৰু তেওঁৰ দলে ইতিহাসৰ প্ৰথম পৰ্বতাৰোহী দলৰূপে প্ৰবল শীতৰ মাজতো বিশ্বৰ দ্বিতীয় সৰ্বোচ্চ তথা সবাতোকৈ বিপজ্জনক পৰ্বত 'কে-টু' জয় কৰিছিল। পৰ্বতৰ চূড়াত উপস্থিত হৈ দলটোৱে একেলগে নেপালৰ জাতীয় সংগীত গাইছিল। দুৰ্ভাগ্যজনকভাৱে যোৱা জুলাইত পাকিস্তানৰ ব্ৰড পিকত এক ভয়াৱহ তুষাৰ ধুমুহাৰ কবলত পৰি এই কিংবদন্তি নেপালী-ব্ৰিটিছ পৰ্বতাৰোহীজনৰ মৃত্যু হয়। সেই সময়ত তেওঁৰ বয়স আছিল মাত্ৰ ৪৩ বছৰ।

এইবাৰ তেওঁৰ নাম যুক্ত হ'ল হিমালয়ৰ উদ্ভিদ বৈচিত্ৰ্যৰ গৱেষণাৰ স'তে। নিৰ্মল 'নিমছ্' পূৰ্জাৰ প্ৰতি সন্মান জ্ঞাপন কৰিবলৈ হিমালয়ৰ দুৰ্গম পাহাৰীয়া অঞ্চলত আৱিষ্কৃত সাম্প্ৰতিকতম উদ্ভিদ প্ৰজাতিটোৰ নামকৰণ তেওঁৰ নামত কৰা হৈছে। নেপালৰ মিয়াগদি অঞ্চলত প্ৰায় ২,৯০০ মিটাৰ উচ্চতাত আৱিষ্কৃত হৈছে এই নতুন উদ্ভিদ। প্ৰজাতিটোৰ বিজ্ঞানসন্মত নাম ৰখা হৈছে 'ইমপেটিয়েনছ নিমছপূৰ্জাই'। বৈশিষ্ট্য বিশ্লেষণ কৰি বিজ্ঞানীসকলে ইয়াক এবিধ স্বতন্ত্ৰ প্ৰজাতিৰূপে চিহ্নিত কৰিছে। এই উদ্ভিদৰ আৱিষ্কাৰে প্ৰমাণ কৰিলে যে হিমালয়ৰ দুৰ্গম অঞ্চল এতিয়াও অনেক বৈচিত্ৰ্যৰে ভৰপূৰ।

এনে এক আৱিষ্কাৰৰ ফলত মিয়াগদি অঞ্চলৰ নাম নতুনকৈ চৰ্চালৈ আহিছে। অনুমান কৰা হৈছে যে এই আৱিষ্কাৰে অঞ্চলটোৰ পৰ্যটনতো নতুন গতি প্ৰদান কৰিব। সাধাৰণতে নেপাল বুলি ক'লেই পাহাৰপ্ৰেমীসকলে কেৱল এভাৰেষ্টগামী ট্ৰেকিং ৰুটৰ কথা ভাবে। তেওঁলোকৰ ক্ষেত্ৰত মিয়াগদিও এক অভিনৱ গন্তব্য হ'ব পাৰে।

# সাধাৰণ জনতাৰ নিৰাপত্তাক লৈ অসম-মেঘালয় চৰকাৰ উদ্বিগ্ন নহয়

### অসম প্ৰদেশ কংগ্ৰেছ সভাপতি গৌৰৱৰ প্ৰতিক্ৰিয়াৰ পাছতহে দুই মুখ্যমন্ত্ৰীয়ে গুৰুত্ব প্ৰদান কৰাৰ অভিযোগ ঃ অসমৰ পৰ্যটক-বাহনত আক্ৰমণকাৰীক গ্ৰেপ্তাৰৰ দাবী

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ২০ আগষ্ট ঃ** যোৱা নিশা শ্বিলঙত সংঘটিত হিংসাত্মক ঘটনাক লৈ অসম আৰু মেঘালয়ৰ এনডিএ মুখ্যমন্ত্ৰীদ্বয়ে দীৰ্ঘ সময় ধৰি মৌনতা অৱলম্বন কৰা বুলি অভিযোগ উত্থাপন কৰিছে বিৰোধী কংগ্ৰেছে। দলে কয়, 'প্ৰদেশ কংগ্ৰেছৰ সভাপতি গৌৰৱ গগৈয়ে টুইট কৰাৰ পাছতহে বিষয়টোৰ প্ৰতি দুয়োখন ৰাজ্যৰ মুখ্যমন্ত্ৰীয়ে গুৰুত্ব প্ৰদান কৰে আৰু সামাজিক মাধ্যমযোগে নিজৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰে। এনে স্পৰ্শকাতৰ বিষয় এটাত ইমান সময় ধৰি মৌনতা অৱলম্বন কৰা দুয়োখন ৰাজ্যৰ মুখ্যমন্ত্ৰী দুজনৰ এই তৎপৰতা সঁচা অৰ্থত জনতাৰ প্ৰতি দায়বদ্ধতা নে?' দলে লগতে কয়, 'মুখ্যমন্ত্ৰীদ্বয়ৰ এই কাৰ্যই অসম আৰু মেঘালয়ৰ চৰকাৰ এনে ধৰণৰ ঘটনাক মুঠেই গুৰুত্ব সহকাৰে নোলোৱাৰ বিপৰীতে সাধাৰণ জনতাৰ নিৰাপত্তাক লৈয়ো কোনোপধ্যে উদ্বিগ্ন নহয়।' প্ৰদেশ কংগ্ৰেছৰ সভাপতি গগৈয়ে যোৱা নিশাৰ ঘটনাৰ দোষীসকলক শীঘ্ৰে চিনাক্ত কৰি গ্ৰেপ্তাৰ কৰিবলৈও মেঘালয় চৰকাৰক দাবী জনাইছে।



# আঠ মাহে নাই নিয়মীয়া দৰমহা



**অগ্ৰদূত বাৰ্তা**
**তিনিচুকীয়া, ২০ আগষ্ট ঃ** দৰমহাৰ অনিয়ম আৰু চুক্তিভংগৰ অভিযোগত বুধবাৰে মাকুমস্থিত তিনিচুকীয়া চিকিৎসা মহাবিদ্যালয়ত কৰ্মবিৰতি পালন কৰে ইন'ভিছন নামৰ ব্যক্তিগত প্ৰতিষ্ঠানৰ অধীনত কৰ্মৰত ঠিকাভিত্তিক চতুৰ্থবৰ্গৰ কৰ্মচাৰীসকলে। পুৱাৰে পৰা কাম বন্ধ ৰাখি কৰ্মচাৰীসকলে মহাবিদ্যালয় চৌহদত প্ৰতিবাদ সাব্যস্ত কৰে। ৰোগী সেৱাৰ লগত প্ৰত্যক্ষভাৱে জড়িত থকা এই কৰ্মচাৰীসকলে হাতে হাতে প্লেকাৰ্ড লৈ 'নিয়মীয়া দৰমহা লাগে', 'চুক্তি অনুসৰি ধন দিয়ক', 'পিএফৰ টকা ঘূৰাই দিয়ক' আদি শ্ল'গান দিয়ে।

প্ৰতিবাদকাৰীসকলৰ অভিযোগ অনুসৰি ২০২৬ৰ জানুৱাৰীত কৰ্মত যোগদান কৰাৰ পাছৰে পৰাই দৰমহাৰ ক্ষেত্ৰত গুৰুতৰ অনিয়ম চলি আছে। তিনি চাৰি মাহৰ মূৰতহে মাত্ৰ এমাহৰ দৰমহা পোৱা যায়। জানুৱাৰীৰ পৰা আজিলৈকে নিয়মীয়া মাহিলি দৰমহা এটাও সময়মতে পোৱা নাই। তদুপৰি চুক্তিপত্ৰ অনুসৰি প্ৰতিজন কৰ্মচাৰীয়ে মাহিলি ১৫ হেজাৰ টকা পোৱাৰ কথা থাকিলেও বাস্তৱত তেওঁলোকক মাত্ৰ ন হেজাৰ ২৫ টকাহে প্ৰদান কৰা হৈছে। প্ৰতিমাহে প্ৰায় ছহেজাৰ টকা কাটি দিয়া হৈছে বুলি তেওঁলোকে অভিযোগ কৰে। লগতে যোগদানৰ পাছৰ প্ৰথম চাৰি মাহ পিএফৰ ধন কৰ্তন কৰা হৈছিল যদিও যোৱা মে'ৰ পৰা পিএফৰ ধন কৰ্তনেই কৰা হোৱা নাই। ভৱিষ্যতৰ নিৰাপত্তাৰ প্ৰতি কৰ্তৃপক্ষৰ এই আওকাণক লৈও কৰ্মচাৰীসকল ক্ষুব্ধ হৈ পৰিছে। এগৰাকী

## তিনিচুকীয়া চিকিৎসা মহাবিদ্যালয়ত ঠিকাভিত্তিক চতুৰ্থবৰ্গৰ কৰ্মচাৰীৰ কৰ্মবিৰতি-প্ৰতিবাদ

প্ৰতিবাদকাৰী কৰ্মচাৰীয়ে ক্ষোভৰে কয় যে তেওঁলোকে দিনে-ৰাতিয়ে ৰোগীৰ সেৱাত লাগি আছে যদিও ন মাহ হ'ল ঘৰলৈ নিয়মীয়া দৰমহা পঠাব পৰা নাই। ল'ৰা-ছোৱালীৰ স্কুলৰ ফিজৰ পৰা ঘৰৰ বজাৰ সকলো বাকী পৰি আছে। ১৫ হেজাৰৰ ঠাইত ন হেজাৰ দিলেও তেওঁলোকে কাম কৰি আছিল, কিন্তু এতিয়া সেইখিনিও সময়মতে নিদিয়াত বাধ্য হৈ কৰ্মবিৰতিৰ পথ ল'ব লগা হৈছে।
আন এজনে কয় যে বহুবাৰ প্ৰতিষ্ঠানৰ বিষয়াক জাননী দিয়াৰ পাছতো কোনো সমাধান ওলোৱা নাই। কৰ্মবিৰতিৰ মাজেৰে কৰ্মচাৰীসকলে প্ৰতি মাহৰ ১০ তাৰিখৰ ভিতৰত নিয়মীয়া দৰমহা প্ৰদান, চুক্তি অনুসৰি বাকী থকা পাঁচ হেজাৰ ৯৭৫ টকাকৈ প্ৰতিমাহে বকেয়া ধন লগে লগে আদায় আৰু পিএফৰ ধন পুনৰাই কৰ্তন আৰম্ভ কৰি যোৱা মে'ৰ পৰা বকেয়া থকা পিএফ জমা কৰাৰ দাবী জনায়। প্ৰতিবাদৰ শেষত তেওঁলোকে সংবাদ মাধ্যমৰ জৰিয়তে তিনিচুকীয়া চিকিৎসা মহাবিদ্যালয় কৰ্তৃপক্ষ আৰু জিলা প্ৰশাসনক এই বিষয়ত অতি সোনকালে হস্তক্ষেপ কৰি সমস্যা সমাধানৰ আহ্বান জনায়। 'আমি কাম কৰিবলৈ সাজু। কিন্তু পেটত ভাত নাথাকিলে ডিউটি কেনেকৈ কৰিম?' বুলি প্ৰশ্ন কৰে এগৰাকী কৰ্মচাৰীয়ে।

উল্লেখ্য যে ঠিকাভিত্তিক এই কৰ্মচাৰীসকল চিকিৎসা মহাবিদ্যালয়খনৰ চাফা চিকুণ, ৱাৰ্ড ব্যৱস্থাপনা আৰু অন্যান্য সহায়ক কামত নিয়োজিত। তেওঁলোকৰ কৰ্মবিৰতিৰ ফলত আজি দিনৰ ভাগত কিছুমান বিভাগত সেৱাত অলপ প্ৰভাৱ পৰা দেখা গৈছে। এই বিষয়ত মহাবিদ্যালয় কৰ্তৃপক্ষ বা ইন'ভিছন প্ৰতিষ্ঠানৰ তৰফৰ পৰা এতিয়ালৈকে কোনো আনুষ্ঠানিক প্ৰতিক্ৰিয়া প্ৰকাশ কৰা নাই।

# যুৱ সমাজৰ বিকাশৰ বাবে সুকীয়া বিভাগ গঠনৰ যোজা চলাইছো ঃ মুখ্যমন্ত্ৰী

### ৰাজ্যত এনডিএ চৰকাৰৰ তৃতীয় কাৰ্যকালৰ এশ দিন পূৰ্তি

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ২০ আগষ্ট ঃ** যুৱ সমাজৰ সৰ্বাংগীণ বিকাশৰ বাবে ৰাজ্য চৰকাৰে এটা সুকীয়া বিভাগ গঠনৰ যোজা চলাইছে। আজি বিজেপি নেতৃত্বাধীন এনডিএ চৰকাৰৰ ক্ৰমাগত তৃতীয় কাৰ্যকালৰ প্ৰথম এশ দিনৰ পূৰ্তিৰ দিনা এই কথা প্ৰকাশ কৰে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। তেওঁ কয়, 'এনডিএ মিত্ৰজোঁটৰ অসমত তৃতীয়টো সেৱা কালৰ প্ৰথম এশ দিনত নিযুত মইনা, নিযুত বাবু আৰু মুখ্যমন্ত্ৰীৰ জীৱন প্ৰেৰণাৰ আঁচনিৰ জৰিয়তে যুৱ প্ৰজন্মৰ উচ্চাকাংক্ষা আৰু অসমক বাস্তৱ ৰূপ দিয়াত আমি গুৰুত্বপূৰ্ণ পদক্ষেপ গ্ৰহণ কৰিছো। যুৱ সমাজৰ সৰ্বাংগীণ বিকাশৰ বাবে এটা সুকীয়া বিভাগ গঠনৰ বাবেও আমি যোজা চলাইছো।'

# বিদ্যুৎস্পৃষ্ট কৰি বন বিভাগৰ হাতী হত্যা ঃ 'দৈনিক অগ্ৰদূত'ত ফাদিল হৈছিল ঘটনাৰ ৰহস্য

**অগ্ৰদূত বাৰ্তা**
**চামগুৰি, ২০ আগষ্ট ঃ** নগাঁও-চামগুৰিৰ পদুমনি গাঁৱত কালি বন বিভাগৰ এটা হাতীক বিদ্যুৎস্পৃষ্ট কৰি নৃশংসভাৱে হত্যা কৰাৰ ঘটনা সংক্ৰান্তত আজি বন বিভাগে এজন লোকক গ্ৰেপ্তাৰ কৰিছে। ধৃত লোকজনৰ নাম বলোৰাম কুৰ্মী। এই সম্পৰ্কত বন বিভাগৰ সূত্ৰই প্ৰকাশ কৰা অনুসৰি বলোৰামে ইতিমধ্যে এই ঘৃণনীয় কাণ্ড সংঘটিত কৰাৰ কথা স্বীকাৰ কৰিছে। উল্লেখ্য যে আজিৰ সংখ্যাৰ 'দৈনিক অগ্ৰদূত'ত বন বিভাগৰ হাতীটো বিদ্যুৎস্পৃষ্ট হৈ মৃত্যুমুখত পৰাৰ বাতৰি প্ৰকাশ পায়। ইয়াৰ পাছতে তদন্তৰ সময়ত বন বিভাগে ধৃত কুৰ্মীৰ ঘৰৰ চৌহদৰ কাষৰ পৰা কেতবোৰ বিদ্যুৎ পৰিবাহী তাৰো জব্দ কৰে। উল্লেখ্য যে কালি পুৱা বলোৰাম কুৰ্মীৰ ঘৰৰ এজোপা বাঁহ গছৰ তলত প্ৰায় ৩৫ বছৰীয়া প্ৰকাণ্ড মখনা হাতীটোৰ মৃতদেহ উদ্ধাৰ হৈছিল। ঘটনাৰ পাছত বন বিভাগে মৰণোত্তৰ পৰীক্ষা সম্পন্ন কৰোৱাত হাতীটো বিদ্যুৎস্পৃষ্ট হৈ মৃত্যু হোৱা বুলি নিশ্চিত হয়। পদুমনি পামগাঁৱত বনৰীয়া হাতীটো বিদ্যুৎস্পৃষ্ট কৰি হত্যা কৰা বুলি শালনা আঞ্চলিক বন বিষয়াজনে চাফাই পাবলৈ চেষ্টা কৰিলেও এনে ঘটনা ৰোধৰ বাবে কিমান সজাগতাৰ সৃষ্টি কৰিছে তাক লৈ প্ৰশ্ন উত্থাপন হৈছে।

# চাৰি মাহত ২২ টা মৃত্যুদণ্ডৰ ৰায়

### উত্তৰ প্ৰদেশৰ দ্ৰুত আদালতৰ পৰা এশ হত্যাৰ গোচৰৰ বিচাৰ স্থানান্তৰ



**নিউজ ব্যুৰ'**
**মুজাফৰনগৰ, ২০ আগষ্ট ঃ** মাথোঁ চাৰি মাহতে উত্তৰ প্ৰদেশৰ এখন দ্ৰুত আদালতে ২২ টাকৈ মৃত্যুদণ্ডৰ ৰায় দিয়াৰ পাছতে আদালতখনৰ পৰা এশ হত্যাৰ গোচৰ জিলা আৰু সত্ৰ ন্যায়াধীশৰ আদালতলৈ স্থানান্তৰ কৰা হৈছে। বিগত চাৰি মাহত দ্ৰুত আদালতৰ ন্যায়াধীশ ৰবি কুমাৰ দিবাকৰে ১০ টা গোচৰত ২২ জন লোকক মৃত্যুদণ্ডৰে দণ্ডিত কৰে। এই কথা চৰ্চাত থকাৰ পাছতে কালি এক প্ৰশাসনিক নিৰ্দেশযোগে দ্ৰুত আদালতত বিচৰাধীন হৈ থকা এশ হত্যাৰ গোচৰ সত্ৰ ন্যায়াধীশৰ আদালতলৈ স্থানান্তৰ কৰ হয়। আনহাতে এই সম্পৰ্কত চৰকাৰী অধিবক্তা কুলদীপ কুমাৰে কয় যে প্ৰশাসনিক নিৰ্দেশযোগে দ্ৰুত আদালতৰ পৰা এই জঘন্য অপৰাধৰ গোচৰবোৰ সত্ৰ ন্যায়াধীশ বীৰেন্দ্ৰ কুমাৰ সিঙৰ আদালতলৈ স্থানান্তৰ কৰা হৈছে। আনহাতে, এই সম্পৰ্কত জিলা বাৰ এছ'চিয়েছনৰ সভাপতি প্ৰমোদ ত্যাগীয়ে কয় যে ন্যায়াধীশ দিবাকৰৰ আদালতে আৰু মৃত্যুদণ্ডাজ্ঞা জাৰি কৰাত আশংকাত আছিল অধিবক্তা আৰু আবেদনকাৰীসকল।






CMYK